● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

দিগ্‌দৰ্শন



পৰিব বুলি ভয় নাখাব। এয়াই জীৱনৰ শেষ নহয়, বৰঞ্চ কিবা এটা শিকাৰ প্ৰথমটো খোজহে।

জন হেম
আমেৰিকাৰ অভিনেতা

৭ ফ্ৰান্সৰ সংসদত সংখ্যাগৰিষ্ঠতা হেৰুৱালে মেক্ৰঁ'ৰে
১৫ যুৱ ক্ৰিকেটাৰৰ প্ৰদৰ্শনত সন্তুষ্ট প্ৰশিক্ষক দ্ৰাৱিড়
৪ মানৱতাৰ বাবে যোগ ঃ ধাৰণা আৰু পৰ্যালোচনা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৫১তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ৬ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২১ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 21 June 2022 মূল্য ঃ ৯.০০ টকা

প্ৰতিষ্ঠান ধ্বংস-সমাজ ধ্বংস (৩)

■ সঞ্জীৱ সভাপণ্ডিত

হিন্দু ধৰ্মটোৰ বহুত ৰূপ আছে। কিছুমানে ইয়াৰ সনাতনী ৰূপৰ কথা কয়। কিছুমানে যাগ-যজ্ঞ-বিধি-বিধানৰ কথা কয়। কিছুমানে ভক্তি-আৰাধনাৰ কথা কয়। কিছুমানে ইয়াৰ দাৰ্শনিক ৰূপৰ কথা কয়। কিছুমানে নিত্য পৰিৱৰ্তনশীল সংস্কাৰধৰ্মী ৰূপৰ কথা কয়।

এইটোৱেই কিজানি এটা ধৰ্ম, যাৰ ১০ পৃষ্ঠাত চাওক

■ বানৰ মাজতে অভিযুক্তক ধৰিবলৈ গৈ প্ৰাণ হেৰুৱালে সমুজ্জ্বল কাকতি-ৰাজীৱ বৰদলৈয়ে ■ এঘণ্টাৰ পাছত স্থানীয় লোকে জীৱন্তে উদ্ধাৰ কৰিলে সংগী আন দুই কনিষ্টবলক ■ শ্ৰদ্ধা নিবেদন মন্ত্ৰী পীযুষৰ

দুই মৃত আৰক্ষীলৈ শ্ৰদ্ধা জ্ঞাপন মন্ত্ৰী পীযুষ হাজৰিকাৰ।

কৰ্তব্য পালন কৰিবলৈ গৈ অ'চিসহ দুই আৰক্ষীৰ মৃত্যু বাঢ়নী পানীত

বিয়াৰ কথা চলি আছিল ২৯ বছৰীয়া আৰক্ষী বিষয়াৰ ঃ দুই শিশু সন্তান এৰি গ'ল কনিষ্টবলে

বিশেষ সংবাদদাতা

নগাঁও, ২০ জুন ঃ চলিত বৰ্ষৰ দ্বিতীয়টো বানৰ বিভীষিকাৰ মাজতে আজি পুৱতি নিশা নগাঁও জিলাৰ কামপুৰত সংঘটিত হ'ল এক হৃদয়বিদাৰক ঘটনা। কৰ্তব্য সম্পাদন কৰিবলৈ গৈ সলিল সমাধি ঘটে নগাঁও জিলাৰ কামপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সমুজ্জ্বল কাকতি (২৯) আৰু ইউ বি কনিষ্টবল ৰাজীৱ বৰদলৈ (৩৩)ৰ। বান পৰিস্থিতিকো আওকাণ কৰি নিশা প্ৰায় ১-৩০ বজাত ১০ পৃষ্ঠাত চাওক

■ প্ৰতিবাদ-বিক্ষোভ অব্যাহত ■ ভাৰত বন্ধ আহ্বানৰ পৰিপ্ৰেক্ষিতত পাঁচ শতাধিক ৰেলৰ যাত্ৰা বাতিল

অগ্নিপথক লৈ দৃঢ় চৰকাৰ, জুলাইত অনলাইন পঞ্জীয়ন

■ **নিউজ ব্যুৰ'**

নতুন দিল্লী, ২০ জুন ঃ সেনাবাহিনীত নিযুক্তিৰ কেন্দ্ৰীয় চৰকাৰৰ নতুন আঁচনি অগ্নিপথক লৈ চৰকাৰ দৃঢ় হৈ থকাৰ সময়তে কিছুমান সংগঠনে কাইলৈ আহ্বান জনোৱা ভাৰত বন্ধৰ পৰিপ্ৰেক্ষিতত পাঁচ শতাধিক ৰেলৰ যাত্ৰা বাতিল কৰা হয়। প্ৰতিবাদকাৰীসকলে অগ্নিপথৰ বিৰুদ্ধে বিক্ষোভ অব্যাহত ৰখাৰ মাজতে আজি সেনাবাহিনীয়ে আঁচনিৰ জৰিয়তে নিযুক্তিৰ বাবে জাননী জাৰি কৰে। এই জাননী অনুসৰি অহা জুলাইৰ পৰা আৰম্ভ হ'ব অনলাইন পঞ্জীয়ন।

প্ৰতিবাদকাৰীসকলৰ স'তে সংহতি প্ৰকাশ কৰি কংগ্ৰেছ নেতৃবৰ্গই আজি দিল্লীত যন্তৰ-মন্তৰত সত্যাগ্ৰহ কৰে। একাংশ যুৱ কংগ্ৰেছীয়ে দিল্লীৰ কণাট প্লেচৰ ৰেল আস্থানত ৰেল অৱৰোধৰ পাছত তেওঁলোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। দিল্লীৰ ঠায়ে ঠায়ে ১০ পৃষ্ঠাত চাওক

■ মৃত্যুৰ তালিকাত পাঁচ বছৰৰ শীৰ্ষত মৰিগাঁও জিলা ■ জিলাখনত ছবছৰত ৯৮ জনৰ মৃত্যু
■ ধুবুৰী-বৰপেটা-ধেমাজি জিলাতো অৰ্ধশতাধিকৰ মৃত্যু ■ শ্লʼগানতে আবদ্ধ বানপানীমুক্ত অসম

ৰাষ্ট্ৰীয় সমস্যা ঘোষণাৰ দাবী অৰণ্যৰোদন

প্ৰলয়ংকৰী বানপানীত ৰাজ্যত আঠ বছৰত কমেও ৬২২জনৰ মৃত্যু

■ ৰণ্টু নেওগ

গুৱাহাটী, ২০ জুন ঃ গ্ল'বেল ৱাৰ্মিঙৰ প্ৰভাৱত ৰুষ্ট হৈ পৰিছে প্ৰকৃতি। অসমতো বানপানী-গৰাখহনীয়াই চলোৱা তাণ্ডৱত প্ৰতিবছৰে অগণন পৰিয়াল ক্ষতিগ্ৰস্ত হৈ আহিছে। বিশেষকৈ বছৰৰ ছটা মাহেই ৰাজ্যৰ গৰিষ্ঠসংখ্যক জিলাত বানপানীয়ে সংঘটিত কৰা ধ্বংসলীলাই সকলো দিশতে সমস্যাৰ সৃষ্টি কৰি আহিছে। দীৰ্ঘসময় ধৰি এই সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে গ্ৰহণৰ দাবী উত্থাপন হৈ আহিছে যদিও ই অৰণ্য ৰোদনতহে পৰিণত হৈছে। তাৰ মাজতে ২০১৪ৰ লোকসভাৰ নিৰ্বাচনত বিজেপিয়ে বানমুক্ত অসমৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও আজিকোপতি অসমৰ বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ আছে। বানমুক্ত অসমৰ শ্ল'গান দিয়া বিজেপি চৰকাৰ তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আঠ বছৰীয়াৰ কাৰ্যকালত ৰাজ্যত ৬২২ জন লোকে বানপানীত ১০ পৃষ্ঠাত চাওক

বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ দ্বাৰা আগবঢ়োৱা ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক বঁটাপ্ৰাপকসকলৰ স'তে মুখ্যমন্ত্ৰী, ডিব্ৰুগড়ত সোমবাৰে।

ন্যায়ালয়ে ১৬ বছৰীয়া মুছলিম কন্যাৰ বিবাহ বাহাল ৰাখিলে, সুৰক্ষাও দিলে

■ **নিউজ ব্যুৰ'**

পাঠানকোট (পাঞ্জাৱ), ২০ জুন ঃ এক মুছলমান দম্পতীক সুৰক্ষা দিলে আদালতে। তুমুল চৰ্চিত এই ঘটনাত ক্ৰমে ১৬ আৰু ২১ বছৰীয়া দম্পতীক সুৰক্ষা দিলে পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে। দম্পতীয়ে আদালতত আবেদন জনায় যে তেওঁলোকে পৰিয়ালৰ ইচ্ছাৰ বিৰুদ্ধে বিবাহ পাশত আৱদ্ধ হোৱাৰ বাবে জীৱন আৰু সম্পত্তি গভীৰভাৱে বিপদাপন্ন হৈছে। ১০ পৃষ্ঠাত চাওক

বানাক্ৰান্তৰ সংখ্যা ৫০ লাখলৈ বৃদ্ধি ■ পৰিস্থিতি জটিল ঃ উদ্ধাৰত সেনা নিয়োগ ■ বৰপেটা-দৰং-নলবাৰী-নগাঁৱত সৰ্বাধিক পথ ক্ষতিগ্ৰস্ত

প্ৰলয়ংকৰী বানপানীত ১৯ জিলাৰ ৩৪৯ টাকৈ পথৰ বিস্তৰ ক্ষতিসাধন

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২০ জুন ঃ বছৰৰ দ্বিতীয়টো বানে ৰাজ্যৰ পথ যোগাযোগ ব্যৱস্থালৈ আনিছে বৃহৎ প্ৰত্যাহ্বান। আজিও ৩২ খন জিলাত আহাৰৰ এই বানে তাণ্ডৱ ৰূপ ধাৰণ কৰি আছে। ফলত দৈনিক সকলো ধৰণৰ ক্ষয়-ক্ষতিৰ পৰিমাণ বৃদ্ধি হৈছে। ইয়াৰ মাজতে পোহৰলৈ অহা তথ্য অনুসৰি, বানৰ প্ৰকোপত এই ১০ পৃষ্ঠাত চাওক

■ কে'বাগৰাকী বিশিষ্ট ব্যক্তিলৈ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন বঁটা প্ৰদান মুখ্যমন্ত্ৰীৰ

ৰাভাৰ শৈল্পিক প্ৰতিভা স্বমহিমাৰে মণ্ডিত

বিশেষ সম্বাদদাতা

ডিব্ৰুগড়, ২০ জুন ঃ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত ডিব্ৰুগড়ৰ চৌকিডিংগী খেলপথাৰত আজি অনুষ্ঠিত ২০২২ বৰ্ষৰ বিষ্ণু ৰাভা দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক-সাংস্কৃতিক আৰু সাহিত্য ক্ষেত্ৰত দেশ তথা ৰাজ্যক গৌৰৱান্বিত কৰা কে'বাগৰাকী বিশিষ্ট ব্যক্তিক অসম চৰকাৰে প্ৰৱৰ্তন কৰা কেইবাটাও গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰে। এই বঁটা সমূহৰ ভিতৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই ড° অনুংলা আয়াৰক ৰাষ্ট্ৰীয় পৰ্যায়ৰ ২০২১ বৰ্ষৰ কালিচৰণ ব্ৰহ্ম বঁটা, ড° নৰেন কলিতাক ৰাষ্ট্ৰীয় পৰ্যায়ৰ ২০২১ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ বঁটা আৰু ড° অমলেন্দু ভট্টাচাৰ্যক ৰাষ্ট্ৰীয় পৰ্যায়ৰ ২০২১ বৰ্ষৰ আজান পীৰ বঁটা প্ৰদান কৰে। আনহাতে, মুখ্যমন্ত্ৰীয়ে ২০২২ বৰ্ষৰ ৰাজ্যিক পৰ্যায়ৰ বিষ্ণু ৰাভা বঁটা চন্দ্ৰকমল গগৈ আৰু শাৰদী শইকীয়াক প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ২০২১ বৰ্ষৰ বাবে ১০ পৃষ্ঠাত চাওক

বন্ধৰ আহ্বান নজনোৱাকৈয়ে প্ৰত্যাহাৰ কৰিবলৈ চিপিএমক নিৰ্দেশ আৰক্ষীৰ

স্বেচ্ছাচাৰী শাসন-আইন বহিৰ্ভূত কাৰ্য ঃ তালুকদাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২০ জুন ঃ 'অগ্নিপথ' আঁচনিৰ বিৰুদ্ধে দেশজুৰি প্ৰতিবাদৰ জোৱাৰ উঠাৰ সময়তে মহানগৰ আৰক্ষীয়ে চিপিআই(এম)ৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰা এখন জাননীয়ে ব্যাপক চৰ্চা লাভ কৰিছে। 'অগ্নিপথ' আঁচনিক চিপিএমে বিৰুদ্ধাচৰণ কৰিছে যদিও কোনো প্ৰতিবাদী কাৰ্য ঘোষণা নকৰাকৈ ১০ পৃষ্ঠাত চাওক

■ ৰোগ প্ৰতিৰোধৰ বাবে প্ৰতিটো ৰাজহ চক্ৰতে চিকিৎসা শিবিৰ স্থাপনৰ নিৰ্দেশ

উদ্ধাৰ-সাহায্য অভিযান তীব্ৰতৰ কৰিবলৈ উপায়ুক্তক নিৰ্দেশ দিলে মুখ্যমন্ত্ৰীয়ে

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২০ জুন ঃ বান ক্ষতিগ্ৰস্ত জিলাসমূহৰ উপায়ুক্তসকলক সাহায্য আৰু উদ্ধাৰ অভিযান ক্ষিপ্ৰতৰ কৰি তুলিবলৈ নিৰ্দেশ দিলে মুখ্যমন্ত্ৰীয়ে। ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ পৰ্যালোচনাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত তেওঁৰ সভাকক্ষৰ পৰা উপায়ুক্তসকলৰ স'তে ভিডিঅ' কনফাৰেন্সযোগে এক বৈঠকত মিলিত হয়। এই বৈঠকত উপায়ুক্তসকলে জিলাসমূহত হোৱা বানপানীৰ ক্ষয়-ক্ষতি, উদ্ধাৰ-সাহায্য অভিযান ইত্যাদি বিষয়সমূহৰ ক্ষেত্ৰত ১০ পৃষ্ঠাত চাওক

মিছামাৰীত জাহ গ'ল জলসম্পদৰ কোটিটকীয়া আঁচনি ঃ সেনা ছাউনিলৈ ভাবুকি

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ২০ জুন ঃ শোণিতপুৰত বেলশিৰি নৈৰ খহনীয়াই সংহাৰী ৰূপ ধাৰণ কৰিছে। বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলত ইতিমধ্যে বহুকেইটা পথ আৰু কালভাৰ্ট ছিগি পেলোৱা এই বান আৰু খহনীয়াৰ ফলত গৰুডোবা আৰু ছয় পৃষ্ঠাত চাওক

■ পানীত উটি যোৱা লোকৰ মৃতদেহ উদ্ধাৰ তেজপুৰ-কৃষ্ণাই-দলগাঁও-দুমুনিচকী-কলিয়াবৰ-ৰঙিয়াত ■ তামুলপুৰতো সলিল সমাধি

বানবিধ্বস্ত ৰাজ্যত চৌদিশে মৃত্যুৰ কিৰিলি, সাতজনৰ মৃতদেহ উদ্ধাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা

তেজপুৰ/তামুলপুৰ/কৃষ্ণাই/দলগাঁও/দুমুনিচকী/কলিয়াবৰ/ৰঙিয়া/ হোজাই, ২০ জুন ঃ ৰাজ্যত বান পৰিস্থিতিৰ বিভীষিকাৰ মাজতে অব্যাহত আছে মৃত্যুৰ কিৰিলি। প্ৰতিদিনেই অব্যাহত আছে বানত উটি যোৱাৰ ঘটনা। নগাঁও জিলাৰ কামপুৰত দুজন আৰক্ষীৰ মৃত্যুৰ মৰ্মান্তিক ঘটনাৰ সময়তে আজি পুনৰ এজন লোক পানীত উটি যোৱাৰ সমান্তৰালকৈ কে'বাটাও মৃতদেহ উদ্ধাৰ হয়। তামুলপুৰত আজি এজন লোক বাঢ়নী পানীত উটি যায়। সেইদৰে বাঢ়নী পানীত উটি যোৱাৰ পাছত আজি তেজপুৰ, কৃষ্ণাই, দলগাঁও, দুমুনিচকী, কলিয়াবৰ, হোজাই আৰু ৰঙিয়াত সাতটাকৈ মৃতদেহ উদ্ধাৰ হয়।

তামুলপুৰ জিলাৰ অন্তৰ্গত সৌৰাগুৰিত বাঢ়নী পানীত উটি গৈ এজন মেধাৱী ছাত্ৰৰ মৃত্যু হোৱাৰ দুদিন পাছতেই তামুলপুৰ জিলাৰ দক্ষিণ ডোঙাৰ গাঁৱত সংঘটিত হ'ল আন এক অঘটন। দক্ষিণ ডোঙাৰগাঁৱৰ মাজেৰে বৈ যোৱা ছয় পৃষ্ঠাত চাওক

বাসুগাঁৱত পিষ্টল দেখুৱাই তিনি সন্তানৰ মাতৃক ধৰ্ষণৰ অভিযোগ

গণপ্ৰহাৰত গুৰুতৰভাৱে আহত হ'ল অভিযুক্ত

অগ্ৰদূত বাৰ্তা

কাজলগাঁও/গৰুভাষা, ২০ জুন ঃ চিৰাং জিলাৰ বাসুগাঁৱত সংঘটিত হৈছে এক ধৰ্ষণৰ ঘটনা। এই ঘটনাৰ পাছতে উত্তেজিত লোকৰ গণপ্ৰহাৰত গুৰুতৰভাৱে আহত হ'ল ধৰ্ষণত ছয় পৃষ্ঠাত চাওক



তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	২৯°	২৪°
ডিব্ৰুগড়	২৯°	২৪°
দিল্লী	৩২°	২৬°
কলকাতা	৩২°	২৭°
মুম্বাই	২৮°	২৭°
চেন্নাই	৩৪°	২৭°
বাংগালুৰু	২৭°	২০°
শ্বিলং	২২°	১৮°

২০ জুন, ২০২২

চেঙা তেল



বাৰে বাৰে দল সলনি কৰা বাবে মুখখনো যে কিমানবাৰ পালিচ কৰিবলগীয়া হৈছে!

কামাখ্যা ষ্টেচনৰ পৰা কামাখ্যালৈ যান-বাহন চলাচলত নিষেধাজ্ঞা

অনুষ্টুপীয়া আয়োজনৰ মাজতে ১০ লাখ ভক্তক আদৰিবলৈ সাজু অম্বুবাচী

মন্দিৰলৈ যাত্ৰাপথত খাদ্য যোগান নিষিদ্ধ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২০ জুন ঃ অহা ২২ জুনৰ পৰা শক্তিপীঠ কামাখ্যা দেৱালয়ত আৰম্ভ হ'ব মহা অম্বুবাচী মেলা। ক'ভিড-১৯ মহামাৰীৰ ফলত যোৱা দুবছৰ ভক্তবিহীনভাৱে অনুষ্ঠিত এই ধৰ্মীয় অনুষ্ঠান এইবাৰো অনুষ্টুপীয়াকৈ আয়োজন কৰা হৈছে যদিও ১০ লাখ ভক্তক আদৰিবলৈ জিলা প্ৰশাসন সাজু বুলি সদৰী কৰিছে কামৰূপ মহানগৰৰ উপায়ুক্ত পল্লৱ গোপাল ঝাই। আজি নিজ কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত ঝাই এক সংবাদমেলত স্বচ্ছতাক মূল আধাৰৰূপে লৈ এইবাৰ কামাখ্যা ধামত ছয় পৃষ্ঠাত চাওক

দৰঙত বন্যাৰ্তৰ আৰ্তনাদ ঃ পাঁচদিনে নাপালে এটুপি খোৱাপানী

মঙলদৈত বানৰ কবলত প্ৰাণ হেৰুৱালে প্ৰাক্তন বেংক কৰ্মচাৰীয়ে

বিশেষ সম্বাদদাতা/অগ্ৰদূত বাৰ্তা

মঙলদৈ, ২০ জুন ঃ বিগত পাঁচ দিনৰ পৰা সৰ্বনাশী বানত দৰং জিলাৰ অধিকাংশ অঞ্চলত ধ্বংসলীলা চলাৰ পৰিণতিত এতিয়াও সৰ্বত্ৰে হা-হুমুনিয়াহে বিৰাজ কৰি আছে। পাঁচদিনে কক্‌বকাই থকা লোকৰ মুখত কেৱল এটাই কথা যে প্ৰশাসনে তেওঁলোকক সাহায্য দিয়া নাই। যোৱা ১৮ জুনত মুখ্যমন্ত্ৰীয়ে জিলাখনৰ দুটা ছিগা মথাউৰি পৰিদৰ্শন কৰি ছয় পৃষ্ঠাত চাওক

■ ৰাজ্যপাল মুখীৰ উপস্থিতিত কাৰ্বি পৰিষদৰ শপত বাক্য পাঠ ■ পৰৱৰ্তী বৈঠকত মুখ্য কাৰ্যবাহী সদস্য নিৰ্বাচিত কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

তাৰালাংছ'ত পৰম্পৰাগত সাজ-পাৰ পৰিহিত ২৬ পাৰিষদৰ শপত গ্ৰহণ

অগ্ৰদূত বাৰ্তা

ডংকামোকাম, ২০ জুন ঃ কাৰ্বি আংলং জিলা স্বায়ত্ত পৰিষদৰ ত্ৰয়োদশ নিৰ্বাচনত বিজয়ী হোৱা নিৰ্বাচিত সদস্যসকলৰ আজি ডিফুস্থিত তাৰালাংছ' সাংস্কৃতিক প্ৰকল্পৰ প্ৰাংগণত শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন হয়। পূব কাৰ্বি আংলং জিলাৰ ১৭টা আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ নটা পৰিষদীয় সমষ্টিৰ মুঠ ২৬জন নিৰ্বাচিত সদস্যই ৰাজ্যপাল জগদীশ মুখী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত শপত গ্ৰহণ কৰে। কাৰ্বি, ডিমাচা, বড়ো, তিৱা আৰু অসমীয়া ভাষাৰে নৱ নিৰ্বাচিত সদস্য-সদস্যাই শপত বাক্য পাঠ কৰে। আজিৰ এই অনুষ্ঠানত কাৰ্বি ৰজা ৰামছিং ৰংহাঙৰ উপৰি কাৰ্বি ৰাজ দৰবাৰৰ বিষয়ববীয়াসকলৰ লগতে পদ্মশ্ৰী ৰংবং তেৰাং, পদ্মশ্ৰী ধনেশ্বৰ ইংতি, কাৰ্বি কালছাৰেল ছ'চাইটীৰ সভাপতি চন্দ্ৰচিং ক্ৰ' আদি উপস্থিত থাকে। শপত গ্ৰহণ অনুষ্ঠানৰ শেষত মুখ্যমন্ত্ৰী ড° শৰ্মাই সাংবাদিকৰে হোৱা ছয় পৃষ্ঠাত চাওক

শংকৰদেৱ নগৰত পথ দুৰ্ঘটনাত দুগৰাকী স্কুলীয়া ছাত্ৰী আহত

অগ্ৰদূত বাৰ্তা

লংকা, ২০ জুন ঃ হোজাই জিলাৰ সদৰ স্থান শংকৰদেৱ নগৰত আজি বিদ্যালয়লৈ যোৱা দুগৰাকী পঞ্চম শ্ৰেণীৰ ছাত্ৰীক বিপৰীত দিশৰ পৰা ভুল পথৰে আহি এখন বাহনে খুন্দিওৱাত ছাত্ৰী দুগৰাকী গুৰুতৰভাৱে আহত হয়। শংকৰদেৱ নগৰ প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী পূজা চাহু আৰু দীপালী চাহু বিদ্যালয়লৈ যোৱাৰ পথতে ওলোটা দিশে অহা এ এছ-০২ বি চি ১১৪৭ নম্বৰৰ কাঠৰ ফাৰ্ণিচাৰ কঢ়িয়াই নিয়া মেজিক বাহনে খুন্দা মৰাত গুৰুতৰভাৱে আহত হয়। ঘটনা সংঘটিত কৰাৰ লগে লগে অঞ্চলটোৰ স্থানীয় লোক ওলাই আহি ছাত্ৰী দুগৰাকীক জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইফালে, উপস্থিত হোৱা উত্তেজিত ৰাইজে চালক তথা গাড়ীখনৰ লগত থকা যানবাহন গৃহৰক্ষী জোৱানজনক উত্তম-মধ্যম দিয়ে। শংকৰদেৱ নগৰৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে আৰু দুৰ্ঘটনা সংঘটিত কৰা মেজিক গাড়ীসহ চালক তথা যানবাহন শাখাৰ গৃহৰক্ষী জোৱানজনকো আৰক্ষী থানালৈ আনে।

উপাৰ্জন

বাইক চলাওক উপাৰ্জন কৰক। মাহে ৩০,০০০/- পৰ্যন্ত উপাৰ্জন কৰাৰ সুযোগ। প্ৰয়োজন- এখন মটৰ চাইকেল/স্কুটাৰ, আৰচি, ড্ৰাইভিং লাইচেন্স, পেন/আধাৰ, এনড্ৰইড ফোন।
যোগাযোগ- ০১৪১৪৯৩৭৪৯১

ASTROLOGY/জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ **ৰত্নসাগৰ**
জ্যোতিষ, বাস্তু, তন্ত্ৰৰ দ্বাৰা আপুনি নিজে নোকোৰাকৈ জানক আপোনাৰ ভূত, ভৱিষ্যৎ, বৰ্তমান ও সকলো সমস্যাৰ ১০০% গেৰাণ্টীযুক্ত সমাধান, বিধান, প্ৰতিকাৰ কৰা হয়।
জ্যোতিষ, বাস্তু, তন্ত্ৰ সম্ৰাট
ড° ত্ৰিকাল ৰাজগুৰু
কুঁৱৰীটোল ঃ কলিয়াবৰ, নগাঁও
(M) 9954021556, 9957066469.

EXPRESSION OF INTEREST (EOI)

Brief

Name of the work	Provisioning of 27 DRL workers (skilled, semi skilled and non skilled) to maintain, upkeep and security of Sainik Rest Houses in Assam. The DRL workers would be required for the purpose with effect from 01 Oct 2022 to 31 Mar 2023.
Location of the workplace	Guwahati, Dhubri, Diphu, Cachar, Mangaldoi, Jorhat and Haflong.
Name of Authority	Directorate of Sainik Welfare, Assam
Eligibility of Society/ Service Provider	A society having experience in providing skilled (Electrician), semi skilled (Gardener) and unskilled manpower of Daily Wages rate of Govt of Assam.
Last Date of Submission of EOI	30 Jun 2022
Email	[illegible]@gmail.com
Selection Process	Stage 1 : Expression of Interest (EOI) Stage 2 : Bid proposal submission
Contents of the EOI	1. Cover Letter 2. Description of the Lead Applicant 3. Details of Representative from Applicant/Lead Member of Consortium 4. Technical Credentials of the Applicant and/or consortium 5. Financial Credentials of the Applicant and/or consortium 6. Scope of Work 7. Service charge should not be less than 2% and same should be mentioned clearly in (%) percentage not in amount. 8. GST should be calculated in Basic + service charge not others like ESI, EPF etc. 9. Incompleted tender paper will be rejected without any information/correspondence
Date of opening of Tender Documents	01 Jul 2022 at 1100 hrs at Directorate of Sainik welfare, Assam.

Note : This Directorate will not be responsible to resolve any court case against the employer (Service Agencies) regarding payment of wages.

For further detailed information please visit our website : directoratesainikwelfare.assam.gov.in

Director
Directorate of Sainik Welfare Assam, Guwahati

Expression of interest (EOI)

Brief

Name of the work	Provisioning of 14 DRL Workers (Highly Skilled, Skilled, Semi Skilled and Unskilled) [illegible] Dighalipukhuri, Guwahati. The DRL workers would be required for the purpose with effect from 01 Oct 2022 to 31 Mar 2023.
Location of the workplace	Dighalipukhuri, Guwahati
Name of Authority	Directorate of Sainik welfare, Assam
Eligibility of Society/ Service Provider	[illegible] manpower of Daily Wages rate of Govt of Assam.
Last Date for Submission of EOI	30 Jun 2022
Email	[illegible]
Selection Process	Stage 1 : Expression of Interest (EOI) Stage 2 : [illegible]
Contents of the EOI	1. Cover Letter 2. Description of the Lead Applicant 3. Details of Representative from Applicant/Lead Member of Consortium 4. Technical credentials of the Applicant and/or consortium 5. Financial Credentials of the Applicant and/or consortium 6. Scope of work
Date of Opening of Tender Documents	01 Jul 2022 at 1100 AM.

For further detailed information please visit our website: directoratesainikwelfare.assam.gov.in

Director
Directorate of Sainik Welfare Assam, Guwahati

Janasanyog/C/5094/22

জ্যোতিষী

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ **Guarantee** সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।
আচাৰ্য ডি শৰ্মা
(M) 6003992423, 8099336044.

AFFIDAVIT

I, Mukesh Kumar Jain, aged about 45 years, son of Shri Padam Chand Jain, permanent resident of Flat No. 201, Sidharth Residency, M.D. Shah Road, Jain Gali, Paltan Bazar, Guwahati in the district of Kamrup (M) Assam- 781001, have changed my name to MUKESH KUMAR JAIN instead of MUKESH JAIN for all future purposes and therefore, both the names as above are the names of one and the same person.

AFFIDAVIT

I, IMDADUL SHEIKH, S/O-Lt Palan Sheikh, residing at Vill-Jiyaguri, P.O- Rainadabri, P.S & Dist-Kokrajhar (Assam) declare that my actual and correct name is IMDADUL SHEIKH which is recorded in my Aadhaar Card No. 441974315781 and other relevant documents. But in my bank passbook A/C no. 4598 Allahabad Bank Bhotgaon Branch my name is wrongly recorded as IMTAJUL SK instead of IMDADUL SHEIKH, so, my actual and correct name is IMDADUL SHEIKH by an affidavit before judicial Magistrate, Kokrajhar on 20/06/2022.

GOVT. OF ASSAM
DIRECTORATE OF AGRICULTURE
KRISHI BHAWAN: KHANAPARA: GUWAHATI-22

NOTICE

Ref No: Agri/NMSA/SHM/Tender/ 2018-19/21/

The Director of Agriculture, Assam invites sealed tenders from eligible Manufacturer/Authorized Dealer for supply of **Group (A): Laboratory Chemicals Group (B): Laboratory Glassware & Consumables** for Soil Testing Laboratories under Dept of Agriculture, Assam. The detailed bid document is available on the official website https://assamtenders.gov.in/. The last date and time for submission of bid is **3:00 P.M. on 04/07/2022.**

Sd/-
Director of Agriculture, Assam
Khanapara, Guwahati-22

Janasanyog/CF/1059/22

NIT NO- Agri/Engg/4210/Soil Testing/Renovn./Ph-II/2019-20/241

PRESS NOTICE

The Director of Agriculture, Assam, invites fresh bids with Bid Price of Rs.1,48,90,700.00 (Rupees One Crore Forty Eight Lakh Ninety Thousand Seven Hundred) Only for the work stated in the table below with a validity of 90 (Ninety) days from the date of opening of the bids from registered Contractor/Firm/ Pvt. Limited Co. of Agriculture Department & APWD (Bld). Details of the bids and Detail Notice Inviting Bid vide NIT NO- Agri/Engg/4210/Soil Testing/Renovn./Ph-II/2019-20/241 Dated 09/06/2022 may be seen in the portal **assamtenders.gov.in**. The Bidders must be registered with the E-tendering system (ETS) of the Govt. of Assam. (Website: http://www.assamtenders.gov.in).All terms and conditions will be as per the Bidding Documents.

Sl.	Name of work.	Estimated value of work (in Rs.)	Bid security (in Rs)		Cost of document in Rs.	Period of completion in days
			For Gen	For SC/ST/OBC/ MOBC*		
1	Construction of Soil Testing Quality Control & Input Testing (STQC&IT) Laboratory at Diphu, Dist-Karbi Anglong	Rs.1,48,90,700.00 (Rupees One Crore Forty Eight Lakh Ninety Thousand Seven Hundred) Only	Rs.2,97,814/-	Rs.1,48,907/-	Rs. 3,000/-	270 days

* Bidder must submit proof of their belonging to SC/ST/OBC/MOBC from the authorised authorities.
The Press Notice will be a part of the Bidding Documents.

Sd/-
Director of Agriculture
Assam, Khanapara, Guwahati-22

Janasanyog/CF/1054/22

पंजाब नैशनल बैंक punjab national bank

[illegible]

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

৬ আহাৰ মঙলবাৰ ২১ জুন’

সূৰ্যোদয় ঃ ঘঃ ৪।৩৪।২৮, **সূৰ্যাস্ত ঃ** ঘঃ ৬।১৪।১০। **তিথি ঃ** কৃষ্ণা অষ্টমী, দং ৫১।৩১।৩৮ ৰাঘঃ ১।১১।৭। **নক্ষত্ৰ ঃ** পূৰ্বভাদ্ৰপদ, দং ১৩।১৩।২৪ ঘঃ ৯।৫১।৫০। **যোগ ঃ** আয়ুষ্মান, দং ১৮।৫৭।৫০ ঘঃ ১২।৯।৩৬। **কৰণ ঃ** বালৱ। **জন্মত ঃ** মীনৰাশি, বিপ্ৰবৰ্ণ, মনুষ্যগণ, মনুষ্যৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী ৰাহু, বিংশোত্তৰী বৃহস্পতিৰ দশা, ঘঃ ৯।৫১।৫০ যোৱাত গৰুৰ অস্থি, অষ্টোত্তৰী শুক্ৰ, বিংশোত্তৰী শনিৰ দশা। **আদ্যঋতু হ’লে ঃ** ১২ দিনীয়া দুৰ্ভগা যোগ। **মৰণত দোষ ঃ** ত্ৰিপদ, ঘঃ ৯।৫১।৫০ যোৱাত এপদ। **যোগিনী ঃ** ঈশানকোনত, ৰাঘঃ ১।১১।৭ যোৱাত পূৱত। **যাত্ৰা ঃ** নাই, তিথ্যাদি দোষ, ৰাঘঃ ১।১১।৭ যোৱাত ৰিক্তাদি দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** নাৰিকল ৰাঘঃ ১।১১।৭ যোৱাতলাও খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ মনৰ স্থিৰ ৰখাৰ দৰকাৰ হ’ব। অনাহক হ’লেও মনবিৰোধী কথাত খং উঠিব পাৰে। ভবা মতে কামত অগ্ৰসৰ হ’ব। শুভ বৰ্ণ মেৰুণ। মেৰুণ ৰং ব্যৱহাৰ কৰিব। শুভ সংখ্যা-২।

বৃষ ঃ চোৰৰ পৰা সাৱধানে থাকক। মুক্তভাৱে ধন নাৰাখিব। বিদ্যাত মধ্যম। মন চঞ্চল থাকিব। শুভ বৰ্ণ গাঢ় নীলা। এই ৰঙৰ ব্যৱহাৰে আপোনাৰ সফলতা আনিব। শুভ সংখ্যা-৪।

মিথুন ঃ ভ্ৰমণাদি পৰাপক্ষত স্থগিত ৰাখক। শাৰীৰিক প্ৰতিও নজৰ ৰাখিব লাগিব। আত্মীয়ক লৈ উদ্বেগৰ কাৰক। শুভ বৰ্ণ চকলেট ৰং। আজি নিৰামিষ আহাৰ গ্ৰহণ কৰিব। শুভ সংখ্যা-৫।

কৰ্কট ঃ মজলীয়া দিন। অৱশ্যে তাৰ মাজতে দুই-এটা যোগাযোগত আনন্দিত হ’ব। আজি আপোনাৰ শুভ বৰ্ণ হালধীয়া। হালধীয়া ৰং ব্যৱহাৰ কৰিব। শুভ সংখ্যা-১।

সিংহ ঃ আনৰ কথাত উঠা-বহা কৰা সকল সাৱধান থাকক। আজি আপুনি পুৱা বেলগছত পানী ঢালিব। শুভ বৰ্ণ সেউজীয়া। শুভ সংখ্যা-৩।

কন্যা ঃ বিষয় সম্পত্তিৰ লগত লাগি থকা সকল উপকৃত হ’ব। কিছুমান পাৰিবেশিক বাধাৰ বাবে দৃঢ় পদক্ষেপ লোৱাটো টান হ’ব। শুভ বৰ্ণ বগা। বগা ৰং ব্যৱহাৰ কৰিব। শুভ সংখ্যা-৬।

তুলা ঃ দূৰ যাত্ৰাদিত বাধা থাকিব। অনাহক কথা বুলি নজনাৰ বাবে মতান্তৰৰ মাজত সোমাই পৰিব। নতুন সংযোগ আছে। আপুনি আজি কমলা ৰং ব্যৱহাৰ কৰিব। শুভ সংখ্যা-২।

বৃশ্চিক ঃ আনন্দিত সংবাদ বুলি জানিও নিশ্চিত নহ’ব। শৰীৰ সম্পৰ্কে সচেতন ব্যক্তিৰ চিন্তা কম। আপুনি আজি ৰঙা ৰং ব্যৱহাৰ কৰিব। শুভ সংখ্যা-৮।

ধনু ঃ অভাৱনীয় কথাত খৰচৰ পথ ওলাব। নকৰো বুলি বা নিদিও বুলি ভবা কথাকো ৰাখিব নোৱাৰিব। আপোনাৰ শুভ বৰ্ণ পাতল সেউজীয়া। সেউজীয়া ৰং ব্যৱহাৰ কৰিব। শুভ সংখ্যা-৭।

মকৰ ঃ কথা ব্যৱহাৰত সংযত থাকক। ঘৰুৱাত সিমান বেয়া নহয়। বিদ্যাৰ্থীসকলে আজি ৰাতিপুৱা তুলসীৰ তলত পানী ঢালিব। দুখীয়াক দান কৰিব। শুভ বৰ্ণ গোলপীয়া। শুভ সংখ্যা-৯।

কুম্ভ ঃ উন্নত পৰিৱেশ। ঘৰুৱা মনোমত পৰিৱেশ আশা কৰিব পাৰে। সন্তানৰ সান্নিধ্যত উৎসাহিত। আপুনি আজি ক’লা ৰঙৰ পৰা বিৰত থাকক। শুভ সংখ্যা-২।

মীন ঃ কিছুমান নতুন দায়িত্ব মূৰত পৰাৰ সম্ভাৱনা। আজি আপুনি যাত্ৰা কৰোতে মাণিবগেত তিনিটা তুলসীৰ পাত ল’ব। ক্ৰীম ৰঙৰ কাপোৰ ব্যৱহাৰ কৰিব। শুভ সংখ্যা-৬।

শব্দ-ৰেখ ঃ ২১ জুন ২০২২



[illegible]

উত্তৰ অহা সংখ্যাত

[illegible]

[illegible]

SHORT NOTICE INVITING TENDER (SNIT)

Tender No. [illegible] 2022-23

The office of the Block Dev. Officer, [illegible] T. Dev. Block, [illegible] invite bids for the work under 15th FC for the year 2022-23 in Bid system [illegible] Building) as details below.

Sl. No.	Name of the work	Bid Value in (Rs.)	Earnest Money/Bid Security (in Rs.)		Cost of Bid	Period of completion
			General category	Reserved category		
1.	Improvement of road with [illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]

Detail NIT may be seen in all working days during office hours in the office of the undersigned. [illegible] on the next working day.

1. Date of issue of Bid Document : [illegible]
2. Last date & time of submission of Bid Document : [illegible] upto [illegible] PM
3. Date of opening of Bid : [illegible] at 2.30 PM

Sd/-
Block Dev. Officer
[illegible] T.D. Block

[illegible]

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২১ জুন, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

বিল্যসনন্দন চ'ৰা

আৰু বান নহয়

আখামৰ বানপানীক লৈ হঠাতে চিন্তাত বুৰ গ'ল দিল্লীৰ বাদশ্বাহ। এইকেইদিন বাদশ্বাহে চিন্তা কৰিবলৈ টাইমেই পোৱা নাছিল। অগ্নিপথত এনে অগ্নি লাগিছে নহয়, আজিলৈকে সেয়া নিৰ্বাপিতই কৰিব পৰা নাই। ছেলছমেনৰ দৰে বেলেগ কিবাকিবি অফাৰ দিহে কোনোমতে অগ্নিপথৰ অগ্নিখিনিক সাধাৰণভাৱে কমাই ৰখা হৈছে। ইপিনে, জুই আৰু আখামৰ ফালে পানী। আগেয়ে আখামত বানপানী হ'লে আৰু দিল্লীৰ পৰা কোনেও চাবলৈ নাহিলে বৰকৈ হাল্লা হৈছিল। বিহাৰৰ বান চাবলৈ যাব পাৰে, আখামৰ বান চাবলৈ আহিবলৈহে টাইম নাই, আখামক এতিয়াও মাহী আইৰ চকুৰেই চাই আছে, সেই কাৰণে দিল্লীৰ পৰা এজনো অহা নাই। এইবোৰ আছিল কমন কমপ্লেইন। এইবাৰ ইমান বান হৈছে, দিল্লীৰ পৰা কোনো অহা নাই। তথাপি কাৰো একো কমপ্লেইন নাই। কমপ্লেইন কৰিলেই দেছদ্ৰোহী হৈ যাব পাৰেতো! আৰু কিছুমান কমপ্লেইন কৰিও একো লাভ নাই। যদি এজনো শ্ৰোতাই নাথাকে, গান গাই কি লাভ?

অৱশ্যে এই ক্ষেত্ৰত বাদশ্বাহক বৰ এটা দোষ দি লাভ নাই। তেওঁ গুজৰাটৰ মানুহ। ইমান বেছি বৰষুণ বা বানপানীৰ কথা তেওঁ ভালকৈ বুজি নাপায়। সেই বুলি তেওঁ যে আখামৰ বানপানীৰ খবৰ একেবাৰে লোৱা নাই, তেনেকুৱা নহয় দেই। সৌ সিদিনাখন আখামৰ বান সমস্যাৰ বুজ ল'বলৈ আৰু এই সমস্যা সমাধা কৰি পেলাবলৈ নিৰানন্দ দাদাক মাতি লৈ আহিল। নিৰানন্দ দাদাই আহি তেওঁৰ চেম্বাৰত সোমোৱাৰ লগে লগে বাদশ্বাহে সুধিয়ে দিলে— 'পানীৰ কি খবৰ?' নিৰানন্দ দাই ক'লে— 'পানী ঠিকেই আছে জাহাপনা! জাহাজ ভালকৈয়ে চলি আছে।' জাহাজৰ মিনিষ্টাৰ কাৰণে নিৰানন্দদাই পোনছাটে জাহাজৰ কথা ক'লে। কিন্তু জাহাজ চলা বুলি শুনি বাদশ্বাহে জঁপিয়াই উঠিল— 'কি কোৱাহে? আখামত ইমান পানী হৈছে নে যে তাত জাহাজ চলিবলৈ লৈছে?' নিৰানন্দ দাদাই নিজৰ ভুলটো বুজি বাদশ্বাহক ক'লে— 'নহয় জাহাপনা! আখামত বহুত পানী হৈছে। কিন্তু জাহাজ চলা নাই।'

বাদশ্বাহে এইবাৰ ভালকৈয়ে আখামৰ বান সমস্যাৰ বুজ ল'বলৈ আৰম্ভ কৰিলে— 'প্ৰতি বছৰে আখামত বানপানী হয় নহয়?'

ঃ হয় জাহাপনা। কিন্তু এইবাৰ বেছি হৈছে।

ঃ কিমান বেছি হৈছে?

ঃ বহুত বেছি হৈছে জাহাপনা। মানুহৰ ঘৰে ঘৰে এবুকু পানী।

ঃ আৰু ৰাস্তাত?

ঃ ৰাস্তাবোৰ ভাঙি-ছিঙি গৈছে জাহাপনা।

ঃ আৰু কি ভাঙিছে?

ঃ বহুত দলং ভাঙিছে।

ঃ আৰু?

ঃ বহুত ঘৰো ভাঙিছে।

ঃ ঘৰো ভাঙি পেলাইছে?

ঃ হয় জাহাপনা।

ঃ বৰ ডাঙৰ কথা হৈছে দেখোন।

ঃ হয় জাহাপনা।

ঃ ইমান পানী নে?

ঃ হয় জাহাপনা। বহুত পানী।

ঃ ইমান পানী আহিছে ক'ৰ পৰা?

ঃ নদীৰ পৰা।

ঃ নদীৰ পৰা পানী কিয় আহিছে? নদীৰ পানী নদীত থাকিব লাগে।

ঃ হয় জাহাপনা। কিন্তু?

ঃ কিন্তু কি?

ঃ নদীবোৰত মথাউৰি থাকে নহয়!

ঃ অ' থাকে।

ঃ বহুত বৰষুণ হ'লে নদীত পানী বাঢ়ি যায়।

ঃ যাবই।

ঃ সেই পানীয়ে মথাউৰিবোৰ ভাঙি পেলায়।

ঃ তাৰ পাছত?

ঃ মথাউৰি ভাঙিলে নদীৰ পানীবোৰ পাৰলৈ নামি আহে!

'বুজিলো' বুলি কৈ বাদশ্বাহে কিছু সময় চিন্তা কৰিলে আৰু হঠাতে আৰ্কিমিডিছৰ ষ্টাইলত চিঞৰি উঠিল— 'ইউৰেকা! আখামৰ বান সমস্যা নাইকিয়া হৈ যাব।'

ঃ কেনেকৈ জাহাপনা?

ঃ মথাউৰিবোৰ ভাঙি-ছিঙি নাইকিয়া কৰি দিওঁ। মথাউৰি নাথাকিলে মথাউৰি ভাঙি বানপানী হোৱাৰ প্ৰশ্নই নুঠে।

ছাগলী চুৰি কৰিবলৈ আহি ৰাইজৰ হাতত বন্দী এজন চোৰ

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ২০ জুন ঃ গৰু চোৰে ৰাইজক ত্ৰাহি মধুসূদন সোঁৱৰাই অহাৰ পাছত এইবাৰ জামুগুৰিহাটত ছাগলী চোৰে পশুধন পালকসকলৰ কঁকালত শোধাই আহিছে ৰাম টাঙোন। জামুগুৰিহাটৰ বিভিন্ন প্ৰান্তত শেহতীয়াকৈ এটা ছাগলী চোৰৰ বৃহৎ চক্ৰ সক্ৰিয় হৈ দিন-দুপৰতে ইটোৰ পাছত সিটো ছাগলী চুৰি কৰি নি বিশেষকৈ একাংশ দৰিদ্ৰ লোকৰ কঁকালত কোব শোধাই আহিছে। আজি ছাগলী চুৰি কৰি থকাৰ অৱস্থাতে

ছয় পৃষ্ঠাত চাওক

চৰৰ আৱাসীয়ে কাটি খাস্তাং কৰিলে জৈৱ বৈচিত্ৰ্য ৰক্ষা কৰা সেউজীয়া ঝাও গছ

নগাঁও-মৰিগাঁও-শোণিতপুৰৰ চৰৰ শুৱনি ঝাওগছ নাইকিয়া হ'ল

বিশেষ সংবাদদাতা

নগাঁও, ২০ জুন ঃ মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত সৃষ্টি হোৱা চৰ-চাপৰিসমূহত তাহানি অন্যতম সৌন্দৰ্যৰ আকৰ আছিল সেউজীয়া ঝাও গছসমূহ। ৮০ৰ দশকৰ মাজভাগলৈকে নগাঁও জিলাৰ ৪৩ টা চৰ, মৰিগাঁও জিলাৰ ৩৯ টা চৰ আৰু প্ৰতিৱেশী শোণিতপুৰ জিলাৰ ১৪৫ টা চৰৰ অধিকাংশ চৰতেই ঠাহ খাই আছিল গহৰা গজা ঝাও গছে। খিচখিচিয়া মিহি সেউজীয়া পাতৰ অসংখ্য ডাল সমৃদ্ধ আঠ-১০ ফুট পৰ্যন্ত উচ্চতাৰ এই ঝাও গছ জিলাকেইখনৰ প্ৰায় প্ৰতিটো চৰতে ঠাহ খাই আছিল। বালিৰ চৰসমূহক এই ঝাও গছসমূহে সৌন্দৰ্যৰ অনন্য মাত্ৰা প্ৰদান কৰিছিল। তেতিয়া চৰৰ চৰকাৰী ভূমিত জনবসতি নিচেই পাতল আছিল। চৰৰ চৰকাৰী ভূমিত কোনো বেদখল হোৱা নাছিল। সম্পূৰ্ণ অস্থায়ীভাৱে গৰু-ম'হৰ খুঁটি স্থাপন কৰি একাংশ গোপালক আৰু কৃষকে সম্পূৰ্ণ অস্থায়ীভাৱে ব্ৰহ্মপুত্ৰৰ বুকুত থকা চৰসমূহত বসবাস কৰিছিল। পৰৱৰ্তী সময়ত একাংশ লোকে চৰৰ মাটি অবাধে বেদখল কৰি বসবাস কৰিবলৈ লয়। প্ৰায় ৮০ৰ দশকৰ মাজভাগলৈকে জিলা কেইখনৰ চৰ চাপৰিসমূহত ঠাহ খাই থকা ঝাও গছৰ মাজতেই বিচৰণ কৰি আছিল বনৰীয়া ম'হ, অসংখ্য হৰিণা, বিভিন্ন প্ৰজাতিৰ

ছয় পৃষ্ঠাত চাওক

গোসাঁইগাঁৱৰ চৌতাৰাত চলন্ত ৰেলৰ পৰা পৰি যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ২০ জুন ঃ আজি পুৱা চলন্ত ৰেলৰ পৰা পৰি কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱৰ চৌতাৰা ৰেল ষ্টেছনৰ সমীপত এজন যুৱকৰ মৃত্যু হয়। নিহত যুৱকজন ধুবুৰী জিলাৰ বিলাসীপাৰাৰ গোৱালেৰচৰৰ বাসিন্দা নিজাম আলী (১৯) বুলি চিনাক্ত কৰা হৈছে। দুৰ্ঘটনাত পতিত হোৱা যুৱকজন আন দুজন সতীৰ্থৰ স'তে ছেকেন্দ্ৰাবাদৰ পৰা কোকৰাঝাৰলৈ আহি আছিল। যুৱকজনে

ছয় পৃষ্ঠাত চাওক

বিশিষ্ট ইতিহাসবিদ, শিক্ষাবিদ, অসম চুক্তি ৰূপায়ণ সমিতিৰ সদস্য ড° সৃষ্টিধৰ দত্তৰ দেহাৱসান

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ২০ জুন ঃ অসম তথা উত্তৰ- পূৰ্বাঞ্চলৰে বিশিষ্ট ইতিহাসবিদ, অসমৰ অন্যতম প্ৰাচীন ভূমিপুত্ৰ মটক জনগোষ্ঠীৰ শিক্ষাবিদ, গৱেষক, অৰুণাচল প্ৰদেশৰ ইতিহাস, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক ইতিহাসলৈ অনবদ্য বৰঙণি আগবঢ়াই যোৱা তথা উত্তৰ-পূব বুৰঞ্জী সন্মিলন, ভাৰতীয় বুৰঞ্জী কংগ্ৰেছৰ প্ৰাক্তন সভাপতি, অসম চৰকাৰে মনোনীত কৰা অসম চুক্তি ৰূপায়ণ কমিটীৰ সক্ৰিয় সদস্য ড° সৃষ্টিধৰ দত্তৰ

ছয় পৃষ্ঠাত চাওক

লখিমপুৰত অগ্নিপথ আঁচনিৰ বিৰুদ্ধে প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

লখিমপুৰ, ২০ জুন ঃ দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে ১৪ জুনত ঘোষণা কৰা 'অগ্নিপথ' শীৰ্ষক নতুন প্ৰকল্প আৰু এতিয়াৰ পৰা কেৱল মাত্ৰ চাৰি বছৰৰ

ছয় পৃষ্ঠাত চাওক

শ্ৰীৰামপুৰত ১৪টা গৰুসহ এজনক আটক

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ২০ জুন ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে আজি বংগৰ পৰা খোজকঢ়াই অনা ১৪টা গৰু জব্দ কৰাৰ লগতে এজন যুৱকক আটক কৰে। ১৪টা গৰুৰ ভিতৰত ১১টা দামৰা আৰু তিনিটা গাই গৰু। জব্দ কৰা গৰুসমূহক শ্ৰীৰামপুৰস্থিত খোৱাৰত ৰখা হৈছে। বংগৰ আলিপুৰ দুৱাৰ জিলাৰ বাৰোভিছা গোহাঁটৰ পৰা ক্ৰয় কৰি অনা গৰুসমূহ অসমত প্ৰৱেশ কৰাৰ খবৰ লাভ কৰি শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰায়ে অভিযান চলাই জাৰাগুৰিৰ সোণকোষ নৈৰ দাঁতিকাষৰীয়া অঞ্চলৰ পৰা গৰুসমূহ আনি থকা চৰাইবিলৰ অমৃতপুৰৰ যুৱক অঞ্জুমা বসুমতাৰী (২২)ক আটক কৰে। জাৰাগুৰি অঞ্চলৰ গাঁৱৰীয়া পথেৰে খোজ কঢ়াই অনা ১৪টা দেশী গৰুৰ মালিক চৰাইবিল আৰক্ষী চকীৰ অন্তৰ্গত অমৃতপুৰ গাঁৱৰ নিবাসী মিথুন নাৰ্জাৰী বুলি ধৃত যুৱকজনে প্ৰকাশ কৰে।

গোৱালপাৰাৰ আজাদ নগৰত পুনৰ ভূমিস্খলন ঃ দুটা গৃহৰ বিস্তৰ ক্ষতিসাধন

অগ্ৰদূত বাৰ্তা

মাটিয়া, ২০ জুন ঃ যোৱা ১৬ জুনৰ পুৱা পথৰ গাৰ্ডৱাল খহি গোৱালপাৰা চহৰৰ আজাদ নগৰত দুটি শিশুৰ মৃত্যু হোৱাৰ উত্তেজনা মাৰ নৌযাওঁতেই পুনৰ ভূমিস্খলন হৈ দুটাকৈ পৰিয়ালৰ দুটা গৃহৰ বিস্তৰ ক্ষতিসাধন হয়। বিগত কে'বাদিন ধৰি নেৰানেপেৰা বৰষুণ হোৱাৰ ফলত আজাদনগৰৰ আলী হামজা আৰু আনোৱাৰা বেওৱাৰ গৃহৰ লগতে শৌচাগাৰ দমকল খহি পৰে। ফলত হাহাকাৰ অৱস্থাত পৰা পৰিয়াল দুটাই বালিজানা চক্ৰ বিষয়া আৰু ৱাৰ্ড কাউন্সিলৰক উপযুক্ত ক্ষতিপূৰণ বিচাৰি আবেদন দাখিল কৰিছে।

অসম চৰকাৰ
শিক্ষা বিভাগ

UDISE Plus 2021-22ৰ তথ্যৰ শুদ্ধতা পৰীক্ষাকৰণ
(২১ জুনৰ পৰা ৩০ জুন, ২০২২লৈ)

- UDISE Plus হ'ল প্ৰতিবছৰে অসমৰ সকলো বিদ্যালয়ৰ 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ তথ্য সংগ্ৰহ কৰা এটা প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ জৰিয়তে বিদ্যালয়সমূহৰ উন্নয়নৰ পৰিকল্পনা প্ৰস্তুত কৰা হয়।
- এই প্ৰক্ৰিয়াত বিভিন্ন চৰকাৰী যেনে- স্বাস্থ্য, সমাজ কল্যাণ, জনস্বাস্থ্য কাৰিকৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰিব। তথ্য পৰীক্ষকৰ দলটোৱে বিদ্যালয়ে পূৰ কৰা তথ্য সংগ্ৰহ প্ৰ-পত্ৰ (Data Capture Format)টোৰ বাস্তৱতা পৰীক্ষা কৰিব আৰু প্ৰতিখন বিদ্যালয়ৰ তথ্যসমূহৰ সত্যতা নিৰুপণ কৰিব।
- বিদ্যালয় কৰ্তৃপক্ষ, বিদ্যালয় পৰিচালনা সমিতি আৰু বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিসমূহক এই প্ৰক্ৰিয়াত সহায়-সহযোগিতা কৰাৰ লগতে সংশ্লিষ্ট বিষয়ববীয়াসকলক সঠিক তথ্য যোগান ধৰিবলৈ অনুৰোধ জনোৱা হ'ল যাতে বিদ্যালয়সমূহৰ প্ৰকৃত তথ্যসমূহ প্ৰতিফলিত হয়।

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো, সকলোৱে আগবাঢ়ো

ড° হিমন্ত বিশ্ব শৰ্মা
মাননীয় মুখ্যমন্ত্ৰী, অসম

জনসংযোগ/ডি এফ/৬২১/২০২২

দৈনিক অগ্ৰদূত

গুৱাহাটী মঙলবাৰ ৬ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২১ জুন ২০২২

মংগলকামী বিকাশ সম্ভৱ?

অসমৰ শ শ প্ৰজাতিৰ পক্ষীয়ে ৰাজ্যখনৰ জৈৱ-বৈচিত্ৰ্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য, বৰদৈবাম বিলমুখ পক্ষী অভয়াৰণ্য, পানীদিহিং পক্ষী অভয়াৰণ্য, সাতজান পক্ষী অভয়াৰণ্য, নামেৰি ৰাষ্ট্ৰীয় উদ্যান, ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, চক্ৰশিলা বন্যপ্ৰাণী অভয়াৰণ্য, বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্য, বৰনদী বন্যপ্ৰাণী অভয়াৰণ্য, আমচাং বন্যপ্ৰাণী অভয়াৰণ্য আদি শ শ প্ৰজাতিৰ স্থানীয় আৰু পৰিভ্ৰমী পক্ষীৰ বাসস্থান হিচাপেও বিখ্যাত হৈ পৰিছে। বিশেষকৈ এই অভয়াৰণ্য তথা ৰাষ্ট্ৰীয় উদ্যানসমূহত থকা বিল, জলাশয় আৰু নৈসমূহত জলচৰ পক্ষীয়ে সকলো সময়তে ভিৰ কৰে। বিশেষকৈ খৰালি কালত স্থানীয় জলচৰ পক্ষীৰ উপৰি শ শ হেজাৰ হেজাৰ কিলোমিটাৰ দূৰৰ পৰা অহা পৰিভ্ৰমী পক্ষী, নানান প্ৰজাতিৰ হাঁহ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে। উল্লেখ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ইতিমধ্যে এটা খৰ্গৰ গঁড়ৰ বাবে বিশ্ববিখ্যাত। শেহতীয়াভাৱে কাজিৰঙাৰ ব্যঘ্ৰ প্ৰকল্পৰ বাবে এই ৰাষ্ট্ৰীয় উদ্যানত বাঘৰ সংখ্যা বৃদ্ধি ঘটিছে; কিন্তু যি হাৰত কাজিৰঙাত পক্ষীৰ সংখ্যা বাঢ়িছে, বিশেষকৈ স্থানীয় পৰিভ্ৰমী জলচৰ পক্ষীৰ সংখ্যা বৃদ্ধি হৈছে, তাৰ প্ৰতি লক্ষ্য ৰাখি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে পক্ষী অভয়াৰণ্য হিচাপেও স্বীকৃতি পোৱা উচিত।

অসমত কে'বা হেজাৰ বিল আছে, যিবিলাকলৈ প্ৰধানকৈ স্থানীয় আৰু পৰিভ্ৰমী জলচৰ পক্ষীৰ আগমন ঘটে। এই বিল, তথা জলাশয়সমূহক প্ৰকৃততে অসমৰ জৈৱ-বৈচিত্ৰ্যৰ একো একোটা কেন্দ্ৰ বুলি ক'ব পাৰি। গুৱাহাটীৰ দীপৰ বিল, ডিব্ৰু-চৈখোৱাৰ মাগুৰি মতাপুং বিল প্ৰমুখ্যে অসমত ১,৩৯২ খন বিলৰ অস্তিত্ব আজিও আছে। এই বিলসমূহে ৰাজ্যৰ জৈৱ-বৈচিত্ৰ্য ৰক্ষাত গুৰুত্বপূৰ্ণ অৰিহণা যোগাই আহিছে; কিন্তু পৰিৱেশ ধ্বংস তথা অৰণ্য ধ্বংসৰ লগতে বিলসমূহৰ অস্তিত্ব বিপদাপন্ন হৈ পৰিছে। উদাহৰণস্বৰূপে তিনিচুকীয়াৰ ডিব্ৰু-চৈখোৱাত বাধাহীনভাৱে খনন আৰু বন ধ্বংস কাৰ্য চলাই থকাৰ ফলত তাত থকা বিখ্যাত মাগুৰি মতাপুং বিলৰ অস্তিত্বৰ প্ৰতি ভাবুকি আহিছে। অৰণ্যাঞ্চলৰ অন্তৰ্গত হোৱাত এই বিখ্যাত বিললৈ দেশ-বিদেশৰ বহু প্ৰজাতিৰ পৰিভ্ৰমী চৰাইৰ আগমন ঘটে। মাগুৰি বিলতো অতি বিৰল প্ৰজাতিৰ মেণ্ডাৰিন হাঁহৰ আগমন ঘটিছিল। যিহেতু মেণ্ডাৰিন হাঁহ কেৱল বিৰল প্ৰজাতিৰেই নহয়, ই পৃথিৱীৰ আটাইতকৈ ধুনীয়া প্ৰজাতিৰ হাঁহ, সেয়ে ইয়াৰ আগমনে পৰ্যটক তথা প্ৰকৃতিপ্ৰেমীক আনন্দিত কৰাটো স্বাভাৱিক। সুদূৰ ইউৰোপ তথা দক্ষিণ কোৰিয়া আদি দেশৰ পৰা অহা এইবিধ হাঁহ অসমৰ মতাপুং মাগুৰি বিললৈ নিয়মীয়াভাৱে আগমন ঘটিব, যদিহে বিলৰ পৰিৱেশ সুসংৰক্ষিত হৈ থাকে। বিশেষকৈ বেদখল আৰু বনধ্বংস, খনন আদি কাৰ্যসমূহ বন্ধ নহ'লে পৰিভ্ৰমী পক্ষীকে ধৰি পক্ষীকুলৰ অস্তিত্ব ৰক্ষা কৰাও সম্ভৱ নহ'ব।

ৰাষ্ট্ৰীয় উদ্যানত পক্ষীৰ সংখ্যা বৃদ্ধি নিশ্চয় ভাল খবৰ। হয়তো কাজিৰঙাৰ সুৰক্ষিত পৰিৱেশৰ বাবেই অধিক সংখ্যক পৰিভ্ৰমী পক্ষীৰ আগমন ঘটিছে; কিন্তু ৰাজ্যৰ আনসমূহ অভয়াৰণ্য তথা বন্যপ্ৰাণী অভয়াৰণ্যসমূহ কাজিৰঙাৰ দৰে সুৰক্ষিত নহয়। অবাধ বেদখল, ঔদ্যোগিক কাৰ্যকলাপ, বন ধ্বংস আদিৰ ফলত পক্ষীকুলৰ লগতে জৈৱ-বৈচিত্ৰ্য ধ্বংসৰ মুখত পৰিছে। পৰিৱেশ ৰক্ষাৰ ক্ষেত্ৰত জৈৱ-বৈচিত্ৰ্যৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হৈ আহিছে। জৈৱ-বৈচিত্ৰ্যই পৰিৱেশ সন্তুলিত কৰি ৰখাত সহায় কৰি আহিছে। সেয়ে কিছুমান প্ৰজাতিৰ প্ৰাণীৰ বিলুপ্তিয়ে জীয়াই থকা আন আন প্ৰজাতিৰ প্ৰাণীৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায় নাইবা সিহঁতৰ অস্তিত্বৰ প্ৰতি ভাবুকি আনে। জৈৱ-বৈচিত্ৰ্য ৰক্ষা বা সংৰক্ষণে সেয়ে পৰিৱেশ নাইবা জৈৱ পৰিৱেশ (ইক'ল'জি) ৰক্ষা কৰাত সহায় কৰি আহিছে। বৰ্তমান অসম আৰু ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰধানকৈ ঔদ্যোগিক কাৰ্যকলাপৰ বাবে, অবৈধ খনন তথা বেদখলৰ বাবে প্ৰকৃতি আৰু পৰিৱেশ ধ্বংস হৈছে, প্ৰদূষণ বৃদ্ধি পাইছে। বিভিন্ন পক্ষই বিকাশ বা উন্নয়নৰ স্বাৰ্থতে অৰণ্য ধ্বংস, খনন আদিৰ সপক্ষে মত প্ৰকাশ কৰি আহিছে; কিন্তু বিকাশ আৰু প্ৰকৃতি বা পৰিৱেশক দুটা বিপৰীত মূৰত, এটা আনটোৰ বিপৰীত বুলি দেখুওৱা চিন্তাধাৰা বিভ্ৰান্তিকৰ। মানৱ জাতিক এই ক্ষেত্ৰত য়িন আৰু য়াং নাইবা পুৰুষ আৰু প্ৰকৃতিৰ ঐক্য তথা শান্তিপূৰ্ণ সহাৱস্থানে বাট দেখুৱাই আনিছে। ভাৰতীয় দৰ্শনত শিৱৰ অৰ্ধ-নাৰীশ্বৰ ইয়াৰ উদাহৰণ। সেয়ে প্ৰকৃতি ধ্বংস কৰি নহয়, প্ৰকৃতিক সুৰক্ষিত ৰাখিহে বিকাশ সাধন বাঞ্ছনীয়। পৰিৱেশ বা জৈৱ পৰিৱেশ ৰক্ষাত ব্যৰ্থ হ'লে মংগলকামী বিকাশ সম্ভৱ নহ'ব।

খোলা মঞ্চ

এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



বাপতি সাহোন বিহু উৎসৱটো পুৰণি পৰম্পৰাক সাবটি বিকাশশীল হৈ আহিছে। যদিও থলুৱা উদ্যোগ যেনে তাঁতশালৰ মাঁকোৰ খিট্ খিটনিৰ শব্দ লাহে লাহে কমি যাবলৈ ধৰিছে। বহিঃৰাজ্যৰ সামগ্ৰীয়ে অসম ছানি ধৰিছে। নাচনীৰ বুটাবচা মেখেলা, ৰিহা বহিঃৰাজ্যৰ পৰা আমদানি হয়। গতিকে নিজৰ পৰিশ্ৰম নথকা বয়-বস্তুৰ মৰম কম হয়। আদিতে নাচনীয়ে চেনাইক নিজ হাতে বোৱা গামোচা দিছিল। এতিয়া বজাৰত ক্ৰয় কৰি বিহুৱান চেনাইক উপহাৰ দিয়ে। আৰ্থিক জীৱনৰ লগত উৎসৱবিলাকৰ সম্বন্ধ নিবিড়ভাৱে জড়িত মঞ্চত থিতাপি লোৱাৰ পৰা বিহুয়ে অন্য ৰূপ ধাৰণ কৰিবলৈ ধৰিছে। একাংশ অসাধু ব্যক্তিয়ে বিহুক বাণিজ্যিক মৰ্যাদা দিবলৈ চেষ্টা কৰাৰ ফলত সংস্কৃতিপ্ৰেমীসকলে নিমাত হৈ থাকিব লগা হৈছে। নিশা দুপৰলৈ সুৰাৰ ৰাগিত বিহু নচাসকলে বিহুক যে বিকৃত ৰূপ দিবলৈ গৈ আছে আমি সকলোৱে ভাবি চোৱাৰ সময় হ'ল। মঞ্চ আহি পোৱাৰ লগে লগে বিহু বেপেৰুৱা হৈ পৰিল। ব'হাগ বিহুটো এতিয়া এচামৰ বাবে ব্যৱসায়ত পৰিণত হৈছে। ভোগবাদীসকলে এতিয়া কৃষিজীৱী সমাজখনক চিনি নোপোৱা যেন ধাৰণা হয়।

স্বৰ্ণলতা পাঠক, লেখিকা

কাৰণ বিহু হ'ল কৃষি উৎসৱ। প্ৰকৃতি ৰাণীক সেউজীয়া কৰাৰ আনন্দৰ উৎসৱ। গতিকে প্ৰথমে আধ্যাত্মিকতাৰে হুঁচৰি গায়। আমি যদি ব'হাগ বিহুটোক আধুনিক চিন্তাৰে সলনি কৰিবলৈ যাওঁ বিহুক বাপতি সাহোন বুলি দাবী কৰিবও নোৱাৰো। পৈতৃক সম্পত্তি পুত্ৰই ভোগ কৰিব পাৰে। কিন্তু তাক বিনাশ কৰিব নোৱাৰে। যেনে বিহুত বোকা নৃত্য কৰি বিহুৰ সৌন্দৰ্য বিনষ্ট কৰাটো একেবাৰে গ্ৰহণযোগ্য নহয়। এচাম অসাধু ব্যক্তিয়ে ধনৰ বলেৰে অযোগ্যজনক আগবঢ়াই দি বিহুৰ স্বকীয় মৰ্যাদা নষ্ট কৰিবলৈ লৈছে। যিয়ে বিহুৰ অৰ্থ বুজি নাপায় তেওঁ বিশেষ পদ লৈ সচেতনমহলক চিন্তিত কৰিছে।

চেনাই আৰু নাচনীৰ নিভাঁজ প্ৰেম প্ৰকৃতিক চঞ্চলা কৰা মনোভাৱ মঞ্চ বিহুও হেৰাই যোৱাৰ পথত। বিশ্ব দৰবাৰত বিহুক চিনাকি কৰি দিবলৈ হ'লে আদিতে কৰা সংস্কৃতিক পৰিৱেশ ঘূৰাই আনিব লাগিব।

অৱশ্যে ব'হাগ বিহুটো মুখ্যমন্ত্ৰীয়ে সীমিত কৰিবলৈ পৰামৰ্শ দিয়াত আমি ভাল পাইছো। প্ৰতিবছৰে সময় সীমা বান্ধি পাতিলে সমাজৰো উন্নতি হ'ব আৰু সময়ৰো সদ্ব্যৱহাৰ হ'ব। আদিতে সাত বিহুৰ দিনাখন ঢোল ফুটাই সাত বিহু পতা আমাৰ সমাজত নিয়ম আছে। আমাক আদি পুৰুষসকলে বান্ধি দিয়া নিয়মেৰে যদি হেঁপাহৰ বিহুটো পালন কৰো আজিও আমি একতাৰ দোলেৰে বান্ধ খাই থাকিব পাৰিম। এই কথা ভাবিবৰ সময় হ'ল।

ফোন: ৯৭০৬৬৭৫৫৯২

মানৱতাৰ বাবে যোগ ঃ ধাৰণা আৰু পৰ্যালোচনা

নিয়মিত যোগাসনে আমাৰ মনোযোগ আৰু একাগ্ৰতা বৃদ্ধি কৰে

সৰ্বানন্দ সোণোৱাল

ক'ভিড-১৯ৰ পৰৱৰ্তী কালত পৃথিৱীখন বহু ভূ-ৰাজনৈতিক দোমোজাৰে ভৰি আছে। ইউৰোপৰ মনোৰম ভূমিৰ পৰা আৰম্ভ কৰি মধ্যপ্ৰাচ্যৰ সমৃদ্ধ অঞ্চললৈ, আমাৰ পৃথিৱীখনে মানৱতাক ধ্বংসমুখী অৱস্থালৈ অগ্ৰসৰ হোৱা দেখিবলৈ পাইছে। এনে অৱস্থাৰ অন্তৰালত বহু কাৰণ নিহিত হৈ আছে। কিছুমান কাৰক হ'ব পাৰে— ৰাজনৈতিক সিদ্ধান্তৰ মেৰুকৰণ, সংকীৰ্ণতাবাদৰ উত্থান আদি। আজিৰ এই ভূ-ৰাজনৈতিক পৰিস্থিতিৰ প্ৰতিফলন মানুহৰ ব্যক্তিগত জীৱনতো পৰিলক্ষিত হৈছে, য'ত লোভ, হতাশা, উদ্বেগ, অসংখ্য শাৰীৰিক আৰু মানসিক ৰোগ আদিয়ে মানুহৰ সন্মুখত তীব্ৰ প্ৰত্যাহ্বানৰূপে থিয় দিছে। বিশ্ব স্বাস্থ্য সংস্থাই চলোৱা সমীক্ষা অনুসৰি সমগ্ৰ বিশ্বতে প্ৰায় ২৮০ নিযুত লোক হতাশাত ভুগি থকা বুলি জানিব পৰা গৈছে। এনে ধৰণৰ জটিল পৰিস্থিতিত যোগৰ ভূমিকা শক্তিশালী আৰু অপৰিসীম। নিজৰ ভুলবোৰ শুধৰাই জীৱনৰ মান উন্নত কৰাত যোগে যথেষ্ট সহায় কৰিব পাৰে। ২০২০ত যেতিয়া বিশ্ববাসী ক'ভিড-১৯ মহামাৰীত আক্ৰান্ত হৈছিল, তেতিয়া হাৰ্ভাৰ্ড মেডিকেল স্কুলে' Coping with Coronavirus Anxiety' শীৰ্ষক এটা চিন্তাশীল প্ৰবন্ধ প্ৰকাশ কৰিছিল। প্ৰবন্ধটোত ক্ৰমশঃ জটিল হৈ পৰা পৰিস্থিতিতো ভাৰতীয় পৰম্পৰাৰ চহকী নিদৰ্শন যোগ আৰু ধ্যানৰ দ্বাৰা কেনেদৰে শান্ত-সৌম্য আৰু ধৈৰ্যশীল হৈ থাকিব পাৰি, তাৰ ওপৰত আলোকপাত কৰিছিল। যোগে গামা এমিন'বিউটাইৰিক এছিড (GABA) নামৰ মস্তিষ্কৰ ৰসায়নবিধ বৃদ্ধি কৰাত যথেষ্ট সহায় কৰে। এইবিধ এছিডে সুস্থ মেজাজ আৰু নিৰুদ্বেগ মনৰ উৎকৰ্ষ সাধন কৰে। যোগ চিকিৎসাই মানুহৰ জীৱনৰ মান উন্নত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ই হতাশাৰ লক্ষণবোৰ হ্ৰাস কৰি ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰাৰ লগতে কাৰ্ডিঅ'ভাস্কুলাৰৰ কাৰ্যক্ষমতা আৰু টোপনিৰ পৰিমাণ বৃদ্ধি কৰিব পাৰে বুলি গৱেষকসকল নিশ্চিত হৈছে।

প্ৰাচীন পবিত্ৰ গ্ৰন্থসমূহতো যোগৰ গুৰুতৰ ব্যাখ্যা পোৱা যায়। শ্ৰীমদ্ভাগৱত গীতাৰ দ্বিতীয় অধ্যায়ত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক যোগাৱস্থাত থাকি দৃঢ়তাৰে নিজৰ কামবোৰ সম্পাদন কৰাৰ পৰামৰ্শ দিয়াৰ কথা উল্লেখ আছে। ইয়াত যোগৰ সংজ্ঞা হিচাপে সকলো পৰিস্থিতিতে মনৰ সমস্থিতি বৰ্তাই ৰখা কাৰ্যক বুজোৱা হৈছে। মানুহৰ মনত ঈশ্বৰৰ প্ৰতি আনুগত্য আৰু আধ্যাত্মিকতাৰ প্ৰসাৰ হৈছে যোগৰ এক মহৎ উদ্দেশ্য। ই এক আত্মোপলব্ধিৰ মাধ্যম, যাৰ দ্বাৰা এজন ব্যক্তিয়ে মনক আত্মাৰ স'তে একাত্ম কৰাত সমৰ্থ হয়। কাকতালীয়ভাৱে, বৌদ্ধ ধৰ্মইও ধৈৰ্য, আত্মনিয়ন্ত্ৰণ, সহনশীলতা আৰু বোধশক্তি আদি গুণৰ বিষয়ে কৈ আহিছে, যিবোৰে গুণী-জ্ঞানী শাসক সৃষ্টি কৰাত সহায় কৰে। যোগৰ পৰা পোৱা লাভালাভে এজন ব্যক্তিক নিজৰ শ্ৰেষ্ঠ সংস্কৰণৰূপে আত্মপ্ৰকাশ কৰাতো সহায় কৰে।

আমি বুজিব লাগিব যে এটা স্বাস্থ্যৱান মনে ঐক্যবদ্ধ সম্প্ৰদায় এটাৰ কেন্দ্ৰবিন্দু হিচাপে কাম কৰে। আমি 'মনৰ বাবে যোগ'ৰ তাৎপৰ্যক প্ৰচাৰ কৰি একো একোটা কৰ্মযোগী সম্প্ৰদায় গঢ়ি তুলিব পাৰো, য'ত প্ৰতিজন সদস্যই যিকোনো পৰিস্থিতিৰ স'তে সামঞ্জস্য বজাই ৰাখি নিজৰ কৰ্তব্য নিয়াৰিকৈ পালন কৰিব পাৰে। ইয়াৰ উপৰি যোগে সৃষ্টিশীলতা বৃদ্ধি কৰে, যিয়ে দৈনন্দিন জীৱনৰ একঘেয়ামী অৱস্থাৰ পৰা নিজক মুক্ত কৰাত ভালেখিনি সহায় কৰে। সৃষ্টিশীলতাৰ প্ৰবাহিত ধাৰাই আমাৰ আত্মপ্ৰেমক জাগ্ৰত কৰি তোলে। এনে গুণসম্পন্ন সম্প্ৰদায়ে এখন শান্তিপূৰ্ণ পৃথিৱীৰ আধাৰ গঢ় দিব পাৰে। তদুপৰি, নিয়মিত যোগাসনে আমাৰ মনোযোগ আৰু একাগ্ৰতাও বৃদ্ধি কৰে। এক অৰ্থত ক'বলৈ হ'লে দুখ-যন্ত্ৰণা, লোভ-মোহ, হতাশা, উদ্বেগ আদিৰ পৰা আমাক মুক্ত কৰাৰ উদ্দেশ্যে যোগ এক বৈপ্লৱিক উৎসৰূপে চিহ্নিত হোৱাৰ সম্ভাৱনা আছে। মনক আৰোগ্য কৰাৰ উপৰি যোগে শৰীৰকো আৰোগ্য কৰে। যোগে পিঠিৰ বিষ উপশম কৰে আৰু আৰ্থ্ৰাইটিছৰ লক্ষণবোৰ সহনীয় কৰি তুলিব পাৰে। যোগে ফিটনেছত উৎসাহীসকলক শক্তিৱন্ত কৰাৰ উপৰি দেহৰ ভাৰসাম্য আৰু নমনীয়তা বৃদ্ধি কৰে।

ভাৰতবৰ্ষই সদায়েই বিশ্বক শান্তিৰ মাৰ্গৰ সন্ধান দি আহিছে আৰু 'বসুধৈৱ কুটুম্বকম্' অৰ্থাৎ 'সমগ্ৰ মানৱ জাতি এটা পৰিয়াল' মূলমন্ত্ৰেৰে বিশ্ববাসীলৈ এক মহৎ বাৰ্তা প্ৰেৰণ কৰি আহিছে। বিশ্ব স্বাস্থ্য সংস্থা (WHO) আৰু ভাৰত চৰকাৰৰ যৌথ প্ৰচেষ্টাত শেহতীয়াকৈ গুজৰাটৰ জামনগৰত পৰম্পৰাগত ঔষধ প্ৰণালীৰ বিশ্ব কেন্দ্ৰ স্থাপন হৈছে। যোগসহ পৰম্পৰাগত ঔষধ তথা চিকিৎসা প্ৰণালীৰ গৱেষণা আৰু অনুশীলনত এই পদক্ষেপে এক সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিব, যিয়ে মানৱ সমাজৰ কল্যাণ সাধন কৰিব। প্ৰমাণপত্ৰ প্ৰদান কাৰ্যসূচীৰ জৰিয়তে সমগ্ৰ বিশ্বৰ যোগ পেছাদাৰীসকলৰ মাজত জ্ঞান আৰু দক্ষতা বৃদ্ধি, সমন্বয় আৰু গুণগত মান বৃদ্ধিৰ উদ্দেশ্যে এখন যোগ প্ৰমাণপত্ৰ ব'ৰ্ড (ৱাইচিবি) গঠন কৰা হৈছে। মন কৰিবলগীয়া কথা এই যে, আয়ুষ মন্ত্ৰণালয়ৰ অধীনস্থ মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰো লক্ষ্য আৰু অভিযান হৈছে, 'যোগৰ জৰিয়তে সকলোৰে মাজত সুস্বাস্থ্য, সম্প্ৰীতি আৰু সুখ সঞ্চাৰ কৰা।' আন্তৰ্জাতিক যোগ দিৱস, ২০২২ উদ্‌যাপনৰ জৰিয়তে আয়ুষ মন্ত্ৰণালয়ে পৰম্পৰাগত যোগাভ্যাসক বিশ্বব্যাপী লৈ যোৱাৰ প্ৰয়াস কৰিছে। এনেধৰণৰ উদ্‌যাপনৰ জৰিয়তে ৰাজনৈতিক সীমা অতিক্ৰম কৰি জাতি, ধৰ্ম, বৰ্ণ আৰু লিংগ নিৰ্বিশেষে সকলোৰে মাজত যোগৰ প্ৰচাৰ আৰু প্ৰসাৰৰ নিৰৱচ্ছিন্ন চেষ্টা অব্যাহত ৰখা হৈছে। স্বাস্থ্যকৰ জীৱন নিশ্চিত কৰাৰ লক্ষ্যৰে যোগৰ প্ৰচাৰ বহনক্ষম বিকাশৰ স'তেও সংযোজিত কৰা হৈছে। আত্মিক শান্তি আৰু এখন একত্ৰিত পৃথিৱীৰ প্ৰাপ্তি হয়তো কেতিয়াবা অসম্ভৱ লক্ষ্যৰূপে ধৰা দিব পাৰে, তথাপিও সচেতন প্ৰচেষ্টাৰে আত্ম-উৎকৰ্ষ সাধনৰ প্ৰয়াস কৰিলে আমিও সামূহিক হিতৰ প্ৰতি আমাৰ অৱদান নিশ্চিত কৰিব পাৰো। যোগক নিজৰ অভ্যুত্থানৰ এক মাধ্যম হিচাপে আঁকোৱালি ল'লে এখন শান্তিপূৰ্ণ, ভ্ৰাতৃত্ববোধসম্পন্ন আৰু সহানুভূতিশীল পৃথিৱী গঢ়াৰ দিশত আমি এখোজ আগবাঢ়ি যাব পাৰিম। সেয়েহে, অহা ২১ জুনৰ আন্তৰ্জাতিক যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি আৰু ইয়াক সাফল্যমণ্ডিত কৰি যোগক দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত কৰাৰ আমি ঐক্যবদ্ধ পণ লওঁ আহক।

লেখক কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী

> **যোগে সৃষ্টিশীলতা বৃদ্ধি কৰে, যিয়ে দৈনন্দিন জীৱনৰ একঘেয়ামী অৱস্থাৰ পৰা নিজক মুক্ত কৰাত ভালেখিনি সহায় কৰে। সৃষ্টিশীলতাৰ প্ৰবাহিত ধাৰাই আমাৰ আত্মপ্ৰেমক জাগ্ৰত কৰি তোলে। এনে গুণসম্পন্ন সম্প্ৰদায়ে এখন শান্তিপূৰ্ণ পৃথিৱীৰ আধাৰ গঢ় দিব পাৰে**

(বিশ্ব যোগ দিৱস উপলক্ষে)

মালা সিন্‌হাৰ চিঠি এখনৰ আঁত ধৰি

অহা গ্ৰন্থমেলাত মোৰ 'ছাংগ্ৰি-লাত প্ৰজ্ঞা বিচাৰি' নামৰ নৱতম উপন্যাসখন পাঠকক উপহাৰ দিয়াৰ প্ৰস্তুতি চলি থকা বাবে আৰু কৰ্ম সূত্ৰে বিভিন্ন স্থানলৈ যাত্ৰা কৰিবলগীয়া হোৱা হেতুকে প্ৰবন্ধ-পাতি লিখিবলৈ সময়ৰ অভাৱ হৈছে। তথাপি মনৰ হেঁপাহ সামৰিব নোৱাৰি যাত্ৰাকালত উৰাজাহাজত বহি থাকোঁতে, ৰাতি শেতেলীত পৰাৰ আগৰ সময়কণত, শনিবাৰ আৰু দেওবাৰৰ দিনা সাপ্তাহিক বজাৰলৈ যোৱাৰ আগভাগত, অফিচৰ চাহ ছুটি নতুবা জৈৱিক ছুটিৰ আজৰি সময়ত একলম-দুকলমকৈ লিখি দুই-এটা লেখা ৰাইজলৈ পঠিয়াই আছো। লেখক সকলৰ লিখাৰ নিচা সাংঘাতিক বুলি লাহে লাহে বুজিব ধৰিছো। কিছুমান ফেচবুক আৰু হোৱাটছএপ গোটত শতাধিক সদস্য থাকে তাৰ হয়তো এজন অথবা দুজনে নিয়মতভাৱে মোৰ লিখাসমূহ পঢ়ে। সেই এজন অথবা দুজন পাঠকে মোৰ লিখা পঢ়ি উদ্বুদ্ধ হোৱা যেন পালেই মোৰ পৰিশ্ৰম সাৰ্থক হ'ল বুলি অনুভৱ কৰো। তেতিয়াই নিজৰ মনটোক সামৰি ৰাখিব নোৱাৰি ম'বাইলৰ কি ব'ৰ্ডত আঙুলিৰে পিটিকি পিটিকি লিখিবলৈ চেষ্টা কৰো।

যোৱা শুকুৰবাৰৰ দিনা দিল্লীৰ পৰা কৰ্মসূত্ৰে গুৱাহাটী পাই তেজপুৰলৈ পোনাই দিছিলো। সোমবাৰৰ পৰা পুনৰ অফিচৰ কামত ডিব্ৰুগড়, ইটানগৰ, ইম্ফল আৰু শ্বিলঙলৈ যোৱাৰ আগতে অলপ ব্যক্তিগত কামো কৰি যাব লাগিব। সেই ভাবিয়েই সন্ধিয়া সাতমান বজাত আহি তেজপুৰ চহৰত উপস্থিত হ'লো।

যোৱা এপ্ৰিলতেই মোৰ শহুৰ দেউতা ঢুকুৱাৰ পাছত প্ৰথমবাৰৰ বাবে বহুদিন ধৰি বন্ধ হৈ থকা ঘৰটোৰ তলাটো খুলি অলপ আবেগিক হৈ পৰিছিলো। পত্নী আৰু ছোৱালীজনী শোকত ভাগি পৰিব বুলি নিজৰ হৃদয়ৰ আবেগক কোনোমতে সামৰি সুতৰি প্ৰতিবেশী গজেন খুৰাৰ ঘৰত নিশাটো কটালো।

আজি পুৱাৰে পৰা বহুদিন ধৰি পৰিত্যক্ত হৈ থকা ঘৰটো চাফ-চিকুণ কৰিবলৈ পত্নী আৰু মই ব্যস্ত হৈ পৰিলো। ইটোৰ পাছত সিটো কৰি গৈ থাকিলো। লঘু-গুৰু কামবোৰ পত্নী আৰু মই ভগাই ল'লো। ইটো-সিটো বস্তু থানথিত লগাই গৈ থাকোতে এটা কথা লক্ষ্য কৰিছিলো যে মোৰ শহুৰ দেউতা যথেষ্ট পৰিপাটি আছিল। গেছৰ বিল, পৌৰসভাৰ কৰ জমা কৰা ৰচিদ, বিদ্যুতৰ মাচুল জমা কৰা ৰচিদ মাহৰ পাছত মাহ ক্ৰমানুসাৰে পৰিপাটি কৰি ৰাখি থৈ গৈছে। বহুকেইখন ডায়েৰীত তেওঁ লিখি থৈ যোৱা দৈনন্দিন জীৱনৰ জমা-খৰচৰ তহবিলবোৰ পঢ়ি মোৰ চকু সেমেকি উঠিছিল। সেই কাগজ-পাতিৰ মাজত সোমাই থকা এখন বিশেষ চিঠি পত্নীয়ে পাই মোৰ হাতত তুলি দিছিল। দেউতালৈ লিখা সেই বিশেষ চিঠিখন আছিল এসময়ৰ বলিউডৰ প্ৰখ্যাত মোহময়ী নায়িকা মালা সিনহাৰ। পুৰণি হিন্দী ছবি আৰু গীত মোৰ শহুৰ দেউতাই খুব ভাল পাইছিল। দেউতা মহম্মদ ৰফি, চেহগল, লতা মংগেশকাৰ আৰু বাংলাদেশৰ লাইলাৰ এজন সাংঘাতিক প্ৰশংসক আছিল। দেউতাৰ আটাইতকৈ ভাল লগা নায়ক-নায়িকা আছিল দেৱানন্দ আৰু মালা সিন্‌হা। মালা সিন্‌হাৰ একো একোখন কথাছবি ২০ বাৰলৈ চোৱা বুলি জানিছিলো। দুৰাৰোগ্য কেন্সাৰ ৰোগত মৃত্যুৰ ক্ষণ গণি কষ্টত চটফটাই থকাৰ সময়তো দেউতাই ইউ টিউবত মালা সিন্‌হা আৰু দেৱানন্দৰ সংলাপ আৰু প্ৰিয় গায়ক-গায়িকাসকলৰ যুগজয়ী গীতবোৰ শুনি শৰীৰৰ যন্ত্ৰণাৰ কথা পাহৰি থাকিবলৈ চেষ্টা কৰিছিল। মোক বাৰে বাৰে কৈছিল মৰাৰ মুহূৰ্তলৈ মানুহে নিজে কৰি ভাল পোৱা কামৰ প্ৰতি ইচ্ছা শক্তি ত্যাগ কৰিব নালাগে।

জেন বৌদ্ধধৰ্মৰ মতে যোগ অথবা ধ্যান মানে চকু বন্ধ কৰি শান্তভাৱে বহি থকাটোৱেই নুবুজায়। যিটো কামত একাত্ম হৈ সাংসাৰিক আৰু শাৰীৰিক দুখ-কষ্ট, লোভ-মোহৰ পৰা আঁতৰি ঈশ্বৰৰ চিন্তাত বিলীন হৈ যাব পাৰি সেয়াই হৈছে প্ৰকৃত যোগ অথবা ধ্যান। মানুহে নিজৰ মনটোক নিয়ন্ত্ৰণ কৰি ঈশ্বৰৰ চিন্তা কৰিবলৈ বিভিন্ন ধৰণৰ যোগৰ অনুশীলন কৰিব পাৰে।

উদাহৰণ স্বৰূপে পদবিন্যাস যোগ অথবা গমন যোগ মানে হৈছে উদ্দেশ্যবিহীন হৈ মাইলৰ পাছত মাইল একনিষ্ঠতাৰে খোজকাঢ়ি গৈ থাকোতে একাত্ম হৈ ঈশ্বৰৰ অন্বেষণ কৰা।

ভাসন যোগ মানে হৈছে আকৌ পানীৰ ওপৰত ওপঙি থাকি অথবা ডিঙিলৈ পানীত ডুবি থাকি নিৰন্তন ঈশ্বৰৰ সাধনা কৰাকে বুজায়।

প্ৰকৃতিয়ে নিজৰ সন্তানসকলক সৰ্বতো কাল ধৰি অবিৰাম লালন-পালন কৰি আহিছে। একমাত্ৰ প্ৰকৃতিৰ পৰাই ধৰাৰ সকলো প্ৰাণীয়ে শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে দৰকাৰী পুষ্টিকাৰক আহৰণ কৰে। পাহাৰ-ভৈয়াম, নদ-নদী, গছ-বিৰিখ, বৰফাবৃত পৰ্বত, ৰামধেনু, নীলা সমুদ্ৰ আৰু আকাশ আদিৰ নৈসৰ্গিক প্ৰাকৃতিক সৌন্দৰ্য আমাৰ মানসিক স্বাস্থ্য বিকাশৰ বাবে অতি প্ৰয়োজনীয় পুষ্টিকাৰক। মনোমোহা প্ৰাকৃতিক দৃশ্যাৱলীৰ মাজত সম্পূৰ্ণ বিলীন হৈ চঞ্চল মনটোক নিজৰ আয়ত্বত ৰাখি একাত্ম হৈ ঈশ্বৰ চিন্তাৰ অনুশীলন কৰাকে দৰ্শন যোগ বুলি কোৱা হয়। পুৰণি কালত ঋষি-মুনিসকলে জনবসতি বিহীন সুন্দৰ প্ৰাকৃতিক স্বাচ্ছন্দ্য পৰিৱেশত ধ্যান কৰি ঈশ্বৰ প্ৰাপ্তিৰ সাধনা কৰিছিল। কাৰণ তেওঁলোকে জানিছিল যে স্বচ্ছতাৰ মাজতেই ভগৱান বিৰাজমান।

কৰ্ম যোগ হৈছে কামৰ মাজেৰেই ঈশ্বৰৰ প্ৰাপ্তিৰ সাধনা। নিষ্ক্ৰিয় মন চয়তানৰ কৰ্মশালা। চয়তানৰ চৈতন্য নাথাকে। গতিকে কৰ্মবিমুখ মানুহৰ ঈশ্বৰ প্ৰাপ্তি অসম্ভৱ।

সেই বাবে কাম বন কৰি নিজৰ মনটোক নিজৰ আয়ত্বত ৰাখি ঈশ্বৰৰ চিন্তাত ব্ৰতী কৰাব পৰাটোৱেই জীৱনৰ লক্ষ্য হ'ব লাগে। কৰ্মবিমুখ মানুহৰ বাবে ঈশ্বৰ প্ৰাপ্তিও অসম্ভৱ।

এই সকলোবোৰৰ উপৰি আন এক প্ৰকাৰৰ বিশেষ যোগ হৈছে শব্দ যোগ অথবা শ্ৰৱণ যোগ। সুৰ, সংগীত অথবা মন্ত্ৰোচ্চাৰণ কৰি শৰীৰ তথা মনৰ উত্তেজনা, দুখ, কষ্ট, বিষাদ, ক্ৰোধ, ভয় আৰু উদ্বেগ পাহৰি মনটোক শান্ত কৰি ঈশ্বৰ চিন্তা কৰাৰ অনুশীলনেই হৈছে শব্দ যোগ। ভুটান, তিব্বত, নেপাল আদি দেশত ত্ৰিপিটকৰ পবিত্ৰ মন্ত্ৰ মুদ্ৰিত তামৰ বাতি এটাৰ চাৰিওফালে চাইপ্ৰাছ গছৰ কাঠৰ এডাল মাৰি স্পৰ্শ কৰি ঘূৰাই ঘূৰাই লয়পূৰ্ণ শব্দৰ লহৰ তুলি ধ্যানৰ অনুশীলন কৰা হয়। সুমধুৰ সংগীত শ্ৰৱণৰ যোগেদিও দৰাচলতে আমি ধ্যান অথবা যোগৰ অনুশীলন কৰি ঈশ্বৰ চিন্তাত একাত্ম হৈ পৰিব পাৰো।

মোৰ শহুৰে নিজৰ অজ্ঞাতেই অনুশীলন কৰা এই প্ৰকাৰৰ শব্দ যোগৰ প্ৰতি লাহে লাহে ময়ো আকৰ্ষিত হ'বলৈ ধৰিছো আৰু ইয়াৰ পৰা যথেষ্ট উপকৃত হ'ব পাৰিছো।

আমি সকলোৱে নিজে কৰি ভালপোৱা কামবোৰ, যিবোৰৰ দ্বাৰা সমাজ আৰু ৰাষ্ট্ৰ উপকৃত হ'ব পাৰে সেই কামবোৰ কৰাৰ বাবে সদায়েই নিজৰ ইচ্ছা শক্তিক সঞ্জীৱিত কৰি ৰখাৰ দৰকাৰ। আৰু এই ইচ্ছা শক্তিৰ বিকাশৰ বাবে দৰ্শন, গমন, ভাসন, শ্ৰৱণ আৰু কৰ্ম যোগৰ অতি প্ৰয়োজন। আমাৰ মানসিক, শাৰীৰিক আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত এই সকলোবোৰ যোগ তথা ধ্যানৰে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে। গতিকে আহক আমি সকলোৱেই যোগ তথা ধ্যানৰ সাধনাৰ জৰিয়তে সুস্থ-সবল প্ৰজন্মৰে ভৰপূৰ এখন নৱ ভাৰত নিৰ্মাণৰ বাবে সংকল্পবদ্ধ হওঁ।

চুমিন্দ্ৰ চৌধুৰী

ফোন: ৭৮৯৬০৪৭০০৫

বজাৰমুখী হ'ল অভিলাষ

প্ৰত্যেকৰ জীৱনৰ অভিলাষ থকা দৰকাৰ। অভিলাষ পূৰণ হোৱাৰ কাৰণে প্ৰতিকূল পৰিৱেশৰ মুখামুখী হ'লেও তাক জয় কৰিবলৈ নেৰানেপেৰা শ্ৰম অব্যাহত ৰাখিব লাগিব। সাধনাৰ ফল সদায় ইতিবাচক হয়। আগতে মানুহৰ অভিলাষবোৰ আছিল গতিৰোধক অৰ্থাৎ সীমাবদ্ধ অভিলাষ। সকলোৱে অভিলাষ অনুসৰি লক্ষ্যত উপনীত হোৱাৰ পাছত, সেই ফলতেই সন্তুষ্টি লাভ কৰি জীৱন উপভোগ কৰা। সেই কাৰণেই প্ৰত্যেক মানুহে পাৰিপাত্য জীৱন-যাপন কৰি নিজস্ব ভাৱমূৰ্তিক অম্লান কৰি ৰাখিব পাৰিছিল। আজিৰ মানুহৰ অভিলাষবোৰ হ'ল মিশ্ৰিত সামগ্ৰীৰে পৰিপূৰ্ণ এখন বজাৰহে যেন। তাৰেই কাৰণতে গণতান্ত্ৰিক দেশত অগণতান্ত্ৰিকতাৰ এখন বজাৰহে যেন সৃষ্টি হ'ল। আজিৰ প্ৰায় মানুহৰ জীৱনৰ অভিলাষ পূৰণ হোৱাৰ পাছতো তাতেই ক্ষান্ত নথকা হ'ল। অৰ্থাৎ অভিলাষবোৰ বজাৰমুখী হ'ল। এই বজাৰমুখীতাই হ'ল অগণতান্ত্ৰিকতাৰ মিছিল। আজিৰ প্ৰায় মানুহে এটা বৃত্তিত নিয়োজিত হোৱাৰ পাছত, তাৰ পৰা হোৱা উপাৰ্জনত সন্তুষ্ট নথকা হ'ল। সেই কাৰণতে জন্ম হ'ল বাহিৰা উপাৰ্জন নামৰ অগণতান্ত্ৰিক ব্যৱস্থাৰ। মানুহৰ চৌখিন-জীৱন-যাপনৰ দৌৰাত্ম্যৰ প্ৰাধান্যতাত অভিলাষবোৰ হ'ল বজাৰমুখী। এই বজাৰমুখী অভিলাষৰ প্ৰচণ্ডতাত বশ হৈ, বাহিৰা-উপাৰ্জনত হাত দি গণতন্ত্ৰক বিভ্ৰান্ত কৰা হ'ল। য'ত ন্যায়-নীতি বিপৰ্যস্ত হ'বলৈ বাধ্য হ'ল। অতি মৰ্যাদাৰ আসনত উপবিষ্ট হোৱাৰ পাছতো মানুহ কলংকিত হ'বলৈ শংকা নকৰা হ'ল কিয়? চাওক, এজন বিধায়ক, বিধায়ক হোৱাতে ক্ষান্ত নথকা চিন্তাই তেওঁক ক্ষোভিত কৰায় আৰু সেই ক্ষোভক উপশম কৰাৰ কাৰণতে নিগম-নিকায় আৰু অন্যান্য বিষয়ত অধ্যক্ষ আদি শ্ৰেণীৰ পদত তেনেলোকক নিয়োজিত কৰাই সন্তুষ্ট কৰণৰ উপায় অৱলম্বন কৰা নহয় জানো? দেশ সেৱাৰ সদিচ্ছা প্ৰায় বিলুপ্তিৰ পথত। এতিয়াৰ সেৱাত ধন-লোভৰ আক্ৰমণ চলিছে। আজিৰ এজন মানুহৰ জীৱনৰ অভিলাষ কি বুলি প্ৰশ্ন কৰিলে পোনপটীয়া উত্তৰ নাথাকে। থাকে, বিত্তৱান হৈ বিলাসী জীৱন-যাপনৰ সহস্ৰ পন্থা।

কেশৱ শৰ্মা, ফোন: ৯৪০১৮৭৯৪০৮

গুৱাহাটীৰ কৃত্ৰিম বান

অভিমত

গুৱাহাটী, উত্তৰ-পূব ভাৰতৰ দুৱাৰ মুখ। ব্যৱসায় বাণিজ্যৰ কেন্দ্ৰ গুৱাহাটী মহানগৰী। অসমৰ ৰাজধানী, দিছপুৰ, গুৱাহাটী মহানগৰী। অসমৰ বুদ্ধিজীৱী, সাংবাদিক, উকীল, চৰকাৰৰ উচ্চ বিষয়া, চৰকাৰৰ মন্ত্ৰী-বিধায়কৰ আৱাসস্থলী গুৱাহাটী মহানগৰী। গুৱাহাটী মহানগৰীক লৈ চৰকাৰৰ জল্পনা-কল্পনা। গুৱাহাটীৰ সৌন্দৰ্য বৰ্ধন কৰিব। গুৱাহাটীক স্মাৰ্টচিটী হিচাপে গঢ়ি তুলিব। প্ৰস্তুত হ'ল অভিলাষী আঁচনি; কিন্তু বাস্তৱিকতে ফুটুকাৰ ফেন। এজাক বৰষুণত গুৱাহাটীত বাস কৰা আভিজাত শ্ৰেণীৰ ভেম নিমিষতে ম্লান হৈ পৰিল। ৰিক্সাৱালাক গালি পৰা, বিলাসী বাহনৰ চালকসকলে ৰিক্সাৱালাত শৰণ ল'ব লগা হ'ল। ঘৃণিত, অৱহেলিত, দৰিদ্ৰ লোকসকলক হাতযোৰ কৰি গাড়ী ঠেলিবৰ বাবে অনুৰোধ কৰিবলগা হ'ল। এইবোৰ দেখি-শুনি সৰুতে পঢ়া 'সিংহ আৰু নিগনি'ৰ সাধু কথাটো মনত পৰিল।

গুৱাহাটীত কৃত্ৰিম বানৰ মূল কাৰণ কি? বাতৰি কাকত, বৈদ্যুতিন মাধ্যমত বিভিন্নজনে বিভিন্ন ধৰণৰ মন্তব্য আগবঢ়াইছে। বিভিন্নজনে বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। পানী ওলাই যোৱাৰ ত্ৰুটিপূৰ্ণ ব্যৱস্থাৰ বাবে গুৱাহাটীত কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। বায়ুমণ্ডল, বাৰিমণ্ডল, (বাৰি মানে পানী) শিলামণ্ডল আৰু জীৱমণ্ডলেই প্ৰকৃতি। মানুহ জীৱ শ্ৰেষ্ঠ। মানুহক ভগৱানৰ সৰ্বগুণ প্ৰদান কৰি মানুহ সৃষ্টি কৰিছে। এই জীৱশ্ৰেষ্ঠ মানুহে কামনা- বাসনা পূৰ্ণ কৰিবলৈ বায়ুমণ্ডল, বাৰিমণ্ডল, শিলামণ্ডল আৰু জীৱ মণ্ডল ধ্বংস কৰি নতুন প্ৰজন্মলৈ অশনি সংকেত কঢ়িয়াই আনিছে। জনসংখ্যা বাঢ়ি যোৱাৰ লগে লগে ঘৰ বনাবলৈ বনাঞ্চল ধ্বংস কৰিলে, পাহাৰ কাটি শিলাখণ্ড নষ্ট কৰিলে, নদীৰ সোঁত, নিজৰাৰ সোঁত, বিল আদি বন্ধ কৰিলে। সেয়েহে মানুহে ইয়াৰ ফল ভোগ কৰিছে। বায়ুমণ্ডল দূষিত হ'ল, বানপানীয়ে তাণ্ডৱ সৃষ্টি কৰিলে, শিলাখণ্ড নোহোৱাৰ ফলত ভূমিস্খলন হ'ল। মানুহৰ বাবে কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। তাৰ বাবে দায়ী কাক কৰিব?

গুৱাহাটীত কৃত্ৰিম বান ৰোধ কৰিব পাৰিবনে? এই সংক্ৰান্তত বিভিন্নজন অৰ্হতা সম্পন্ন, জ্ঞানপুষ্ট, দক্ষ অভিযন্তাই পৰামৰ্শ আগবঢ়াইছে। তেওঁলোকৰ পৰামৰ্শমতে কাম কৰিলে কৃত্ৰিম বানপানী ৰোধ কৰিব পাৰিব হেনো। মোৰ বোধেৰে গুৱাহাটীৰ কৃত্ৰিম বানপানী ৰোধ কৰিব নোৱাৰে। ক্ষয় ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিব পাৰিব। কিয়নো, ইতিমধ্যে সকলো পাহাৰ বিল, নদী, পুখুৰী পুতি মানুহে ঘৰ বনালে। এই ঘৰবোৰ উচ্ছেদ কৰি নতুন পৰিকল্পনা কৰিব নোৱাৰে। নলা-নৰ্দমা বহল কৰাৰ ব্যৱস্থা নাইকিয়া কৰিলে।

এইবোৰ উচ্ছেদ কৰিবলৈ হ'লে ৰাম-ৰাৱণৰ যুদ্ধ হ'ব। ৰামায়ণৰ 'ৰাম'জনে প্ৰজাৰ হিতৰ বাবে কাম কৰিছিল। এতিয়া ৰামবিলাকে ৰাৱণৰ লগত মিতিৰালি কৰি ৰাৱণক ভয় দেখুওৱাৰ অভিনয় কৰে। উৰণীয়া সেতুৰ দৰে যদি ব্যৱস্থা গ্ৰহণ কৰে; তেনেহ'লে ওপৰত স্মাৰ্ট চিটী বনাব পাৰিব, কিন্তু তলত স্মাৰ্ট চিটী বনাবলৈ হ'লে গুৱাহাটী পুনৰ গঠন কৰিব লাগিব, যিটো সম্ভৱ নহয়।

গুৱাহাটীত কৃত্ৰিম বান নিয়ন্ত্ৰণ কৰিবলৈ হ'লে গুৱাহাটীবাসী সজাগ আৰু সচেতন হ'ব লাগিব। নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি নিজৰ নিজৰ ঘৰৰ জাবৰ জোঁথৰসমূহ ঘৰৰ সন্মুখত ডাষ্টবিন বনাই তাত ৰখাৰ ব্যৱস্থা কৰিব লাগিব। নলা- নৰ্দমাসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিব লাগিব।

নলা-নৰ্দমাত পানী নিষ্কাসনত বাধা দেখিলে লগে লগে গুৱাহাটী পৌৰ নিগমৰ হেল্প লাইনত ফোন কৰি দিব লাগিব। চৰকাৰে নলা-নৰ্দমাৰ কাম খৰালি কালত কৰিব লাগিব। চৰকাৰে সময়মতে পৌৰ নিগম কৰ্তৃপক্ষক ধন মুকলি কৰি দিব লাগিব। পৌৰ নিগমে সেৱাৰ মনোবৃত্তিৰে কাম কৰিব লাগিব। সমালোচনা কৰি বিৰূপ মন্তব্য কৰাৰ সলনি সকলোৱে মিলি আমাৰ গুৱাহাটীখন চাফ-চিকুণ কৰি সুন্দৰ কৰি গঢ়ি তোলো আহক।

জ্যোতিষ চন্দ্ৰ দত্ত

ফোন: ৯৮৫৪০৪১৮১৫

ৰাজনীতি, বৰশীৰ টোপ আৰু নাগৰিক

সমাজৰ কাম কৰাটো অতিকে কঠিন কাম, দেশসেৱা কেৱল মুখৰ কথাত নচলে। আগৰ দিনততো নিৰোগী, স্বাস্থ্যৱান, চৰিত্ৰৱান, বুদ্ধিদীপ্ত বাহাদুৰজনকহে সমাজৰ নেতৃত্ব দিয়া হৈছিল। তাৰ কাৰণে তেওঁলোকে সকলোৱে একেলগে বহি কেতিয়াবা নিজৰ মাজতে নিৰ্বাচনৰ ব্যৱস্থা কৰি লৈছিল। সেই কামত সমাজত কোনেও আপত্তি নকৰিছিল। এতিয়া দিনকাল সলনি হ'ল, সমাজ সলনি হ'ল, গণতন্ত্ৰৰ আগস্থান হ'ল, এতিয়া সকলো সমান।



অৱলোকন

ৰামচন্দ্ৰ চুতীয়া

ৰাজনীতি কৰি দেশ চলাবলৈ আমাৰ দেশত মানুহৰ বৰ চখ! এচামৰ মতে সেইটোৱেই জীৱনত কৰিব পৰা আটাইতকৈ সহজ কাম। তাৰ কাৰণ, ৰাজনীতি কৰা মানুহে আমাৰ দেশত কেৱল কথা ক'ব লাগে, আঁচনি ঘোষণা কৰিব লাগে, ধন ল'ব লাগে আৰু নাম কমাব লাগে। পুৱাৰ পৰা গধূলিলৈকে মানুহক কাম কৰিবলৈ উপদেশ দিব লাগে, নিজে কিন্তু এগজ কুটা দুগজো নকৰি কেৱল সভা-সমিতিৰ আয়োজন কৰি দিনৰ পাছত দিন, মাহৰ পাছত মাহ আৰু বছৰৰ পাছত বছৰ ভাষণ দি দেশপ্ৰেমৰ শ্ৰেষ্ঠ সেৱা আগবঢ়োৱাৰ নিদৰ্শন প্ৰতিষ্ঠা কৰিব লাগে।

কথাটো কিন্তু আচলতে তেনে নহয়, সমাজৰ কাম কৰাটো অতিকে কঠিন কাম, দেশসেৱা কেৱল মুখৰ কথাত নচলে। আগৰ দিনততো নিৰোগী, স্বাস্থ্যৱান, চৰিত্ৰৱান, বুদ্ধিদীপ্ত বাহাদুৰজনকহে সমাজৰ নেতৃত্ব দিয়া হৈছিল। তাৰ কাৰণে তেওঁলোকে সকলোৱে একেলগে বহি কেতিয়াবা নিজৰ মাজতে নিৰ্বাচনৰ ব্যৱস্থা কৰি লৈছিল। সেই কামত সমাজত কোনেও আপত্তি নকৰিছিল। এতিয়া দিনকাল সলনি হ'ল, সমাজ সলনি হ'ল, গণতন্ত্ৰৰ আগস্থান হ'ল, এতিয়া সকলো সমান। এতিয়া যিকোনো মানুহে দেশৰ নেতা হ'ব পাৰে, কাৰাগাৰত থকা চোৰ-ডকাইত, অপৰাধীও নিৰ্বাচনৰ প্ৰাৰ্থী হৈ তাৰ পৰাই পোনে পোনে ক্ষমতাত অধিষ্ঠিত হ'ব পাৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু প্ৰাক্তন আনজন প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইৰ দিনত তেনেকুৱা বহুত উদাহৰণ আছে। যুক্তিৰ খাটিৰত তেওঁলোকক আমি সুকীয়া স্থান দি, সেয়া বিশেষ ঘটনাৰ শাৰীত ঠাই দিওঁ! দেশত তেনেকুৱা বহুত উদাহৰণ আছে। শেহতীয়াভাৱে আমি অখিল গগৈৰ নামটো লৈ থ'ব পাৰো। কোন দোষী বা নিৰ্দোষী তাক ক'বলৈ নাযাওঁ, সেইবোৰৰ বিষয়ত আমাৰ বৰ বেছি জ্ঞানো নাই, ক'লে কথা; জগৰ লাগিবও পাৰে। কিন্তু আমি সকলোৱে জনা কথাটো হ'ল, কাৰাগাৰৰ পৰা নিৰ্বাচনত জয়ী হোৱা নেতা আমাৰ দেশত মন্ত্ৰী হয়, সমাজ সেৱক হয় দেশখনৰ সুৰক্ষাৰ ভাৰ নিজৰ হাতত লয়। সাংবিধানিক বিধি-বিধানত কি কথা কেনেকৈ মনা হয়, সেইবোৰ সাধাৰণ মানুহে নাজানে, আমিও নাজানো। নেতা হ'লে দোষবোৰ মৰিষণ হৈ যায় নে নাযায়, তাকো জানিও বহুত সময়ত নাজানো। কাৰণ আমিও সাধাৰণ মানুহ।

যি ৰাজনীতি কৰে তেওঁলোকেতো তাতে সৰগখন ঢুকি পায়। আৰু যি ৰাজনীতি নকৰে, ৰাজনীতিকৰ ওচৰে-পাজৰে থাকে, ৰাজনীতিলৈও আগ্ৰহ; তেনে মানুহে চল পালেই সাউতকৈ এলেং মাছৰ দৰে আগ-পাছ নুগুণি থাপ মাৰি টোপটো গিলি পেলাব পাৰে। সেই টোপ ঠিকমতে গিলি হজম কৰিব পাৰিলে ৰাজনীতিৰ শ্ৰীবৃদ্ধি হয়, সা-সম্পত্তি বাঢ়িবলৈ ধৰে আৰু সেইদৰে অতি কম দিনৰ ভিতৰতে সমাজত এজন জাকত জিলিকা মানুহ হৈ পৰে। সমাজত যি এবাৰ জিলিকি উঠিল তেওঁ ঢাপে ঢাপে আগ বাঢ়ে, 'প্ৰগতি' কৰি উন্নতিৰ জখলাত উঠে আৰু এটা সময়ত সৰু মানুহে ঢুকি নোপোৱা বৰ মানুহজন হৈ পৰে। আমাৰ দেশত তেনে মানুহ অজস্ৰ আছে। তেওঁলোকৰ সৰহ ভাগৰে অতীতটো সদায় পেটে-ভাতে খোৱা, ক'তো মন বহুৱাব নোৱাৰি প্ৰথমে ৰাজনীতিকৰ আশে-পাশে গ্ৰহ-নক্ষত্ৰৰ দৰে ঘূৰি ফুৰিবলৈ আৰম্ভ কৰা। আমি এই কথা কৈ ৰাজনীতি কৰা আমাৰ নমস্য ব্যক্তিসকলক ভেঙুচালি কৰা নাই, সমাজে কোৱা কথাষাৰহে কৈছো। কথাষাৰ আমি ঈৰ্ষাতো কোৱা নাই। সমাজ জীৱনত ভাল কাম কৰা বহুত মানুহ আছে, কেৱল আমি বেয়া দিশটোহে দেখিলেতো নহ'ব। গতিকে ৰাজনীতি কৰি সমাজ জীৱন কটোৱা মানুহ মাত্ৰেই অগ্ৰহণীয় হ'ব নোৱাৰে। বিশ্ব ইতিহাস জনা মানুহে নিমিষতে উদাহৰণসহ ভাল মানুহৰ নামবোৰ এফালৰ পৰা দীঘলীয়াকৈ কৈ দিব পাৰে। কোনোবাই তেনে কাম কৰিলে আমি আচৰিত নহওঁ, তেনে মানুহৰ শলাগ লৈ স্তম্ভিততহে হওঁ।

আমাৰ দেশ স্বাধীন হোৱাৰ পাছত, স্বাধীনতাৰ সংগ্ৰামত অংশগ্ৰহণ কৰা মানুহবোৰে ৰাজনীতি কৰি একোটা আদৰ্শৰ চানেকীও হৈছিল। কাৰণ তেওঁলোকে দেশ, দেশপ্ৰেম, মানৱতা কি সেইবোৰ কথা তিতা-মিঠা অভিজ্ঞতাৰ পৰা বুজিছিল। প্ৰথম অৱস্থাত আজিৰ দৰে ৰাজনীতিৰ চৰিত্ৰ একে নাছিল। দীৰ্ঘ দিনৰ সংগ্ৰামৰ তীব্ৰ যন্ত্ৰণা, পুলিচৰ লাঠিৰ কোব, বন্দুকৰ গুলিৰ কথা তেতিয়া পাহৰাই নাছিল। এতিয়াৰ ৰাজনীতি মানে কি, ৰাইজে নিজৰ দেশৰ চাৰিওফালে কি ঘটি আছে, তাক নিৰীক্ষণ কৰিলেই আমি কোৱা কথাৰ অৰ্থ বুজিব পাৰিব। আমাৰ দেশত আঙুলিৰ মূৰত গণনা কৰিব নোৱাৰা ৰাজনৈতিক দল আছে, সেইবোৰৰ ভিতৰত ডাঙৰ দলকেইটাৰ নাম কম-বেছি পৰিমাণে আমি আটায়ে জানো। শেহতীয়াভাৱে বিজেপিয়ে কেন্দ্ৰৰ শাসন ভাৰ নিজৰ হাতত ৰাখিছে। তেওঁলোকেনো কেনেকৈ দেশ চলাইছে, তাক দেশবাসীয়ে প্ৰত্যক্ষ কৰি আছে। গতিকে সেইবোৰ আমি সুকীয়াকৈ কোৱাৰ কোনো কাৰণ নেদেখো। কোনটো কাম ভাল আৰু কোনটো কাম বেয়া তাক আনে বুজোৱাৰ দিন কাহানিবাই অতীত হ'ল। দেশৰ নাগৰিকে সেইবোৰ গধুৰ দায়িত্ব পালন কৰাৰ সময়ত গভীৰলৈ গৈ সিদ্ধান্ত ল'ব জনা হ'ল। সেয়া যি হৈছে ভালেই হৈছে। শিক্ষা আৰু সময়ে সকলোকে দীক্ষিত কৰি তুলিছে।

ৰাজনীতিৰ পথাৰখন ৰামায়ণ-মহাভাৰতৰ দিনৰ পৰা আমাৰ দেশত বৰ সুগম নহয়। ন্যায়-অন্যায়ৰ হকে মাত মতা মানুহ থাকিলেও, তেওঁলোকে কিবা এষাৰ ক'লেও, সেইবোৰ কথাত কোনেও গুৰুত্ব নিদিয়ে। পণ্ডিতপ্ৰৱৰ বীৰ যোদ্ধা লংকেশ্বৰ ৰাৱণ সকলো কামতে ঠিক থাকিলেও লক্ষ্মণে নাককটা ভনীয়েকৰ অপমানৰ পোতক তুলিবলৈ গৈ কমখন লটিঘটি খোৱা নাই, পাছত নিজৰ ভুলৰ বাবে জীৱনটো গ'ল। ৰাম আকৌ ন্যায়ৰ অৱতাৰ হৈয়ো নিজৰ পত্নীকে সুৰক্ষা দিব নোৱাৰিলে। মহাভাৰততো সেই একে কাহিনী। জগতৰ ত্ৰাণকৰ্তা শ্ৰীকৃষ্ণৰ উপৰি ভীষ্ম, দ্ৰোৰ্ণ, বিদুৰৰ দৰে মহামতি থাকোতেও নিজৰ পৰিয়ালৰ ভিতৰতে মহাৰণখন লাগিছিল। ফলাফল কি হৈছিল, সেইকথা আমি সকলোৱে জানোৱেই। তথাপি আজিও আমাৰ দেশৰ অৱস্থাটোৰ কোনো শুধৰণি হোৱা নাই। আগতে বিভীষণ এজন আৰু শকুনি এজনহে আছিল। এতিয়া তেওঁলোকৰ সংখ্যা লাখ কোটিৰ ওপৰ হ'ল। চল পালেই ইপাৰ, চল পালেই সিপাৰ! নিজত্ব বুলিবলৈ দেখোন একো নোহোৱা হ'ল, য'তে ধন থাকে তৰানৰা ছিঙি তালৈকে ঢাপলি মেলে। তেনে কাম কৰোতে কোনেও লাজ নাপায় বৰঞ্চ আজিৰ দিনত গৌৰৱহে অনুভৱ কৰে। নিজৰ দল ত্যাগ কৰাবোৰে সমূলি লাজ নাপায়, আনৰ দলৰ মানুহক গ্ৰহণ কৰাবোৰেও লাজ নাপায়। কথাই প্ৰতি প্ৰতিজ্ঞা, পণ সকলোৱে কৰে, কিন্তু ভীষ্ম-প্ৰতিজ্ঞা বোলা বস্তুটো কাহানিবাই নোহোৱা হ'ল। ভীষ্মতো নায়েই! বাৰিষা দিনত বোৱাল বা হেলচ গছৰ সোণালী গুটি চিপচিপীয়া পৰষুণ পৰি থাকোতে, তলৰ পানীত পৰাৰ লগে লগে এলেং মাছে টপৰকৈ গিলি থোৱাৰ দৰে, আজিৰ এচাম নীতিহীন ৰাজনীতিকে আন দলত কিবা সম্ভাৱনা দেখিলেই নিজৰ দলৰ 'হাইকামাণ্ড'লৈ চিঠি লিখি পদত্যাগ কৰে। বৰটোকোলাৰ দৰে টোপ গিলা ৰাজনীতি এতিয়া ইমান সুলভ আৰু জনপ্ৰিয় হ'বলৈ ধৰিছে যে কোনে কোন সময়ত কোন দলত থাকে তাৰ কথা কোৱাই টান হৈ পৰিছে। টোপটো যেতিয়া বৰশীত লগাই দিয়া হয় তেতিয়া এলং মাছৰ যি গতি হয়, সেই গতিয়ে হয় লুভীয়া ৰাজনীতিকৰো! যি মানুহে একোটা দলত ২০-৩০ বছৰ চাউল খাই কৌৰৱৰ গুণ গাই থাকে, কৌৰৱৰ দুৰ্যোধনৰ প্ৰথম ১০ হেজাৰমান সৈন্য ৰণত পৰা দেখিলেই সেনাপতি ভীষ্ম পিতামহতো আস্থা নাৰাখি তেনে মানুহে ৰণভূমি এৰি পলায়ন কৰে। একবিংশ শতিকাত সেই নিয়মটো আমাৰ দেশত বৰকৈ দেখিবলৈ পোৱা গৈছে। আনৰ চৰিত্ৰ হননত প্ৰতিজন তেনে ৰাজনীতিক বিশাল-জ্ঞানেৰে পৰিপুষ্ট। অভিনয়তো তেনে মানুহ একো একোজন দক্ষ অভিনেতা। জুলিয়াছ ছীজাৰৰ নলেগলে লগা বন্ধু ব্ৰুটাছৰ ডেগাৰৰ খোচটো খাওতেহে চীজাৰে বুজিছিল বন্ধুৰো তেওঁলৈ কিমান গভীৰ প্ৰেম আছিল। এতিয়া বিশ্বাস-ভংগৰ যুগ। কোন সঁচা কোন মিছা তাক কালে নিৰ্ণয় নকৰালৈকে মানুহ চিনা টান।

কোন ক'ৰ পৰা ক'লৈকে যাব পাৰে, কিমান ওপৰৰ পৰা কিমান তললৈ যাব পাৰে, দেশৰ নাগৰিকে তাক মাত্ৰ এবাৰ নিৰীক্ষণ কৰিয়ে কৈ দিব পাৰে। তেওঁলোকে প্ৰথমে একো নকয়, ভাবে; ডাঙৰ মানুহৰ মাজত সোমাই একো লাভ নাই। তেনে কামত হস্তক্ষেপ কৰিবলৈকে বা তেওঁলোকৰ কি শক্তি আছে। দুবেলা দুমুঠি ভাতৰ চিন্তাত সময় কটোৱা দৰিদ্ৰ নৰনাৰায়ণে আনৰ পাপৰ চিটিকণি গাত পৰিবলৈ দিবলৈ মন নকৰে। কিন্তু যেতিয়া তেওঁলোকৰ অভিনয়ত বিৰক্ত হৈ সহ্যৰ সকলো সীমা অতিক্ৰম কৰে, তেতিয়া আৰু কোনো লক্ষ্মণৰেখাই কাম নকৰা হৈ পৰে। উমি উমি জ্বলি থকা তুঁহ-জুই, ফাগুণৰ অকণমান বতাহ পালেই ভামুকৈ জ্বলি উঠে। তেনে জুই, বনজুইৰ দৰে অথবা বলিয়া হাতীৰ দৰে চতুৰ্দিশে বিয়পি পৰিবলৈ এখন্তেকো নালাগে। তেনেকুৱা দুৰ্ঘটনা ঘটিলেই তাক তেতিয়া ৰজা-মহাৰজা বা কোনো নেতাই বশ কৰিব নোৱাৰা হৈ পৰে। আধুনিক বিশ্বত সেইটোৱেই আটাইতকৈ ভয়ংকৰ দিন। আমাৰ নেতাবোৰে এই কথাটো সদায় মনত ৰখা উচিত।

ফোন ঃ ৭০৮৬২ ১৭৪২৫

আমাৰ হিন্দু সম্প্ৰদায়ৰ তিনিজন প্ৰধান দেৱতা; তেওঁলোক হ'ল— ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ। আৰু তেওঁলোক তিনিওজনে তিনিটা প্ৰধান কৰ্তব্য সম্পাদন কৰে। তাৰে ব্ৰহ্মা হ'ল বিধাতা বা বিধিদাতা। এই অনন্ত কোটি ব্ৰহ্মাণ্ডৰ যিমান চৰাচৰ, দেৱতা, অসুৰ, গন্ধৰ্ব, নাগ, গ্ৰহ-নক্ষত্ৰ আদি আছে সেইবোৰ কেনেকৈ চলিব লাগে তাৰে বিধি অৰ্থাৎ আইন-কানুনৰ তেওঁ প্ৰবৰ্তক। তেওঁ যি বিধান দিয়ে সেইমতেই বিশ্বব্ৰহ্মাণ্ডৰ সকলোৱে পালন কৰিব লাগে। এতিয়া সমস্যাটো হ'ল এই দেৱতাজনৰ অৱক্ষয় আৰু কাৰ্যকলাপ আদিৰ।



লা দি গড়ালো দা



মক্ষিকাবৃত্তি

ড° সুৰেন্দ্ৰ মোহন মহন্ত

ফকৰাটোৰ সম্পূৰ্ণ পাঠ এনে ঃ
'লা দি গড়ালো দা,
গাৰ কাপোৰ দি বৰ মানুহ
কৰিলো
তাৰ ফিতাহিটো চা। এই ফাকি ফঁকৰাৰ অৰ্থ হ'ল— যিয়ে তুলি-তালি ডাঙৰ-দীঘল কৰে তাকে মানুহে অৱজ্ঞা কৰে। একে ধৰণৰ আৰু এফাঁকি ফকৰা হ'ল— 'পাৰ পাই ভুৰুত লঠিওৱা।' মানে যাৰ কৃপাত পাৰ পালে (বিপদৰ পৰা ৰক্ষা বা পৰিত্ৰাণ পালে) তাকে আঘাত বা অপমান কৰা। দেখিছেই আমি ভালেমান লোকক 'ডাঙৰ মানুহ' হিচাপে গঢ়ি তোলো আৰু সেই মানুহবোৰেই আমাক অৱজ্ঞা কৰে। আমি প্ৰথমে এনে কথাৰ লগত জড়িত কিছু কথাৰ পাতনি মেলিব খুজিছো আৰু পাছত এই কথালৈ উলটি আহিম।

আমাৰ হিন্দু সম্প্ৰদায়ৰ তিনিজন প্ৰধান দেৱতা; তেওঁলোক হ'ল— ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ। আৰু তেওঁলোক তিনিওজনে তিনিটা প্ৰধান কৰ্তব্য সম্পাদন কৰে। তাৰে ব্ৰহ্মা হ'ল বিধাতা বা বিধিদাতা। এই অনন্ত কোটি ব্ৰহ্মাণ্ডৰ যিমান চৰাচৰ, দেৱতা, অসুৰ, গন্ধৰ্ব, নাগ, গ্ৰহ-নক্ষত্ৰ আদি আছে সেইবোৰ কেনেকৈ চলিব লাগে তাৰে বিধি অৰ্থাৎ আইন-কানুনৰ তেওঁ প্ৰবৰ্তক। তেওঁ যি বিধান দিয়ে সেইমতেই বিশ্বব্ৰহ্মাণ্ডৰ সকলোৱে পালন কৰিব লাগে। এতিয়া সমস্যাটো হ'ল এই দেৱতাজনৰ অৱক্ষয় আৰু কাৰ্যকলাপ আদিৰ। দেখাত এই তিনিজনৰ ভিতৰত এওঁক বয়সিয়াল যেন লাগে। কাৰণ বাকী দুজনৰ দাড়ি- গোফ চুঁচি-মাজি (ইংৰাজীত যাক Clean shaved বোলা হয়) সুন্দৰ হৈ থাকে কিন্তু এওঁৰ পকা দাড়িৰে মুখমণ্ডল আবৃত। তাতোকৈ আচৰিত কথা হ'ল বাকীবোৰৰ মূৰ আৰু মুখ একোখন, এওঁৰ কিন্তু একাধিক! কোনোৰ মতে তেওঁৰ বোলে অতীতত চাৰিটা মূৰ আৰু চাৰিখন মুখেই আছিল আৰু কিবা আহুকাল হোৱাত এটা মূৰ কটা গ'ল। সেয়ে তেওঁৰ এতিয়া মূৰ তিনিটা আৰু তদনুৰূপে মুখো তিনিখন। তিনিওখন মুখ বগা দীঘল দাড়িৰে ভৰি থকা। তেওঁক দেখিলে শতাধিক বছৰ আয়ুসৰ ঋষি-মুনি যেনেহে লাগে। পিছে আমি বুজিব নোৱাৰা কথাটো হ'ল তেওঁ কোনখন মুখেৰে কথা কয়? অৰ্থাৎ কোনখন মুখেৰে বিধিবোৰ প্ৰচাৰ কৰে? যদি তিনিওখন মুখে একেটা কথাকে কয় (একেলগে?) তেন্তে তিনিখনৰ প্ৰয়োজনেই বা ক'ত? আকৌ যদি সেই তিনিওখনে তিনিটা ভিন্ন ভিন্ন কথা কয় একেলগে তেন্তে কোনে সেইবোৰ বুজে? আকৌ কেৱল সেয়ে জানো? যদি তিনিখনৰ বাক্যবোৰৰ ভিন ভিন অৰ্থ আৰু উদ্দেশ্য থাকে; কোনখনৰ কথা বিশ্বাস কৰা বা পালন কৰা হ'ব? তেনেহ'লে শুনোতা নিশ্চয় বিপাঙত আৰু বিপদত পৰিব। সেইবোৰ দৈৱিক অথবা দেৱতা সম্পৰ্কীয় সমস্যা। আমি আলোচনা কৰি পাৰ পোৱাৰ আশা নাই; অত এৱ সেইবোৰ আলোচনা-বিলোচনা নিৰৰ্থক।

এই কলিকালত আমাৰ বিধায়কসকলেই আমাৰ বিধিদাতা— বিধাতা। সেইসকলে আমাৰ বাবে, সাধাৰণ প্ৰজাৰ বাবে সমাজ তথা দেশখন সুচাৰুৰূপে চলিবৰ বাবে সকলো বিধি নিৰূপণ কৰে। গতিকে এওঁলোক একেবাৰে ব্ৰহ্মা বা বিধাতাৰ নিচিনা দেৱতা নহ'লেও-দেবপ্ৰতীম! অৰ্থাৎ দেৱতাৰ নিচিনা বা দেবতুল্য (!!)। আজিৰ বিধাতা এই বিধায়কসকল। সেই গতিকে তেওঁলোকৰো তিনিখন মুখ থকাটো অতি প্ৰয়োজনীয়। তাৰে দুখন যেনিবা আমাৰ চৰ্মচক্ষুত প্ৰতীয়মান বা দৃশ্যমান নহয়। কিন্তু তাৰ উপকাৰিতা প্ৰয়োগ, প্ৰয়োজনীয়তা, সম্ভাৱনীয়তা আদি উলাই কৰিবলগীয়া বিধৰ নহয়। আৰু এই কাৰণেই অৰ্থাৎ মুখৰ সংখ্যাগৰিষ্ঠতাৰ বাবেই আমাৰ বিধাতা মানে বিধায়কসকল আমাৰ পূজনীয়। সাধাৰণতে তেওঁলোকে তিনিওখন মুখ একেলগে বা একে সময়তে ব্যৱহাৰ নকৰে। তাৰে এখন মুখ নিৰ্বাচন ব্যাপাৰত সভা-সমিতিত ভাষণ দিবৰ বাবে, দ্বিতীয়খন নিৰ্বাচিত হোৱাৰ পাছত গুৰু-গম্ভীৰ স্বৰে ৰাইজক উপদেশ আৰু আশীৰ্বাদ দিবৰ বাবে আৰু তৃতীয়খন তেওঁৰ একেবাৰে ব্যক্তিগত কথা-বতৰাৰ বাবে ব্যৱহাৰ কৰিবলৈ। সেয়ে তিনিওখন মুখৰ কথা-বতৰা বা ভাষ্যসমূহৰ মাজত কোনোধৰণৰ সামঞ্জস্য থাকিব লাগিব বুলি কথা নাই। ধৰক নিৰ্বাচনৰ সময়ত তেওঁক আৰু তেওঁৰ দলক ভোট দি জয়যুক্ত কৰিলে পৃথিৱীখন আপোনাৰ বাবে সুখৰ স্বৰ্গ কৰি গঢ়ি তুলিব বুলি ক'বই। সেই পৃথিৱীত (দেশত) আপুনি বিচৰা সকলো পাব। আপোনাৰ আঁঠুৰ মূৰতে সোণ, ভাত পানী, কাপোৰ কানি, ৰাস্তাঘাট, বিজুলী পোহৰ আদি মানে আপোনাক যিয়েই লগে সকলোবোৰ পাব। যেন আপুনি আপোনাৰ কল্পনাৰ স্বৰ্গত বাস কৰিছে। নিৰ্বাচনৰ পাছত সেইখন মুখে কথা নকয়। তেতিয়া ইখনেহে ক'ব। যদি বানপানী হয় ক'ব, বানপানীতো ক'ত নহয়, আমেৰিকাতো হয়। চুৰি-ডকাইতি! বিলাততো চুৰি-ডকাইতি হয়। ৰাচিয়াতো কেতিয়াবা বিজুলী নজ্বলে; চীন দেশতো মানুহে খাবলৈ নাপায় মৰে, জাপান-জাৰ্মানীতো উৰা জাহাজৰ বিজুতি ঘটে; ফ্ৰান্সতো ছিণ্ডিকেটে চৰকাৰৰ কামত হেতা-ওপৰা কৰে ইত্যাদি, ইত্যাদি। গতিকে ভাৰত বা অসম কোন কুটা?

আমাৰ বিধাতাসকলৰ তৃতীয়খন মুখৰ আলোচনা কৰিবলৈ ভয় হয়। কাৰণ তেনে ধৰণৰ ব্যক্তিগত কথা ৰাজহুৱা কৰিলে আপুনি যে ৰাষ্ট্ৰদ্ৰোহী, সেই কথা প্ৰমাণ কৰিবলৈ পাঁচমিনিটো সময় নালাগে। আপুনি শুনা মতেই কথা যদি প্ৰকাশ কৰে বোলে—টোলগেটত ছিণ্ডিকেট আছে, তাৰ অংশ অমুক বিধাতালৈকো যায়; নাইবা কয়লাবোৰ নীতি বিগৰ্হিগত ধৰণে খান্দি ট্ৰাকে ট্ৰাকে ওচৰৰ ৰাজলৈ যায় আৰু তাতো কিবা পাৰ্চেণ্টেজ আছে। অংশ বোলে বিধাতায়ো পায়, আন্তঃৰাজ্যিক গৰুৰ ব্যৱসায় চলে, ড্ৰাগছৰ ব্যৱসায় চলে, বাৰ্মিজ চুপাৰিৰ স্মাগলিং আছে ইত্যাদি ক্ষেত্ৰত আপুনি শুনা কথাবোৰ কাকো নক'ব। এনেধৰণৰ তেওঁলোকৰ মুখ তিনি নম্বৰৰ দ্বাৰা পৰিচালিত (সঁচা নহ'বও পাৰে) কথাবোৰ জাহিৰ কৰিবলৈ গ'লে বিপদ। জাহিৰ নকৰিব, শপত-তিনি শপত।।

দুৰ্ভাগ্যবশতঃ কেতিয়াবা আমাৰ বিধাতাসকলৰ তিনি নম্বৰৰ মুখখনৰ কথা প্ৰচাৰো হৈ যায়। ধৰক, এজন বিধাতাই হঠাৎ কৈ দিলে বোলে— 'ক'তা দেশত বস্তুৰ দাম বঢ়া বুলি মই গমকে নাপাওঁ। হায় বিধি! তেওঁ বাৰু জলকীয়া কিনিবলৈকে গৈছে নে নেমুটেঙাকে কিনিছে? তেওঁ বজাৰলৈ যাবলৈ সময় ক'ত? আৰু ঘৰৰ বজাৰ কোনে কৰে তেওঁ জানে নেকি? তেওঁ বাৰু ঘৰত চেনি, চাউলৰ হিচাপ কৰি সময় কটাবনে দেশৰ চিন্তা কৰিব? আকৌ চাওক যোগান বিভাগৰ বিধাতাই ক'লে বোলে বস্তুৰ দাম বঢ়াত তেওঁৰ বিভাগৰ কোনো সম্পৰ্ক নাই। নিশ্চয় নাই। বস্তুৰ দাম নিৰ্ণয় কৰে বেপাৰীবোৰে। কি বস্তু ক'ত পায়; ক'ৰ বস্তু কেনেকৈ আনিব পাৰি; বস্তুবোৰ ক'ত জমা ৰাখিব পাৰি আৰু তাৰ দাম কিদৰে নিৰ্ণয় কৰিব পাৰি বা নিয়ন্ত্ৰণ কৰিব পাৰি অথবা কেনেকৈ নিৰ্ণয় কৰিলে ৰজাঘৰ প্ৰজাঘৰ সকলোৰে উপকাৰ হয় এনেবোৰ কথা বণিয়া সদাগৰ নাইবা বেপাৰী মহাজনেহে ঠিৰাং কৰে। গতিকে তাত বিধিদাতা, বিধাতাবৰ্গক জড়িত কৰা অনুচিত। শুনা মতে এজন বিধাতাই কৈয়ে দিলে— বোলে আলুৰ দাম বাঢ়িছে? তেনে পিঁয়াজৰে ভাজি খাওঁক। পিছে তেওঁ আৰু আগনাবাঢ়িল। পিঁয়াজৰ দাম বাঢ়িলে কি খাব নক'লে। হয়তো তাৰ শেষ উত্তৰ হ'ব— দাম বাঢ়িলে বস্তুবোৰ নাখাবই। আন এজনে আকৌ দৃঢ় স্বৰে ৰাইজক উপদেশ দিছে, কোনোবাই নিশ্চয় বেছিকৈ খাইছে। সেইটো নকৰিব, দাম কমি যাব। মানুহে নাজানে যে যিমানে বেছি খাব, দাম তিমানে বাঢ়ি যাব; নাখালেই দাম কমি যাব। ই নিশ্চয় দেশবাসীৰ বাবে প্ৰয়োজনীয় হিতকাৰী বাণী।

আকৌ এজনৰ তৃতীয় শ্ৰীমুখখনে ক'লে— 'দিল্লীতকৈ অসমৰ বস্তুৰ দাম কম।' যেন দিল্লীৰ দামটোৱেহে আচল, গতিকে তাতকৈ বেছি হ'লেহে বেছি। বাঃ!!

আজিৰ বিধাতাসকলৰ কথা কওঁতে এটা কথা মনত পৰি গ'ল। আমি সৰু থাকোতে বজাৰলৈ গৈছিলো। আমাৰ ফালে (তেজপুৰৰ ফালে) বিন্দু কুৰি, মিছন চাৰিআলি আদি কেইখনমান ঠাইত সাপ্তাহিক ডাঙৰ হাট বহে। তাত সাধাৰণতে দেখা পোৱা যায় একো একোটা ল'ৰাক সজাই-পৰাই আনে আৰু মানুহৰ মাজতে নাচিবলৈ দিয়ে। সি বান্দৰ নাচ নাচিবলৈ ধৰে; মানুহ গোট খায়, ভিৰ বাঢ়ি যায়। যেতিয়া মানুহ অলপ বেছি হয় তেতিয়া তেওঁলোকে মূৰৰ বিষ দাঁতৰ বিষ, আঁঠুৰ বিষ আদিৰ ঔষধৰ বটল উলিয়াই ৰাইজৰ আগত দিয়ে। তাৰে ভালেখিনি বিক্ৰীও যায়।

আমাৰ নিৰ্বাচনৰ দিনতো তেনে দৃশ্য অতি সুলভ হৈ পৰিছে। একো একোজন বিধাতা বা বিধাতা প্ৰয়াসী লিডাৰে ৰাইজৰ মাজত বান্দৰ নাচ দিয়ে। মাজে মাজে তেওঁৰ অনুৰাগীয়ে ৰাইজৰ মাজৰ পৰাই নাৰ্জিফুল (গেন্ধাই ফুল) ভাঙি অনা পাহিবোৰ মোনাৰ পৰা উলিয়াই তেওঁৰ মূৰত সিঁচি দিয়ে। আৰু এক মনোৰম দৃশ্যৰ সৃষ্টি কৰে। যথেষ্ট সংখ্যক ৰাইজৰ ইতিমধ্যে তেওঁৰ অনুৰাগী, অনুগামী আৰু হিতাধিকাৰীয়ে আনি সভাগৃহ পুৰাই থয়। তাত তেওঁ প্ৰথমখন মুখৰে ৰাইজক হাঁহি হাঁহি সম্বোধন কৰে। লগে লগে প্ৰতিশ্ৰুতিৰ বন্যাৰে আকাশ পাতাল ভৰাই তোলে। সেই মুখখনৰ মোহিনী বাণে ৰাইজক ভেড়ালৈ ৰূপান্তৰিত কৰে। পিছে মানুহে কথাবোৰ পাহৰে। নিজেও ৰাইজক দিয়া কথাবোৰ পাহৰে। পাহৰিবই দিয়কচোন!! বেচেৰা ৰাইজে সেই ফকৰাটিকে আওৰাই মনত সান্ত্বনা লাভ কৰে নাইবা সান্ত্বনা লাভৰ চেষ্টা চলায়— 'লা দি গড়ালো দা
গাৰ কাপোৰ দি বৰ মানুহ কৰিলো
তাৰ ফিতাহিটো চা!'

ফোন ঃ ৯৮৫৪০৪০১৩৪

নিজৰ ভাল লগা বস্তু এটা আনৰ সুখ বা ভগবানৰ সন্তুষ্টিৰ বাবে আগবঢ়াই দিয়াটোৱেই ত্যাগ। আমাৰ ধৰাত ত্যাগী মনোভাৱৰ মানুহ তেনেই তাকৰ। স্বাৰ্থপৰতাৰ কলীয়া ডাৱৰে মন মগজু আৱৰি থকা বাবে আমাৰ ভিতৰৰ বেছিভাগেই ত্যাগৰ সুখৰ মহত্ব উপলব্ধি কৰিব নোৱাৰে। কিন্তু আমাৰ মাজতে এনে এচাম মানুহো আছে যিয়ে আনক সুখী কৰিবলৈ যিকোনো ত্যাগ কৰিবলৈ সাজু থাকে। সঁচা অৰ্থত অন্তৰখন পবিত্ৰ হ'লে ত্যাগৰ ভাৱ আপোনা আপুনি উঠলি উঠে। ত্যাগৰ মনোভাৱ এটা গঢ় দিয়াটো বৰ সহজ কাম নহয়। ইয়াৰ বাবে মানুহে যথেষ্ট জ্ঞান অৰ্জন কৰিবলৈ কষ্ট কৰিব লাগিব।

ত্যাগৰ সুখ

Great achievement is usually born of great sacrifice, and is never the result of selfishness--Napoleon Hill

হৰ্ষমোহন শৰ্মা

নিজৰ ভাল লগা বস্তু এটা আনৰ সুখ বা ভগবানৰ সন্তুষ্টিৰ বাবে আগবঢ়াই দিয়াটোৱেই ত্যাগ। আমাৰ ধৰাত ত্যাগী মনোভাৱৰ মানুহ তেনেই তাকৰ। স্বাৰ্থপৰতাৰ কলীয়া ডাৱৰে মন মগজু আৱৰি থকা বাবে আমাৰ ভিতৰৰ বেছিভাগেই ত্যাগৰ সুখৰ মহত্ব উপলব্ধি কৰিব নোৱাৰে। কিন্তু আমাৰ মাজতে এনে এচাম মানুহো আছে যিয়ে আনক সুখী কৰিবলৈ যিকোনো ত্যাগ কৰিবলৈ সাজু থাকে। সঁচা অৰ্থত অন্তৰখন পবিত্ৰ হ'লে ত্যাগৰ ভাৱ আপোনা আপুনি উঠলি উঠে। ত্যাগৰ মনোভাৱ এটা গঢ় দিয়াটো বৰ সহজ কাম নহয়। ইয়াৰ বাবে মানুহে যথেষ্ট জ্ঞান অৰ্জন কৰিবলৈ কষ্ট কৰিব লাগিব। ত্যাগত কোনো লাভ লোকচানৰ অংক নাথাকে। ইয়াত থাকে মাথোন অন্তৰাত্মাৰ আহ্বান। কোনোবাই যদি স্বাৰ্থ আগত ৰাখি ত্যাগৰ অভিনয় কৰে তেন্তে ভৱিষ্যতে তেওঁ সকলোৰে মনত নিন্দিত ব্যক্তিলৈ ৰূপান্তৰিত হয়। প্ৰকৃত ত্যাগী ব্যক্তিয়ে কিবা এটা ওভতাই পোৱা বা সমাজৰ পৰা সন্মান পোৱাৰ আশাত ত্যাগ নকৰে। তেওঁ সকলো দিশ চালি জাৰি চায় বাবে অন্তৰত অনন্ত সুখ অনুভৱ কৰে।

ত্যাগ কৰা মানুহে আনৰ পৰা স্বাভাৱিকভাৱেই হওঁক বা জোৰ জুলুমকৈয়ে হওঁক ধন্যবাদ আদায় কৰিবলৈ নাযায়। ত্যাগৰ মনোভাৱ হৈছে অন্তৰাত্মাত জাগ্ৰত হোৱা এক মিঠা অনুভূতি। এই ধাৰণাটো সেইবিলাক মানুহৰ অন্তৰত জাগৰিত হয় যাৰ জীৱনত কিবা এটা ব্যতিক্ৰম কৰাৰ হাবিয়াস থাকে। আমাৰ দেশৰ সৈন্যসকলে আৰু স্বাধীনতা সংগ্ৰামীসকলে তেওঁলোকৰ জীৱন আহুতি দি কৰা ত্যাগৰ ফলতহে আজি আমি স্বাধীনতা উপভোগ কৰিব পাৰিছো। তেওঁলোকৰ ত্যাগক প্ৰতিগৰাকী বিবেকবান মানুহে আজিও শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে সোঁৱৰে। তেওঁলোকৰ ভাল কামৰ বাবে কৰা ত্যাগ মানুহৰ মানস পটত জল জল পট পটকৈ উজ্বলি আছে আৰু থাকিব।

কিছুমান মানুহ প্ৰবৃত্তিগতভাৱে ত্যাগী হয় আৰু আন কিছুমান মানুহ পৰিস্থিতিগত কাৰণত ত্যাগী হয়। এৰা ধৰাৰ মনোভাৱ ত্যাগী হোৱাৰ অন্যতম লক্ষণ। আমাৰ দৈনন্দিন জীৱনত সুখী হ'বলৈ হ'লে আমি প্ৰত্যেকেই কিবা নহয় কিবা ত্যাগ কৰিবই লাগিব। এখন সুখ আৰু শান্তিৰ সমাজ ত্যাগৰ মনোভাৱতহে গঢ়ি উঠে। যদি সমাজৰ প্ৰতিগৰাকী ব্যক্তি নিজ খেয়াল খুচিমতে আগবাঢ়িব খোজে, কোনেও কাৰো প্ৰতি ভ্ৰুক্ষেপ নকৰে, তেন্তে সেইখন সমাজত সদায় বিশৃংলতাৰ পৰিৱেশ বিৰাজ কৰিব আৰু শান্তি আৰু প্ৰগতিৰ পথ ৰুদ্ধ হ'ব।

ত্যাগৰ বলতে বিশ্বব্ৰহ্মাণ্ডখন কোনো খোকোজা নলগাকৈ চলি আছে। সূৰ্যই পৃথিৱীৰ বাবে পোহৰ ত্যাগ কৰিছে, পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰি কৃতজ্ঞতা জ্ঞাপন কৰিছে। গছৰ বীজ এটা মাটিত সিঁচি দিয়াৰ পাছত পৃথিৱীয়ে যদি ত্যাগৰ মনোভাৱেৰে তাক থিতাপি ল'বলৈ মাটি এৰি নিদিয়ে তেন্তে ই গজালি মেলি পুনৰ গা-গছ হ'ব নোৱাৰে। কিছুমান ধনবান মানুহে তেওঁলোকৰ ধনৰ কিছু অংশ দুখীয়াক দান দি সুখ অনুভৱ কৰে। ইয়াৰ পৰা তেওঁলোকে একো 'ৰিটাৰ্ণ' নিবিচাৰে। এগৰাকী ভদ্ৰলোকে তেওঁ ওচৰ চুবুৰীয়াক নিজৰ সকলো ত্যাগ কৰিও যিকোনো সময়ত সহায় কৰিবলৈ সাজু থাকে। কাৰণ তেওঁ বুজি পায় যে আনক সহায় কৰা মানে তেওঁ নিজকে সহায় কৰা। সংস্কৃত সাহিত্যত চাৰি প্ৰকাৰৰ মানুহৰ কথা কোৱা হৈছে। উত্তোমোত্তম ব্যক্তি সেইসকল, যিসকলে আনৰ সুখ শান্তিৰ বাবে নিজৰ সমস্তখিনি উৎসৰ্গা কৰে। দ্বিতীয়বিধ হৈছে যিয়ে নিজৰ কোনো হানি বিঘিনি নোহোৱাকৈ আনৰ বাবে ত্যাগ স্বীকাৰ কৰে। তৃতীয়বিধ হৈছে যিয়ে নিজৰ স্বাৰ্থৰ বাবে আনক আঘাত কৰিব বিচাৰে। আৰু চতুৰ্থবিধ হৈছে যিয়ে আনক অনবৰতে অন্যায় কৰিব বিচাৰে যাৰ পৰা তেওঁৰ একো লাভ নহয়। কিন্তু সেইগৰাকীয়েই শ্ৰেষ্ঠ ব্যক্তি যাৰ ত্যাগৰ দ্বাৰাই সমাজখন মুক্ত আৰু সুখী হয়।

আমাৰ অসমৰে বহুতো শিক্ষানুষ্ঠান আৰু অনুষ্ঠান-প্ৰতিষ্ঠান কিছুমান বহল হৃদয়ৰ মানুহৰ মাটি দান দিয়াৰ ফলত তাত গঢ়ি উঠিছে। দেশ তথা সমাজৰ ভালৰ কাৰণে সেই মানুহবিলাকৰ এইটো এটা মহান ত্যাগ। মাটিখিনি পোৱাৰ পাছত খেৰ, বাঁহ তুলি অনুষ্ঠানটো ঠন ধৰি উঠাত যিবিলাক মানুহে দেহে কেহে খাটি ত্যাগ কৰিছে সেয়াও মহানতাৰে পৰিচায়ক। বহুতো স্বচ্ছল ককায়েকে তেওঁৰেই নিঃস্ব ভায়েকজনক পৈতৃক সম্পত্তিৰ ভাগ নোলোৱাকৈ এৰি দিয়াটোও ত্যাগ। নিজে পঢ়া-শুনা নকৰি, দিন ৰাতি অশেষ কষ্ট কৰি ভায়েক ভনীয়েকক ডাঙৰ মানুহ কৰাৰ সপোন পুহি ৰখাটোও একপ্ৰকাৰৰ ত্যাগ। বাহ্যিক দৃষ্টিত পুৰুষে বেছি ত্যাগ কৰা যেন লাগিলেও পৰিয়াল এটা চলোৱাত পুৰুষতকৈ মহিলাসকলে বেছি ত্যাগ কৰিবলগীয়া হয়। মহিলাসকলৰ জীৱনটোৱেই যেন আনৰ উপকাৰৰ বাবে। বিয়া হৈ স্বামীৰ ঘৰলৈ অহাৰে পৰা আমৃত্যু পৰ্যন্ত তেওঁলোকৰ জীৱনত ত্যাগৰ মনোভাৱ সংপৃক্ত হৈ থাকে। পৰিয়ালৰ সুখৰ বাবে সকলো প্ৰকাৰৰ ঐশ্বৰ্য-বিভূতি, সুখ, আৰাম বিসৰ্জন দিব পৰাৰ গুণ থকা বাবে তেওঁলোক মহান ত্যাগী।

লুভীয়া, আঁকোৰগোজ স্বভাৱৰ মানুহ ত্যাগী হ'ব নোৱাৰে। আনহাতে ত্যাগী হ'বলৈ কোনো মানুহকে বিশ্ববিদ্যালয়ৰ ডিগ্ৰী নালাগে। এগৰাকী নি:কিন , সাধাৰণ মানুহো ত্যাগী হ'ব পাৰে। ত্যাগৰ মনোভাৱ হৈছে এক ঐশ্বৰিক অনুভূতি যি মানুহৰ অন্তৰাত্মাৰ ভিতৰত চিৰ জাগ্ৰত হৈ থাকে। কিছুমান মানুহে তাৰ আলোকৰ দ্বাৰা উদ্ভাসিত হৈ জীৱনটো সুখময় কৰি তোলে আৰু আন কিছুমানে সেই আলোকৰ মোল নুবুজি জীৱনটো দুখেৰে পাৰ কৰে। পিছে ত্যাগৰ অৰ্থ এইটোও নহয় যে আমি জীৱনত সকলো ত্যাগ কৰি বাবাজী হৈ ঘূৰি ফুৰিব লাগে। ত্যাগ এক সুস্থ কৰ্তব্যপৰায়ণতাৰ নিদৰ্শন। নিজ নিজ কৰ্তব্যবোৰ ভলদৰে পালন কৰি, নিজৰ মনটোক নিয়ন্ত্ৰণত ৰাখি, লোভৰ পৰা মুক্ত হৈ ত্যাগী হ'ব পৰাজনেই পৃথিৱীৰ সুখী ব্যক্তি। ত্যাগ এক সন্ধি, এক বুজাপৰা। বিশেষকৈ ওচৰ চুবুৰীয়াৰ লগত সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত। দুয়োপক্ষই অকণ অকণমান ত্যাগৰ মনোভাৱ দেখুৱাই চিৰস্থায়ী শান্তিৰ নিজৰা বোৱাই দিব পাৰে। ত্যাগৰ মনোভাৱ এক বিশ্বমুখী আদৰ্শ হ'ব পাৰে। বিখ্যাত বিজ্ঞানী তথা ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এপিজে আব্দুল কালামে কোৱাৰ দৰে আমাৰ ভৱিষ্যত প্ৰজন্মৰ সুখ, শান্তিৰ বাবে বৰ্তমানৰ প্ৰজন্মই কিছু ত্যাগ কৰিবই লাগিব। এনেয়েও আমি যদি ভৱিষ্যতৰ এখন সুৰক্ষিত পৃথিৱী বিচাৰো তেন্তে আমি প্ৰত্যেকেই এতিয়াৰে পৰা ত্যাগৰ মনোভাৱেৰে প্ৰকৃতি সুৰক্ষাৰ বাবে কাম কৰিব লাগিব। প্ৰকৃতি ধ্বংস কৰি সম্পদ আহৰণৰ প্ৰচেষ্টা ত্যাগ কৰি তাক সংৰক্ষণৰ দিহা কৰিলেহে আমি ভৱিষ্যতে এখন সুখ, শান্তিৰ পৃথিৱী আশা কৰিব পাৰো।

ফোন--৯৪০১০৭৭২৭১

নগাঁও-মৰিগাঁও-শোণিতপুৰৰ চৰৰ শুৱনি

তিনি পৃষ্ঠাৰ পৰা পহু, দুষ্প্ৰাপ্য নল গাহৰি আদি। ঝাঁও ভৰ্তি শুকান মৰুময় চৰতেই ব্ৰহ্মপুত্ৰ আৰু তাৰ সুঁতিৰ পৰা উঠি অহা কাছসমূহে কণী পাৰিছিল। মুঠতে চৰৰ সৌন্দৰ্যৰ আকৰ স্বৰূপ এই ঝাঁও গছসমূহে জৈৱ বৈচিত্ৰ্য ৰক্ষা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। কিন্তু ৮০ৰ দশকৰ পাছত নগাঁও, মৰিগাঁও আৰু শোণিতপুৰ জিলাৰ চৰ-চাপৰিসমূহত গঢ়ি উঠে অসংখ্য বস্তি। আনকি নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ এসময়ৰ সেউজ অৰণ্যাবৃত, ঝাঁও গছে ঠাহ খাই থকা কোচমৰা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত ভকতে পানী খোৱাঘাট, তিনিটিকীয়া, গৰুখুঁটি, ম'হখুঁটি, কোচমৰা, ৰিশখুঁটি, বিচ্ছে, বিন্দ্ৰে, গাইটাপো, কুট্ৰামাৰী, লহৰী, বৰৈশালী, ডুৰৰামাৰী, গেৰেটাপো, মুছলিম টাপো, কাট্ৰিমাৰী, কমলসুঁতি প্ৰমুখ্যে ২০ ৰো অধিক চৰৰ ২১.৫৫ বৰ্গ কিলোমিটাৰ অঞ্চলৰ চৰকাৰী ভূমিত গঢ়ি উঠে অসংখ্য বস্তি। চৰৰ আৱাসীয়ে প্ৰথমাৱস্থাত এই ঝাঁও গছসমূহ খৰিৰূপে ব্যৱহাৰ কৰিবলৈ কাটিবলৈ আৰম্ভ কৰে। পৰৱৰ্তী সময়ত সেইবোৰ কাটি নাও, ভটভটীৰ জৰিয়তে নদী পাৰ কৰাই পাছত গৰু গাড়ী, ম'হৰ গাড়ীৰ জৰিয়তে পাৰ্শ্বৱৰ্তী ধিং, মৈৰাবাৰী, লাহৰীঘাট, ভূৰাগাঁও, বৰালীমাৰী, শিঙৰী, বৰচলা আদি বজাৰসমূহত বিক্ৰী কৰিবলৈ লয়। স্মৰ্তব্য যে ঝাঁও গছ কাটিলেও বাৰিষা বৰষুণ পৰাৰ লগে লগেই তাৰ মূঢ়াৰ পৰা পুনৰ গজালি মেলে আৰু পুনৰ ঝাঁও গছ হয়। কিন্তু চৰত আৱাসীয়ে ঠাহ খাই পৰাত ঝাঁও গছ মূঢ়াসহ কাটি সেই ঝাঁও তলিসমূহত ধান, বিভিন্ন তৰহৰ শাক পাচলিৰ খেতি কৰিবলৈ লয়। এতিয়া চৰত ঝাঁও গছ ইতিহাস হ'ল। চৰৰ ঝাঁওতলিসমূহৰ লগতে ইকৰা, চণখেৰৰ তলিসমূহত ধান, গোমধানৰ খেতিৰ লগতে সকলো বিধ শাক পাচলিৰ খেতিয়েই কৰা হয়। নগাঁও-মৰিগাঁও আৰু শোণিতপুৰ জিলাৰ তাহানিৰ সেউজ অৰণ্যাবৃত ঝাঁও তলিসমূহত গোমধান, পাচলিৰ খেতি কৰি লাখ লাখ টকা উপাৰ্জন কৰিছে চৰৰ একোটাহত পৰিয়ালে। তাহানিৰ চৰৰ ছবিখনো এতিয়া সলনি হ'ল। এতিয়া চৰৰ বালিত সৌন্দৰ্যৰে আকৰস্বৰূপ ঝাঁও গছৰ পাতে ৰাতি সুহুৰি নবজায়। ঝাঁও গছৰ মাজে মাজে পহু, হৰিণা, নল গাহৰিয়ে বিচৰণ নকৰে। তাহানিৰ সেউজ অৰণ্যাবৃত ঝাঁও তলিসমূহত এতিয়া গোমধান গছ আৰু বিভিন্ন তৰহৰ শাক-পাচলি উভৈনদী হৈ পৰিছে। ঝাঁও তলি সমূহতেই গঢ়ি উঠিছে শাৰী শাৰী অসংখ্য বস্তি। এতিয়া জিলা তিনিখনৰ চৰত ব্ৰহ্মপুত্ৰৰ সুঁতিসমূহৰ পাৰত কাচিৎহে দুই এজোপা চুটি-চাপৰ ঝাঁও গছ দেখা যায়।

বিশিষ্ট ইতিহাসবিদ, শিক্ষাবিদ, অসম চুক্তি ৰূপায়ণ

তিনি পৃষ্ঠাৰ পৰা মদাৰখাত সীতাৰাম চৌখানি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ পৰা আই এ আৰু বুৰঞ্জী বিষয়ত মুখ্য বিষয় হিচাপে স্নাতক ডিগ্ৰী লাভ কৰি ১৯৬৬ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী সময়ত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত কৰ্ম জীৱনৰ আৰম্ভ কৰে। পাছত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা সূৰ্য উঠা দেশ অৰুণাচলৰ পাছিঘাট মহাবিদ্যালয়ত যোগদান কৰে। পৰৱৰ্তী সময়ত জৱাহৰলাল নেহৰু মহাবিদ্যালয়, পৰৱৰ্তী সময়ত বিশ্ববিদ্যালয়ত যোগদান কৰে। ড° দত্তকে প্ৰমুখ্য কৰি শিক্ষাবিদসকলে প্ৰথমখন বিশ্ববিদ্যালয় স্থাপনত গুৰু দায়িত্ব গ্ৰহণ কৰিছিল। ড° দত্তই বিশ্ববিদ্যালয়খন কেন্দ্ৰীয় বিশ্ববিদ্যালয় ৰূপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাই নহয় এইখন বিশ্ববিদ্যালয়ৰপৰা জ্যেষ্ঠ অধ্যাপক তথা সমাজশাস্ত্ৰ বিভাগৰ কলাগুৰুৰূপে ২০০৭ত অৱসৰ গ্ৰহণ কৰে। ড° দত্তই ওৰেটো জীৱন অৰুণাচলতে শিক্ষকতা বৃত্তিত নিয়োজিত হৈ সফলতাৰে কৰ্মজীৱন সম্পাদন কৰাৰ ফলশ্ৰুতিতে ৰাজ্যখনৰ ইতিহাস, সামাজিক, ৰাজনৈতিক বুৰঞ্জীয়ে নতুন যুগৰ সূচনা কৰিবলৈ সক্ষম হয়। দেশৰ আগশাৰীৰ ইতিহাসবিদ হিচাপে পৰিচিত ড° দত্তই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আসনৰ অধ্যাপক ড° স্বৰ্ণলতা বৰুৱাৰ তত্ত্বাৱধানত গৱেষণা কৰি সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰে। অৰুণাচলত থকা হেতুকে তেওঁৰ অধিকাংশ ৰচনাৱলীয়ে অৰুণাচল বুৰঞ্জী সন্দৰ্ভত প্ৰকাশিত। তেওঁ ৰচনা কৰা গ্ৰন্থসমূহৰ ভিতৰত মটক মায়ামৰা আৰু অন্যান্য, অনিৰুদ্ধবীক্ষণ'কে ধৰি বহু সংখ্যক গৱেষণামূলক গ্ৰন্থ, সম্পাদনা গ্ৰন্থৰ লগতে দেশ-বিদেশৰ গৱেষণামূলক আলোচনীত শতাধিক প্ৰবন্ধ প্ৰকাশ পায়। এজন ইতিহাসবিদ, সৃষ্টিশীল লেখক হিচাপে বিশেষ সমাদৰ লাভ কৰা ড° দত্তই ভাৰতীয় বুৰঞ্জী কংগ্ৰেছ, উত্তৰ-পূব ভাৰত বুৰঞ্জী সন্মিলনৰ সভাপতি, বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ ৰাষ্ট্ৰীয় পৰ্যবেক্ষণ আৰু মূল্যায়ন পৰিষদৰ চমুকৈ 'নাক'ৰ সদস্য হিচাপে দেশৰ কেঁবাখনো ৰাজ্যৰ বিশ্ববিদ্যালয়ৰ পৰিদৰ্শন, উত্তৰ-পূবৰ প্ৰায় আটাইকেইখন বিশ্ববিদ্যালয়ৰ বিভিন্ন পদৰ সদস্য হিচাপে দায়িত্ব পালন কৰিছিল। ইতিহাসবিদ ড° দত্তই তিনিচুকীয়া জিলাৰ বৰডুমচাত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনৰ বুৰঞ্জী সন্মিলনৰ সভাপতি হিচাপে কাৰ্যভাৰ পালন কৰিছিল। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠন কৰি দিয়া অসম চুক্তি ছয় নম্বৰ দফা ৰূপায়ণ সমিতিৰ চৰকাৰৰ দ্বাৰা মনোনীত সদস্য হিচাপে নিজৰ দায়িত্ব দক্ষতাৰে পালন কৰা ড° দত্তক শিক্ষা ক্ষেত্ৰখনলৈ অনবদ্য অৱদান আগবঢ়োৱা বাবে অৰুণাচল প্ৰদেশৰ সন্মানীয় সন্মান, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আসনৰ পৰা সম্বৰ্ধনা, অসম সত্ৰ মহাসভাকে ধৰি অনেক বঁটা সন্মান লাভ কৰিছিল। ডিব্ৰুগড় জিলাৰ প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত ইতিহাসবিদ ড° দত্তৰ জীৱিতকালতে তেওঁৰ গুণমুগ্ধই অভিনন্দন গ্ৰন্থ প্ৰকাশৰে যথোপযুক্ত সন্মান প্ৰদৰ্শন কৰিছিল। মৃত্যুৰ সময়ত ড° দত্তই পত্নী অৱসৰপ্ৰাপ্ত অধ্যক্ষা উমা দত্ত, পুত্ৰ-বোৱাৰী, জী-জোঁৱাইকে ধৰি বহু আত্মীয়-স্বজনক এৰি যায়। তেওঁৰ মৃত্যুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰা লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়াকে ধৰি বিভিন্নজনে সমবেদনা জ্ঞাপন কৰিছে। কাইলৈ জন্মস্থান মদাৰখাতত তেওঁৰ মৃতদেহ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব।

বানবিধ্বস্ত ৰাজ্যত এতিয়া চৌদিশে

এক পৃষ্ঠাৰ পৰা বৰলীয়া নৈৰ বাঢ়নী পানীত আজি উটি গ'ল এজন যুৱক। যুৱকজন হৈছে তামুলপুৰৰ টেৱিতোলা গাঁৱৰ ফণী বড়োৰ পুত্ৰ অৰ্জুন বড়ো (৩৩)। প্ৰাপ্ত তথ্য অনুসৰি, অৰ্জুনে আজি দক্ষিণ ডোঙাৰ গাঁৱৰ শহুৰেকৰ ঘৰলৈ ফুৰিব গৈ গাঁওখনৰে তিনি আত্মীয় মিজিং দৈমাৰী, সঞ্জীৱ মুছাহাৰী আৰু ভদ্ৰেশ্বৰ নাৰ্জাৰীৰ স'তে বৰলীয়া আৰু বাল্টি নদীৰ সংগমস্থলীত মাছ মাৰিবলৈ গৈছিল। মাছ মাৰি থাকোতে দুৰ্ভাগ্যজনকভাৱে বৰলীয়া নদীৰ বাঢ়নী পানীত উটি যায় অৰ্জুন। নৈৰ বাঢ়নী পানীত উটি যোৱা অৰ্জুনক আত্মীয় কেইজনকে উদ্ধাৰ কৰিবলৈ চেষ্টা কৰে যদিও বিফল হয়। বাঢ়নী পানীয়ে বহু দূৰ উটুৱাই নিয়াৰ পাছত সন্ধানহীন পৰে অৰ্জুন। শহুৰেকৰ ঘৰলৈ ফুৰিবলৈ আহি নৈৰ বুকুত যুৱকজন সন্ধানহীন হোৱাত অঞ্চলটোত সৃষ্টি হয় হাহাকাৰ পৰিস্থিতিৰ। এই খবৰ লাভ কৰি তামুলপুৰ জিলা প্ৰশাসনৰ লোকে এছডিআৰএফ জোৱানক লৈ ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় লোকৰ সহযোগত সন্ধানহীন যুৱকজনক বিচাৰি অভিযান চলায় যদিও বাতৰি লিখা পৰলৈকে কোনো সন্ধান উলিয়াব পৰা নাই।

উল্লেখ্য যে বানে সংহাৰী ৰূপ লোৱা শোণিতপুৰত বানত প্ৰাণ গ'ল এইপৰ্যন্ত দুজন লোকৰ। ইয়াৰে ভিতৰত বাঁহবাৰী ডেকাচুবুৰীত ৰণজিৎ মুণ্ডা নামৰ কিশোৰজনৰ ঘগৰা নৈৰ বানত মৃত্যু হোৱাৰ পাছত বালিপৰাত মানশিৰি নৈৰ বানত প্ৰাণ গ'ল আন এজন লোকৰ। যোৱা ১৮ জুনৰ বিয়লি ছমা মুণ্ডা নামৰ লোকজন পানীৰ প্ৰৱল সোঁতত উটি গৈছিল। বিগত সময়ছোৱাত সন্ধান নোলোৱা ছমাৰ মৃতদেহ আজি চাৰিদুৱাৰত মানশিৰি নৈৰ বুকুত উদ্ধাৰ কৰে এছডিআৰএফৰ উদ্ধাৰ অভিযানকাৰী দলে। ইপিনে, সম্প্ৰতি বালিপৰাত জৰাসৰ নৈয়ে সুঁতি সলনি কৰাত স্থানীয় ৰাইজ চিন্তিত হৈ পৰিছে। বালিপৰাত বানৰ বিভীষিকাময় পৰিস্থিতিৰ উদ্ভৱ কৰা জৰাসৰ নৈয়ে বামগাঁৱৰ নামনি অংশত অৱস্থিত বামগাঁও চাহ বাগিচাৰ সমীপৰে এটা নতুন সুঁতিৰ সৃষ্টি কৰিছে। স্থানীয় লোকৰ কৃষি পথাৰৰ মাজেৰে সৃষ্টি হোৱা এই নতুন সুঁতি আৰু নৈখনৰ পুৰণা সুঁতিৰ মাজৰ অংশত আবদ্ধ হৈ পৰে ৪০টা পৰিয়াল। ভয়াৱহ ৰূপ লোৱা জৰাসৰ নৈৰ মাজৰ এটা টিলাত আবদ্ধ হৈ পৰা পৰিয়ালকেইটাৰ যোগাযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰাৰ লগতে খাবলৈ এটুপি পানী নোহোৱাত এই পৰিয়ালকেইটাই অনাহাৰে দিন কটোৱাৰ লগতে জীৱন মৃত্যুৰে যুঁজিবলগীয়া হৈছে। উল্লেখ্য যে হঠাতে সৃষ্টি হোৱা এই নতুন সুঁতিয়ে ইতিমধ্যেই তিনিটা বাসগৃহ, এটা শিৱ মন্দিৰ আৰু কে'বাটাও বিদ্যুতৰ খুঁটা উটুৱাই নিয়ে। ইপিনে, এইসকল লোকক এই বিপদৰ পৰা উদ্ধাৰৰ কোনো চেষ্টাই চলা নাই বুলি অভিযোগ কৰি স্থানীয় লোকসকলে কয় যে এই বিষয়ে প্ৰশাসনৰ স'তে যোগাযোগ কৰিও কোনো সুফল লাভ কৰাটো দূৰৰে কথা, তেওঁলোকক এখন নাৱৰো যোগাৰ কৰি দিয়া হোৱা নাই। শেহতীয়াকৈ নদীৰ দুটা সুঁতিৰ মাজত আবদ্ধ এইসকল লোকক প্ৰশাসনৰ তৰফৰ পৰা কিছু খাদ্যৰ যোগান ধৰা বুলি বানাক্ৰান্তই জনাইছে যদিও তেওঁলোকৰ ভৱিষ্যতৰ সুৰক্ষাক লৈ হোৱা দুশ্চিন্তাৰ পৰা মুক্ত হ'ব পৰা নাই। উল্লেখ্য যে ইয়াৰ পূৰ্বে শ শ বিঘা কৃষিভূমি জৰাসৰৰ বুকুত বিলীন হোৱাৰ পাছত নতুনকৈ পুনৰ বিস্তীৰ্ণ কৃষিভূমি জৰাসৰৰ নতুন সুঁতিৰ তললৈ যোৱাত হাহাকাৰ পৰিস্থিতিৰ সন্মুখীন হোৱা লোকসকলে কয় যে ইয়াত আবদ্ধ সকলৰ মাজত ছাত্ৰ-ছাত্ৰীও আছে যদিও তেওঁলোককো এখন নাৱৰ যোগাৰ কৰি দিয়া নাই স্থানীয় প্ৰশাসনে।

ইফালে, গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত ৰামপুৰৰ কৃষ্ণাই নৈৰ বুকুৰ পৰা আজি উদ্ধাৰ কৰা হয় এটা মৃতদেহ। প্ৰাপ্ত তথ্য অনুসৰি, নৈৰ পানী যুঁৰলিত উপঙি থকা অৱস্থাত স্থানীয় প্ৰথমে মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। পাছত ঘটনাস্থলীত আৰক্ষীৰ লোক উপস্থিত হৈ স্থানীয় লোকৰ সহযোগত মৃতদেহটো উদ্ধাৰ কৰে। পৰৱৰ্তী সময়ত মৃতদেহটো খাৰদাঙত শনিবাৰে সন্ধিয়া কৃষ্ণাই নৈত উটি যোৱা যুৱক দেৱানন্দ কোচৰ বুলি চিনাক্ত কৰা হয়। উল্লেখ্য যে শনিবাৰে আবেলি দেৱানন্দই পত্নী-সন্তানৰ স'তে কৃষ্ণাই নৈ পাৰ হৈ মেন্দিপথাৰ বজাৰলৈ গৈছিল। বজাৰ কৰি সন্তানসহ পত্নীক আগতে ঘৰলৈ পঠিয়াই সন্ধিয়াৰ আগে আগে তেওঁ শহুৰেকৰ ঘৰলৈ যাবলৈ ওলাইছিল। পিছে নাৱত উঠাৰ বাবে কৃষ্ণাই নৈৰ পাৰত উপস্থিত হওঁতেই দুৰ্ভাগ্যক্ৰমে পিছলি নৈত পৰে দেৱানন্দ। লগে লগে সন্ধানহীন হয়। ইফালে, যুৱকজন পানীত পৰা বুলি খবৰ প্ৰচাৰ হোৱাৰ লগে লগে অঞ্চলটোত হুৱাদুৱা লাগে। ঘটনাৰ খবৰ পায়ে দবা-পিটা বৰষুণৰ মাজতে ঘটনাস্থলীত উপস্থিত হয় কৃষ্ণাই আৰক্ষী থানাৰ এটা দল। ইয়াৰ পাছত বিগত দুদিন ধৰি যুৱকজনৰ সন্ধানত অভিযান চলাই ব্যৰ্থ হয় আৰক্ষী তথা এছডিআৰএফৰ জোৱান। অৱশেষত আজি ঘটনাস্থলীৰ পৰা বহু নিলগৰ ৰামপুৰত নৈৰ বুকুত ভাঁহি উঠে দেৱানন্দৰ মৃতদেহ। ৰাইজৰ সহযোগত আৰক্ষীয়ে ইতিমধ্যে মৃতদেহটো উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণ কৰে।

দৰঙৰ দলগাঁও আৰক্ষী থানাৰ অন্তৰ্গত মৰা ধনশ্ৰী নৈত মাছ মাৰিব গৈ উটি যোৱা লোকজনৰ মৃতদেহ আজি উদ্ধাৰ হোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰে। তিনি নম্বৰ মাধৱগোহাঁই গাঁৱৰ জয়নাল আবেদিন নামৰ লোকজনে তিনি দিনৰ পূৰ্বে মৰা ধনশ্ৰী নদীত মাছ মাৰিবলৈ গৈ জালত লাগি ধৰি পানীত পৰি উটি গৈছিল। কালিৰ দিনটোত এছডিআৰএফ আৰু এনডিআৰএফৰ জোৱানে অভিযান চলাই যদিও মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাছিল। আজি হঠাৎ মৃতদেহটো নৈখনৰ মাজত প্ৰত্যক্ষ কৰে স্থানীয় লোকে। এই সন্দৰ্ভত আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ দল এটাই ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

ইফালে, দৰং জিলাৰ ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত দুমুনিচকীত বাঢ়নী পানীৰ প্ৰৱল সোঁতে শনিবাৰে উটুৱাই নিয়া মহিবুল হক নামৰ যুৱকজনৰ মৃতদেহ আজি পুৱাৰ ভাগত উদ্ধাৰ কৰা হয়। এছডিআৰএফৰ জোৱানে সম্পূৰ্ণ দুটা দিন উদ্ধাৰ অভিযান চলোৱাৰ পাছতো কোনো সন্ধান নোপোৱা যুৱকজনৰ শৱদেহটো আজি পুৱা মাৰুৱাচকী হাইস্কুলৰ সমীপৱৰ্তী খেতিপথাৰত স্থানীয় লোকে উদ্ধাৰ কৰে। বানৰ প্ৰৱল সোঁতত মৃত্যুক আঁকোৱালি লোৱা মহিবুলে পিতৃ-মাতৃ, ভগ্নী, তিনি জ্যেষ্ঠ ভ্ৰাতৃক এৰি যায়। আবেলি শোকাকুল পৰিৱেশত কামৰূপ জিলাৰ দুমুনিচকী ফকিৰতোলাত যুৱকজনৰ জানাজা সম্পন্ন হয়। বানৰ বাবে নিজ গাঁৱত সমাধিস্থ কৰিব নোৱৰাত নিকটৱৰ্তী কামৰূপ জিলাৰ দুমুনিচকী (বাথান) ফকিৰতোলাৰ ৰাইজে তেওঁলোকৰ গাঁৱত থকা মাজাৰ শ্বৰীফ চৌহদত মহিবুলক সমাধিস্থ কৰাৰ সুবিধা প্ৰদান কৰে।

নগাঁও জিলাৰ কলিয়াবৰৰ মিছাত আজি এজন লোকৰ সলিল সমাধি ঘটে। মিছা চাহ বাগিচাৰ এটা পুখুৰীত মাছ মাৰিবলৈ যোৱা অৱস্থাত দুদিনৰ পূৰ্বে বাগিচাখনৰ ১৪ নম্বৰ লাইনৰ অমৰ নায়ক নামৰ যুৱকজন সন্ধানহীন হৈছিল। বিগত দুদিন ধৰি স্থানীয় লোকৰ সহযোগত এছডিআৰএফ আৰু কলিয়াবৰ অগ্নি নিৰ্বাপন আৰু আপাৎকালীন বিভাগে অভিযান অব্যাহত আছিল। অৱশেষত আজি যুৱকজনৰ মৃতদেহ উদ্ধাৰ হয়।

উল্লেখ্য যে ৰঙিয়া কেকেনিকুছিত কালি বান চাবলৈ গৈ দুজন কিশোৰ পানীত উটি গৈছিল। আজি দুই কিশোৰৰ এজনক ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কিশোৰজনক পানীত উটি যোৱা ঠাইৰ ওচৰতে এটা বৃহৎ গাঁতৰ পৰা উদ্ধাৰ কৰা হয়। উদ্ধাৰ কৰা যুৱকজনক হিমাংশু দাস বুলি চিনাক্ত কৰা হৈছে। অৱশ্যে আন এজন কিশোৰ অংশুমান দাস ওৰফে জুমনৰ সন্ধানত ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীয়ে আজি সন্ধিয়ালৈ অভিযান অব্যাহত ৰাখিছে যদিও বাতৰি লিখা পৰলৈকে কিশোৰজনক উদ্ধাৰ কৰিব পৰা নাই। হিমাংশুৰ মৃতদেহ প্ৰত্যক্ষ কৰাৰ বাবে অঞ্চলটো লোকে লোকাৰণ্য হৈ পৰে আৰু অঞ্চলটোত এক শোকাকুল পৰিস্থিতিৰ সৃষ্টি হয়। অসম ৰাজ্যিক বিজেপিৰ সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভৱেশ কলিতায়ো নিজে নাৱত উঠি উদ্ধাৰ অভিযানৰ তদাৰক কৰে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীয়ে কাইলৈ পুনৰ অভিযান চলোৱাৰ সম্ভাৱনা আছে।

ইফালে, তিনিদিন পূৰ্বে হোজাইৰ ব্ৰজপুৰত হোৱা নাও দুৰ্ঘটনাত সন্ধানহীন এজন লোকৰ মৃতদেহ আজি বিয়লি উদ্ধাৰ হয়। চিৰাজুল ইছলাম নামৰ ৪৫ বছৰীয়া লোকজনৰ মৃতদেহ উপঙি থকা অৱস্থাত হোজাইৰ বাৰফুটিত উদ্ধাৰ হয়। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। উক্ত দিনা এই নাও দুৰ্ঘটনাত এগৰাকী মহিলা আৰু এটি শিশুৰ মৃত্যু হৈছিল।

বাসুগাঁৱত পিষ্টল দেখুৱাই তিনি

এক পৃষ্ঠাৰ পৰা অভিযুক্তৰ। এই ঘটনা সংঘটিত হৈছে বাসুগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ভূটীয়াপাৰা-নয়টামাৰাত।

প্ৰাপ্ত অভিযোগ অনুসৰি, অঞ্চলটোৰ বাহাৰুল মণ্ডল (৪২ঃ ওৰফে হলৈ নামৰ লোকজনে যোৱা নিশা পিষ্টল দেখুৱাই ভাবুকি দি এগৰাকী তিনি সন্তানৰ মাতৃক ধৰ্ষণ কৰে। পাছত এই ঘটনা সদৰী নকৰিবলৈ ভাবুকি দিয়ে অভিযুক্তই। আনকি কাৰোবাক এই কথা জনালে মহিলাগৰাকীক হত্যা কৰিব বুলি ভাবুকি দিয়াৰো অভিযোগ উত্থাপন হৈছে। প্ৰথম অৱস্থাত আতংকিত মহিলাগৰাকীয়ে নীৰৱে আছিল যদিও আজি তেওঁ এই ঘটনা পৰিয়ালক অৱগত কৰে। লগে লগে সমগ্ৰ অঞ্চলটোতে তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। ইয়াৰ পাছত ভুক্তভোগী মহিলাগৰাকীয়ে বাসুগাঁও আৰক্ষী থানাত সমগ্ৰ ঘটনা বিবৰি অভিযুক্ত বাহাৰুলৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে।

ইপিনে, ঘটনাটো স্থানীয় লোকৰ মাজত সদৰী হোৱাত পলায়ন কৰে অভিযুক্ত বাহাৰুলে। আজি বিয়লি তেওঁ এখন বাছত উঠি পলায়ন কৰিছিল। যদিও একাংশ লোকে পাছে পাছে গৈ তেওঁক কোকৰাঝাৰ জিলাৰ ছালাকাটিত কৰায়ত্ত কৰি এখন মটৰ চাইকেলত উঠাই গাঁওখনলৈ আনে। তেওঁলোক আহি দোলোগাঁৱত উপস্থিত হোৱাৰ সময়তে একাংশ উত্তেজিত লোকে অভিযুক্ত বাহাৰুলক মটৰ চাইকেলৰ পৰা টানি নমাই গণপ্ৰহাৰ আৰম্ভ কৰে। সেই সময়তে বাসুগাঁও আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ অভিযুক্তজনক উদ্ধাৰৰ চেষ্টা চলায়। যদিও উত্তেজিত লোকসকলে আৰক্ষীৰ বেহু ফালিও অভিযুক্তজনক উত্তম-মধ্যম শোধায়। গণপ্ৰহাৰত অভিযুক্ত বাহাৰুল গুৰুতৰভাৱে আহত হয়।

দৰঙত বন্যাৰ্তৰ আৰ্তনাদ

এক পৃষ্ঠাৰ পৰা ৰাইজ আৰু বিধায়কৰ উপস্থিতিত দৰঙৰ উপায়ুক্তক হাত খুলি সাহায্য বিতৰণৰ নিৰ্দেশ দিয়াৰ পাছতো দৰঙৰ বানপীড়িত ৰাইজে পোৱা নাই সাহায্য। অথচ আজিও অব্যাহত আছে বানৰ তাণ্ডৱ। বানত গৃহবন্দী হৈ থকাই হওক নতুবা আশ্ৰয় শিবিৰত থকা লোকেই হওক সকলোৰে মুখত কেৱল নাই পশু খাদ্য, নাই খোৱা পানী, নাই মানুহৰ খাদ্য, নাই শিশুখাদ্য। মঙলদৈ চহৰৰ তথা উপায়ুক্ত কাৰ্যালয়ৰ নাতিদূৰৰ দুই নম্বৰ ৱাৰ্ড, মঙলদৈ গাঁৱৰ কে'বা সহস্ৰাধিক লোকৰ অৱস্থা বৰ্ণনাতীত হৈয়ে আছে। পৰ্যাপ্ত সাহায্য নোপোৱাৰ ফলত ক্ষুধাৰ্ত, আৰ্তজনৰ মুখতো ভাহি উঠিছে ক্ষোভাগ্নি। শোচনীয়ভাৱে বানাক্ৰান্ত দুই নম্বৰ ৱাৰ্ডৰ নিৱাসী সাংবাদিক আব্দুল খালেকে কয়, 'তিনিদিনে পানী এবটল পোৱা নাই। বাকী কথা নকলোৱেই। প্ৰশাসনৰ অস্তিত্বই নাই।' খালেকে আৰু কয় যে পানী কমাৰ লগে লগে ব্লিছিং পাউডাৰ, ফেনাইল আদি যে দিব তাৰো আশা নাই।' চহৰ অঞ্চলতে এনে দশা হ'লে গ্ৰামাঞ্চলৰ দুৰৱস্থা কিমান হ'ব সেয়া কল্পনাৰো অগোচৰ বুলি তেওঁ ক্ষোভ প্ৰকাশ কৰে। চহৰাঞ্চলৰ দুই নম্বৰ ৱাৰ্ডৰ পৰা ষ্টেডিয়াম হৈ মঙলদৈ গাঁৱৰ মাজেৰে তামুলীপাৰালৈ যোৱা পথটোৰ পানী আজিও একঁকাল হৈয়ে আছে যদিও ৰাইজৰ যাতায়াতৰ বাবে নৌকা যোগান ধৰা হোৱা নাই। অথচ বন্যাৰ্তৰ সলনি এই নৌকা একাংশ লোকে ব্যক্তিগত উদ্দেশ্যত ব্যৱহাৰ কৰা বুলিহে অভিযোগ উঠিছে।

ইপিনে, তিনিদিন ধৰি বানত আবদ্ধ হৈ থকাৰ পাছতো ৰঙামাটি অঞ্চলৰ ৰাইজে পোৱা নাই চৰকাৰী সাহায্য। মথাউৰি আৰু ৰাস্তাৰ ওপৰতে আছে পশুধনসমূহ। নাই তিৰ্পাল, নাই পশুখাদ্য। ভোকাতুৰ গোধনৰ হেম্বেলনিয়ে এক দুখ লগা পৰিৱেশৰ সৃষ্টি কৰিছে। আনহাতে, ডাঁহী মৌজাৰ কেওটপাৰা, ডাঁহী নগাঁও, তালিপাৰা, তামুলীপাৰা আদি অঞ্চলৰ প্ৰায়বোৰ খাল-পুখুৰী, কঠিয়াতলী, ঘৰ-বাৰী পানীত বুৰ যোৱাৰ পাছতো আজিলৈ প্ৰশাসনৰ কোনো লোকে তেওঁলোকৰ খা-খবৰ নোলোৱাৰ অভিযোগ উঠিছে। প্ৰশাসনৰ লেহেমীয়া কাম-কাজত স্থানীয় বিধায়ক বসন্ত দাসেও তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে আৰু এই অভিযোগ স্বয়ং মুখ্যমন্ত্ৰীকো দিয়া বুলি জনাইছে। সামগ্ৰিকভাৱে দৰঙত বানৰ প্ৰকোপ এটা অংশৰ পৰা আন এটা অংশলৈ বিয়পি গৈছে আৰু পৰিস্থিতি জটিল হৈয়ে আছে।

পাঁচদিনে পানীৰ তলত মঙলদৈ নগৰীয়া স্বাস্থ্য কেন্দ্ৰ

মঙলদৈ চহৰৰ শান্তিপুৰস্থিত মঙলদৈ নগৰীয়া স্বাস্থ্য কেন্দ্ৰটি যোৱা ১৬ জুনৰ পৰা পানীত বুৰ গৈ থকাত এক অসহায় অৱস্থাত পতিত গৈছে চিকিৎসাকৰ্মীসকল। উল্লেখ্য যে এই চিকিৎসালয়খনৰ জৰিয়তে মঙলদৈ চহৰৰ ১০ নম্বৰ ৱাৰ্ডৰ শিশু-প্ৰসূতিৰ টিকাকৰণ, ক'ভিড টিকাকৰণৰ উপৰি অন্যান্য বহিঃবিভাগৰ ৰোগীৰ চিকিৎসা সেৱা আগবঢ়োৱা হয়; কিন্তু বানাক্ৰান্ত পৰিস্থিতিত সেয়া অসম্ভৱ হৈ পৰিছে। ইপিনে, বানোত্তৰ কালত হ'ব পৰা বিভিন্ন ৰোগত আক্ৰান্ত ৰোগীক কিদৰে সেৱা আগবঢ়াই নিব পাৰি সেয়া এক দুঃচিন্তাত পৰিণত হৈছে তেওঁলোকৰ বাবে। আনহাতে, নিশাটোৰ ভিতৰতে হোৱা প্ৰলয়ংকৰী বানত চিকিৎসালয়খনৰ টেবুল তথা খিৰিকীৰ ওপৰেৰে পানী বৈ যোৱাত ভিতৰৰ আচবাব, কাগজ-পত্ৰবোৰৰ উপৰি ডীপ ফ্ৰীজ, ক'ল্ড চেইন ৰখা টিকাসমূহৰ উপৰি ঔষধপাতি বিনষ্ট হৈ গৈছে। এনে পৰিস্থিতিত ভৱিষ্যৎ কাৰ্যপন্থা কি হ'ব তাৰ কোনো তলা-নলা পোৱা নাই তেওঁলোকে। ইতিমধ্যে তেওঁলোকে বিষয়টো ঊৰ্ধ্বতন কৰ্তৃপক্ষক অৱগত কৰিছে।

বানৰ কবলত প্ৰাণ হেৰুৱালে অৱসৰপ্ৰাপ্ত বেংক কৰ্মচাৰীয়ে

মঙলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত পিপৰাদোকান পতলচিং পাৰা গাঁৱৰ ৮২ বছৰীয়া লোক তথা মঙলদৈ এপেক্স বেংকৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মহেন্দ্ৰ বৰুৱাৰ আজি মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে জিলাখনত বানে সংহাৰীৰূপ ধাৰণ কৰাৰ মাজতে শুকুৰবাৰে নিশা নিজ গৃহৰ পৰা নিখোঁজ হৈ আছিল এই লোকজন। আজি পুৱা নিজ বাসগৃহৰ সমীপৰ দুশ মিটাৰ নিলগত লোকজনৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহ উদ্ধাৰ হোৱাৰ লগে লগে গাঁওখনত হুৱা-দুৱা লাগে। এতিয়ালৈকে লোকজনৰ মৃত্যু কেনেকৈ হ'ল জানিব পৰা হোৱা নাই। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনি পুত্ৰ, বোৱাৰী-নাতি-নাতিনীক এৰি যায়। জিলা বিজেপি নেতা তথা দৰং অ'বিচি ব'ৰ্ডৰ অধ্যক্ষ জিন্টু বৰুৱাৰ পিতৃ প্ৰয়াত বৰুৱাৰ মৃত্যুত মঙলদৈৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, জিলা বিজেপিৰ সভাপতি অমৰেন্দ্ৰ শৰ্মা, আছুৰ বিত্তীয় সম্পাদক খনিন্দ্ৰ ৰাজবংশী, গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ উপদেষ্টা তথা সাহিত্যিক চহিৰ ভূএগ্ৰা, অসম বাৰ্তাজীৱী সংঘৰ সম্পাদক মুকুট ৰাজ শৰ্মা, মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি মদন বৰুৱা, সম্পাদক লক্ষীনন্দন কলিতাসহ বিভিন্নজনে শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে।

লখিমপুৰত অগ্নিপথ আঁচনিৰ

তিনি পৃষ্ঠাৰ পৰা বাবে সেনাবাহিনীত ঠিকা ভিত্তিক নিয়োগেৰে নৱ প্ৰজন্মক অনিশ্চয়তালৈ ঠেলি দিয়া, বিভিন্ন বিভাগত লক্ষ লক্ষ শূন্য পদসমূহ বিলুপ্ত কৰি থকা আদি বিভিন্ন চৰকাৰী যুৱ বিৰোধী সিদ্ধান্তৰ বিৰুদ্ধে দেশজুৰি প্ৰতিবাদ অব্যাহত আছে। যুৱ সংগঠন এ আই ডি ৱাই সৰ্বভাৰতীয় কমিটীৰ প্ৰতিবাদৰ স'তে সংগতি ৰাখি আজি যুৱ সংগঠন ডি ৱাই অ', ছাত্ৰ সংগঠন ডি এছ অ' আৰু মহিলা সাংস্কৃতিক সংগঠনে লখিমপুৰ আদৰ্শ বজাৰৰ সমীপৰ চাৰিআলিত আজি বিক্ষোভ প্ৰদৰ্শন আৰু অগ্নিপথ আঁচনি দাহ কৰে। 'অগ্নিপথ আঁচনি অনতি পলমে দাহ কৰক, ঠিকাভিত্তিক ব্যৱস্থা বাতিল কৰক' আদি শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰে।

গোসাঁইগাঁৱৰ চৌতাৰাত চলন্ত

তিনি পৃষ্ঠাৰ পৰা কৰ্মসূত্ৰে ছেকেন্দ্ৰাবাদলৈ গৈছিল আৰু নিজ গৃহ অভিমুখে আহি থাকোতে চৌতাৰা ৰেল ষ্টেছনত নমাৰ কথা আছিল। সতীৰ্থজনৰ ভাষ্য অনুসৰি যুৱকজনে প্ৰস্ৰাৱাগাৰলৈ যোৱাৰ সময়তে ঘটনাটো সংঘটিত হয়। প্ৰস্ৰাৱাগাৰলৈ যোৱাৰ সময়তে দ্ৰুতবেগী ৰেলখনৰ খোলা দুৱাৰেৰে যুৱকজন তলত ছিটিকি পৰে। দবাত থকা আন এজন লোকে উক্ত দৃশ্য প্ৰত্যক্ষ কৰে। সেই লোকজনৰ পৰা নিজাম ৰেলৰ পৰা বাগৰি পৰাৰ খবৰ পাই সতীৰ্থ যুৱকজনে ৰেলৰ চেইন টানি ৰেলখন ৰখাই সতীৰ্থৰ মৃতদেহ ৰেল আলিৰ কাষত পৰি থকা প্ৰত্যক্ষ কৰে। পাছত ঘটনাস্থলীত ৰেল আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে।

ছাগলী চুৰি কৰিবলৈ আহি

তিনি পৃষ্ঠাৰ পৰা স্থানীয় লোকে চাৰিদুৱাৰ আৰক্ষী চকীৰ অন্তৰ্গত তাৰাবাৰীৰ জিচন বাগলাৰি (২২) নামৰ চোৰজনক হাতে-লোটে ধৰি উত্তম-মধ্যম দি আৰক্ষীক গতাই দিয়ে। জানিব পৰা মতে, আজি দিনৰ ১১ মান বজাত অঞ্চলটোৰ মধুপুৰৰ বৰনামঘৰৰ সমীপত চৰি থকা এজনী ছাগলী দুজন মটৰ চাইকেল আৰোহীয়ে মটৰ চাইকেলখনত লৈ উধাও হ'ব ধৰোতেই স্থানীয় লোকে কৌশলেৰে এজন চোৰক কৰায়ত্ত কৰে যদিও বিক্ৰম নাৰ্জাৰী (২৩) নামৰ আনজন চোৰ মটৰ চাইকেলখন লৈ পলাই সাৰে। পাছত স্থানীয় লোকে উত্তম-মধ্যম শোধোৱাত চোৰজনে উক্ত ছাগলীটো চুৰি কৰাৰ কিছু সময়ৰ পূৰ্বে উক্ত অঞ্চলৰ পৰা আন তিনিটা ছাগলী ইতিমধ্যে চুৰি কৰি নিয়াৰ কথা স্বীকাৰ কৰে। চোৰজন হাতৰ পৰা এটা বেজি দিয়া ছিৰিঞ্জো উদ্ধাৰ হয়। স্থানীয় লোকে সন্দেহ কৰা মতে উক্ত ছিৰিঞ্জত অচেতন কৰিব পৰা ঔষধ ছাগলীৰ গাত সুমুৱাই জনসমাগম নথকা ঠাইত চৰি থকা বা এৰাল দি থোৱা ছাগলী মটৰ চাইকেলৰ জৰিয়তে লৈ যায়। বিগত ভালেমান বছৰ ধৰি এক নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে এই ছাগলী চোৰ চক্ৰটো সক্ৰিয় হৈ জামুগুৰিহাটৰ বিভিন্ন প্ৰান্তৰৰ পৰা ছাগলী চুৰি কৰি সাধাৰণ পশুপালকসকলৰ মূৰত ৰামটাঙোন শোধাই আহিছে।

কামপুৰত হেলিকপ্টাৰৰে খাদ্য সামগ্ৰী যোগান ধৰা হ'ব ঃ পীযুষ হাজৰিকা

নগাঁৱত বানপানী অধিক ভয়াবহ হোৱাৰ আশংকা

বিশেষ সংবাদদাতা

নগাঁও, ২০ জুন ঃ 'এইবাৰ বৰষুণৰ পৰিমাণ যথেষ্ট বেছি হোৱা কাৰণে বানপানীয়ে প্ৰাকৃতিক দুৰ্যোগৰ ৰূপ ল'লে। ডিমা হাছাও জিলাত সাধাৰণতে এটা বছৰত চাৰে সাতশ এম এম পৰিমাণৰ বৰষুণ হৈছিল। কিন্তু এই বছৰ এতিয়ালৈকে চাৰে তিনি হেজাৰ এম এম পৰিমাণৰ বৰষুণ হৈছে। এই বৰষুণৰ পৰিমাণ চাৰি হেজাৰ মিলিমিটাৰ অতিক্ৰম হ'বগৈ। সেয়েহে এইবাৰ বানপানী প্ৰাকৃতিক দুৰ্যোগৰ পৰ্যায়লৈ গ'ল। তাৰ মাজতো যিমান পাৰি কাম কৰা হৈছে। সাহাৰ্যৰ ক্ষেত্ৰত কোনো হেমাহি কৰা হোৱা নাই।' আজি নগাঁৱত সাংবাদিকৰ আগত এই মন্তব্য কৰে ৰাজ্যৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই। কামপুৰৰ বান বিভীষিকা অব্যাহত থাকিলে অঞ্চলটোত হেলিকপ্টাৰৰ জৰিয়তে বানাক্ৰান্তক খাদ্য সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ব বুলি সদৰী কৰি মন্ত্ৰী হাজৰিকাই কয় যে কামপুৰত অহা কাইলৈৰ ভিতৰত ৰাস্তা মুকলি নহ'লে হেলিকপ্টাৰযোগে খাদ্য সামগ্ৰী যোগান ধৰা হ'ব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছে বুলিও তেওঁ কয়। ৰহা সমষ্টিত বৰপানী নদীৰ তাণ্ডৱৰ পৰিপ্ৰেক্ষিতত বৰপানী নদীৰ পৰা সুৰক্ষাৰ বাবে এটা মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি কয়। বানপানীৰ সময়ত জলসম্পদ বিভাগে কাম কৰিলে একাংশ লোকে সমালোচনা কৰে যদিও সেই সমালোচনা অমূলক আখ্যা দি তেওঁ কয়, 'বানপানীৰ সময়ত আমি অস্থায়ী কামবোৰহে কৰো। তেনে ধৰণৰ অস্থায়ী কাম কৰিবই লাগিব। অস্থায়ী কাম আমি প্ৰয়োজনতেই এইখিনি সময়ত কৰো। তেনে কাম এইখিনি সময়ত বেছিকৈ কৰিব লাগে। অস্থায়ী কাম আমি এইখিনি সময়ত অৰ্থাৎ মে'ৰ পৰা ছেপ্টেম্বৰ মাহৰ ভিতৰত কৰো আৰু প্ৰধান কামবোৰ নৱেম্বৰৰ পৰা কৰো।'

নগাঁও চহৰলৈ কলঙে সৃষ্টি কৰিছে তীব্ৰ ভাবুকি

নগাঁও চহৰৰ মাজেদি বৈ যোৱা কলং নৈয়ে সৃষ্টি কৰা বান পৰিস্থিতি ক্ৰমশঃ জটিল হৈ পৰিছে। চাৰি দিন ধৰি কলং নৈৰ জলপৃষ্ঠ বৃদ্ধি হৈ থকাত নগাঁও চহৰকে ধৰি কলংপৰীয়া অঞ্চলসমূহত বান পৰিস্থিতি জটিল হৈ পৰিছে। ইতিমধ্যে কলং নৈৰ জলপৃষ্ঠ যোৱা দুদিন ধৰি দ্ৰুতভাৱে বৃদ্ধি পাইছে। জলসম্পদ বিভাগে জনোৱা তথ্য অনুসৰি, আজি বিয়লি কলং নৈ নগাঁও চহৰত বিপদসীমাৰ ১.৮১ মিটাৰ ওপৰেৰে বৈ আছে। ৰহাত কলং নৈ বিপদসীমাৰ ২.১১ মিটাৰ ওপৰেৰে বৈ আছে। কলং নৈৰ বাঢ়নী পানীয়ে জিলাখনৰ দক্ষিণপাট, বৰক'লা, বেবেজীয়া, ডাকৰঘাট, শিয়ালমাৰী আদি অঞ্চল প্লাৱিত কৰিছে। কলঙৰ বাঢ়নী পানীয়ে নগাঁও চহৰৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। চহৰখনত শিৱনগৰ কলংপাৰ পথ, উত্তৰ হয়বৰগাঁও, দক্ষিণ হয়বৰগাঁও, ভূএগ্ৰাপট্টি, ফৌজদাৰীপট্টি, পুলিচ ৰিজাৰ্ভ, টাউনতেলীয়াগাঁও, পানীগাঁও, বালিভূই, ছোটহয়বৰগাঁও, মধুপুৰ, বৈদ্যটোপ, লক্ষীনগৰ, খুটিকটীয়াকে ধৰি চহৰখনৰ বিভিন্ন অঞ্চল প্লাৱিত কৰিছে। তদুপৰি চহৰখনৰ একমাত্ৰ ৰাজহুৱা পথাৰ ঐতিহ্যমণ্ডিত নেহৰুবালি বাকৰি কলঙৰ পানীৰে বুৰাই পেলোৱাৰ লগতে কৃষ্ণাশ্ৰম শিৱ মন্দিৰকে ধৰি বিভিন্ন মঠ-মন্দিৰ, শিক্ষানুষ্ঠান আদি বানৰ কৱলত পৰিছে। কলঙৰ জলপৃষ্ঠ এনেদৰে বৃদ্ধি হৈ থাকিলে নগাঁও চহৰ ভয়ংকৰ বানৰ বানৰ কৱলত পৰাৰ সম্ভাৱনা আছে। তদুপৰি চহৰখনৰ মৰিকলং বিলৰ জলপৃষ্ঠ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। খাগৰিজান-মিলনপুৰ সংযোগী পথৰ ছিগা অংশৰ মেৰামতি কৰা হৈছিল যদিও কলং নৈৰ বাঢ়নী পানীয়ে যোৱা নিশা পুনৰ ছিঙি পেলোৱাত অঞ্চলটোত বান পৰিস্থিতি জটিল হৈ পৰিছে। ইপিনে, কপিলী, বৰপানী নদীৰ বাঢ়নী পানীয়ে কামপুৰ, ৰহা, নগাঁও সদৰ ৰাজহ চক্ৰৰ বান পৰিস্থিতি অধিক জটিল কৰি তুলিছে। ন ন অঞ্চল বাঢ়নী পানীয়ে বুৰাই পেলাইছে। ব্ৰহ্মপুত্ৰৰ বানপানীয়ে কলিয়াবৰ, ধিং, ৰূপহী ৰাহজ চক্ৰৰ বহু কেইখন গাঁও প্লাৱিত কৰিছে। নগাঁও জিলা দুৰ্যোগ প্ৰশমন বিভাগে আজি বিয়লি জনোৱা তথ্য অনুসৰি জিলাখনত ২৬৯ খন গাঁও বানপানীৰ কৱলত পৰিছে। ইয়াৰে কামপুৰ ৰাজহ চক্ৰৰ ১০৯ খন, ৰহা ৰাজহ চক্ৰৰ ৮৭ খন, নগাঁও সদৰ ৰাজহ চক্ৰৰ ৪৪ খন, চামগুৰি ৰাজহ চক্ৰৰ সাতখন, ৰূপহী ৰাজহ চক্ৰৰ পাঁচখন, কলিয়াবৰ ৰাজহ চক্ৰৰ দুখন, ধিং ৰাজহ চক্ৰৰ ১৫ গাঁও বানৰ কৱলত পৰিছে। অৱশ্যে বেচৰকাৰী সূত্ৰই জনোৱা মতে জিলাখনত ৩৬০ খনৰো অধিক গাঁও বানৰ কৱলত পৰিছে। জিলা দুৰ্যোগ প্ৰশমন বিভাগে জনোৱা মতে চলিত বানত জিলাখনত ৪,৪০,১৩৫ গৰাকী লোক বানত আক্ৰান্ত হৈছে । ইয়াৰ ভিতৰত ১,৪৪,৭৭৪ টা শিশুও আছে। তদুপৰি ১৫,৮১৪.৫৭ হেক্টৰ কৃষিভূমিৰ ক্ষতিসাধন হৈছে। ইতিমধ্যে বানাক্ৰান্তসকলৰ কাৰণে জিলা প্ৰশাসনে কামপুৰ ৰাজহ চক্ৰত ১৭ টা, নগাঁও ৰাজহ চক্ৰত ২২ টা, ৰহা ৰাজহ চক্ৰত ১১ টা আশ্ৰয় শিবিৰ স্থাপন কৰিছে। এইবাৰৰ বানত কামপুৰ অঞ্চলবাসীৰ বাবে হাহাকাৰ নমাই আনিছে। কপিলী পানীয়ে কামপুৰ নগৰকে ধৰি প্ৰায় সমগ্ৰ অঞ্চল প্লাৱিত কৰিছে। বৰ্তমানৰ দৰে পৰিস্থিতি অব্যাহত থাকিলে নগাঁও জিলা ভয়ংকৰ বানৰ কৱলত পৰা সম্ভাৱনাক নুই কৰিব নোৱাৰি। নগাঁও জিলা জলসম্পদ বিভাগে জনোৱা তথ্য অনুসৰি জিলাখনত কপিলী, কলং আৰু ব্ৰহ্মপুত্ৰ নদী আজিও বিপদসীমাৰ ওপৰেৰে বৈ আছে। আজি বিয়লি জলসম্পদ বিভাগে দিয়া তথ্য অনুসৰি জিলাখনৰ শিলঘাটত ব্ৰহ্মপুত্ৰ নদী বিপদসীমাৰ ৩০ ছেণ্টিমিটাৰ ওপৰেৰে বৈ আছে। কামপুৰত কপিলী নদী বিপদসীমাৰ ২.১২ মিটাৰ ওপৰেৰে বৈ আছে।

মিছামাৰীত জাহ গ'ল জলসম্পদৰ

এক পৃষ্ঠাৰ পৰা ধিৰাইমাজুলীৰ মাজত থকা গুৰুত্বপূৰ্ণ দলংখনৰ অৱস্থা সম্প্ৰতি অতি শোচনীয় হৈ পৰিছে। আপাৰ বেঞ্চিমাৰী গাঁওখন সম্প্ৰতি বিধ্বংসী খহনীয়াৰ কবলত পৰিছে। ইতিমধ্যেই ইয়াৰ বহু পৰিমাণৰ মাটি খহনীয়াত জাহ যোৱাত স্থানীয় লোকৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। আজি খহনীয়া আক্ৰান্ত অঞ্চলত উপস্থিত হৈ এই ভয়াৱহ পৰিস্থিতিৰ বুজ লয় স্থানীয় বিধায়ক গণেশ কুমাৰ লিম্বুৱে।

উল্লেখ্য যে ধিৰাইমাজুলী আৰু গৰুডোবাৰ মাজৰ দলংখন বেলশিৰি নৈৰ বাঢ়নী পানী আৰু খহনীয়াৰ ফলত যিকোনো মুহূৰ্ততে ভাঙি পৰাৰ আশংকা বৃদ্ধি পোৱাৰ বিপৰীতে সম্প্ৰতি এই দলংখন ৰক্ষাৰ বাবে লোকনিৰ্মাণ বিভাগে কিছু চেষ্টা চলোৱা বুলি স্থানীয় লোকে প্ৰকাশ কৰিছে। ইপিনে, বান্দৰমাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত সৰকা বালিগাঁৱতো হাহাকাৰ অৱস্থাৰ সৃষ্টি কৰিছে গৰাখহনীয়াই। অঞ্চলটোত গাভৰু নৈৰ গৰাখহনীয়াই ইতিমধ্যে শতাধিক কৃষকৰ বৃহৎ পৰিমাণৰ কৃষিভূমি গ্ৰাস কৰিছে। চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত এই অঞ্চলত অব্যাহত গৰাখহনীয়া ৰোধৰ কোনো ব্যৱস্থাই এই পৰ্যন্ত হোৱা নাই বুলি অভিযোগ উঠিছে। ইপিনে, ঢেকিয়াজুলিতো বেলশিৰি নৈৰ খহনীয়াই কালৰূপ ধাৰণ কৰিছে। ঢেকিয়াজুলিৰ পঠালিখোৱা অঞ্চলত ইতিমধ্যে নৱনিৰ্মিত পকী পথ ছিঙি যোগাযোগ বিচ্ছিন্ন কৰা বেলশিৰি নৈৰ প্ৰৱল খহনীয়াত কে'বাটাও বাসগৃহ জাহ গৈছে। নৈখনৰ এনে বিধ্বংসী ৰূপে ৰাইজক আতংকিত কৰাৰ লগতে বহু কেইটা পৰিয়ালক আশ্ৰয়হীন কৰিছে। আনহাতে, গাভৰু নৈৰ বিধ্বংসী গৰাখহনীয়াই মিছামাৰীৰ একনম্বৰ জীয়া গাভৰু গাঁও পঞ্চায়ত অন্তৰ্গত অঞ্চলতো বিষম পৰিস্থিতিৰ উদ্ভৱ কৰিছে। জীয়া গাভৰু গাঁৱৰ ছটা পৰিয়ালৰ বাৰী মাটি ইতিমধ্যেই এই খহনীয়াত জাহ যোৱাৰ উপৰি শ শ বিঘা কৃষিভূমি এই বিধ্বংসী খহনীয়াত জাহ গৈছে। উল্লেখ্য যে ঢেকিয়াজুলি বিধানসভা সমষ্টি অন্তৰ্গত এই অঞ্চলত কিছুদিন পূৰ্বে জলসম্পদ বিভাগে কোটিটকীয়া এক শিলৰ খহনীয়া প্ৰতিৰোধী আঁচনি ৰূপায়ণ কৰিছিল যদিও এতিয়া সেই আঁচনিও খহনীয়াত জাহ গ'ল। বিগত দীঘলীয়া সময় ধৰি ইয়াত খহনীয়া অব্যাহত থকাত বহুকেইটা পৰিয়াল আন স্থানলৈ উঠি যায় যদিও শেহতীয়াকৈ বানৰ লগতে আৰম্ভ হোৱা খহনীয়াত গাঁওখনৰ বৃহৎ অংশ জাহ যায়। স্থানীয় ৰাইজে অভিযোগ কৰা অনুসৰি, শিলেৰে খহনীয়া প্ৰতিৰোধৰ বাবে ইয়াত ৰূপায়ণ কৰা আঁচনিখনত থকা আঁসোৱাহৰ বাবেই এনে ঘটনা সংঘটিত হয়। অভিযোগ মতে, শিল ধৰি ৰাখিবলৈ যি নেটৰ ব্যৱহাৰ কৰা হয় সেই নেট ৰাইজৰ বাৰম্বাৰ অনুৰোধ সত্বেও ইয়াত নিদিয়াত গাভৰুৰ প্ৰৱল সোঁতে কোটিটকীয়া আঁচনিখন নিমিষতে উটুৱাই নিয়াৰ পাছতে অঞ্চলটোত খহনীয়াই সংহাৰী ৰূপ ধাৰণ কৰে। আনকি এই খহনীয়া সম্প্ৰতি মিছামাৰীৰ বৃহৎ সেনা চাউনিৰ প্ৰতিও ভাবুকি আহি পৰা বুলি স্থানীয় ৰাইজে মন্তব্য কৰিছে। জলসম্পদ বিভাগৰ বিষয়া-অভিযন্তাৰ ঠিকাদাৰৰ প্ৰতি অহেতুক দৰদৰ বাবেই কোটিটকীয়া আঁচনিখন শক্তিশালীভাৱে ৰূপায়ণ নোহোৱাৰ পৰিণতি নৈপৰীয়া ৰাইজে ভুগিবলগীয়া হোৱা বুলিও বহুসংখ্যক লোকে ক্ষোভ প্ৰকাশ কৰিছে।

তাৰালাংছ'ত পৰম্পৰাগত সাজ-পাৰ

এক পৃষ্ঠাৰ পৰা বাৰ্তালাপত কয়, 'কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৰাজ্যপালৰ সন্মুখত নৱ-নিৰ্বাচিত পৰিষদখনৰ সদস্য-সদস্যাই শপত বাক্য পাঠ কৰে।' কাৰ্বি আংলঙে ৰাজনৈতিক, সামাজিক আৰু ভৌগোলিক দিশৰ পৰা নতুন উচ্চতাত আৰোহণ কৰিবলৈ সক্ষম হৈছে বুলিও কয় মুখ্যমন্ত্ৰীয়ে। তেওঁ কয়, 'পৰিষদীয় নিৰ্বাচনত যিদৰে বিজেপি সদস্য-সদস্যাসকলক ৰাইজে নিৰ্বাচিত কৰি পৰিষদলৈ পঠিয়াইছে, ঠিক তেনেদৰেই বিজেপিও নিৰ্বাচনোত্তৰ প্ৰতিশ্ৰুতিবোৰ বাক্যই বাক্যই পূৰণ কৰাৰ বাবে দায়বদ্ধ থাকিব।' মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আজিৰ শপত গ্ৰহণৰ পৰৱৰ্তী বৈঠকত মুখ্য কাৰ্যবাহী সদস্য নিৰ্বাচিত কৰা হ'ব আৰু তাৰ পাছতে মুখ্য কাৰ্যবাহী সদস্যজনৰ অনুমোদন মৰ্মে বাকী কাৰ্যবাহী সদস্যসকলক দায়িত্ব ভাৰ অৰ্পণ কৰা হ'ব।

উল্লেখ্য যে আজি শপত গ্ৰহণ অনুষ্ঠানত পৰিষদৰ এক নম্বৰ দুৱাৰ আমলা সমষ্টিৰ প্ৰভাত চন্দ্ৰ তাৰ', দুই নম্বৰ আমৰি সমষ্টিৰ ডি উফিং মাছলাই, তিনি নম্বৰ চিনঠং সমষ্টিৰ অভিজি ক্ৰ', চাৰি নম্বৰ চ'চেং সমষ্টিৰ হেদছিং ৰংফাৰ, পাঁচ নম্বৰ ৰংখাং সমষ্টিৰ লংবিছন বে', ছয় নং বিথুং ৰেংথামা সমষ্টিৰ তুলিৰাম ৰংহাং, সাত নম্বৰ কপিলী সমষ্টিৰ পৱন কুমাৰ ৰায়, আঠ নম্বৰ হামৰেণ সমষ্টিৰ মংগলছিং তিমুং, ন নম্বৰ আমৰেং সমষ্টিৰ ৰীণা তেৰাংপি, ১০ নম্বৰ হাওৰাঘাট সমষ্টিৰ অজিত কুমাৰ দে, ১১ নম্বৰ লাংফেৰ সমষ্টিৰ মধুৰাম লেকথে, ১২ নম্বৰ ফুলনি সমষ্টিৰ কাংবুৰা কিলিং, ১৩ নম্বৰ লাংহিন সমষ্টিৰ বিলিমহন খাখলাৰী, ১৪ নম্বৰ কৰকানঠি সমষ্টিৰ ৰাজু টিছ', ১৫ নম্বৰ মহামায়া সমষ্টিৰ লংছিং টেৰণ, ১৬ নম্বৰ নমাটি সমষ্টিৰ ৰীতেশ ইংহি, ১৭ নম্বৰ চ'ছেং-ধেন্টা সমষ্টিৰ কাছে ৰংপিপী, ১৮ নম্বৰ লুম্বাজং সমষ্টিৰ জনী টিমুং, ১৯ নম্বৰ ধনশিৰি সমষ্টিৰ তিলোত্তমা হাছনু, ২০ নম্বৰ সিংহাসন সমষ্টিৰ অমৰ টিছ', ২১ নম্বৰ বৰজান সমষ্টিৰ সূৰ্য ৰংফাৰ, ২২ নম্বৰ সৰুপথাৰ সমষ্টিৰ কাদম টেৰাংপী, ২৩ নম্বৰ বোকাজান সমষ্টিৰ মাধুৰ্য ঢেকীয়াল ফুকন, ২৪ নম্বৰ দেওপানী সমষ্টিৰ শ্ৰৱণ কুমাৰ টেলেংগা, ২৫ নম্বৰ নিলিপ পৱিত্ৰ ৰংপী আৰু ২৬ নম্বৰ দুৱাৰ বাগৰি সমষ্টিৰ ৰিছাৰ্ড টকবিয়ে শপত গ্ৰহণ কৰে। ইয়াৰে ৰায় আৰু দেই কাৰ্বি ভাষাত শপত বাক্য পাঠ কৰে। বাকী নিৰ্বাচিত সদস্যসকলে নিজ ভাষাত শপত বাক্য পাঠ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে পৰিষদৰ বিদায়ী মুখ্য কাৰ্যবাহী সদস্য ৰংহাঙে শপত গ্ৰহণ কৰে।

অনুষ্টুপীয়া আয়োজনৰ মাজতে ১০ লাখ

এক পৃষ্ঠাৰ পৰা অনুষ্টুপীয়াকৈ অম্বুবাচী মেলা আয়োজন কৰা বুলি সদৰী কৰে। অম্বুবাচী উপলক্ষে সকলো দিশত প্ৰস্তুতি জিলা প্ৰশাসনে প্ৰায় সম্পূৰ্ণ কৰিছে বুলি উপায়ুক্ত ঝায়ে সদৰী কৰি কয় যে এইবাৰ মন্দিৰলৈকে কোনেও দুচকীয়া-চাৰিচকীয়া বাহন লৈ যাব নোৱাৰিব। সংশ্লিষ্ট লোকৰ অহা-যোৱাৰ বাবে প্ৰশাসনে কিছু বাহন সাজু কৰিছে আৰু নিজাববীয়া বাহন লৈ যোৱাত সম্পূৰ্ণৰূপে নিষেধাজ্ঞা থাকিব বুলি তেওঁ মন্তব্য কৰি পুনৰ কয়, 'মোৰ বাহনো ওপৰলৈ যাব নোৱাৰিব। কামাখ্যালৈ উঠি যোৱা অৰ্থাৎ কামাখ্যা বাছ আস্থানৰ সমীপৰ পৰা ওপৰলৈ বাহন চলাচলাত নিষেধাজ্ঞা থাকিব। নিজা বাহনেৰে যোৱা সংশ্লিষ্ট ভক্তই সেই স্থানত নামিব আৰু ভৰলুৰ দিশৰ পৰা গ'লে বাহনখন আদাবাৰী বাছ আস্থান নাইবা বৰিপাৰা খেলপথাৰত পাৰ্কিং কৰিব লাগিব। একেদৰে মালিগাঁও দিশৰ পৰা অহা ভক্তসকলে বাহনসমূহ সোণাৰাম হাইস্কুল খেলপথাৰত পাৰ্কিং কৰিব লাগিব। এই পথৰ কাষে কাষে ক'তো বাহন ৰখাব নোৱাৰিব। অৰ্থাৎ কামাখ্যা ফুট হিলৰ পৰা মন্দিৰলৈ পদযাত্ৰা নাইবা প্ৰশাসনে নিৰ্দিষ্ট কৰি কৰি দিয়া বাহনৰ জৰিয়তেহে যাব পাৰিব।' উল্লেখ্য যে এই ধৰ্মীয় অনুষ্ঠানৰ বাবে ইতিমধ্যে কামাখ্যা ৰেল ষ্টেছন, পুৰণি কাৰাগাৰ আৰু পাণ্ডুত মুঠ তিনিটাকৈ শিবিৰ স্থাপন কৰা হৈছে আৰু এই শিবিৰ সমূহত দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় পাঁচ হেজাৰ ভক্তই আশ্ৰয় গ্ৰহণ কৰিছে বুলি উপায়ুক্তজনে কয়। সমান্তৰালভাৱে কামাখ্যাৰ নামনি অংশৰ পৰা মন্দিৰলৈ যাত্ৰাৰ ক্ষেত্ৰত নতুন পথ বন্ধ থকাৰ বিপৰীতে পূৰ্বৰে পৰা ব্যৱহৃত হৈ অহা পথত কোনোধৰণৰ ষ্টল নাথাকিব বুলি তেওঁ সদৰী কৰি কয় যে প্ৰশাসনৰ অনুমতি নথকা কোনো সংস্থা বা সংগঠনে খাদ্য যোগান ধৰিব নোৱাৰিব। সকলো নীতি-নিৰ্দেশনা কঠোৰভাৱে ৰূপায়ণ কৰা হ'ব বুলি তেওঁ সদৰী কৰি লগতে এই অনুষ্ঠানৰ বাবে নটাকৈ স্বাস্থ্য শিবিৰ স্থাপন কৰা হৈছে আৰু চাৰিখনকৈ এম্বুলেন্স সাজু কৰি ৰখা হ'ব বুলি কয়। সমান্তৰালভাৱে যান-বাহন আৰক্ষী বিষয়া বৰ্মনে এই নীতি-নিৰ্দেশনা ২২ জুনৰ পৰা ২৬ জুনলৈ প্ৰযোজ্য হ'ব বুলি সদৰী কৰি কয় যে এই সময়ছোৱাত জি ডি , টি, টি আৰ ফুকন আৰু এম ডি পথত অসম ৰাজ্যিক পৰিবহণ নিগমকে ধৰি আন্তঃজিলা বাছ, গধুৰ মালবাহী বাহনৰ প্ৰৱেশত নিষেধাজ্ঞা জাৰি কৰা হৈছে। তিনিচকীয়া বাণিজ্যিক বাহনক মাজ নিশা ১২ বজাৰ পৰা পুৱা ছয় বজালৈ চলাচল কৰিবলৈ দিয়া হ'ব বুলি কয়। সমান্তৰালভাৱে ভক্তসকলৰ নিৰাপত্তাৰ দিশটো সুনিশ্চিত কৰিবলৈ প্ৰায় পাঁচশ চি চি টিভি কেমেৰা স্থাপন কৰা হৈছে বুলি উপ-আৰক্ষী আয়ুক্ত মহন্তই সদৰী কৰাৰ লগতে স্বচ্ছতাৰ দিশত গুৰুত্ব দি গুৱাহাটী পৌৰ নিগমে অতিৰিক্ত কৰ্মচাৰী নিয়োগ কৰিছে বুলি যুটীয়া আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে সদৰী কৰে।

দেশত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা ৭৬ হেজাৰলৈ বৃদ্ধি, চতুৰ্থ ঢৌৰ শংকা

নিউজ ব্যুৰ', নতুন দিল্লী, ২০ জুন ঃ কৰ'নাৰ সংক্ৰমণক লৈ উদ্বেগ বৃদ্ধি পাইছে ভাৰতত। বিগত এদিনত দেশৰ ক'ভিড সংক্ৰমণ সামান্য হ্ৰাস পালেও বৃদ্ধি পালে মৃতকৰ সংখ্যা। লগতে যোৱা ২৪ ঘণ্টাত বৃদ্ধি পালে সক্ৰিয় ৰোগীৰ সংখ্যাও। সপ্তাহৰ প্ৰথম দিনটোতে দেশৰ উৰ্ধ্বমুখী সক্ৰিয় সংক্ৰমণে ক'ভিডকেন্দ্ৰিক উদ্বেগ পুনৰ বৃদ্ধি কৰিলে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ১২,৭৮১ জন লোক। আনহাতে, বিগত এদিনত ক'ভিডে পুনৰ ১৮ জন লোকৰ প্ৰাণ কাঢ়িলে। বৰ্তমানে ভাৰতত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা হৈছে ৭৬,৭০০ জন। সক্ৰিয় সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি বিশেষজ্ঞসকলে দেশত কৰ'না সংক্ৰমণৰ চতুৰ্থ ঢৌৰ আগমন ঘটিব পাৰে বুলি শংকা প্ৰকাশ কৰিছে।

অগ্নিবীৰক কৰ্মসংস্থাপন প্ৰদানৰ প্ৰতিশ্ৰুতি উদ্যোগপতি মহিন্দ্ৰাৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ২০ জুন ঃ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা 'অগ্নিপথ' আঁচনিৰ বিৰোধিতাৰে দেশব্যাপী অব্যাহত থকা হিংসাত্মক আন্দোলনৰ সন্দৰ্ভত দুখ প্ৰকাশ কৰিলে উদ্যোগপতি আনন্দ মহিন্দ্ৰাই। অগ্নি-হিংসা হৃদয় বিদাৰক বুলি মন্তব্য কৰি বিশিষ্ট উদ্যোগপতিজনে অগ্নিবীৰক নিজৰ প্ৰতিষ্ঠানত চাকৰিত নিযুক্তিৰ প্ৰতিশ্ৰুতিও দিলে। টুইটাৰত এই কথা প্ৰকাশ কৰি মহিন্দ্ৰাই কয়, 'অগ্নিবীৰসকলৰ শৃংখলা আৰু দক্ষতাই তেওঁলোকক বিভিন্ন প্ৰতিষ্ঠানত কাম কৰাৰ বাবে বিশেষভাৱে সহায় কৰিব। এনে দক্ষ আৰু প্ৰশিক্ষিত যুৱকক মহিন্দ্ৰালৈ স্বাগতম।' উল্লেখ্য যে অগ্নিপথ আঁচনিৰ জৰিয়তে সেনাত চাৰি বছৰ নিয়োজিত হোৱাৰ পাছত অৱসৰ গ্ৰহণ কৰা যুৱকসকলে ভৱিষ্যতে কেনেদৰে জীৱিকা আহৰণ কৰিব বুলি প্ৰশ্ন উত্থাপন কৰি বিৰোধীয়ে কেন্দ্ৰৰ চৰকাৰক সমালোচনা কৰিছে। এনে পৰিস্থিতিত কেন্দ্ৰৰ একাধিক মন্ত্ৰণালয়ে অগ্নিবীৰক কাৰ্যকাল অন্ত পৰাৰ পাছত সংস্থাপনৰ প্ৰতিশ্ৰুতি দিছে। এইবাৰ 'মহিন্দ্ৰা এণ্ড মহিন্দ্ৰা'ৰ স্বত্বাধিকাৰী মহিন্দ্ৰাই সামাজিক মাধ্যমৰ জৰিয়তে অৱসৰ লাভৰ পাছত অগ্নিবীৰক নিজৰ প্ৰতিষ্ঠানত সংস্থাপন প্ৰদানৰ প্ৰতিশ্ৰুতি দিলে।

হঠাৎ হৃদস্পন্দন বৃদ্ধি পোৱাত চিকিৎসালয়ত ভৰ্তি হ'ল অভিনেত্ৰী দীপিকা

নিউজ ব্যুৰ, মুম্বাই, ২০ জুন ঃ বলিউডৰ জনপ্ৰিয় অভিনেত্ৰী দীপিকা পাডুকনৰ স্বাস্থ্যৰ সন্দৰ্ভত শেহতীয়াভাৱে এক বাতৰি সামাজিক মাধ্যমত চৰ্চিত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি দীপিকাৰ হৃদস্পন্দন হঠাতে অত্যধিক বৃদ্ধি পোৱাত অভিনেত্ৰীগৰাকীক হায়দৰাবাদত কমিনেনী হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। হায়দৰাবাদত দীপিকাই এখন ছবিৰ দৃশ্যগ্ৰহণত ব্যস্ত আছিল। হঠাতে অভিনেত্ৰীগৰাকীয়ে অসুস্থ অনুভৱ কৰাত তেওঁৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হৈছিল আৰু দীপিকাৰ হৃদস্পন্দন অধিক হোৱাত চিকিৎসকে তেওঁক হায়দৰাবাদৰ চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষাৰ বাবে ভৰ্তি কৰে। এক সূত্ৰই প্ৰকাশ কৰা অনুসৰি দীপিকা দুবাৰকৈ ক'ভিডত সংক্ৰমিত হৈছিল আৰু সেয়েহে চিকিৎসকে হৃদস্পন্দন বৃদ্ধি পোৱাত তেওঁক স্বাস্থ্য পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ নিছিল। সম্প্ৰতি অভিনেত্ৰীগৰাকী সুস্থ আছে বুলি সূত্ৰটোৱে জানিবলৈ দিয়ে।

পাকিস্তানী আদালতৰ নিৰ্দেশ ঃ পুনৰ আমিৰৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰা হ'ব

নিউজ ব্যুৰ', কৰাচী, ২০ জুন ঃ পাকিস্তানী টেলিভিছনৰ অনুষ্ঠান পৰিৱেশক তথা সাংসদ প্ৰয়াত আমিৰ লিয়াকতৰ মৃতদেহ কবৰৰ পৰা উলিয়াই পুনৰ মৰণোত্তৰ পৰীক্ষাৰ নিৰ্দেশ দিলে এখন পাক আদালতে। আমিৰৰ মৃত্যুৰ সময়ত একাধিক অভিযোগ উত্থাপিত হৈছে আৰু একাংশই সাংসদজনক হত্যা কৰা বুলিও সন্দেহ কৰিছে। আব্দুল অহদ নামৰ এজন ব্যক্তিয়ে আমিৰক হত্যা কৰা বুলি দাবী কৰি ঘটনাৰ সন্দৰ্ভত তদন্তৰ বাবে আদালতৰ দ্বাৰস্থ হৈছিল। আদালতে এই আবেদনত শুনানি গ্ৰহণ কৰি আমিৰৰ পুনৰ মৰণোত্তৰ পৰীক্ষাৰ নিৰ্দেশ দিলে। সাংসদজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে আদালতে এখন বিশেষ ব'ৰ্ডো গঠন কৰিছে। কৰাচীৰ ন্যায়িক দণ্ডাধীশ বজিৰ হুছেইন মেমনে সাংসদজনৰ মৃতদেহৰ পুনৰ মৰণোত্তৰ পৰীক্ষাৰ নিৰ্দেশ দিলে। উল্লেখ্য যে ১১ দিন পূৰ্বে কৰাচীত আমিৰৰ হঠাতে স্বাস্থ্যৰ অৱনতি ঘটি মৃত্যু হৈছিল।

২৪৫ খন আসনহে মেক্ৰঁ'ৰ মৰ্চাই লাভ কৰিলে ঃ ফ্ৰান্সৰ ৰাজনীতিত অচলাৱস্থাৰ শংকা

ফ্ৰান্সৰ সংসদত সংখ্যাগৰিষ্ঠতা হেৰুৱালে মেক্ৰঁ'ৱে

নিউজ ব্যুৰ' পেৰিছ, ২০ জুন ঃ ফ্ৰান্সৰ ৰাজনীতিত পুনৰ অচলাৱস্থা সদৃশ পৰিস্থিতিৰ সৃষ্টি হয়। ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত জয়ৰ পাছতো সংসদত সংখ্যাগৰিষ্ঠতা হেৰুৱালে ইমানুৱেল মেক্ৰঁ'ৱে। সংসদত সংখ্যাগৰিষ্ঠতা নাথাকিলে যিকোনো বিধেয়ক গৃহীত কৰাৰ ক্ষেত্ৰত মেক্ৰঁ'ৱে যথেষ্ট হেঁচাৰ সন্মুখীন হ'ব লাগিব। আজি ফ্ৰান্সৰ জাতীয় আইন সভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হয়। নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰ বাবে ৰাষ্ট্ৰপতি মেক্ৰঁ'ৰ মধ্যমপন্থী মৰ্চাই ২৮৯ আসন লাভ কৰাটো জৰুৰী আছিল। কিন্তু আইন সভাৰ ৫৭৭ আসনৰ ২৪৫ খন আসনহে মেক্ৰঁ'ৰ মৰ্চাই লাভ কৰিলে। দেওবাৰে অনুষ্ঠিত হোৱা জাতীয় আইন সভাৰ নিৰ্বাচনৰ দ্বিতীয় দফাৰ ভোটত ক্ষমতাসীন মৰ্চাৰ এনে বিপৰ্যয়ৰ ফলত ফ্ৰান্সত ৰাজনৈতিক অচলাৱস্থাৰ শংকা প্ৰকট হৈছে। অৱশ্যে মেক্ৰঁ'ৱে অন্যান্য দলৰ স'তে মৰ্চা গঠনত সফল হ'লে এই পৰিস্থিতিৰ পৰা ৰেহাই লাভ কৰিব পাৰিব। বিবিচিৰ বাতৰি অনুসৰি, নিৰ্বাচনত অপেক্ষাকৃত ভাল ফলাফলৰে সংসদত নিজৰ অৱস্থান শক্তিশালী কৰিলে বামদলীয় মৰ্চা আৰু দক্ষিণপন্থী দলে। জাতীয় পৰিষদৰ নিৰ্বাচনত ১৩১ আসন জয়েৰে নিউফে প্ৰধান বিৰোধী দল হিচাপে আত্মপ্ৰকাশ কৰিলে।

মুছেৱালাৰ হত্যাত জড়িত দুই পেছাদাৰী হত্যাকাৰীক গ্ৰেপ্তাৰ

নিউজ ব্যুৰ', চণ্ডীগড়, ২০ জুন ঃ পঞ্জাৱৰ জনপ্ৰিয় গায়ক সিদ্ধু মুছেৱালাৰ হত্যাকাণ্ডৰ ঘটনাত আৰক্ষীয়ে পুনৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিলে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি মুছেৱালাক গুলিবৰ্ষণ কৰা দুজন পেছাদাৰী হত্যাকাৰীক গুজৰাটৰ মুদ্ৰাৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে। পঞ্জাৱ আৰক্ষীয়ে উক্ত হত্যাকাৰী দুজনৰ পৰা যথেষ্ট পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু বিস্ফোৰক সামগ্ৰী জব্দ কৰিছে। উল্লেখ্য যে গেংষ্টাৰ লৰেন্সক জেৰা কৰাৰ সময়ত আৰক্ষীয়ে মুছেৱালাৰ হত্যাত জড়িত থকা এই দুজন পেছাদাৰী হত্যাকাৰীৰ তথ্য লাভ কৰিছিল। ইয়াৰ পাছতে অনুসন্ধান চলাই গুজৰাটৰ পৰা দুই অভিযুক্তক পঞ্জাৱ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

চীনে আকাশতে শত্ৰুৰ ক্ষেপণাস্ত্ৰ ধ্বংসকাৰী ক্ষেপণাস্ত্ৰৰ কৰিলে সফল পৰীক্ষণ

নিউজ ব্যুৰ' বেইজিং, ২০ জুন ঃ আকাশতে শত্ৰুপক্ষই নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰ ধ্বংস কৰিব পৰা ক্ষমতাসম্পন্ন এক ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ কৰিলে চীনে। চীনৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে যোৱা নিশা এক বিজ্ঞপ্তিৰ জৰিয়তে প্ৰকাশ কৰা অনুসৰি সম্পূৰ্ণ ইতিবাচক উদ্দেশ্যৰে দেশখনে শত্ৰুৰ ক্ষেপণাস্ত্ৰ ধ্বংস কৰিব পৰা ক্ষেপণাস্ত্ৰৰ সফলতাৰে পৰীক্ষা কৰিলে। অৱশ্যে কোনো দেশক লক্ষ্য হিচাপে লৈ চীনে এনে ক্ষেপণাস্ত্ৰ তৈয়াৰ কৰা নাই বুলিও বেইজিঙে স্পষ্ট কৰি দিছে।

ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত বিৰোধীৰ প্ৰাৰ্থী হ'বলৈ অস্বীকাৰ গোপাল কৃষ্ণৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ২০ জুন ঃ মহাত্মা গান্ধীৰ নাতি গোপাল কৃষ্ণ গান্ধীয়ে বিৰোধী পক্ষৰ হৈ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হ'বলৈ অস্বীকাৰ কৰিলে। এক বিজ্ঞপ্তিত গান্ধীয়ে কয় যে বিৰোধী মৰ্চাই তেওঁৰ নাম প্ৰাৰ্থী হিচাপে বিবেচনা কৰাৰ বাবে কৃতজ্ঞ যদিও তেওঁ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নিবিচাৰে। উক্ত বিজ্ঞপ্তিত গান্ধীয়ে কয়, 'মই আশা কৰো যে বিৰোধীয়ে আমাৰ কাৰোবাৰ নাম বিবেচনা কৰক, যিজন ব্যক্তি মোৰ তুলনাত ভাল ৰাষ্ট্ৰপতি হ'ব পাৰিব।' ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি বিৰোধীৰ একাংশ নেতাই ফোনযোগে গান্ধীৰ স'তে যোগাযোগ কৰিছিল আৰু বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী হিচাপে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। স্মৰ্তব্য যে ২০১৭ত ভেংকেয়া নাইডুৰ বিৰুদ্ধে বিৰোধীয়ে গান্ধীক উপ-ৰাষ্ট্ৰপতিৰ পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছিল যদিও উক্ত নিৰ্বাচনত তেওঁ পৰাজিত হৈছিল।

কেডাৰনাথ দৰ্শনৰ পূৰ্বে ভক্তই হ্ৰাস কৰিব লাগিব শৰীৰৰ ওজন, অন্যথা ভৰিব লাগিব অতিৰিক্ত ভাড়া



নিউজ ব্যুৰ', ডেৰাডুন, ২০ জুন ঃ হিন্দুসকলৰ সবাতোকৈ পবিত্ৰ তীৰ্থস্থানসমূহৰ ভিতৰত কেডাৰনাথ মন্দিৰ অন্যতম। উত্তৰাখণ্ডত ১২ হেজাৰ ফুট উচ্চতাত ৰুদ্ৰ হিমালয়ত এই তীৰ্থস্থান অৱস্থিত। এই তীৰ্থস্থান দৰ্শন কৰিবলৈ হ'লে ভক্তই প্ৰায় ১৮ কিলোমিটাৰ পথ পদযাত্ৰা কৰিবলগীয়া হয়। অৱশ্যে হেলিকপ্টাৰৰ জৰিয়তে কেডাৰনাথলৈ যাব পাৰি। কিন্তু সৰহসংখ্যক ভক্তই খোজ কাঢ়ি কেডাৰনাথলৈ যাত্ৰা কৰি আহিছে। কেডাৰনাথ দৰ্শনৰ বাবে হেলিকপ্টাৰৰ সেৱা আছে যদিও এই ক্ষেত্ৰত কিছু নিয়ম-নীতি প্ৰৱৰ্তন কৰা হৈছে। সম্প্ৰতি এক নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি, কেডাৰনাথ দৰ্শনৰ বাবে হেলিকপ্টাৰেৰে যাত্ৰা কৰিব বিচাৰিলে তীৰ্থযাত্ৰীৰ শৰীৰৰ ওজন ৮০ কিলোগ্ৰামতকৈ অধিক হ'লে প্ৰতি কিলো ওজনৰ বিপৰীতে ১৫০ টকাকৈ অতিৰিক্ত ভাড়া আদায় দিব লাগিব। এজন ব্যক্তিৰ শৰীৰৰ ওজন যদি ১২০ কিলোগ্ৰামৰ অধিক হয়, সেই ক্ষেত্ৰত হেলিকপ্টাৰ যাত্ৰাৰ বাবে দুজনৰ ভাড়া আদায় দিব লাগিব। উল্লেখ্য যে পৱনহংস, পিনাকল এয়াৰ, হেৰিটেজ এভিয়েচনে কেডাৰনাথলৈ হেলিকপ্টাৰ সেৱা আগবঢ়াই আহিছে। ফাটা, চেৰচি, সীতাপুৰ, গুপ্তকাশী আৰু ডেৰাডুনৰ হেলিকপ্টাৰেৰে কেডাৰনাথলৈ যাত্ৰা কৰিব পাৰি। সাধাৰণতে এজন যাত্ৰীয়ে হেলিকপ্টাৰেৰে কেডাৰনাথ দৰ্শনৰ বাবে ভাড়া হিচাপে ৬,৫০০-৮,০০০ টকা আদায় দিব লাগে।

গায়ক মুছেৱালাৰ হত্যাৰ পাছত দেশত চাহিদা বৃদ্ধি বুলেটপ্ৰুফ গাড়ীৰ

নিউজ ব্যুৰ', চণ্ডীগড়, ২০ জুন ঃ পঞ্জাৱৰ জনপ্ৰিয় গায়ক সিদ্ধু মুছেৱালাৰ হত্যাকাণ্ডৰ পাছত ভাৰতত বুলেটপ্ৰুফ গাড়ীৰ চাহিদা বৃদ্ধি পাইছে। গুলি আক্ৰমণৰ বলি হোৱাৰ সময়ত মুছেৱালাই বুলেটপ্ৰুফ গাড়ী ব্যৱহাৰ কৰা নাছিল। মুছেৱালাৰ হত্যাৰ পাছত সামাজিক মাধ্যমত বহুতে মন্তব্য কৰি কৈছিল যে যদিহে জনপ্ৰিয় গায়কজনে বুলেটপ্ৰুফ গাড়ী ব্যৱহাৰ কৰিলেহেঁতেন তেন্তে তেওঁৰ মৃত্যু নহ'লহেঁতেন। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, মুছেৱালাৰ হত্যাকাণ্ডৰ পাছৰে পৰা দেশৰ বজাৰত বুলেটপ্ৰুফ গাড়ীৰ চাহিদা উৰ্ধ্বমুখী হ'বলৈ ধৰিছে। পঞ্জাৱী চলচ্চিত্ৰ উদ্যোগৰ স'তে জড়িত কে'বাজনো অভিনেতা আৰু গায়কে ইতিমধ্যে নিজৰ গাড়ী বুলেটপ্ৰুফ কৰাৰ বাবে সংশ্লিষ্ট প্ৰতিষ্ঠানৰ স'তে যোগাযোগ কৰিছে। বলিউড আৰু উত্তৰ প্ৰদেশৰ কে'বাজনো লোকৰ লগতে ৰাজনৈতিক নেতায়ো বুলেটপ্ৰুফ গাড়ী ক্ৰয়ৰ বাবে শেহতীয়াভাৱে ইচ্ছা প্ৰকাশ কৰি এনেবোৰ প্ৰতিষ্ঠানৰ স'তে যোগাযোগ কৰিছে। উল্লেখ্য যে ভাৰতত বুলেটপ্ৰুফ গাড়ী তৈয়াৰ কৰাৰ বাবে প্ৰথমে আৰক্ষীৰ পৰা অনুজ্ঞাপত্ৰ গ্ৰহণ কৰিব লাগে। অনুজ্ঞাপত্ৰ লাভৰ পাছতহে কাৰখানাত বুলেটপ্ৰুফ গাড়ী তৈয়াৰ কৰা হয়। সাধাৰণতে একোখন বুলেটপ্ৰুফ গাড়ী তৈয়াৰ কৰাৰ বাবে কমেও ২০ লাখ টকা ব্যয় হয়। ভাৰতত বুলেটপ্ৰুফ গাড়ীৰ মূল্য এক কোটি টকালৈকে নিৰ্ধাৰণ কৰা হয়। একোখন গাড়ী বুলেটপ্ৰুফ কৰাৰ বাবে একৰ পৰা তিনিমাহৰ প্ৰয়োজন হয়। এনে বুলেটপ্ৰুফ গাড়ীয়ে এ কে ৪৭ আৰু অন্যান্য অত্যাধুনিক বন্দুকৰ গুলিক প্ৰতিৰোধ কৰিব পাৰে। কাৰাখানাত সাধাৰণতে লেণ্ড ক্ৰুজাৰ, টয়টা ফৰ্চুনাৰ, মহিন্দ্ৰা স্ক'ৰপিঅ', ফ'ৰ্ড এণ্ডেভাৰ আৰু ৰেঞ্জ ৰ'ভাৰ গাড়ী বুলেটপ্ৰুফ কৰা হয়। একোখন বুলেটপ্ৰুফ গ্লাছৰ মূল্য কমেও সাত লাখ টকা হয়। আনহাতে, বুলেটপ্ৰুফ টায়াৰৰ মূল্য দুইৰ পৰা পাঁচ লাখ টকাৰ ভিতৰত। এনেবোৰ সামগ্ৰী জাৰ্মানীৰ পৰা আমদানি কৰা হয়। আনহাতে, অষ্ট্ৰেলিয়া, অষ্ট্ৰিয়া আৰু ব্ৰিটেইনৰ পৰা আমদানি কৰা বুলেটপ্ৰুফ ষ্টিলৰ মূল্য প্ৰতি কিলোগ্ৰামত সাত ডলাৰ হয়। এখন বাহনক বুলেটপ্ৰুফ কৰাৰ বাবে এই ধৰণৰ এক টন ষ্টিলৰ প্ৰয়োজন হয়।

পেট্ৰ'লৰ নাটনি, ক্ষুব্ধ নাগৰিকৰ সেনালৈ শিলাবৃষ্টি শ্ৰীলংকাত

নিউজ ব্যুৰ', কলম্বো, ২০ জুন ঃ আৰ্থিকভাৱে বিপৰ্যস্ত শ্ৰীলংকাত ইন্ধন সংকটে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিলে। ইন্ধনৰ নাটনিৰ ফলত যথেষ্ট সমস্যাৰ সন্মুখীন হোৱা একাংশ লোকে দেশৰ বিভিন্ন অঞ্চলত বিক্ষোভ প্ৰদৰ্শন অব্যাহত ৰাখিছে। যোৱা নিশা কলম্বোৰ পৰা উত্তৰৰ ৩৬৫ কিলোমিটাৰ দূৰত থকা বিছুভামাডু অঞ্চলত এটা পেট্ৰ'ল পাম্পত ইন্ধন ক্ৰয়ৰ বাবে যথেষ্ট সংখ্যক লোকে ভিৰ কৰিছিল। কিন্তু ডিপোত পেট্ৰ'ল শেষ হোৱাত বহু লোক ক্ষুব্ধ হৈ পেট্ৰ'ল পাম্পৰ লগতে সেনালৈ শিলাবৃষ্টি কৰে। এনে পৰিস্থিতিত আৰক্ষীয়ে বাধ্য হৈ গুলিবৰ্ষণ কৰে। বিক্ষোভকাৰীৰ আক্ৰমণৰ ফলত সেনাৰ এখন ট্ৰাকো ক্ষতিগ্ৰস্ত হয়।

সেনাই গুলিবৰ্ষণ কৰাত বিক্ষোভকাৰীসকলে পলায়ন কৰিবলৈ বাধ্য হৈছিল। এই ঘটনাত চাৰিজন নাগৰিক আৰু তিনিজন সেনা আহত হয়।

বালাঘাটত আৰক্ষী-নক্সালবাদীৰ সংঘৰ্ষত নিহত তিনি সন্ত্ৰাসবাদী

নিউজ ব্যুৰ', বালাঘাট, ২০ জুন ঃ মধ্য প্ৰদেশ আৰক্ষীয়ে কানহাৰ অৰণ্যত নক্সালবাদীৰ বিৰুদ্ধে চলোৱা অভিযানত বৃহৎ সফলতা লাভ কৰিলে। আৰক্ষী আৰু হউক বাহিনীয়ে যৌথভাৱে চলোৱা সন্ত্ৰাস বিৰোধী অভিযানত বালাঘাট জিলাৰ কাদলা অৰণ্যত নিৰাপত্তা বাহিনীৰে হোৱা সংঘৰ্ষত তিনিজন নক্সালবাদীৰ মৃত্যু হ'ল। নিহত সন্ত্ৰাসবাদীৰ মাজত এগৰাকী সদস্যও আছে। আৰক্ষীয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি অভিযানত মৃত্যু হোৱা নক্সালবাদীকেইজনৰ এজনৰ মূৰৰ বিনিময়ত ১৫ লাখ টকা আৰু আন দুজনৰ মূৰৰ বিনিময়ত আঠ লাখ টকাৰ পুৰস্কাৰ প্ৰদানৰ কথা পূৰ্বে ঘোষণা কৰা হৈছিল। বালাঘাট আৰক্ষীয়ে অঞ্চলটোৰ অৰণ্যত নক্সালবাদীয়ে ঘাটি পতাৰ বাতৰি লাভৰ পাছতে আজি যৌথ অভিযান চলাই সফলতা লাভ কৰে। নিহত নক্সালবাদীকেইজনৰ পৰা বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু বোমা উদ্ধাৰ কৰা হৈছে।

আমেৰিকাত সৰ্বাধিক অস্ত্ৰ ক্ৰয় মহিলাৰ, ২০২১ বৰ্ষত বিক্ৰী চাৰি কোটি বন্দুক

নিউজ ব্যুৰ', ৱাশ্বিংটন, ২০ জুন ঃ আমেৰিকাত বন্দুকধাৰীৰ ধাৰাবাহিক সন্ত্ৰাসৰ বাবে দেশখনত মুক্তভাৱে বিক্ৰী হৈ অহা অস্ত্ৰ-শস্ত্ৰৰ বজাৰখনকে জগৰীয়া কৰা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি ২০০০ বৰ্ষত আমেৰিকাত মুঠ ৮৫ লাখ বন্দুক বিক্ৰী হৈছিল। ২০২১ বৰ্ষত দেশখনত বন্দুক বিক্ৰীৰ সংখ্যা তিনি কোটি ৮৯ লাখলৈ বৃদ্ধি পালে। সম্প্ৰতি আমেৰিকাত সৰ্বাধিক সংখ্যক বন্দুক ক্ৰয় কৰিছে মহিলাই। অস্ত্ৰ-শস্ত্ৰ নিৰ্মাতা, অধিবক্তা আৰু জনপ্ৰতিনিধিয়ে মাৰ্কিন নাগৰিকসকলক বন্দুক ক্ৰয়ৰ বাবে বিশেষভাৱে অনুপ্ৰাণিত কৰি আহিছে। সম্প্ৰতি আমেৰিকাত হেণ্ডগান আৰু এছ আৰ-১৫

ৰাইফলৰ বিক্ৰী বৃদ্ধি পাইছে। আমেৰিকাত মহিলাৰ লগতে কৃষ্ণাংগসকলেও সৰ্বাধিক পৰিমাণত বন্দুক ক্ৰয় কৰি আহিছে।

হিমাচলত মাজআকাশত ৰ'পৱেত আবদ্ধ ১১ পৰ্যটকক কৰিলে উদ্ধাৰ

নিউজ ব্যুৰ', ছিমলা, ২০ জুন ঃ দেওঘৰৰ পাছত এইবাৰ হিমাচল প্ৰদেশত ৰ'পৱেত সংঘটিত হ'ল অঘটন। ৰাজ্যখনৰ পাৰৱানুত ৰ'পৱেৰ জৰিয়তে যাত্ৰা কৰাৰ সময়ত কমেও ১১ জন পৰ্যটক হঠাতে মাজআকাশত দুঘণ্টা ধৰি আবদ্ধ হৈ থাকিব লগা হ'ল। পৰ্যটকসকলৰ মাজত চাৰিগৰাকী মহিলা আছিল। প্ৰশাসনে ঘটনা খবৰ লাভৰ পাছতে তৎপৰতাৰ অভিযান চলাই আটাইকেইজন পৰ্যটকক ৰ'পৱেৰ কেব্‌লকাৰৰ পৰা উদ্ধাৰ কৰে। প্ৰকাশিত বাতৰি অনুসৰি, যান্ত্ৰিক বিজুতিৰ ফলতে কেব্‌লকাৰখন মাজপথতে ৰ'পৱেত আবদ্ধ হৈছিল।

চলিত বৰ্ষত কাশ্মীৰত সেনাৰ অভিযানত ১১৪ সন্ত্ৰাসবাদী নিহত

নিউজ ব্যুৰ', শ্ৰীনগৰ, ২০ জুন ঃ জম্মু-কাশ্মীৰক সন্ত্ৰাসমুক্ত কৰাৰ বাবে নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবিৰোধী অভিযান অব্যাহত ৰাখিছে। নিৰাপত্তা বাহিনীয়ে কাশ্মীৰ উপত্যকাত সম্প্ৰতি অপাৰেচন অলআউট অভিযান চলাই আহিছে। বৰ্তমানলৈকে কাশ্মীৰত সেনা আৰু আৰক্ষীৰ অভিযানত মুঠ ১১৪ জন সন্ত্ৰাসবাদীৰ মৃত্যু হ'ল। সেনাৰ অভিযানত প্ৰাণহানি ঘটা এইসকল সন্ত্ৰাসবাদীৰ মাজত ৩২ জন বিদেশী সন্ত্ৰাসবাদীও আছে। কালি অনন্তনাগ জিলাৰ হংগলগুন্দ অঞ্চলত নিৰাপত্তা বাহিনীৰ স'তে হোৱা এক সংঘৰ্ষৰ ঘটনাত হিজবুল মুজাহিদীনৰ দুজন সন্ত্ৰাসবাদী ধৰাশায়ী হৈছিল।

বিশ্বৰ সপ্তম ধনাঢ্য ব্যক্তি ব্ৰীনে পত্নীৰ স'তে কৰিব সম্পৰ্ক বিচ্ছেদ



নিউজ ব্যুৰ', ৱাশ্বিংটন, ২০ জুন ঃ এইবাৰ বিবাহ বিচ্ছেদৰ সিদ্ধান্ত ল'লে বিশ্বৰ আন এজন শীৰ্ষ অৰ্বুদপতিয়ে। প্ৰকাশিত বাতৰি অনুসৰি গুগলৰ সহপ্ৰতিষ্ঠাপক তথা বিশ্বৰ সপ্তম সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃত ছাৰ্গেই ব্ৰীনে তেওঁৰ দ্বিতীয় পত্নীৰ স'তে বিবাহ বিচ্ছেদৰ সিদ্ধান্ত লৈছে। ব্ৰীনে ২০১৮ৰ নৱেম্বৰত নিক'ল চানাহানৰ স'তে বিবাহ সম্পন্ন কৰিছিল। উক্ত বৰ্ষতে নিক'লে এটি কন্যা সন্তানো জন্ম দিছিল। বিবাহৰ মাত্ৰ চাৰি বছৰৰ পাছতে ব্ৰীন আৰু নিক'লে বৈবাহিক জীৱনৰ অৱসান ঘটোৱাৰ সিদ্ধান্ত ল'লে। উল্লেখ্য যে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ প্ৰথম সাত স্থানত থকা পাঁচজন ব্যক্তিৰ বিবাহ বিচ্ছেদ সম্পন্ন হৈছে। ব্ৰীনৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ৮.২৩ লাখ কোটি টকা।

কাশ্মীৰত ২৪ ঘণ্টাত সাত সন্ত্ৰাসবাদী ধৰাশায়ী

নিউজ ব্যুৰ', শ্ৰীনগৰ, ২০ জুন ঃ জম্মু-কাশ্মীৰত আজি পুনৰ তিনিজন সন্ত্ৰাসবাদীক সেনা আৰু আৰক্ষীয়ে ধৰাশায়ী কৰিলে। কুপৱাড়াত দুজন আৰু পুলৱামাত এজন সন্ত্ৰাসবাদী নিৰাপত্তা বাহিনীৰ স'তে হোৱা সংঘৰ্ষত নিহত হয়। যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত সেনা আৰু সন্ত্ৰাসবাদীৰ মাজত তিনিটাকৈ সংঘৰ্ষৰ ঘটনা সংঘটিত হ'ল। এই সংঘৰ্ষ তিনিটাত সাতজন সন্ত্ৰাসবাদীৰ প্ৰাণহানি হ'ল। কালি কুপৱাড়া আৰু কুলগামত হোৱা দুটাকৈ সংঘৰ্ষত নিৰাপত্তা বাহিনীৰ গুলিত চাৰিজন সন্ত্ৰাসবাদী নিহত হৈছিল।

ৱাশ্বিংটনত সংগীত অনুষ্ঠানত বন্দুকধাৰীৰ আক্ৰমণত নিহত নাবালক

নিউজ ব্যুৰ', ৱাশ্বিংটন, ২০ জুন ঃ এইবাৰ আমেৰিকাৰ ৱাশ্বিংটন ডিচিত বন্দুকধাৰীয়ে চলোৱা আক্ৰমণত প্ৰাণ হেৰুৱালে এজন নাবালকে। উত্তৰ ৱাশ্বিংটনৰ ইউ ষ্ট্ৰীটত যোৱা নিশা এক সংগীত অনুষ্ঠানত বন্দুকধাৰীয়ে প্ৰৱেশ কৰি জধে-মধে গুলিবৰ্ষণ কৰিছিল। এই ঘটনাত এজন আৰক্ষী বিষয়াসহ কে'বাজনো লোক গুলিবিদ্ধ হৈছিল। পাছত চিকিৎসালয়ত আহত ১৫ বছৰীয়া কিশোৰৰ মৃত্যু হয়। আক্ৰমণকাৰীয়ে ঘটনা সংঘটিত কৰিয়ে ভিৰৰ সুযোগ লৈ পলায়ন কৰে।

বকোত নিশা বাংলাদেশৰ নাগৰিক

চাহ-ভাত খুৱাই ৰাইজে গতালে আৰক্ষীক

অগ্ৰদূত বাৰ্তা

বকো, ২০ জুন ঃ কামৰূপ জিলাৰ বকোত আজি নিশা এজন বাংলাদেশী নাগৰিকক আটক কৰে। বকোৰ শিচাপীঠ গাঁৱত নিশা বাংলাদেশৰ পৰা অহা বুলি লোকজনে নিজে স্বীকাৰ কৰে। মতিউৰ ৰহমান (৬৫) নামৰ লোকজনে তিনিদিনৰ পূৰ্বে বাংলাদেশৰ পৰা অসমত উপস্থিত হোৱাৰ কথা উল্লেখ কৰি গাঁওবাসীক অসমত থকা ভনীয়েকৰ ঘৰলৈ অহা বুলি অৱগত কৰে। খালী ভৰি, লুঙি চাৰ্ট পৰিহিত আৰু এখন উৰা কাপোৰ মেৰিয়াই হাতত লাঠি আৰু মলিয়ন বেগ লৈ ভোক-পিয়াহত আতুৰ হৈ থকা লোকজনে গাঁওখনত উপস্থিত হোৱাৰ পাছতে গাঁওবাসীয়ে ভাত-পানী খুৱাই আৰক্ষীক গতাই দিয়ে। পাছত আৰক্ষীয়ে লোকজনক স্বাস্থ্য পৰীক্ষা কৰাই বকোৰ 'আশাদীপ' নামৰ শিবিৰত ৰখাৰ ব্যৱস্থা কৰিছে। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, লোকজনে মানসিক ভাৰসাম্য হেৰুৱাইছে।

কলিয়াবৰত যুৱ-ছাত্ৰৰ ৰাভা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ২০ জুন ঃ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কলিয়াবৰ জিলা সমিতিৰ উদ্যোগত আৰু লাওঁগাঁৱৰ ৰাইজৰ সহযোত আজি দিনজোৰা কাৰ্যসূচীৰে লাওঁ গাঁৱৰ সমূহীয়া ভৱনত বিষ্ণু প্ৰসাদ ৰাভা দিৱসটি উদ্‌যাপন কৰা হয়। পুৱা পতাকা উত্তোলনৰ পাছতে বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে পৰিষদৰ কেন্দ্ৰীয় উপসভাপতি প্ৰদীপ লস্কৰে। বৃক্ষৰোপণ কাৰ্যসূচীৰ পাছতে চিত্ৰাংকণ আৰু ৰাভা সংগীত প্ৰতিযোগিতাখনি উদ্বোধন কৰে শিল্পী পেঞ্চনাৰ তৰুণ মহন্তই। বিয়লি অনুষ্ঠিত অভিনন্দন আৰু বঁটা বিতৰণী অনুষ্ঠানত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ২৯ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। জিলা সভাপতি দেৱদত্ত ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিশিষ্ট অতিথি হিচাপে ভাষণ দিয়ে ক্ৰমে কলিয়াবৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা লেখক সমালোচক ভূপেন শৰ্মা, অধ্যক্ষ নৱনীতা দলবৰুৱা, কেন্দ্ৰীয় সমিতিৰ উপসভাপতি প্ৰদীপ লস্কৰে। সম্পাদক দীপুমণি বৰাই আঁত ধৰা অনুষ্ঠানটোত প্ৰাক্তন শিক্ষক টংকেশ্বৰ বৰা, চন্দন শইকীয়া, কৃষ্ণ ৰাম বৰুৱা, তৰুণ বৰগোহাঞিৰ লগতে দুই শতাধিক লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ৰাভা দিৱস উপলক্ষে আয়োজিত বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক বঁটাসমূহ প্ৰদান কৰা হয়।

বাগ্‌সা জিলা সাহিত্য সভাৰ ৰাভা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

জালাহ, ২০ জুন ঃ বাগ্‌সা জিলা সাহিত্য সভাৰ উদ্যোগত আৰু অসম সাহিত্য সভাৰ নতুনকৈ স্বীকৃতিপ্ৰাপ্ত শাখা কাৰহানা শাখা সাহিত্য সভাৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে ৫৩ সংখ্যক বিষ্ণু প্ৰসাদ ৰাভা দিৱসৰ কাৰ্যসূচী ৰূপায়ণ হৈছে। কাৰ্যসুচী অনুসৰি পুৱা ন বজাত কাৰহানা শাখা সাহিত্য সভাৰ সভাপতি প্ৰাণেশ্বৰ মেধিয়ে বিষ্ণু ৰাভাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে। কাৰহানা শাখা সাহিত্য সভাৰ প্ৰকাশন সচিব ভবেন্দ্ৰ দাসে বৃক্ষৰোপণ কৰাৰ পাছত কাৰহানা শাখা সাহিত্য সভাৰ ধনভৰালী বিষ্ণু প্ৰসাদ শইকীয়াই বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা উদ্বোধন কৰিব। ইয়াৰ পাছত কাৰহানা শাখা সাহিত্য সভাৰ উপসভাপতি পলমা শৰণীয়াই চিত্ৰাংকণ প্ৰতিযোগিতা উদ্বোধন কৰে। আবেলি বাগ্‌সা জিলা সাহিত্য সভাৰ সভাপতি কামদেৱ দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য হেমন্ত দাসে উদ্বোধন কৰে। বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱন কীৰ্তিৰ বিষয়ে আলোকপাত কৰা সভাত অসম সাহিত্য সভাৰ জালাহ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদনা দামোদৰ তালুকদাৰে নিৰ্দিষ্ট বক্তা হিচাবে অংশগ্ৰহণ কৰি সাম্প্ৰতিক সময়ত বিষ্ণু প্ৰসাদ ৰাভা শীৰ্ষক দিশৰ ওপৰত বক্তব্য প্ৰদান কৰি কয়, 'বিষ্ণু প্ৰসাদ ৰাভাৰ ক্ষেত্ৰত ৰাইজেই ৰজা, ৰাইজেই তেওঁৰ সৰ্বোচ্চ। ৰাইজেই তেওঁৰ কলা-কৃষ্টিৰ উৎস, ৰাইজৰ শকতিতেই তেওঁ সদায় সুস্থ, বলীষ্ঠ, নিৰ্ভীক সৈনিক। সেয়ে বিষ্ণুপ্ৰসাদ ৰাভাই ৰাইজৰ কাম কৰিয়েই জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰিছিল। 'সভাত কাৰহানা শাখা সাহিত্য সভাৰ সভাপতি কামেশ্বৰ মেধী, ধনভৰালী বিষ্ণুপ্ৰসাদ শইকীয়া, প্ৰকাশ সচিব ভবেন্দ্ৰ দাস, বিশিষ্ট শিল্পী যোগেন দাস, জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক দেৱেন সিং ৰাজগড়, অসম সাহিত্য সভাৰ আজীৱন সদস্য হৰিহৰ ৰাজবংশীকে আদিকে কৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সন্ধিয়া কাৰহানা শাখা সাহিত্য সভাৰ সম্পাদক ৰঞ্জিত দাসে বন্তি প্ৰজ্বলন কৰে। আনহাতে, জালাহসঞ্জহ ব্যক্তিগত খণ্ডৰ বিদ্যালয় জাতীয় বিদ্যালয়, জালাহত দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীদ্বয় জিমি দাস আৰু পাৰ্থপ্ৰতীম মদাহীয়ে বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। তাৰ পাছত বি বি কিষাণ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক মনজিৎ কুমাৰ দাসে শিল্পীগৰাকীৰ জীৱনৰ ওপৰত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। তাৰ পাছত ছাত্ৰ-ছাত্ৰীৰ মাজত বিষ্ণু ৰাভাৰ কবিতা আৰু আকস্মিক বক্তৃতা অনুষ্ঠিত কৰে। শেষত ৰাভা সংগীতেৰে অনুষ্ঠান সামৰণি পৰে।

বিশ্বনাথত ৱাইন শ্বপৰ পৰা ডকাইতে নিলে বেগসহ লেপটপ

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ২০ জুন ঃ বিশ্বনাথ চাৰিআলি নগৰত সোমবাৰে সংঘটিত হ'ল এক দিন ডকাইতিৰ ঘটনা। নগৰখনৰ বিশ্বনাথঘাট পথৰ কেলিফৰ্ণিয়া ৱাইন শ্বপত সংঘটিত এই ঘটনা। ৱাইন শ্বপৰ কৰ্মচাৰী জয়ন্ত মেধিয়ে নিজ কাষতে বেগটো থৈ দোকানৰ তলা খুলি থকা সময়তে কৌশলৰে লৈ এজন যুৱকে বেগটোলৈ পলায়ন কৰে। বেগটোৰ ভিতৰত লেপটপ, ম'বাইল, ৱাইন শ্বপৰ বিভিন্ন নথিপত্ৰৰ লগতে নগদ এক মোটা অংকৰ ধন আছিল। এই ঘটনা পৰিকল্পিত আছিল বুলি তথ্য পোহৰলৈ আহিছে। কাৰণ প্ৰতিদিনে ১১ বজাত খোলা এই ৱাইন শ্বপখন লগাই ৰখা তলাত এই ঘটনা সংঘটিত কৰা লোকে পূৰ্বৰ পৰাই ফেভি কুইক আঁঠা লগাই থৈছিল। যাৰ বাবে ৱাইন শ্বপৰ কৰ্মচাৰীজনে নিজৰ পিছফালে উক্ত বেগ থৈ তলা খুলিবলৈ চেষ্টা কৰি থকা সময়তে দুষ্কৃতিকাৰীয়ে এই ঘটনা সংঘটিত কৰিবলৈ সক্ষম হৈছে। আনহাতে, উক্ত ৱাইন শ্বপৰ চি চি টিভি ফুটেজ আছে যদিও চোৰে ইমান কৌশলৰে এই ঘটনাক চূড়ান্ত ৰূপ দিলে যে ঘটনা সংঘটিত কৰা দুষ্কৃতিকাৰীৰ মুখমণ্ডল কেমেৰাই আবদ্ধ কৰিবলৈ সক্ষম নহল। আনহাতে, যোৱা নিশা বিশ্বনাথ নগৰৰ এখন ওৱাইন বাৰ আৰু এখন ইলেক্ট্ৰনিক দোকানতো চুৰি কাৰ্য সংঘটিত হয়। ইতিমধ্যে ভুক্তভোগীয়ে বিশ্বনাথ সদৰ আৰক্ষী থানাত এই সন্দৰ্ভত গোচৰ ৰুজু কৰিছে।

ধিঙত ৰাভা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

ধিং, ২০ জুন ঃ ৰাজ্যৰ আন আন ঠাইৰ লগতে আজি ধিঙতো ব্যাপক উলহ-মালহেৰে উদ্‌যাপন কৰা হয় ৰাভা দিৱস। অসমীয়া সাহিত্য সন্মিলনীৰ ধিং শাখাৰ উদ্যোগত আজি ধিংস্থিত 'এবাকাচ'ৰ কেন্দ্ৰত ৰাভা দিৱস উদ্‌যাপন কৰা হয়। সভাত সভাপতি উজ্বলতা বৰদলৈয়ে বন্তি প্ৰজ্বলন কৰাৰ লগতে সম্পাদিকা ইলোৰা কাকতি বৰাই উদ্দেশ্য ব্যাখ্যা কৰে। উপ-সভাপতি মিণ্টু কলিতাই বিষ্ণু ৰাভাৰ জীৱন আৰু আদৰ্শৰ ওপৰত চমু বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ধিং অঞ্চলৰ পাঁচগৰাকী প্ৰকৃত তথা আদৰ্শ কৃষক প্ৰফুল্ল নাথ, বলোভদ্ৰ বৰা, জ্যোতি প্ৰসাদ কলিতা, ৰঞ্জিত নাথ আৰু হেম কলিতাক একোখনকৈ ফুলাম গামোচা, প্ৰশস্তিপত্ৰ আৰু একোটাকৈ হালোৱা জাপিৰে সম্বৰ্ধনা জনোৱা হয়। সভাত ৰাভাৰ আদৰ্শ অনুসৰণ কৰি জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে এক সুস্থ সমমৰ্যাদাৰ সমাজ গঢ়াৰ পোষকতা কৰা হয়। অনুষ্ঠানত স্থানীয় শিল্পীৰ দ্বাৰা গীত-মাত পৰিৱেশন কৰাৰ লগতে কবিতা আবৃত্তি কৰা হয়।

হালাকুৰাত বিষ্ণু ৰাভাৰ আদৰ্শৰে ছাত্ৰ-ছাত্ৰীক আগবঢ়াৰ আহ্বান

অগ্ৰদূত বাৰ্তা

বক্সিৰহাট, ২০ জুন ঃ সমগ্ৰ ৰাজ্যৰ লগতে আজি ধুবুৰী জিলাৰ হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে বিষ্ণু ৰাভা দিৱস পালন কৰা হয়। পুৱা বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰে বিদ্যালয়ৰ অধ্যক্ষ দীনেশ চন্দ্ৰ ৰায়ে। বিষ্ণু ৰাভাৰ প্ৰতিমূৰ্তি মাল্যাৰ্পণ কৰে বিদ্যালয়ৰ উপাধ্যক্ষ ৰমেশ চন্দ্ৰ ৰায়ে। ইয়াৰ পাছত শিক্ষক পৰিতোষ চন্দ্ৰ ৰায়ৰ সঞ্চালনাত অনুষ্ঠিত সভাত বিদ্যালয়ৰ অধ্যক্ষ দীনেশ চন্দ্ৰ ৰায়, উপাধ্যক্ষ ৰমেশ চন্দ্ৰ ৰায়, বিষয় শিক্ষক ৰবিউল ইছলাম সেলিম, বিজ্ঞান শিক্ষক ৰবিউল আৱাল সৰকাৰ, উকিল চন্দ্ৰ ৰায়ে ৰাভাৰ সংগ্ৰামী জীৱনৰ ওপৰত আলোকপাত কৰে। অধ্যক্ষই ছাত্ৰ-ছাত্ৰীক বিষ্ণু ৰাভাৰ আদৰ্শৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়. ৰাভা দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীয়ে ৰাভা সংগীত, নৃত্য, কবিতা আবৃত্তিৰে পৰিৱেশ জীপাল কৰি তোলে।

ব্ৰাউন চুগাৰসহ দুই ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ২০ জুন ঃ গোৱালপাৰা চহৰৰ দূৰ্গা মন্দিৰৰ পৰা আৰক্ষীয়ে আজি ব্ৰাউন চুগাৰসহ দুই ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। গোৱালপাৰা চহৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নিপুমনি চৌধুৰীয়ে জনোৱা মতে এক গোপন সূত্ৰৰ পম খেদি আজি গোৱালপাৰা চহৰৰ দুৰ্গা মন্দিৰত অস্থায়ী তালাচী চকী বহুৱাই দিয়ে। সেইমতে আবেলি প্ৰায় দুই বজাত আগিয়াৰ পৰা আহি থকা এ এচ-০১-ই টি-৯৪৩৪ নম্বৰৰ টাটা পিয়াগো সন্দেহযুক্ত গাড়ীখন প্ৰত্যক্ষ কৰি ৰখাই দিয়ে। গাড়ীখনত তালাচী চলাই ১৩ টা ব্ৰাউন চুগাৰ কণ্টেনাৰসহ আগিয়াৰ উলুপাৰাৰ সৌন্দয্য দাস (২৬) আৰু গোৱালপাৰা চহৰৰ বিহু ফিল্ডৰ অভিসেষ দাস (২৫)ক গ্ৰেপ্তাৰ কৰে। ইপিনে, জব্দকৃত ব্ৰাউন চুগাৰখিনিৰ বজাৰ মূল্য প্ৰায় ২৫ হেজাৰ টকা হ'ব বুলি ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

বন-পৰিবহণ বিভাগক কেৰেপ নকৰে শিল-বালিৰ ছিণ্ডিকেট চক্ৰই

শ্ৰীৰামপুৰত হ্ৰাস পোৱা নাই শিল-বালিভৰ্তি ডাম্পাৰৰ দৌৰাত্ম্য

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ২০ জুন ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ বিভিন্ন অঞ্চলৰ পৰা ধুবুৰী আৰু বাংলাদেশ সীমান্তলৈ শিল-বালিৰ সৰবৰাহক কেন্দ্ৰ কৰি গঢ়ি উঠা ছিণ্ডিকেট চক্ৰই বন আৰু বন পৰিবহণ বিভাগক মেনেজ কৰি বিভাগদ্বয়ৰ নিয়ম-নীতিক ভৰিৰে মোহাৰি প্ৰতিদিনে-নিশাই শিল-বালি-ভৰ্তি ডাম্পাৰৰ দৌৰাত্ম্য সন্দৰ্ভত ধাৰাবাহিকভাৱে বাতৰি প্ৰকাশ পোৱা সত্ত্বেও পৰিবহণ আৰু বন বিভাগে ছিণ্ডিকেট চক্ৰটোক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হোৱা নাই। অতিৰিক্ত ওজনৰ শিলভৰ্তি ডাম্পাৰৰ পৰা ছিণ্ডিকেট চক্ৰই পৰিবহণ বিভাগৰ নাম লৈ অবৈধ ধন সংগ্ৰহৰ বাতৰি সবিস্তাৰে প্ৰকাশ পোৱাৰ পাছতে কোকৰাঝাৰ জিলা পৰিবহণ বিষয়াই ছিণ্ডিকেট চক্ৰৰ বিষয়ে জ্ঞাত নহয় বুলি কয় আৰু অতিৰিক্ত বোজাইবাহী ডাম্পাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জনাইছিল। কিন্তু বাস্তৱত অৱস্থাৰ কোনো পৰিৱৰ্তন হোৱা নাই। গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰে প্ৰবাহিত সোণকোষ নদী তথা একাধিক উপনৈ আৰু কুঁৱেৰীৰ পৰা উত্তোলন কৰি শিল-বালিৰ ছিণ্ডিকেট চক্ৰই বন বিভাগৰ নিয়ম-নীতিক উলংঘা কৰাৰ লগত পৰিবহণ বিভাগৰ নিৰ্দেশক আওকাণ কৰি অতিৰিক্ত ওজনৰ শিল-বালি কঢ়িয়াই পৰিবহণ বিভাগৰো নিয়ম-নীতি উলংঘা কৰি আছে। পৰিবহণ বিভাগে সকলো জানিও অতিৰিক্ত ওজন পৰিবাহী বাহনৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰহস্য ঘনীভূত হৈছে। শ্ৰীৰামপুৰ হৈ ধুবুৰীলৈ চলাচল কৰা শিল-বালি ভৰ্তি বাহনসমূহৰ পৰা পৰিবহণ বিভাগৰ নামত লৈ ধন সংগ্ৰহ কৰাৰ বাতৰি প্ৰকাশ হোৱাৰ পাছতো বিষয়টোৰ প্ৰতি কোনো গুৰুত্ব আৰোপ নকৰাত পৰিবহণ বিভাগৰ প্ৰতিও ৰাইজৰ সন্দেহ উপজিছে। পৰিবহণ বিভাগৰ নিয়ম-নীতিক উলংঘন কৰা বাহনসমূহৰ বিৰুদ্ধে জিলা পৰিবহণ বিষয়াই কি পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

মূৰে কপালে হাত দিলে হৃষিকেশ তালুকদাৰে

বানত ডুবি নষ্ট হ'ল ৪৫ বিঘা মৰাপাট খেতি

আলোপতি, ২০ জুন ঃ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে কামৰূপ জিলাৰ বকোৰ বিভিন্ন অঞ্চলত অধিক জটিল হৈ পৰিছে বান পৰিস্থিতি। জলজলী নদীৰ জলস্তৰ ব্যাপকভাৱে বৃদ্ধি পোৱাত বকো সমষ্টিৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈছে। বকোৰ বিভিন্ন অঞ্চলত শ শ লোক আক্ৰান্ত হৈছে ভয়াৱহ বানত। বানত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে বকো সমষ্টিৰ বিভিন্ন অঞ্চলৰ কৃষকসকল। বকোৰ বিস্তীৰ্ণ কৃষিভূমি বানত ডুবি নষ্ট হোৱা পৰিলক্ষিত হৈছে। সমষ্টিৰ অন্যান্য প্ৰান্তৰ লগতে নগৰবেৰাৰ পিজুপাৰা গাঁৱৰ হৃষিকেশ তালুকদাৰে কৰা প্ৰায় ৪৫ বিঘা মৰাপাট আৰু ধৈনচা খেতি সম্পূৰ্ণৰূপে বানত ডুব যোৱাত মূৰে কপালে হাত দিছে উচ্চ শিক্ষিত নিবনুৱা যুৱকজনে। ইতিমধ্যে যুৱকজনৰ নষ্ট হোৱা কৃষি ভূমিত কৃষি বিভাগৰ গ্ৰাম সেৱকৰ লগতে স্থানীয় গাঁওবুঢ়া উপস্থিত হৈ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে ক্ষতিপূৰণ প্ৰদানৰ আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে শিক্ষিত যুৱকজনে প্ৰায় ৫০ বিঘা মাটি লিজত লৈ ইয়াৰে ৩৫ বিঘা মাটিত মৰাপাট আৰু ১০ বিঘা মাটিত ধৈনচা খেতি কৰিছিল যদিও বৃহৎ ভূমিত কৰা মৰাপাট আৰু ধৈনচা খেতি নষ্ট হোৱা পৰিলক্ষিত হৈছে। যুৱকজনে জনোৱা মতে, প্ৰায় ডেৰ লক্ষাধিক টকাৰ লোকচানৰ সন্মুখীন হৈছে। যি সময়ত চাকৰি বিচাৰি দৌৰি ফুৰা ৰাজ্যৰ লক্ষাধিক যুৱক-যুৱতীয়ে ধন আৰু সময়ৰ অপচয় কৰিছে সেই সময়তে কৃষি কৰ্মৰে আত্মনিৰ্ভৰশীল হ'ব বিচৰা যুৱকজনৰ সপোন চুৰমাৰ কৰিলে বলিয়া বানে। অঞ্চলটোৰ কৃষকসকলক উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰিবলৈ দাবী জনাইছে ভুক্তভোগী কৃষকে।

বকোৰ মাকেলীত নৈত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

বকো, ২০ জুন ঃ ৰাজ্যখনৰ উজনি-নামনিত বলিয়া বানৰ তাণ্ডৱ। ওফন্দি উঠিছে নৈৰ বুকু। ঘৰ-বাৰী এৰি বন্যাৰ্তই আশ্ৰয় লৈছে নিৰাপদ স্থানত। বানৰ পানীত বহুদিনৰ পৰিল সমাধি ঘটিছে। আজি বকোৰ দুই নম্বৰ মাকেলীত এটা মৃতদেহ উদ্ধাৰ কৰিছে আৰক্ষীয়ে। জানিব পৰা মতে, মিঠাই খোৱা নৈত ওপঙি থকা অৱস্থাত মৃতদেহটো প্ৰত্যক্ষ কৰে একাংশ লোকে। মৃতদেহটো ক'লা পেণ্ট আৰু টি-চাৰ্ট পৰিহিত। ঘটনা সন্দৰ্ভত অৱগত হৈ বকো আৰক্ষীয়ে নৈখনৰ বুকুৰ পৰা মৃতদেহটো উদ্ধাৰ কৰে। নিহত লোকজন জয়ন্ত বড়ো (৪৫) বুলি জানিব পৰা গৈছে। ঘৰ বকোৰ বৰবৰীত। নৈৰ পৰা এখন চাইকেলো উদ্ধাৰ কৰিছে আৰক্ষীয়ে। মৃত্যুৰ কাৰণ সম্পৰ্কত হীনমুন্যতাত ভুগি লোকজন পানীত জঁপিয়াই আত্মহত্যা কৰা বুলি আৰক্ষী সূত্ৰে প্ৰকাশ। মৃত লোকজন হত্যাকাণ্ডৰ স'তে জড়িত আছিল বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

ভেৰগাঁৱত বিষ্ণু ৰাভা দিৱস পালন

অগ্ৰদূত বাৰ্তা

টংলা, ২০ জুন ঃ তক্ষশীলা নাটক, নৃত্য আৰু সংগীত মহাবিদ্যালয়, অসমৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে ভেৰগাঁৱৰ চেউনী কাকাৰামাৰী তক্ষশীলা সংগীত মহাবিদ্যালয়ৰ প্ৰাংগণত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন কৰা হয়। পুৱা মহাবিদ্যালয়ৰ চৌহদ নিকাকৰণ কাৰ্যসূচীৰে ৰাভা দিৱসৰ কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। ইয়াৰ পাছত পতাকা উত্তোলন কৰে তক্ষশীলা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি কলাগৌৰৱ নাৰায়ণ ৰাভাই আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে বিজেপিৰ ওদালগুৰি জিলাৰ সম্পাদক বিষ্ণুজ্যোতি ৰাভাই। গছপুলি ৰোপণ কৰে ৰাজিক বঁটা প্ৰাপক বিশিষ্ট মীন পালক ধৰ্মেশ্বৰ ৰাভাই। ইয়াৰ পাছত কবিতা আবৃত্তি প্ৰতিযোগিতা আৰু বিষ্ণু সংগীত, নৃত্য প্ৰদৰ্শন অনুষ্ঠিত হয়। অনুষ্ঠান উদ্বোধন কৰে নৰমল্লিকা সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ মনোৰমা বড়াই। আবেলি নাট্যাচাৰ্য পখিলা কলিতাৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভা আৰু সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে প্ৰবীণ নাট্যশিল্পী মাধৱ ৰাভাই। বিষ্ণুপ্ৰসাদ ৰাভা ৰচিত এটি গীতৰ আধাৰত পৰিবেশিত সমবেত সংগীতৰে আৰম্ভ কৰা সভাখনত অতিথিৰূপে ভাষণ প্ৰদান কৰি পানেৰীৰ প্ৰাক্তন বিধায়িকা কমলী বসুমতাৰীয়ে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ নৱ প্ৰজন্মক সমাজ গঢ়াৰ কামত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। আনহাতে, সভাৰ সঞ্চালক নাট্যকাৰ, লেখক, সাহিত্যিক পখিলা কলিতাই খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতিৰে অসমখন চহকী বুলি উল্লেখ কৰি সাংস্কৃতিক সমন্বয়ৰে জাতিটোক আগবঢ়াই নিবলৈ সকলোকে আহ্বান জনায়। তেওঁ ভাষণত সমাজৰ একাংশ লোকে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ভূপেন হাজৰিকাৰ দৰে বৰেণ্য ব্যক্তিসকলৰ আদৰ্শৰাজিক অৱহেলা কৰা বুলি আক্ষেপ প্ৰকাশ কৰে।

মঙলদৈৰ কৃতী শিক্ষক কমলা কাকতিৰ মৃত্যু

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

মঙলদৈ, ২০ জুন ঃ মঙলদৈ ৰাজঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা জলজলী নিবাসী কমলা কাকতি (৮০)ৰ যোৱা নিশা চেন্নাইত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। কৃতী শিক্ষক তথা বিশিষ্ট সমাজসেৱক কাকতিৰ মৃত্যুৰ বাতৰি বিয়পি পৰা লগে লগে জলজলী তথা সমগ্ৰ ডাঁহী অঞ্চলত শোকৰ ছাঁ পৰে। বাৰ্ধক্যজনিত কাৰণত ইহলীলা সম্বৰণ কৰা কাকতিয়ে মৃত্যুৰ সময়ত পত্নী শাৰদী বৰদলৈৰ লগতে দুই পুত্ৰ ৰাজু কাকতি, কুল কাকতি আৰু কন্যা মিতালী কাকতিক ইহসংসাৰত এৰি যায়। ইয়াৰ সমগ্ৰ ডাঁহী অঞ্চলৰ এগৰাকী সমাজ হিতৈষী ব্যক্তি তথা ডাঁহী মহাবিদ্যালয়ৰ হিতৈষী, অৱসৰপ্ৰাপ্ত শিক্ষক কমলা কাকতিৰ আকস্মিক বিয়োগত গভীৰ শোকৰ ছাঁ পৰিছে। কিছুদিন পূৰ্বে কাকতি পৰিবাৰৰ স'তে চেন্নাইস্থিত সৰু পুত্ৰ কুলদীপ কাকতিৰ তালৈ আঁঠুৰ অস্ত্ৰোপ্ৰচাৰৰ বাবে গৈছিল। ইতিমধ্যে আঁঠুৰ অস্ত্ৰোপ্ৰচাৰ সফলতাৰে সম্পন্ন হৈছিল যদিও কিছুদিন আগেৰে তেওঁ বিছনাৰ পৰা পৰিছিল। লগে লগে চেন্নাইৰ হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ যোৱা নিশা শেষ নিঃশ্বাস ত্যাগ কৰে। ৰাজঘাট এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক কাকতি জলজলী হাইস্কুল, ডাঁহী মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যৰ উপৰি দৰং জিলা কলিতা সন্মিলনীৰ উপ-সভাপতি আছিল। দাঁতাৰূপে পৰিচিত কাকতিয়ে কলিতা সন্মিলনীৰ শতবাৰ্ষিকীৰ আলোচনীৰ বাবে ৫০ হেজাৰ টকা, ডাঁহী মহাবিদ্যালয়ৰ প্ৰথমটো ঘৰৰ সমূহ টিনপাত আদি দানস্বৰূপে আগবঢ়াইছিল। সফল পিতৃ গুৰু গহীন, সৰবৰহী লোকজনৰ বিয়োগত বিধায়ক বসন্ত দাস, ডাঁহী মহাবিদ্যালয়ৰ সভাপতি ড° শচীন চহৰীয়া, কৃতী শিক্ষক চন্দ্ৰ প্ৰসাদ শইকীয়া, ৰাজঘাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ লোহিত ডেকা আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।তেওঁৰ নশ্বৰ দেহ আজি সন্ধিয়া বিমানযোগে গুৱাহাটীলৈ আনি আৰু কাইলৈ নিজা গাঁও জলজলীত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হ'ব। কৃতী শিক্ষক কাকতিৰ মৃত্যুত দৰং জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকা, মঙলদৈ বণিক সভাৰ সভাপতি মুকুল চন্দ্ৰ ডেকা, মঙলদৈ উকীল সন্থাৰ সভাপতি হৰিৰাম চহৰীয়া, সাহিত্যিক চহিৰ ভূঞা, দৰং জিলা সাহিত্য সভা আদিয়ে গভীৰ শোক প্ৰকাশ কৰি শেষ সন্তপ্ত পৰিয়ালৰ্ব ক সমবেদনা জ্ঞাপন কৰে।

বাসুগাঁৱত নিৰ্মাণৰত অভাৰব্ৰীজ মহাৰাজা সুৰ্যনাৰায়ণ দেৱ নামেৰে নামাকৰণ কৰাৰ আহ্বান

অগ্ৰদূত বাৰ্তা

গৰুভাষা, ২০ জুন ঃ চিৰাং জিলাৰ সীমান্তৱৰ্তী বাসুগাঁও চহৰৰ ৰেলপথৰ ওপৰেৰে নিৰ্মাণৰত উৰণীয়া সেতুৰ নাম চিদলী ষ্টেটৰ মহাৰাজা সূৰ্য নাৰায়ণ দেৱ নামেৰে নামাকৰণ কৰাৰ আহ্বান জনাইছে। চিদলী ষ্টেট ঐতিহ্য সংৰক্ষণ সমিতিৰ সভাপতি প্ৰবীণ নাৰায়ণ দেৱে আৰু সাধাৰণ সম্পাদক হীৰকজ্যোতি প্ৰধানীয়ে মহাৰাজা সূৰ্য নাৰায়ণ দেৱে বাসুগাঁও চহৰ প্ৰতিষ্ঠা কৰাৰ লগতে চহৰখন উন্নতিকল্পে যথেষ্ট অৰিহণা থকা বুলি উল্লেখ কৰি তেওঁৰ নাম চিৰযুগমীয়া কৰি ৰখাৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা ল'ব লাগে বুলি কয়। কালি সন্ধিয়া চহৰখনৰ ৰাজা অজিত নাৰায়ণ দেৱ বালিকা মধ্য ইংৰাজী বিদ্যালয়ত এক সভা অনুষ্ঠিত হয়। অঞ্চলৰ বিশিষ্ট কৰ্মী পীযুষ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিভিন্ন আলোচনা-বিলোচনা মৰ্মে দাবী পূৰণ কৰাৰ অৰ্থে ভাৰতৰ প্ৰধানমন্ত্ৰী, অসমৰ মুখ্যমন্ত্ৰী, ৰেলৰে ঊৰ্দ্ধতম কৰ্তৃপক্ষ, স্থানীয় বিধায়ক, সাংসদ, বি টি আৰৰ মুখ্য কাৰ্যবাহী পাৰিষদৰ কে এ চিৰ মুখ্য কাৰ্যবাহী সদস্য, বিভিন্ন দল-সংগঠনক স্মাৰকপত্ৰ দিয়াৰ সিদ্ধান্ত লয়।

বিশ্বনাথৰ বিদ্যালয়ত অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ২০ জুন ঃ যোৱা ১৮ জুনত কুমলীয়া মধ্য ইংৰাজী বিদ্যালয়ত অবিভক্ত কুমলীয়া মণ্ডলৰ উদ্যোগত অৱসৰ গ্ৰহণ কৰা শিক্ষাগুৰু সকলৰ সম্বৰ্ধনা সভা আয়োজন কৰা হৈছে। সভাত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰৰ উপস্থিতিত ১৬ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুৰ ১৩ গৰাকীক সম্বৰ্ধনা জনোৱা হয়। বিধায়ক বৰঠাকুৰে শিক্ষাৰ ওপৰত বক্তব্য আগবঢ়াই অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুসকলক শুভেচ্ছা তথা কৃতজ্ঞতা জ্ঞাপন কৰি দীৰ্ঘায়ু কামনা কৰে। অনুষ্ঠানত বিশ্বনাথ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কৰুনা ভট্ট, বিহালী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱৰত্ন কাকতি, চিআৰচিচিসকল, অৱসৰ প্ৰাপ্ত শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

ক্ষেত্ৰীত ড্ৰাগছ বিৰোধী সজাগতা সভা

অগ্ৰদূত বাৰ্তা

সোণাপুৰ, ২০ জুন ঃ 'আমি সকলোৱে মানসিক স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিলে অন্যান্য মানসিক ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত ব্যৱস্থা ল'ব পৰা যাব। তাৰ লগতে সমাজত ঘটি থকা নিচাযুক্ত দ্ৰব্যৰ প্ৰাদুৰ্ভাৱ আৰু অপৰাধ প্ৰৱণতাও ৰোধ কৰিবলৈ সক্ষম হ'ম'- এই মন্তব্য বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ডাঃ জয়ন্ত দাসৰ। আজি ক্ষেত্ৰীত গুৱাহাটী আৰক্ষী আয়ুক্তৰ অধীনৰ পূব আৰক্ষী জিলাৰ উদ্যোগত ড্ৰাগছ বিৰোধী সজাগতা সভাত অংশগ্ৰহণ কৰি মনোৰোগ বিশেষজ্ঞজনে মানসিক স্বাস্থ্য সম্পৰ্কত এক তত্ত্বগধুৰ বক্তব্য প্ৰদান কৰে। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা সজাগতা সভাখনত পূব আৰক্ষী জিলাৰ ডিচিপি সুধাকৰ সিঙে অংশগ্ৰহণ কৰি ড্ৰাগছৰ ভয়াৱতাৰ সম্পৰ্কে উল্লেখ কৰি এখন ড্ৰাগছমুক্ত সমাজ গঢ়াৰ বাবে সকলোকে আহ্বান জনায়। অনুষ্ঠানত এডিচিপি (ক্ৰাইম) নোমল মাহাতো, নাৰ্কটিক কণ্ট্ৰ'ল ব্যুৰ'ৰ বিষয়া তুলিকা মৰাং, এছ চি ব'ৰ্ডৰ চেয়াৰমেন জয়ন্ত দাস, এপিডিজিএলৰ চেয়াৰমেন ড° দেৱজিত মহন্ত, ৰিক'ভাৰী ৰেলনেছ ছ'চাইটিৰ বিষয়া অনুপম ৰোহিত আৰু জিলা পৰিষদৰ সদস্য যদু বৰুৱাই অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। স্থানীয় বিদ্যালয়-মহাবিদ্যালয়ৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰী, এনচিচিৰ কেডেট আৰু স্থানীয় নাগৰিকে অংশগ্ৰহণ কৰা অনুষ্ঠানত সোণাপুৰ মহাবিদ্যালয়ৰ ছাত্ৰী মমী বৰদলৈয়ে ৰাভা সংগীত পৰিৱেশন কৰে ।

কোকৰাঝাৰত ১৪৪ ধাৰা ঘোষণা

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ২০ জুন ঃ শান্তি আৰু সম্প্ৰীতি বজাই ৰখাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আজি অতিৰিক্ত জিলা দণ্ডাধীশে সমগ্ৰ কোকৰাঝাৰ জিলাত ১৪৪ ধাৰা জাৰি কৰিছে। এই নিৰ্দেশনাত কোনো ৰাজহুৱা স্থানত পাঁচজন বা তাতকৈ অধিক লোকৰ সমাবেশ, সমদল উলিওৱা, শ্ল'গান দিয়া, সভা অনুষ্ঠিত কৰা, ৰেলী, ধৰ্ণা, বিক্ষোভ, ধৰ্মঘট, অনুমতি নোলোৱাকৈ মেলা আয়োজন কৰা, ভাড়া, পিলিয়ন ৰাইডিং, বাহনত টিণ্টেড গ্লাছ ব্যৱহাৰ কৰা আদি নিষিদ্ধ কৰা হৈছে। লগতে অনুমতি অবিহনে বাহিৰত ব্যৱহাৰৰ বাবে মাইক্ৰ'ফোন ব্যৱহাৰ কৰা, অস্ত্ৰ কঢ়িয়াই নিয়া আৰু নিৰ্মাণ কৰা, যিকোনো ধৰণৰ আগ্নেয়াস্ত্ৰ আৰু গোলা-বাৰুদ, বিস্ফোৰক পদাৰ্থ, দা, লাঠি, ধনু আৰু কাঁড়, যিকোনো বিপজ্জনক সঁজুলি ব্যৱহাৰ কৰা আৰু যিকোনো জোঁৰ সমদল উলিওৱা কাৰ্যকলাপ নিষিদ্ধ কৰা হৈছে। অৱশ্যে এই নিৰ্দেশত পিলিয়ন ৰাইডিং বা মটৰ চাইকেলত ১২ বছৰৰ তলৰ শিশু, মহিলা আৰু জ্যেষ্ঠ নাগৰিকে দুজন উঠাৰ লগতে কাৰ্যবাহী দণ্ডাধীশ, আৰক্ষী কৰ্মী, সেনা আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ লোকক এই নিষিদ্ধকৰণৰ পৰিসৰৰ পৰা ৰেহাই দিয়া হৈছে। জিলাখনত শান্তি আৰু সম্প্ৰতি বজাই ৰখাৰ তাৎক্ষণিকতাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশটো জাৰি কৰা হৈছে। কিয়নো অসামাজিক উপাদানৰ কাৰ্যকলাপ আৰু ৰাজনৈতিক দল, ছাত্ৰ সংগঠন আৰু অন্যান্য সংগঠনৰ আন্দোলনমূলক কাৰ্যসূচীৰ ফলত আইন-শৃংখলা পৰিস্থিতি জটিল হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰশাসনে জনাইছে। এই আদেশ আজিৰ পৰা কাৰ্যকৰী হৈছে আৰু পৰৱৰ্তী আদেশ নিদিয়ালৈকে কাৰ্যকৰী হৈ থাকিব বুলি নিৰ্দেশনাত জনাইছে।

আনন্দ বজাৰ ভকুৱামাৰীৰ পৰা মটৰ চাইকেল চুৰি

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২০ জুন ঃ আজি দিনৰ ভাগতে পুৱা প্ৰায় ১১ বজাত বাগ্‌সাৰ আনন্দ বজাৰ ভকুৱামাৰীৰ পৰা নতুনকৈ ক্ৰয় কৰা এখন মটৰ চাইকেল চুৰি হয়। চুৰি হোৱা বাহনখনৰ গৰাকী বৰপেটাৰ হাউলীৰ বৰবালা গাঁৱৰ ইছব আলী খানৰ পুত্ৰ ৰাকিবুল খান। গৰাকীয়ে জানিব দিয়া মতে, আজি পুৱাৰ ভাগত আনন্দ বজাৰ আৰক্ষী চকীৰ অন্তৰ্গত ভকুৱামাৰী চ'ক বজাৰৰ মছজিদৰ গেটৰ সন্মুখত ৰখাই থোৱা অৱস্থাৰ পৰা চুৰি হয় যোৱা ছয় জুনত বৰপেটাৰোডৰ বিশাল অট' এজেন্সীৰ পৰা ক্ৰয় কৰা মটৰ চাইকেলখন। ইতিমধ্যে গৰাকীয়ে স্থানীয় আনন্দ বজাৰ আৰক্ষী চকীত এই সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰিছে।

NOTIFICATION

In order to smooth conduct of Ambubachi 2022, the following instructions are notified in the interest of public.

1. Unauthorized distribution of foods stuff on the Main Road and any other venues shall be strictly prohibited. The organizations allowed by District Administration shall serve food at designated Camp as per guideline.
2. From the Foothills till Maa Kamakhya Temple only drinking water is to be distributed . The organizations allowed by District Administration shall serve drinking water only along the road from the Foothills till Maa Kamakhya Devalaya as per zones allotted to them. No dry foods /biscuits is to be allowed in this route.

Sd/-
Deputy Commissioner
Kamrup Metropolitan District
Guwahati

Janasanyog/D/6000/22

No. ATDC/2822/2017/[illegible]

FRESH PRESS NOTICE
(e-procurement notice)

Managing Director, Assam Tourism Development Corporation Ltd., Paltanbazar, Guwahati – 8 invite Bids for "Operation & Management Contract for running the following properties on contractual basis for 5 years" –

1) Wayside Amenity Centre at Gohpur
2) Wayside Amenity Centre at Gauripur
3) Wayside Amenity Centre at Dudhnai
4) Wayside Amenity Centre at Netai Dhubuni

Details of the Bid may be seen at e-procurement portal : www.assamtenders.gov.in, ATDC portal : www.assamtourismonline.com and also in the office of the undersigned during office hours from 2.00 PM of 29.06.2022 to 2.00 PM of 19.07.2022.

The bids are must be uploaded in www.assamtenders.gov.in.

Earlier Press Notice No. ATDC/2822/2017/10/1445 dtd. 20.09.2021 for Wayside Amenity Centre at Gohpur is treated as cancelled.

Earlier Press Notice No. ATDC/2822/2017/4426 dated 10.02.21 for Wayside Amenity Centre at Gauripur is treated as cancelled.

Earlier Press Notice No.ATDC/2822/2017/4325 dated 23.02.21 for Wayside Amenity Centre at Dudhnai is treated as cancelled.

Earlier Press Notice No.ATDC/2822/2017/4426 dated 10.02.2021, for Wayside Amenity Centre at Netai Dhubuni is treated as cancelled.

Managing Director,
Assam Tourism Dev. Corpn. Ltd.

Janasanyog/CF/1064/22

পাঠশালাত প্ৰশাসনিক পৰীক্ষাৰ বাবে ল’ব লগা প্ৰস্তুতিৰ চেমিনাৰ অনুষ্ঠিত

বিশেষ সংবাদদাতা

পাঠশালা, ২০ জুন ঃ যোৱা ১৭ জুনত পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ গাতে লাগি থকা পূৰ্বাঞ্চল আই এ এছ একাডেমীৰ অধীনত বজালী জিলাৰ বি ডি অ’ চন্দন বেজবৰুৱা আৰু বহু অভিজ্ঞ শিক্ষকৰ উপস্থিতিত প্ৰশাসনিক পৰীক্ষাৰ বাবে ল’ব লগা প্ৰয়োজনীয় প্ৰস্তুতিক বিষয় হিচাপে লৈ এক চেমিনাৰ অনুষ্ঠিত কৰা হয়। পূৰ্বাঞ্চল আই এ এছ একেডেমী নামৰ প্ৰশাসনিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ফালৰ পৰা এই অনুষ্ঠানটো অনুষ্ঠিত কৰা হয়। ইয়াত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত সকলো বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময়ো কৰা হয়। বহুদিনীয়া অভাৱ দূৰ কৰি পাঠশালাত নতুনকৈ স্থাপন হোৱা পূৰ্বাঞ্চল আই এ এছ একেডেমীৰ এনে পদক্ষেপে আগন্তুক দিনত প্ৰশাসনিক বিষয়া হ’বলৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰীক সঠিক পথ দেখুৱাবলৈ সক্ষম হ’ব বুলি আশা কৰিব পাৰি।

উল্লেখ্য যে যোৱা ১৭ এপ্ৰিলত পাঠশালাৰ বজাৰ কমিটীৰ সভাপতি গিৰীধৰ চৌধুৰী, অসম চৰকাৰৰ বন আৰু পৰিৱেশ বিভাগৰ ব্ৰেণ্ড এম্বেচেডৰ আনন্দ খাটনিয়াৰ, বজালীৰ চক্ৰ বিষয়া দিৱস বৰদলৈ, অধিবক্তা তিলক তালুকদাৰ আদিকে ধৰি বহু গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত প্ৰতিষ্ঠানটো উদ্বোধন কৰা হয়।

শ্ৰীৰামপুৰত কৃতিত্বৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ২০ জুন ঃ সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা শ্ৰীৰামপুৰৰ ১১ গৰাকী ছাত্ৰ-ছাত্ৰীক মাজনী ফাউণ্ডেছন (এনজিঅ’)ৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে যোৱা ১৯ জুনত বিয়লি এনজিঅ’ৰ কাৰ্যালয়ত মাজনী ফাউণ্ডেছনৰ সভানেত্ৰী অঞ্জলি ৰাণী পালৰ পৰিচালনাত অনুষ্ঠিত সম্বৰ্ধনা সভাত শ্ৰীৰামপুৰৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা আঠগৰাকী ছাত্ৰী আৰু তিনিজন ছাত্ৰক ফুলাম গামোচা, কলম দি সম্বৰ্ধনা জ্ঞাপন কৰে মাজনী ফাউণ্ডেছনৰ বিষয়ববীয়া তথা সদস্যসকলে। সভাত মুখ্য অতিথিৰূপে শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ সভাপতি স্বপন কুমাৰ এছ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ সপোন পূৰণ কৰিবলৈ আৰু অধিক অধ্যৱসায় কৰাৰ আহ্বান জনায়। কঠোৰ অনুশীলন আৰু অনুশাসনে সাফল্য আনিবই। এতিয়া ভৱিষ্যতে কি বিষয় লৈ পঢ়িব সেৱা সঠিকভাৱে নিৰূপণ কৰি উচ্চ শিক্ষাৰ বাবে প্ৰস্তুতি ল’বলৈ ছাত্ৰ-ছাত্ৰীক পৰামৰ্শ প্ৰদান কৰে স্বপন কুমাৰ এছে। উক্ত সভাত এনজিঅ’ৰ সম্পাদিকা ৰিমামনি শৰ্মাৰ লগতে সমূহ কৰ্মকৰ্তা আৰু কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকল উপস্থিত থাকে।

শিশুসকলৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে জন্ম হোৱা ‘শিল্পালয়’ৰ উদ্বোধন

■ সংগীত, নৃত্য-চিত্ৰকলাৰ দিয়া হ’ব পাঠদান

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ২০ জুন ঃ জামুগুৰিহাটৰ মুঢ়াদ’ল গাঁৱস্থিত নদুৱাৰ সমন্বয় জাতীয় বিদ্যালয়ৰ প্ৰাংগণত ‘শিল্পালয়’ নামেৰে সংগীত, নৃত্য আৰু চিত্ৰকলাৰ এটি কেন্দ্ৰ উদ্বোধন কৰা হয়। যোৱা ১৯ জুনত বন্তি প্ৰজ্বলনেৰে শিল্প সংস্কৃতিৰ কেন্দ্ৰটো উদ্বোধন কৰে বিশিষ্ট সংগীত শিল্পী বিশ্বজিত আলেয়ে। অনুষ্ঠান আৰম্ভ কৰা হয় এটি সমজুৱা ঘোষাৰে। ঘোষাটিৰ আঁত ধৰে শংকৰী সংস্কৃতিৰ সাধক গোপাল কৃষ্ণ বৰাই। বিশিষ্ট সমাজকৰ্মী, কবি চাহজাহান আহমেদৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত বিশিষ্ট গায়ক বোধন নাথ, শেৱালি কলিতা দেৱী আৰু বৈশালী দেৱীৰ গীতে সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানটোৰ আঁত ধৰে গুৱাহাটী চিনে মিউজিচিয়ান এছ’চিয়েছনৰ স্বীকৃতি প্ৰাপ্ত সংগীত শিল্পী বিজয় হাজৰিকাই। জানিব পৰা মতে, শিল্পালয়ত সদ্যহতে বৰগীত, মাটি আখৰা, শংকৰী নৃত্য, ভাৰত নাট্যম, আধুনিক নৃত্য, শাস্ত্ৰীয় সংগীত, তবলা, গীটাৰ, কিব’ৰ্ড, ড্ৰামৰ লগতে চিত্ৰকলাৰ পাঠ্যক্ৰম আগবঢ়োৱা হ’ব। ইয়াৰ উপৰি শিল্পালয়ত অসমৰ থলুৱা গীত-মাতসমূহ সঠিক ৰূপত সংৰক্ষণৰ উদ্দেশ্যে সময়ে সময়ে কৰ্মশালাৰ আয়োজন কৰা হ’ব। সভাত ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আব্দুল মতিনক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

লাহৰীঘাট, ২০ জুন ঃ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আব্দুল মতিনক সম্বৰ্ধনা জনায় শিক্ষক আৰু ছাত্ৰ সমাজৰ লগতে অঞ্চলটোৰ ৰাইজে। মৰিগাঁও জিলাৰ ঔগুৰিপাম জনজাতি মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আব্দুল মতিনে অৱসৰ গ্ৰহণ কৰাৰ পাছত যোৱা ১৮ জুনত সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰি সম্বৰ্ধনা জনায় শিক্ষকজনক।

উল্লেখ্য যে অতি পিছপৰা, দূৰ্গম আৰু ভিতৰুৱা অঞ্চলৰ মাজত অঞ্চলটোৰ সচেতন ৰাইজৰ প্ৰচেষ্টাত ১৯৮৬ত জৰিবৰ গাঁৱত ঔগুৰিপাম জনজাতি মাধ্যমিক বিদ্যালয় নামেৰে স্থাপিত হৈছিল বিদ্যালয়খন। বিদ্যালয়খনত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে ন ফেব্ৰুৱাৰীৰ ১৯৮৬ত যোগদান কৰি ৩১ মাৰ্চ ২০২২ত অৱসৰ গ্ৰহণ কৰে প্ৰধান শিক্ষক আব্দুল মতিনে। স্থাপিত সময়ত বিদ্যালয়খন চৰকাৰীকৰণ হোৱা নাছিল। যি সময়ত কোনো ধৰণৰ যাতায়াত ব্যৱস্থা সুচল নাছিল, বছৰটোত ছটা মাহে নৌকা, বাহৰ সাঁকো, কল গছৰ ভূৰৰে, বোকা-পানীৰে শিক্ষকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক এটকা দৰমহা নোপোৱাকৈ পাঠদান দিবলৈ বিদ্যালয়লৈ আহিবলগীয়া হৈছিল। এই অশেষ কষ্টৰ মাজেদি শিক্ষাৰ পোহৰ বিলাবলৈ আহিছিল। এই কথা নুই কৰিব নোৱাৰি। প্ৰধান শিক্ষকজনক সুদৰ মৈৰাবাৰী অঞ্চলৰ পৰা প্ৰায় ২৫ কিলোমিটাৰ চাইকেল চলাই বিদ্যালয়লৈ আহি অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক পাঠদান দিছিল। ভিতৰুৱা আৰু বানপিড়ীত অঞ্চলটোৰ বিদ্যালয়খনলৈ যাতায়াত ব্যৱস্থা সুচল নথকাত কেতিয়াবা চাইকেল থৈ এত, দুই কিলোমিটাৰ বোকা, পানীৰে খোজ কাঢ়ি আহি ছাত্ৰ-ছাত্ৰীক পাঠদান দিছিল। অশেষ কষ্টৰে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক পাঠদান দিবলৈ অহা প্ৰধান শিক্ষকগৰাকী ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পাছত শিক্ষক সমাজ, ছাত্ৰ সমাজ আৰু অঞ্চলটোৰ ৰাইজে সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গৰাকীক সম্বৰ্ধনা জনায়। বহু কষ্ট কৰি বিদ্যালয়খন গঢ়ি তোলা বিদ্যালয়খনৰ পৰা প্ৰতিটো বছৰেই হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছে ছাত্ৰ-ছাত্ৰীসকল। আৰু বৰ্তমানো ছাত্ৰ-ছাত্ৰীসকলে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হোৱা পৰিলক্ষিত হৈছে। এইখন বিদ্যালয়ৰ পঢ়ি যোৱা বহু ছাত্ৰ-ছাত্ৰী চিকিৎসক, অভিযন্তা, প্ৰৱক্তা, শিক্ষক আৰু সমাজৰ এজন সু-নাগৰিক হোৱা দেখিবলৈ পোৱা হৈছে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকজনক সহকাৰী শিক্ষক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী আৰু অঞ্চলটোৰ ৰাইজে সম্বৰ্ধনা জনায় আবেগিক হৈ পৰে।

ধাইগাঁও গাঁও পঞ্চায়তত পি এম এ ৱাইৰ গৃহৰ নামত হিতাধিকাৰীৰ পৰা ধন সংগ্ৰহ

■ দুই অভিযুক্ত দালালৰ বিৰুদ্ধে থানাত এজাহাৰ কৃষ্ণাই খণ্ড উন্নয়ন বিষয়াৰ

অগ্ৰদূত বাৰ্তা

কৃষ্ণাই, ২০ জুন ঃ গোৱালপাৰা জিলাৰ কৃষ্ণাই অঞ্চলত প্ৰধানমন্ত্ৰী আৱাস যোজনা চমুকৈ পি এম এ ওৱাই আঁচনিৰ গৃহ আৱণ্টনৰ নামত গোপন ধনৰ লেনদেন চলি থকা বুলি উত্থাপিত এক অভিযোগে বিশেষ চৰ্চা লাভ কৰিছে। প্ৰাপ্ত অভিযোগ অনুসৰি, জিলাখনৰ কৃষ্ণাই উন্নয়ন খণ্ডৰ অধীনস্থ ধাইগাওঁ গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ নামত দুজনমান দালালে পিএমএওৱাই আঁচনিৰ গৃহ লাভ কৰা হিতাধিকাৰীৰ পৰা ধন সংগ্ৰহ কৰিছে। ইতিমধ্যে এই প্ৰসংগত সংবাদ মাধ্যমত বাতৰি পৰ্যন্ত পৰিবেশিত হৈছে। ইয়াৰ পাছতে সমগ্ৰ কৃষ্ণাই অঞ্চলতে সৰৰ চৰ্চা লাভ কৰে বিষয়টোৱে। যাৰ পৰিপ্ৰেক্ষিতত বিষয়টোত গুৰুত্ব আৰোপ কৰিবলৈ তৎপৰ হৈ পৰে কৃষ্ণাই উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া বকুল ৰাণী মহন্তই খণ্ড উন্নয়ন বিষয়া গৰাকীয়ে ইতিমধ্যে ঘটনাৰাজি সন্দৰ্ভত এক সংবাদ মেলৰ আয়োজন কৰি সমগ্ৰ বিষয়টো সংবাদ মাধ্যমক অৱগত কৰে। সংবাদ মেলত বিষয়াগৰাকীয়ে ধাইগাঁও গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ নামত একাংশ দালালে হিতাধিকাৰীৰ পৰা ধন সংগ্ৰহ কৰা বিষয়টোৰ সত্যতা স্বীকাৰ কৰি লগতে কয় যে এই সন্দৰ্ভত তেওঁ নিজে ১৭ জুনৰ পৰা তদন্ত আৰম্ভ কৰিছে । এই তদন্ত কালত ৰাইজে নাম সদৰী কৰা দুজন অভিযুক্ত দালালৰ বিৰুদ্ধে ইতিমধ্যে কৃষ্ণাই আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰা বুলিও বিষয়াগৰাকীয়ে সংবাদ মেলত সদৰী কৰে। তেওঁ কয়, ‘ঘটনাটোত অভিযোগ প্ৰতি-অভিযোগ যিয়ে চলি নাথাকক প্ৰকৃত দোষীক কোনোমতে ৰেহাই দিয়া নহ’ব। একেখন সংবাদ মেলতে খণ্ড উন্নয়ন বিষয়াগৰাকীয়ে কৃষ্ণাই উন্নয়ন খণ্ড কাৰ্যালয়ত দালালৰাজ চলি থকা বুলি সততে উত্থাপিত অভিযোগ খণ্ডন কৰি তেওৰ কাৰ্যালয়ত দালালৰ কোনো অস্তিত্ব নাই বুলি দৃঢ়তাৰে মন্তব্য কৰে। স্বচ্ছতাৰে ৰাইজক সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত তেওঁ দৃঢ় প্ৰতিজ্ঞ বুলি সংবাদ মেলত খণ্ড উন্নয়ন বিষয়া বকুল ৰাণী মহন্তই সদৰী কৰে ।

ছয়গাঁৱত ৰাভা দিৱস উদ্‌যাপন, সোমবাৰে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সভা

অগ্ৰদূত বাৰ্তা

লাহদৈগড়, ২০ জুন ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ নামঘৰত অহা ২৫ জুনত দিনৰ এক বজাত এখন সভা আয়োজন কৰা হৈছে। উক্ত সভাত শিশু, আই-মাতৃ কল্যাণ সমিতি, সেৱা বাহিনী, সাহিত্য, সংস্কৃতি, প্ৰচাৰ শাখাৰ লগতে আঞ্চলিক শাখাৰ সভাপতি, সম্পাদকসকলক উপস্থিত থাকিবৰ বাবে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ ভাৰপ্ৰাপ্ত সম্পাদক দ্বীজেন শইকীয়াই আহ্বান জনাইছে।

হোজাই সাহিত্য সভাত বিষ্ণু ৰাভা দিৱস পালন

অগ্ৰদূত বাৰ্তা

হোজাই, ২০ জুন ঃ সাম্প্ৰতিক বান পৰিস্থিতিৰ বাবে আজি হোজাই শাখা সাহিত্য সভাত অনুষ্টুপীয়াকৈ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ স্মৃতি দিৱস পালন কৰা হয় । শাখাটোৰ সাহিত্যৰথী বেজবৰুৱা ভৱনৰ চৌহদত পুৱা ৮-৪৫ মিনিটত পতাকা উত্তোলন কৰা হয় । পতাকা উত্তোলন কৰে শাখাৰ সভাপতি দয়াল ক্ৰ’য়ে । ইয়াৰ পাছত স্মৃতি তৰ্পণ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানৰ পাতনি মেলে শাখাৰ উপ-সভাপতি কল্যাণ কুমাৰ ৰায় চৌধুৰীয়ে ।

বালিপৰাত বান-ৰঙাপৰাত বিভিন্ন ঠাইত বিদ্যুৎ সেৱা ব্যাহত

বিশেষ সংবাদদাতা

ৰঙাপৰা, ২০ জুন ঃ ৰঙাপৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত বালিপৰা অঞ্চলৰ জৰাসৰ নৈয়ে বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰি তুলিছে। যোৱা ১৬ জুনৰ পুৱাৰে পৰা অসম শক্তি বিতৰণ কোম্পানী লিমিটেড বালিপৰা বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়টো নৈখনৰ বাঢ়নী পানীৰ তলত বুৰ গৈ আছে। এই সন্দৰ্ভত ৰঙাপৰা বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়ৰ কিশোৰ কাঞ্চন নাথে এই প্ৰতিবেদকক জানিবলৈ দিয়ে যে বালিপৰা বিদ্যুৎ উপ-সংমণ্ডলে ৰঙাপৰা উপ-সংমণ্ডলক ৩৩ কেভি ভল্টৰ উচ্চ ক্ষমতা সম্পন্ন বিদ্যুৎ যোগান ধৰি আহিছে। কিন্তু সম্প্ৰতি জৰাসৰ নৈৰ বাঢ়নী পানীয়ে বালিপৰা বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়টো বুৰাই পেলোৱাৰ পৰিপ্ৰেক্ষিতত বিদ্যুৎ যোগান সেৱা বন্ধ কৰি ৰাখিবলৈ বাধ্য হৈছে। তাৰ মাজতে যাতে ৰঙাপৰা চহৰ অঞ্চলত ৰাইজ যাতে বিদ্যুৎ সেৱাৰ পৰা বঞ্চিত নহয় তাৰ বাবে বৰজুলি উপ-কেন্দ্ৰৰ পৰা অস্থায়ীভাৱে বিদ্যুৎ যোগান ধৰি থকা হৈছে। ৰঙাপৰা থানা অঞ্চলত বিষ্ণুপুৰ অঞ্চলৰ গ্ৰাহক ৰাইজক মিছমাৰী উপ-কেন্দ্ৰৰ পৰা অস্থায়ীভাৱে বিদ্যুৎ যোগান ধৰি থকা হৈছে। কিন্তু ৰঙাপৰা ৰেলৱে কল’নী, কছাৰী গাঁও, নাহৰণী আদি চাহ বাগিচাসমূহত বিদ্যুৎ সেৱা ব্যাহত হৈ থাকিব বুলি তেওঁ সদৰী কৰে। ইপিনে, ৰঙাপৰাত নেৰেনেপৰা বৰষুণৰ ফলত ৰাইজৰ জনজীৱন স্তব্ধ কৰি তুলিছে।

ডিগবৈত জিলা ভিত্তিক কাৰ্যালয় প্ৰযুক্তিবিদ্যা-লাইব্ৰেৰী ডিজিটেলকৰণ কৰ্মশালা

ডিগবৈ, ২০ জুন ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণ নিৰূপক কোষ আৰু কাজিৰঙা বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত মহাবিদ্যালয়ৰ অনাশিক্ষক আৰু লাইব্ৰেৰী কৰ্মচাৰীৰ বাবে তিনিচুকীয়া জিলা ভিত্তিক ‘কাৰ্যালয় প্ৰযুক্তিবিদ্যা আৰু লাইব্ৰেৰী ডিজিটেলকৰণ’ শীৰ্ষক এখনি কৰ্মশালা অনুষ্ঠিত কৰা হয়। কৰ্মশালাত মহাবিদ্যালয়ৰ অধ্যক্ষা ড° সঞ্জিতা চেতিয়াই আদৰণী ভাষণ আগবঢ়ায়। কৰ্মশালাত মুখ্য বক্তা হিচাপে উপস্থিত থাকে কাজিৰঙা বিশ্ববিদ্যালয়ৰ চাহবাজ খান আৰু দেৱদ্বীপ খাউণ্ড। চাহবাজ খানে বিভিন্ন কাৰ্যালয় প্ৰযুক্তি বিদ্যাৰ বিষয়ে উল্লেখ কৰি ডিজিটেল লাইব্ৰেৰীৰ সম্পৰ্কত বক্তব্য আগবঢ়ায়। দেৱদ্বীপ খাউণ্ডে কাৰ্যালয় উপযোগী বিভিন্ন ছফ্‌টৱেৰৰ ই আৰ পী আদিৰ বিষয়ে উল্লেখ কৰে। কৰ্মশালাত তিনিচুকীয়া জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা ২০ গৰাকী অনাশিক্ষক কৰ্মচাৰী অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক তথা আভ্যন্তৰীণ গুণ নিৰূপণ কোষৰ সমন্বয়ক ড° পংকজ লোচন গগৈয়ে আঁত ধৰা কৰ্মশালাৰ অন্তত হিন্দী বিভাগৰ অধ্যাপিকা নিতামণি বৰদলৈয়ে সকলোকে ধন্যবাদসূচক মন্তব্য প্ৰদান কৰে।

গোলাঘাটত গ্ৰীষ্মকালীন বন্ধৰ শৈক্ষিক কৰ্মশালাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

ফৰকাটিং, ২০ জুন ঃ গোলাঘাট জিলাৰ অন্যতম আৰু অগ্ৰণী শৈক্ষিক, সামাজিক, আধ্যাত্মিক আৰু সাংস্কৃতিক অনুষ্ঠান অন্তৰংগ চ’ৰাৰ সৌজন্যত আৰু শুভাকাংক্ষী ৰাইজৰ সহযোগত চ’ৰাৰ শান্তিপুৰস্থিত মুখ্য কাৰ্যালয়ৰ প্ৰাংগণত অহা তিনিৰ পৰা ২৪ জুলাইলৈ গ্ৰীষ্মকালীন বিদ্যালয়ৰ বন্ধৰ লগত সংগতি ৰাখি এক শৈক্ষিক কৰ্মশালাৰ আয়োজন কৰিছে। উল্লেখ্য যে কৰ্মশালাত বানান, হাতৰ আখৰ, অসমীয়া, হিন্দী, ইংৰাজী ভাষা জ্ঞান স্মৃতিশক্তি বৃদ্ধিৰ উপায়, পৰীক্ষাৰ বাবে কেনেদৰে প্ৰস্তুত হ’ব লাগে, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি, অৰিগ্ৰাম, চিত্ৰাংকন, অংকৰ মেজিক, সাধাৰণ জ্ঞান, অসমীয়া সাহিত্য, প্ৰাণায়াম আৰু ব্যক্তিত্ব বিকাশৰ বিষয়ে কৰ্মশালা অনুষ্ঠিত হ’ব বুলি চ’ৰাৰ সভাপতি অজিত দত্তই সদৰী কৰিছে। কৰ্মশালাত সমল ব্যক্তি হিচাপে বিশিষ্ট সমাজসেৱক অজিত দত্ত, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক প্ৰফুল্ল চন্দ্ৰ শইকীয়া, সুলেখক ইমৰাণ হুছেইন আৰু অমূল্য শইকীয়া উপস্থিত থাকিব।

কঠিয়াতলি মনোহৰ গাঁৱত বানত উটি অহা এটা পহু উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

কঠিয়াতলি ২০ জুন ঃ নগাঁও জিলাৰ কঠিয়াতলিত কালি প্ৰবল বানত উটি অহা এটা শগৰা পহু স্থানীয় ৰাইজৰ তৎপৰতাত বান পানীৰ পৰা উদ্ধাৰ কৰে পহুটো। ৰাইজে কঠিয়াতলি আৰক্ষী পহৰা চকীত অবগত কৰাত আৰক্ষীয়ে গাঁওখনলৈ গৈ পহুটো উদ্ধাৰ কৰি কঠিয়াতলি বনাঞ্চলিক বিষয়াক হস্তান্তৰ কৰে। বন বিভাগৰ দ্বাৰা পহুটো নি ৰেংবেং পাহাৰত মুকলাই দিয়ে। পহুটো অক্ষত অৱস্থাত উদ্ধাৰ কৰি বন বিভাগক চমজাই দিয়াৰ বাবে বৰহোলা গাঁৱৰ ৰাইজক সকলোৱে প্ৰশংসা কৰিছে।

বিজনীত এবছুৰ ২০ সংখ্যক সানজাৰাং লক্ষেশ্বৰ ব্ৰহ্ম দেৰহাছাং বান্থা প্ৰদান

অগ্ৰদূত ব্যুৰ’

বঙাইগাঁও, ২০ জুন ঃ চিৰাং জিলাৰ বিজনী আঞ্চলিক এবছুৰ উদ্যোগত শনিবাৰে ২০ সংখ্যক সানজাৰাং লক্ষেশ্বৰ ব্ৰহ্ম দেৰহাছাং বান্থা - ২০২২ প্ৰদান কৰা হয়। তদুপলক্ষে বিজনীৰ উলুবাৰী কালী মন্দিৰ প্ৰাংগণত আয়োজিত উক্ত বঁটা প্ৰদান সভাত সভাপতিত্ব কৰে বিজনী আঞ্চলিক এবছুৰ সভাপতি সুবিলাল দৈমাৰীয়ে। উল্লেখ্য হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিজনী আঞ্চলিক এবছুৰ অঞ্চলন বড়ো মাধ্যমৰ বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা প্ৰথম ১০ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত লক্ষেশ্বৰ ব্ৰহ্মৰ সোঁৱৰণত বঁটা প্ৰদান কৰি আহিছে বিজনী আঞ্চলিক এবছুৱে। বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থকা এবছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক খনীন্দ্ৰ বসুমতাৰীয়ে সানজাৰাং লক্ষেশ্বৰ ব্ৰহ্মৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰে। সভাত বিটিআৰৰ সচিব নৰেন চন্দ্ৰ বসুমতাৰী নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে। আনহাতে, চিৰাং জিলা এবছুৰ সভাপতি ৰাজু কুমাৰ মুছাহাৰী, চিৰাং জিলা আছুৰ ভাৰপ্ৰাপ্ত সভাপতি সৌৰভজ্যোতি সূত্ৰধৰ, বিজনী জিলা বড়ো সাহিত্য সভাৰ সভাপতি ড° গৌগৌম ব্ৰহ্ম কছাৰী, উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰমোহন দৈমাৰীসহ আমন্ত্ৰিত অতিথি বৃন্দ সভাত উপস্থিত থাকে। উক্ত সভাতেই সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিজনী আঞ্চলিক এবছুৰ এলকাধীন বড়ো মাধ্যমৰ বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা প্ৰথম ১৩ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীলৈ বিজনী আঞ্চলিক এবছুৰ তৰফৰ পৰা বিংশতম সানজাৰাং লক্ষেশ্বৰ ব্ৰহ্ম বান্থা-২০২২ প্ৰদান কৰাৰ লগতে বাকী ১৪৬ গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীকো বিজনী আঞ্চলিক এবছুৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইফালে, সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত চিৰাং জিলাৰ ফলাফল ৰাজ্যখনৰ ভিতৰতে নিম্নগামী সন্দৰ্ভত এবছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক খনীন্দ্ৰ বসুমতাৰীয়ে কয় যে চিৰাঙত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল উন্নত কৰাৰ বাবে চৰকাৰ, শিক্ষক, সামাজিক ব্যক্তি তথা সমগ্ৰ সমাজখনেই দায়িত্ব ল’ব লাগিব।

গোসাঁইগাঁৱৰ শিমুলটাপুত ডিজি ইণ্ডিয়াৰ পশুধন কেন্দ্ৰ স্থাপনৰ উদ্বোধনী অনুষ্ঠান বাতিল

অগ্ৰদূত বাৰ্তা

গোসাঁইগাঁও, ২০ জুন ঃ বহিঃৰাজ্যৰ পৰা অসমত প্ৰৱেশ কৰা গৰু-ম’হৰ সুৰক্ষা বাবে কোকৰাঝাৰ জিলাৰ শিমুলটাপুত ডিজি ইণ্ডিয়া নামৰ সংস্থাটোৰ দ্বাৰা স্থাপন কৰিবলগীয়া পশু পালন, সুৰক্ষা আৰু প্ৰতিপালন কেন্দ্ৰৰ যোৱা ১৯ জুনত তিনি বজাত অনুষ্ঠিতব্য উদ্বোধনী অনুষ্ঠান বাতিল কৰা হৈছে বুলি সংস্থাটোৰ বিষয়ববীয়াই এক সংবাদমেলযোগে সদৰী কৰে। আজি গোসাঁইগাঁৱৰ হাব্ৰুবিলস্থিত আৰ্ত ভৱনত সংস্থাটোৰ আহ্বানত আয়োজিত উক্ত সংবাদমেলত ডিজি ইণ্ডিয়াৰ অধ্যক্ষ এম এম হানিফ লস্কৰে কয় যে কোকৰাঝাৰ জিলাৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কালি জিলা প্ৰশাসনে জাৰি কৰা ১৪৪ ধাৰাৰ অধীনত ৰাজহুৱা সভা-সমিতিকে আদি কৰি আন আন ভিন্ন ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰাৰ পৰিপ্ৰেক্ষিতত ডিজি ইণ্ডিয়াৰ উদ্যোগত কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত শিমুলটাপুত স্থাপন কৰিবলগীয়া পশু পালন সুৰক্ষা আৰু প্ৰতিপালন কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠান বাতিল কৰা হৈছে। জিলাখনৰ পৰিস্থিতি ভাল হোৱাৰ পাছত পশু পালন সুৰক্ষা আৰু প্ৰতিপালন কেন্দ্ৰখন উদ্বোধন কৰা হ’ব বুলি তেওঁ জানিব দিয়ে। সংবাদমেলত ডিজি ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়া চাজিদা বেগম, সাধাৰণ সম্পাদক ভানুমতি দাস, স্থানীয় সমাজকৰ্মী তথা বিশিষ্ট ব্যৱসায়ী চহেন্দ্ৰ ব্ৰহ্মকে ধৰি সংস্থাটোৰ বহুসংখ্যক কৰ্মী তথা শুভাকাংক্ষী উপস্থিত থাকে।

■ টিংখাং আছুৰ অভিনৱ পদক্ষেপ

ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন উত্তৰণৰ লক্ষ্যৰে ভ্ৰাম্যমাণ গ্ৰন্থভাণ্ডাৰ ‘প্ৰজ্ঞা অন্বেষণ’ আৰম্ভ

অগ্ৰদূত বাৰ্তা

টিংখাং, ২০ জুন ঃ টিংখাং আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত টিংখাং অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, বৌদ্ধিক উত্তৰণৰ বাবে ‘প্ৰজ্ঞা অন্বেষণ’ নামেৰে এক গ্ৰন্থ অধ্যয়নৰ পদক্ষেপ হাতত লয়। পাঠ্যক্ৰমৰ প্ৰসংগ পুথি আৰু অন্যান্য যিকোনো পুথিৰ এক ভ্ৰাম্যমাণ গ্ৰন্থভাণ্ডাৰ। ইয়াৰ যোগেদি নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰিবলৈ আৰু শৈক্ষিক ক্ষেত্ৰত সহায় কৰিবলৈ টিংখাং আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰচেষ্টা হাতত লয়। ছাত্ৰ-ছাত্ৰীসকলে ১৫ দিনৰ বাবে একোখনগ্ৰন্থ অধ্যয়নৰ বৰে নি, ঘূৰাই দি পুনৰ একোখন গ্ৰন্থ নিব পাৰিব। টিংখাং আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক শুভ্ৰজিত গগৈ, যদুমনি গগৈ, প্ৰীতম বৰুৱা, ভাগীৰথ চাংমাই, সাহিত্য সম্পাদক জাহ্নৱী বৰুৱা, সাংস্কৃতিক সম্পাদক নিলাক্ষী ডেকাৰ তত্বাৱধানত এই ‘প্ৰজ্ঞা অন্বেষণ’ যাত্ৰাটি চলাই নিবলৈদায়িত্ব প্ৰদান কৰে। কাৰ্যসূচী আৰম্ভ কৰে টিংখাং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৌচুমী গগৈয়ে, টিংখাং মহাবিদ্যালয়ৰ অধ্যাপিকা নিজুমণি বণিয়া চেলেং, ড° বিনীতা মৰাং উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। টিংখাং অঞ্চলৰ বহুতো ব্যক্তিয়ে কৰ্মসূচীলৈ কিতাপৰ টোপোলা আগবঢ়াই আৰু ইচ্ছুক ব্যক্তিয়ে কিতাপৰ টোপোলা আগবঢ়াব পাৰিব। টিংখাং আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সৌৰভজ্যোতি বৰফুকনে আৰ্থিকভাৱে দুৰ্বল আৰু পঢ়নৰ প্ৰতি আগ্ৰহী প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই এই পদক্ষেপৰ পৰা লাভান্বিত হ’ব বুলি আশা প্ৰকাশ কৰে।

সৰুপথাৰত মুকলি মঞ্চৰ আধাৰশিলা স্থাপন

সৰুপথাৰ, ২০ জুন ঃ বিধায়ক বিশ্বজিৎ ফুকনৰ প্ৰচেষ্টাত সৰুপথাৰ নগৰৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ সন্মুখত নুমলীগড় শোধনাগাৰৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত দুই কোটি ৯০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ’বলগীয়া মুকলি মঞ্চৰ আধাৰশিলা স্থাপন কৰা হয়। আধাৰশিলা স্থাপন কৰে নুমলীগড় তেল শোধনাগাৰৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকন, বিধায়ক বিশ্বজিৎ ফুকন আৰু জিলা উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই। সৰ্বমুঠ ১২শ লোক একেলগে বহিব পৰাকৈ নিৰ্মাণ হ’বলগীয়া এই মুকলি মঞ্চ গোলাঘাট জিলাৰে ভিতৰত প্ৰথম আৰু অত্যাধুনিক পদ্ধতিৰে নিৰ্মাণ কৰা হ’ব। অনুষ্ঠানত বিধায়ক ফুকনৰ লগতে গোলাঘাট জিলা উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, নুমলীগড় শোধনাগাৰৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকন, ধনশিৰি মহকুমাৰ মহকুমাধিপতি দিনছেংফা বৰুৱাৰ লগতে বহুকেইজন জ্যেষ্ঠ বিষয়া আৰু সহস্ৰাধিক ৰাইজ উপস্থিত থাকে।

ৰামদিয়াত পোহৰ বিদ্যালয়ৰ উদ্বোধনী অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ২০ জুন ঃ শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেছনে বাংলাদেশৰ বৰেণ্য শিক্ষাবিদ তথা অভিৰোচক আব্দুল্লা আবু ছয়ীদৰ ‘আলোৰ স্কুল’ৰ আৰ্হিত পোহৰ বিদ্যালয় নামৰ এক আড্ডা জাতীয় ভ্ৰাম্যমাণ বিদ্যালয়ৰ আৰম্ভণি কৰিবলৈ প্ৰয়াস কৰিছে। এই পোহৰ বিদ্যালয়ৰ সৌজন্যত বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ মাজত অসমৰ বা সামগ্ৰিকভাৱে দেশৰ সংস্কৃতি, ঐতিহ্য, স্বাভিমান, গৌৰৱগাথা, অসমীয়া লোক-সমাজ আদি দিশবোৰ উদ্ভাসিত কৰাৰ বাবে এক বিশেষ পদক্ষেপ হাতত লোৱা হৈছে। ইয়াৰ উপৰি পোহৰ বিদ্যালয়ৰ জৰিয়তে বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ মাজত বৈজ্ঞানিক মানসিকতাৰ সপক্ষে আৰু অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে জনমত গঠনৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ উপৰি মানৱ জাতিৰ প্ৰেৰণাৰ উৎস স্বৰূপ বৰেণ্য ব্যক্তিসকলৰ জীৱনৰ অম্লান কৃতীসমূহৰ সম্প্ৰচাৰৰ জৰিয়তে নতুন প্ৰজন্মক ইতিবাচক চিন্তাৰে আলোকিত কৰাৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছে। আমাৰ ইতিহাস, ভূগোল আদিৰ লগত নতুন প্ৰজন্মক বিজ্ঞানসন্মতভাৱে পৰিচয় কৰি দিব পোহৰ বিদ্যালয়ে। বস্তুবাদী যুগৰ লগত অভ্যস্ত আজিৰ প্ৰজন্মৰ মাজত অধ্যয়ন-সংস্কৃতি গঢ়ি তুলিবলৈ আঁচনি লোৱা হৈছে। উল্লেখ্য যে এই ভ্ৰাম্যমাণ বিদ্যালয়খনৰ কাম-কাজ আগুৱাই নিবলৈ অভিৰোচক হিচাপে কে’বাজনো শিক্ষাবিদ, সাহিত্যিক আৰু সমাজ নিৰ্মাতাক জড়িত কৰা হ’ব। প্ৰথম পৰ্যায়ত পোহৰ বিদ্যালয়ৰ সেৱা অসমৰ এশখন বিদ্যালয়ৰ মাজত সীমিত থাকিব। পিছলৈ পৰ্যায় ক্ৰমে বিদ্যালয়ৰ সংখ্যা বাঢ়িব। বিদ্যালয় চৌহদৰ বাহিৰে ৰাজহুৱা স্থানত পোহৰ বিদ্যালয়ৰ তৰফৰ পৰা বৰেণ্য ব্যক্তিৰ হতুৱাই সংশ্লিষ্ট বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰা হ’ব। পোহৰ বিদ্যালয়ৰ তৰফৰ পৰা সেৱা আগবঢ়োৱা প্ৰতিখন বিদ্যালয়ক ন্যাসৰ তৰফৰ পৰা বিশেষ প্ৰমাণপত্ৰ প্ৰদান কৰা হ’ব। অহা ২৫ জুনত পোহৰ বিদ্যালয়ৰ উদ্বোধনী অনুষ্ঠান ৰামদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ’ব। অনুষ্ঠানত পোহৰ বিদ্যালয়ৰ উদ্বোধনী বক্তৃতাটো প্ৰদান কৰিব অসম শিশু শিক্ষা ন্যাসৰ সচিব হৃষীকেশ গোস্বামীয়ে। অনুষ্ঠানত কামৰূপৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই সন্মানিত অতিথি হিচাপে উপস্থিত থাকিব।

ৰাভাৰ শৈল্পিক প্ৰতিভা স্বমহিমাৰে মণ্ডিত

এক পৃষ্ঠাৰ পৰা বিশিষ্ট অভিনেত্ৰী মৃদুলা বৰুৱাক গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱা বঁটা, ইলা বৰগোঁহাইক অমলপ্ৰভা দাস বঁটা, লীলাৱতী কুশ্ৰেক চন্দ্ৰপ্ৰভা শইকীয়ানি বঁটা, যশস্বী সাহিত্যিক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীক মামণি ৰয়ছম গোস্বামী বঁটা, সাহিত্যিক ছবিলাল উপাধ্যায়ক চৈয়দ আব্দুল মালিক বঁটা, শিল্পী চৈয়দ ছাদুল্লাক আহমদ আলী বাঁশকান্দি বঁটা, বংশী বৰাক গণেশ গগৈ বঁটা, হেমন্ত গোহাঁইক স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা আৰু ননী বৰুৱাক শোণিত কোঁৱৰ গজেন বৰুৱা বঁটা প্ৰদান কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰতিটো জনগোষ্ঠীৰ পৰম্পৰাগত কৃষ্টি-সংস্কৃতিৰ আঁত উলিয়াই কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাই দেখুৱাইছিল কিদৰে ৰাজ্যখনৰ মূলসুঁতিত কোঁহে কোঁহে সোমাই আছে জনগোষ্ঠীয় হৃদয়ৰ স্পন্দন। বিভিন্ন জাতি-জনগোষ্ঠীৰ উপাদানেই যে আমাৰ সংস্কৃতিৰ পথাৰখন সেউজ কৰি আহিছে সেই কথাৰ নিৰ্মোহ পৰ্যালোচনা কৰি বিষ্ণু ৰাভাই অসমীয়া সংস্কৃতিৰ সুগভীৰতাক উপলব্ধি কৰিব পাৰিছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ আৰু কয় যে নৱ উন্মেষৰ আশা লৈ ভূমিৰ উৰ্বৰতা, লোক জীৱনৰ সমাহাৰ আৰু কেঁচা মাটিৰ সুগন্ধি বিয়পোৱাৰ বাবে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ সৃষ্টিৰ চেতনাত আছিল এক নান্দনিক বোধ।

মুখ্যমন্ত্ৰীয়ে কয় যে জাতীয় জীৱনৰ পুৰাতন বোধৰ মাজত সংস্কৃতিৰ বিশালতাক সাধাৰণ মানুহৰ কাষলৈ লৈ যাব পৰাটো শিল্পীগৰাকীৰ শিল্প প্ৰতিভাৰ অনন্য ৰূপ। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ শৈল্পিক প্ৰতিভা স্ব-প্ৰতিভাৰে মণ্ডিত আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাভাই বিচাৰি পাইছিল মানুহ তথা সমাজৰ কষতি শিলত বিকশিত হৈ উঠা নান্দনিক চেতনা। তেওঁ কয় যে বিংশ শতাব্দীৰ সংগীতৰ ফল্গু ধাৰাৰ ত্ৰিমূৰ্তি জ্যোতি-বিষ্ণু-সুধাকণ্ঠই অসমীয়া সংগীত জগতখনক এনে এক পৰ্যায়লৈ লৈ গৈছিল যাৰ ফলস্বৰূপে অসমীয়া সংগীতে দেশ বা বিদেশতো সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। এটা জাতিৰ স্বকীয়তাত ই আছিল এক অনবদ্য নিদৰ্শন। আমাৰ নৱ প্ৰজন্মই ৰাভাৰ আদৰ্শৰে সমৃদ্ধিশালী অসম নিৰ্মাণ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে যিসকল ব্যক্তিয়ে সাম্প্ৰতিক বানৰ কবলত পৰি বিভিন্ন আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে আৰু যিসকলে বানৰ পৰা পৰিত্ৰাণৰ নিমিত্তে সংগ্ৰামত ব্ৰতী হৈ আছে অথবা যিসকলে আৰ্তজনক উদ্ধাৰৰ বাবে বিভিন্ন সহায়-সহযোগিতা আগবঢ়াই আছে তেখেতসকলৰ কাষত থিয় হৈ আছো বুলিও কয়। মুখ্যমন্ত্ৰীয়ে বানপানীত মৃত্যু বৰণ কৰা লোকসকলৰ প্ৰতিও গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সঞ্চালক ড° দেৱজিৎ খনিকৰে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ আৰু শ্ৰম দপ্তৰৰ ৰাজ্যমন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, তৰংগ গগৈ, পোনাকণ বৰুৱা, ৰূপেশ গোৱালা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম পেট্ৰ'কেমিকেল লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ৰাষ্ট্ৰীয় সমস্যা ঘোষণাৰ দাবী অৰণ্যৰোদন

এক পৃষ্ঠাৰ পৰা প্ৰাণ হেৰুওৱাৰ তথ্য পোহৰলৈ আহিছে।

উল্লেখ্য যে ২০১৫ৰ পৰা কালি পৰ্যন্ত ৰাজ্যত ৬২২ জনে বানপানীৰ কবলত পৰি মৃত্যুক আঁকোৱালি লৈছে। ৰাজ্যৰ দুৰ্যোগ প্ৰশমন বিভাগৰ তথ্য অনুসৰি, বানপানীত মৃত্যু হোৱা ঘটনা সৰ্বাধিক মৰিগাঁৱত সংঘটিত হৈছে আৰু বিগত পাঁচ বছৰৰ মৃত্যুৰ তালিকাৰ শীৰ্ষত আছে জিলাখন। তথ্য মতে, চলিত বৰ্ষৰ বানপানীৰ ফলত ৰাজ্যত কালিৰ দিনটোলৈ ৫৪ জনে প্ৰাণ হেৰুৱাইছে। সমান্তৰালভাৱে ২০২১ত আঠজন, ২০২০ত ১২৪ জন, ২০১৯ত ১০১ জন, ২০১৮ত ৪৫ জন, ২০১৭ত ১৬০ জন, ২০১৬ত ৬৪ জন আৰু ২০১৫ত ৰাজ্যৰ ৬৬ জন লোক বানপানীৰ ফলত মৃত্যু হৈছে। এই উল্লিখিত মৃত্যুৰ সংখ্যা তথা বানপানীৰ ফলত মৰিগাঁৱত সৰ্বাধিক লোক মৃত্যু হৈছে বুলি তথ্য সদৰী কৰি বিভাগে কয় যে ২০১৫, ২০১৬ আৰু ২০১৭ত ৰাজ্যখনৰ ভিতৰতে সৰ্বাধিক মৰিগাঁৱত ক্ৰমে ১৩ জন, ১০ জন আৰু ২৯ জন লোকে প্ৰাণ হেৰুৱাইছে। একেদৰে ২০১৯ আৰু ২০২১ত ৰাজ্যৰ ভিতৰতে সৰ্বাধিক ক্ৰমে ২৬জন আৰু আঠজন লোকৰ মৰিগাঁৱত মৃত্যু হৈছে। ইয়াৰ উপৰি জিলাখনত ২০২০ত ১৫ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু ছটা বছৰত মৰিগাঁৱত সৰ্বমুঠ ৯৮ জনে বানপানীৰ ফলত প্ৰাণ হেৰুৱাইছে। সমান্তৰালভাৱে চলিত বানত কালি পৰ্যন্ত মৃত্যু হোৱা মুঠ ৫৪জনৰ ১৪জনকৈ কাছাৰ আৰু নগাঁও জিলাত, ২০১৮ত কাছাৰত ১৩ জন আৰু ২০২০ বৰপেটাত ৰাজ্যৰ ভিতৰতে সৰ্বাধিক ২১ জন লোকে প্ৰাণ হেৰুৱায় বুলি তথ্যত প্ৰকাশ পাইছে। উল্লেখ্য যে ২০১৫ৰ পৰা ২০২১লৈ ৰাজ্যৰ ভিতৰত ধুবুৰীত দ্বিতীয় সৰ্বাধিক ৫০ জন লোকৰ বানপানীত মৃত্যু হৈছে। সমান্তৰালভাৱে এই সময়ছোৱাত বৰপেটা জিলাত ৪৯জন, ধেমাজিত ৩৩ জন, গোৱালপাৰাত ৩০ জন, কোকৰাঝাৰত ২৯ জন, লখিমপুৰ আৰু নগাঁৱত ২৭জনকৈ, গোলাঘাটত ২৬ জন, কাছাৰত ১৯ জন, ডিব্ৰুগড়ত ১৮ জন, বিশ্বনাথ আৰু বঙাইগাঁৱত ১৪ জনকৈ, শিৱসাগৰ আৰু শোণিতপুৰত ১১ জনকৈ, নলবাৰী আৰু কৰিমগঞ্জত ১০ জনকৈ, দৰং আৰু দক্ষিণ শালমাৰাত নজনকৈ, বাগসা, যোৰহাট, কামৰূপ আৰু ওদালগুৰিত আঠজনকৈ, তিনিচুকীয়া আৰু হোজাইত সাতজনকৈ, চৰাইদেউত চাৰিজন, হাইলাকান্দিত তিনিজন, কাৰ্বিং আংলং আৰু ডিমা হাছাওত দুজনকৈ আৰু চিৰাং, মাজুলী আৰু পশ্চিম কাৰ্বিং আংলং জিলাত বানপানীৰ ফলত এজনকৈ লোক মৃত্যুমুখত পৰিছে। উল্লেখ্য যে এই সময়ছোৱাত ৰাজধানী মহানগৰীত অৰ্থাৎ কামৰূপ মহানগৰ জিলাত ১৪জনকৈ লোক বানপানীৰ কবলত পৰি মৃত্যু হৈছে।

ইফালে, বিভাগে সদৰী কৰা তথ্য অনুসৰি, ২০২১ত মৰিগাঁৱত পাঁচজন, বৰপেটা, গোৱালপাৰা আৰু কামৰূপ গ্ৰাম্য জিলাত এজনকৈ লোকৰ মৃত্যু হৈছিল। একেদৰে ২০২০ত বৰপেটাত ২১ জন, মৰিগাঁৱত ১৫ জন, নগাঁৱত ১৩ জন, গোৱালপাৰাত ১২ জন, ডিব্ৰুগড় আৰু কোকৰাঝাৰত সাতজনকৈ, লখিমপুৰ আৰু গোলাঘাটত ছজনকৈ, ধুবুৰী আৰু শিৱসাগৰত পাঁচজনকৈ, বঙাইগাঁও আৰু ধেমাজিত চাৰিজনকৈ, বিশ্বনাথ, কামৰূপ গ্ৰাম্য আৰু তিনিচুকীয়াত তিনিজনকৈ, নলবাৰীত দুজন, বাগসা, দৰং, হোজাই, কামৰূপ মহানগৰ, দক্ষিণ শালমৰা, শোণিতপুৰ, ওদালগুৰি আৰু পশ্চিম কাৰ্বি আংলঙত এজনকৈ লোক বানপানীৰ ফলত মৃত্যু হয়। ২০১৯ত মৰিগাঁৱত ২৬জন, বৰপেটাত ১৬জন, ধুবুৰীত ১২ জন, ধেমাজিত সাত জন, বাগসা, বিশ্বনাথ আৰু গোলাঘাটত পাঁচজনকৈ, গোৱালপাৰা, কামৰূপ মহানগৰ, নগাঁও, শোণিতপুৰ আৰু ওদালগুৰিত তিনিজনকৈ, যোৰাহাট আৰু নলবাৰীত দুজনকৈ, বঙাইগাঁও, কাছাৰ, ডিমা হাছাও, হাইলাকান্দি, কামৰূপ গ্ৰাম্য, কোকৰাঝাৰত এজনকৈ লোক মৃত্যু হৈছে। ইয়াৰ উপৰি ২০১৮ত কাছাৰত ১৩জন, কৰিমগঞ্জত আঠজন, গোলাঘাটত পাঁচজন, ধেমাজিত তিনিজন, চৰাইদেউ, হাইলাকান্দি, হোজাই, শিৱসাগৰ আৰু ওদালগুৰিত দুজনকৈ, বিশ্বনাথ, কামৰূপ মহানগৰ, কাৰ্বি আংলং আৰু লখিমপুৰত এজনকৈ লোক এই দুৰ্যোগৰ ফলত মৃত্যু হৈছে। ২০১৭ৰ তথ্য অনুসৰি, মৰিগাঁৱত ২৯ জন, ধুবুৰীত ১৪ জন, লখিমপুৰত ১২ জন, কোকৰাঝাৰ আৰু ধেমাজিত ১০ জনকৈ, নগাঁৱত নজন, বঙাইগাঁও, গোলাঘাট, কামৰূপ মহানগৰ আৰু দক্ষিণ শালমাৰা জিলাত আঠজনকৈ, বিশ্বনাথ আৰু যোৰহাটত পাঁচজনকৈ, দৰং, হোজাই, শিৱসাগৰ আৰু শোণিতপুৰত চাৰিজনকৈ, গোৱালপাৰাত তিনিজন, বৰপেটা, ডিব্ৰুগড়, কামৰূপ গ্ৰাম্য, কৰিমগঞ্জ, নলবাৰী আৰু ওদালগুৰিত দুজনকৈ, বাগ্‌সা, ডিমা হাছাও আৰু মাজুলীত এজনকৈ লোক বানপানীৰ ফলত মৃত্যু হৈছে। একেদৰে ২০১৬ত মৰিগাঁৱত ১০ জন, বৰপেটাত আঠজন, ধেমাজি আৰু ধুবুৰীত সাতজনকৈ, গোৱালপাৰা আৰু লখিমপুৰত পাঁচজনকৈ, কাছাৰ আৰু ডিব্ৰুগডত চাৰিজনকৈ, চৰাইদেউ, দৰং, গোলাঘাট আৰু কোকৰাঝাৰত দুজনকৈ, যোৰহাট, কামৰূপ গ্ৰাম্য আৰু মহানগৰ, নগাঁও, শিৱসাগৰ আৰু তিনিচুকীয়াত এজনকৈ লোকে মৃত্যুক সাৱটি লয়। একেদৰে ২০১৫ত মৰিগাঁৱত ১৩ জন, ধুবুৰীত ১২ জন, কোকৰাঝাৰত সাতজন, গোৱালপাৰাত ছজন, ডিব্ৰুগড়ত পাঁচজন, শোণিতপুৰ আৰু তিনিচুকীয়াত তিনিজনকৈ, দৰং, ধেমাজি আৰু নলবাৰীত দুজনকৈ, বাগসা, বৰপেটা, বঙাইগাঁও, কাছাৰ, চিৰাং, কাৰ্বি আংলং, নগাঁও আৰু শিৱসাগৰত এজনকৈ লোকে বানপানীৰ কবলত পৰি প্ৰাণ হেৰুৱাইছে। উল্লেখ্য যে চলিত বানত অৰ্থাৎ ছয় এপ্ৰিলৰ পৰা ১৯ জুন পৰ্যন্ত কাছাৰ আৰু নগাঁও জিলাত ১৪জনকৈ লোকে প্ৰাণ হেৰুওৱাৰ লগতে বৰপেটা আৰু হোজাইত চাৰিজনকৈ, ওদালগুৰি আৰু নলবাৰীত তিনিজনকৈ, বজালী, দৰং আৰু শোণিতপুৰত দুজনকৈ আৰু ধুবুৰী, লখিমপুৰ, কোকৰাঝাৰ আৰু কৰিমগঞ্জত এজনকৈ লোকে প্ৰাণ হেৰুৱাইছে।

কৰ্তব্য পালন কৰিবলৈ গৈ অ'চিসহ দুই

এক পৃষ্ঠাৰ পৰা এজন অভিযুক্তক আটক কৰিবলৈ যোৱা দলটোৰ আন দুজন আৰক্ষীৰ সৌভাগ্যক্ৰমে প্ৰাণ ৰক্ষা পৰে। এই ঘটনাই আজি কামপুৰৰ লগতে সমগ্ৰ নগাঁও জিলাতে শোকৰ ছাঁ পেলায়।

আৰক্ষী সূত্ৰই জনোৱা মতে, পুৱতি নিশা কামপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কাকতিৰ নেতৃত্বত চাৰিজনীয়া এটি আৰক্ষীৰ দলে এক অভিযান চলাবলৈ পানীৰ মাজেৰে অতি বিপজ্জনকভাৱে কামপুৰ পাছনিঝাৰ মধুপুৰলৈ গৈছিল। পাছনিঝাৰ মধুপুৰৰ জলমগ্ন পথছোৱাৰে গৈ থকা অৱস্থাত হঠাৎ বাঢ়নী পানীৰে একাকাৰ হৈ থকা এটা ডুবিত পৰি ডুব যায় কনিষ্টবল বৰদলৈ। কনিষ্টবলজনক উদ্ধাৰৰ বাবে ভাৰপ্ৰাপ্ত বিষয়া কাকতি আগবাঢ়ি যায় যদিও দুয়োকে পানীৰ প্ৰবল সোঁতে উটুৱাই নিয়ে। ফলত দুয়ো সন্ধানহীন হৈ পৰে। সৌভাগ্যক্ৰমে দলটোৰ আন দুজন কনিষ্টবল বাঢ়নী পানীতে আবদ্ধ হৈ পৰে। প্ৰায় এঘণ্টাৰ পাছত এজন স্থানীয় যুৱকে আৰক্ষী দুজনক জীৱন্তে কলৰ ভুৰেৰে উদ্ধাৰ কৰে। ভাৰপ্ৰাপ্ত বিষয়াসহ দুজনকৈ আৰক্ষী সন্ধানহীন হোৱাৰ পাছতে এছডিআৰএফৰ জোৱানে তিনিখন নাও লৈ উদ্ধাৰ অভিযান চলায় যদিও তেওঁলোকৰ দীৰ্ঘসময়লৈ কোনো সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাছিল। পুৱতি নিশা কনিষ্টবল বৰদলৈৰ মৃতদেহ উদ্ধাৰ কৰাৰ পাছত পুৱাৰ ভাগতহে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কাকতিৰ মৃতদেহ উদ্ধাৰ হয়। বানে প্ৰাণ কাঢ়ি নিয়া আৰক্ষী বিষয়া কাকতিৰ ঘৰ কামৰূপ জিলাৰ চাংসাৰিত আৰু কনিষ্টবল বৰদলৈৰ ঘৰ নগাঁও চহৰৰ হুজগাঁৱত বুলি আৰক্ষী সূত্ৰই জনাইছে। উল্লেখ্য যে যোৱা তিনি জুনত নগাঁৱৰ বেবেজীয়া আৰক্ষী চকীৰ পৰা কামপুৰ আৰক্ষী থানাত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰূপে যোগদান কৰিছিল কাকতিয়ে। অতি অমায়িক আৰক্ষী বিষয়াজনৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছতেই শোকাকুল পৰিৱেশে বিৰাজ কৰে কামপুৰত। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কাকতি আৰু কনিষ্টবল বৰদলৈৰ মৃতদেহ কামপুৰ আৰক্ষী থানালৈ অনাৰ পাছতে বহু দল-সংগঠন, সংবাদকৰ্মী আৰু সচেতন লোকসকলে শ্ৰদ্ধা নিবেদন কৰে। পাছত ঘটনাত সৌভাগ্যক্ৰমে ৰক্ষা পোৱা আৰক্ষী থানাখনৰ কনিষ্টবল ৰঞ্জিত বৰাই ঘটনাৰ বৰ্ণনা দাঙি ধৰি কয়, 'যোৱা নিশা প্ৰায় ১-৩০ বজাত মই মোৰ থানাৰ অ'চি ছাৰ সমুজ্জ্বল কাকতি, কনিষ্টবল ৰাজীৱ বৰদলৈ আৰু এজনে এক গোপন তথ্যৰ ভিত্তিত কামপুৰ পাছনিঝাৰ মধুপুৰত আচামী ধৰিবলৈ গৈছিলো। মই আগত, ছাৰ মাজত আৰু কনিষ্টবলজন পাছত। কপিলী নদীৰ বাঢ়নী পানীত খোজ দি গৈ থকাৰ সময়তে ৰাজীৱ পানীত পৰি যোৱাত থপ্‌থপনি শুনিছিলো। মুহূৰ্ততে সাঁতুৰি আহি খুঁটা এটাত ধৰি ঘূৰি চাও যে অ'চি ছাৰো পানীৰ মাজত। এহাতে টৰ্চ আনটো হাতত ম'বাইলটো লৈ হাত দুখন দাঙি চিঞৰিবলৈ ধৰিছিল। মই ছাৰক চিঞৰি চিঞৰি টৰ্চ-ম'বাইল হাতৰ পৰা এৰি সাঁতুৰিবলৈ কৈছিলো। তেতিয়ালৈ পানীৰ মাজত গৈ ছাৰক উদ্ধাৰ কৰি আনিবলৈ মোৰ দেহত শক্তি নাছিল। ইতিমধ্যে সকলো শেষ হৈ গৈছিল।'

কনিষ্টবল ৰাজীৱৰ কণমানি দুই সন্তানে অনুভৱ কৰিব পৰা নাই পিতৃৰ বিয়োগৰ বতৰা

কামপুৰৰ প্ৰলয়ংকৰী বানত মৃত্যু হোৱা আৰক্ষী কনিষ্টবল বৰদলৈৰ ঘৰত এতিয়া কেৱল কান্দোনৰ ৰোল। ৪১ বছৰীয়া বৰদলৈৰ মৃতদেহ কামপুৰত উদ্ধাৰ হোৱাৰ পাছতে পত্নীয়ে ঢাপলি মেলে স্বামীৰ মৃতদেহৰ কাষলৈ। নগাঁও চহৰৰ কাষৰীয়া অঞ্চল হুজগাঁৱৰ বাসগৃহত এতিয়া সকলোৰে টুকিছে চকুপানী। গাঁৱৰ অমায়িক, সৰবৰহী, সকলোৰে প্ৰিয় বৰদলৈৰ মৰ্মান্তিক মৃত্যুক কোনেও সহজভাৱে ল'ব পৰা নাই। বেবেজীয়া আৰক্ষী চকীৰ পৰা সাত দিনৰ পূৰ্বে বৰদলৈয়ে কামপুৰ আৰক্ষী থানাত যোগদান কৰিছিল। কৰুণ মৃত্যুক সাৱটি লোৱা বৰদলৈৰ এগৰাকী চাৰি বছৰীয়া কন্যা সন্তান আৰু এটি ১৪ মহীয়া পুত্ৰ সন্তান আছে। পিতৃৰ কৰুণ মৃত্যুৰ বতৰা দুই শিশু সন্তানে অনুভৱেই কৰিব পৰা নাই। উল্লেখ্য যে প্ৰয়াত বৰদলৈৰ পিতৃও আৰক্ষী বিভাগতে কৰ্তব্যৰত আছিল। ইতিমধ্যে পিতৃৰ বিয়োগ ঘটিছে। বৰদলৈয়ে মৃত্যুৰ সময়ত মাতৃ, পত্নী আৰু দুই সন্তানক এৰি থৈ গৈছে।

বিয়াৰ কথা-বতৰা চলি আছিল অ'চি সমুজ্জ্বল কাকতিৰ

ইফালে, ডুবাৰুৱে পুৱা কামপুৰৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কাকতিৰ মৃতদেহ উদ্ধাৰ কৰে। ২৯ বছৰীয়া যুৱক কাকতিৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত নগাঁও আৰক্ষীত শোকৰ ছাঁ পৰিছে। বান পৰিস্থিতিৰ পূৰ্বে কামপুৰত যোগদান কৰা কাকতিয়ে নগাঁও জিলাত ডিচেম্বৰত যোগদান কৰি প্ৰথমে ইটাপাৰাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰূপে দায়িত্ব পালন কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ বেবেজীয়া আৰু শেহতীয়াকৈ কামপুৰত যোগদান কৰিছিল। চাংসাৰিৰ নিবাসী কাকতিৰ বিয়াৰ আয়োজনো ঘৰত চলি আছিল। বিয়াৰ বাবে কইনা চোৱা পৰ্বও চলিছিল। দিনহে স্থিৰ হোৱা নাছিল। কামপুৰ মধুপুৰৰ পৰা আৰক্ষীৰ বিষয়া আৰু কনিষ্টবল দুয়োজনৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত নগাঁও অসামৰিক চিকিৎসালয়লৈ অনা হয় আৰু তাতেই মৰণোত্তৰ পৰীক্ষা সম্পাদন কৰা হয়।

দুয়োটা পৰিয়ালৰ কথা চৰকাৰে চিন্তা কৰিব ঃ মন্ত্ৰী পীযুষ হাজৰিকা

ইপিনে, আজি বিয়লি ৰাজ্যৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে বিয়লি নগাঁৱত উপস্থিত হৈ বানৰ মাজতো কৰ্তব্য সম্পাদন কৰিবলৈ গৈ সলিল সমাধি ঘটা কামপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কাকতি আৰু কনিষ্টবল বৰদলৈৰ শৰদেহত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে। তেওঁৰ লগতে বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী আৰু নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলেয়েও দুই আৰক্ষীক অন্তিম শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। পাছত সাংবাদিকৰ আগত মন্ত্ৰী হাজৰিকাই কয়, 'এইটো অত্যন্ত হৃদয়বিদাৰক ঘটনা। দুজন উঠি অহা যুৱকক আমি অকালতে হেৰুৱালো। মই অত্যন্ত দুখ পাইছো। শোকসন্তপ্ত দুয়োটা পৰিয়াললৈকে আমি গভীৰ সমবেদনা জ্ঞাপন কৰিলো। তেওঁলোকৰ আত্মাই যাতে স্বৰ্গত স্থান পায় তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো। দুৰ্ভগীয়া পৰিয়াল দুটাৰ কথা চৰকাৰে নিশ্চিতভাৱে চিন্তা কৰিব।' আনহাতে, লাইফ জেকেটৰ সন্দৰ্ভত সোধা এক প্ৰশ্নৰ উত্তৰত তেওঁ কয়, 'লাইফ জেকেট দিয়া হৈছে। বিচাৰিলেও দিয়া হ'ব। বানৰ মাজত অভিযানৰ সময়ত লাইফ জেকেট ব্যৱহাৰ কৰিবলৈ মই অনুৰোধ জনাইছো।'

বন্ধৰ আহ্বান নজনোৱাকৈয়ে প্ৰত্যাহাৰ কৰিবলৈ চিপিএমক নিৰ্দেশ

এক পৃষ্ঠাৰ পৰা আজি পাণবজাৰ আৰক্ষীয়ে 'বন্ধ'ৰ কাৰ্যসূচী প্ৰত্যাহাৰ কৰিবলৈ দিয়া নিৰ্দেশে সংগঠনটোক ক্ষুব্ধ কৰি তুলিছে। এয়া স্বেচ্ছাচাৰী চৰকাৰৰ শাসনৰ নমুনা বুলি অভিহিত কৰি আজি চিপিআই (এম)ৰ ৰাজ্যিক কমিটীয়ে ইয়াত এক সংবাদমেলত আৰক্ষীৰ এই কাৰ্য আইন বহিৰ্ভূত বুলি মন্তব্য কৰে। চিপিআই(এম)ৰ ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰে এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'চৰকাৰে 'অগ্নিপথ' আঁচনি গ্ৰহণ কৰি ইয়াৰ জৰিয়তে সেনাবাহিনীত মকৰলৰ ক্ষেত্ৰত যিবিলাক নিয়ম বান্ধি দিছে তাৰ আমি বিৰোধিতা কৰিছো। সেনা বাহিনীৰ নিযুক্তি প্ৰক্ৰিয়াত স্থায়ী নিযুক্তিৰ সলনি এই আঁচনিৰ জৰিয়তে অস্থায়ী নিযুক্তি দিব বিচৰা হৈছে; যিটো দেশৰ প্ৰতিৰক্ষাৰ বাবে সাংঘাতিক ভাবুকিস্বৰূপ, কাৰণ সেনা বাহিনীত যদি এজন অস্থায়ী কৰ্মচাৰীক নিযুক্তি দিব লগা হয় তেনেহ'লে বিচাৰ কৰা ক্ষমতা কেনেকৈ পাব চৰকাৰে? চিপিআই (এম) ৰাজ্যিক সমিতিয়ে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছে যদিও দলৰ তৰফৰ পৰা বৰ্তমানলৈ কোনো প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা নাই। অৱশ্যে অন্যান্য সংগঠনবিলাকে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে; কিন্তু সকলোকে আচৰিত কৰি আজি পুৱা কাৰ্যালয়লৈ পাণবজাৰ থানাৰ পৰা এখন আইনী জাননী আহিছে। তাত কোৱা হৈছে যে 'অগ্নিপথ' আঁচনিক লৈ জনোৱা বন্ধ দলে প্ৰত্যাহাৰ কৰিব লাগে; কিন্তু দলে আজিলৈকে এই বিষয়ত কোনো প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাই নাই।' উল্লেখ্য যে এই পাণবজাৰ থানাৰ পৰা অহা 'আৰ এণ্ড ডি পাৰ্ট-দুই/২০২২/২৪৪' নম্বৰৰ আইনী জাননী লাভৰ পাছতে দলৰ নেতৃত্ব স্তম্ভিত হৈ পৰে আৰু এই ক্ষেত্ৰত অসম আৰক্ষীৰ চোৰাংচোৱাৰ হাতত যে সবিশেষ তথ্য নাথাকে ইয়াকে প্ৰমাণ কৰিলে বুলি তালুকদাৰে মন্তব্য কৰে। তেওঁ পুনৰ কয় যে কেৱল অনুমানৰ ভিত্তিত দলটোলৈ কিয় এই আইনী জাননীখন প্ৰেৰণ কৰা হ'ল আৰক্ষীৰ পৰা তাৰ উত্তৰ বিচাৰি পত্ৰ প্ৰেৰণ কৰা হৈছে। 'অগ্নিপথ' আঁচনিৰ সন্দৰ্ভত চিপিআই(এম)-এ কোনো বন্ধ কাৰ্যসূচী ঘোষণা কৰা নাই। গতিকে আৰক্ষীয়ে কিহৰ ভিত্তিত বন্ধ প্ৰত্যাহাৰ কৰিবলৈ এই নিৰ্দেশনা জাৰি কৰিছিল ইয়াৰ উত্তৰ বিচৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয়, 'এনে কাৰ্যসমূহে চৰকাৰে যে স্বেচ্ছাচাৰী, অগণতান্ত্ৰিক শাসন চলাইছে তাকে প্ৰমাণ কৰিছে। শান্তিপূৰ্ণ, গণতান্ত্ৰিক প্ৰতিবাদ যে চৰকাৰে বন্ধ কৰিবলৈ উদ্যত হৈছে এনে ঘটনাসমূহে প্ৰমাণ কৰিছে। এনে স্বেচ্ছাচাৰী আৰু আইন বহিৰ্ভূত কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰি আইনী জাননী শীঘ্ৰে প্ৰত্যাহাৰৰ দাবী জনাইছো।' উল্লেখ্য যে কেৱল মহানগৰ আৰক্ষীয়েই নহয়, কৰিমগঞ্জ আৰক্ষী অধীক্ষককেও নাভূত-নাশ্ৰুত আইনী জাননী ডি ৱাই এফ আইলৈ প্ৰেৰণ কৰিছে বুলি ৰাজ্যিক সম্পাদকজনে অভিযোগ কৰি উচ্চতম ন্যায়ালয় আৰু কেৰালা উচ্চ ন্যায়ালয়ৰ ৰায়ৰ উদ্ধৃতিৰে আৰক্ষী বিষয়াজনে গণতান্ত্ৰিক প্ৰতিবাদ প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনাইছে বুলি কয়। এই সমগ্ৰ বিষয়ত তেওঁ পুনৰ কয়, 'কোনো দল বা সংগঠনে চৰকাৰৰ কোনো নীতি বা সিদ্ধান্তৰ বিৰোধিতা কৰাটো এটা মৌলিক অধিকাৰ আৰু এই অধিকাৰ অলংঘনীয়। উচ্চতম ন্যায়ালয়ে শান্তিপূৰ্ণ প্ৰতিবাদ কৰাৰ অধিকাৰক সাংবিধানিক অধিকাৰ বুলি স্পষ্টভাষাত মতামত দিছে। সংবিধানৰ ১৯(১)(গ) নম্বৰ অনুচ্ছেদত শান্তিপূৰ্ণ সমাবেশ, প্ৰতিবাদী কাৰ্যসূচী সংগঠিত কৰাৰ অধিকাৰ সকলো নাগৰিকৰ বাবে সুৰক্ষিত কৰা হৈছে। তেন্তে কিহৰ ভিত্তিত আৰক্ষীয়ে গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ কৰিবলৈ আইনী জাননী প্ৰেৰণ কৰিছে?'

অগ্নিপথক লৈ দৃঢ় চৰকাৰ

এক পৃষ্ঠাৰ পৰা আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা কৰাৰ বাবে তথা সীমান্ত অঞ্চলসমূহতো কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ বাবেই যানযটৰ সৃষ্টি হয়।

হাৰিয়ানাত একাংশ প্ৰতিবাদকাৰীয়ে লালবাট্টি চ'ক অৱৰোধ কৰে। ৰৌহটা জিলাৰ ফাটেহাবাদত আন একাংশই পথত প্ৰতিবাদ সাব্যস্ত কৰে। কেৰালা, তেলেংগানা, পশ্চিমবংগ আৰু ৰাজস্থান আদিত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হয়। উত্তৰ প্ৰদেশ আৰক্ষীয়ে কয় যে শান্তি বিঘ্নিত কৰিব বিচৰাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব। পঞ্জাৱত ইমিতধ্যে আৰক্ষীক সামাজিক মাধ্যমৰ গ্ৰুপবোৰ নিৰীক্ষণত ৰাখিবলৈ কোৱা হৈছে। বিহাৰত বিজেপিৰ দলীয় কাৰ্যালয়ত নিৰাপত্তা বৃদ্ধি কৰা হৈছে। ২০খন জিলাত ইণ্টাৰনেট সেৱা বন্ধ কৰি দিয়া হৈছে। ইপিনে, ঝাৰখণ্ডত অগ্নিপথ আঁচনিৰ প্ৰতিবাদৰ ফলত বিদ্যালয় বন্ধ কৰা হয়। একে সময়তে সেনাই হিংসাত্মক ঘটনাত জড়িত সকলক নিযুক্তি দিয়া নহ'ব বুলি সকীয়াই দিয়ে।

ন্যায়ালয়ে ১৬ বছৰীয়া মুছলিম

এক পৃষ্ঠাৰ পৰা দম্পতীয়ে আবেদনত উল্লেখ কৰা অনুসৰি তেওঁলোকে মুছলিম ৰীতি আৰু আনুষ্ঠানিকতাৰে বিবাহ পাশত আৱদ্ধ হয়। আবেদনত তেওঁলোকে কয় যে মুছলিম আইনত যৌৱনপ্ৰাপ্তি আৰু বিবাহৰ বয়স প্ৰাপ্তিৰ একোটা বিষয় আৰু ১৫ বছৰ বয়সত এজন লোকে বিবাহযোগ্য হয় বুলি ধাৰণা আছে।

এই আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ যশজিৎ সিং বেদীৰ এজনীয়া বিচাৰপীঠে নিৰ্দেশত কয়, 'আবেদনকাৰীৰ আশংকা মৰিষণৰ প্ৰয়োজনীয়তালৈ আদালতে চকু বন্ধ কৰিব নোৱাৰে। পৰিয়ালৰ সদস্যসকলৰ ইচ্ছাৰ বিৰুদ্ধে বিবাহ পতাৰ বাবে ভাৰতীয় সংবিধানত থকা মৌলিক অধিকাৰৰ পৰা তেওঁলোক বঞ্চিত হ'ব নোৱাৰে।' উল্লেখ্য যে আবেদনকাৰীয়ে এই কথাও উল্লেখ কৰে যে মুছলমান ল'ৰা-ছোৱালীয়ে যৌৱনপ্ৰাপ্ত হোৱাৰ পাছত নিজ ইচ্ছা অনুসৰি বিবাহৰ স্বাধীনতা আছে আৰু ইয়াত অভিভাৱকসকলৰ হস্তক্ষেপৰ কোনো অধিকাৰ নাই। অৱশ্যে নিৰ্দেশত স্পষ্ট কৰি দিয়া হয় যে বিষয়টো বিয়াৰ বয়সৰ বৈধতাক লৈ নহয় আবেদনকাৰীৰ জীৱন আৰু স্বাধীনতা বিপদাপন্ন হোৱাৰ বিষয়টোত সমাধান কৰাটোৱে। বিচাৰপীঠখনে প্ৰয়োজনীয় আইন অনুসৰি ব্যৱস্থা ল'বলৈ জ্যেষ্ঠ আৰক্ষীক নিৰ্দেশনা প্ৰদান কৰে।

উদ্ধাৰ-সাহায্য অভিযান তীব্ৰতৰ

এক পৃষ্ঠাৰ পৰা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৰাজিৰ সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে।

বান ক্ষতিগ্ৰস্ত জিলাসমূহত এনডিআৰএফ, এছডিআৰএফৰ উপৰি প্ৰয়োজন সাপেক্ষে সেনা বাহিনীৰ সহায় লোৱাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে বান ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য শিবিৰত পৰ্যাপ্ত পৰিমাণে খাদ্য সামগ্ৰী যোগান ধৰাৰ লগতে বানপ্লাৱিত এলেকাৰ লোকসকলক বিতৰণ কেন্দ্ৰ স্থাপনৰ জৰিয়তে পৰ্যাপ্ত পৰিমাণত সাহায্য প্ৰদান কৰিবলৈ কয়। শিবিৰসমূহত যাতে শিশু খাদ্যৰ যাতে পৰ্যাপ্ত পৰিমাণে উপলব্ধ হয় সেই দিশতো যথোচিত ব্যৱস্থা লোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। সাহায্য শিবিৰসমূহত চিকিৎসাসেৱাৰ যাতে কোনো ধৰণৰ অভাৱ নহয় তাৰে বাবে এএনএম, জিএনএম আদিকে অন্তৰ্ভুক্ত কৰি এটা চিকিৎসা গোট গঠন কৰি প্ৰয়োজনীয় চিকিৎসা ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। প্ৰতিদিনে চিকিৎসকে যাতে সাহায্য শিবিৰত থকা আৱাসীসকলৰ প্ৰয়োজন অনুসৰি চিকিৎসা প্ৰদান কৰিব পাৰে তাৰ বাবে চিকিৎসকৰ উপস্থিতিও বাধ্যতামূলক কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে, বানপানীৰ পৰৱৰ্তী পৰ্যায়ত যাতে কোনো ধৰণৰ ৰোগৰ দ্বাৰা জনসাধাৰণ আক্ৰান্ত নহয়, তাৰ বাবে প্ৰতিটো ৰাজহ চক্ৰৰ অধীনত চিকিৎসা শিবিৰ অনুষ্ঠিত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

বানপানীৰ ফলত গৃহ ক্ষতিগ্ৰস্ত হোৱা লোকসকলে যাতে শীঘ্ৰে গৃহ নিৰ্মাণ কৰিব পাৰে তাৰ বাবে তেনে লোকসকলৰ জৰীপ কৰি এখন তালিকা প্ৰস্তুত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ৰাজ্য চৰকাৰে এই লোকসকলৰ ক্ষতিগ্ৰস্ত গৃহ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পুঁজিও অতিশীঘ্ৰে মুকলি কৰি দিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আনহাতে, মুখ্যমন্ত্ৰীয়ে পশু খাদ্য লাভ কৰাটো সুনিশ্চিত কৰাৰ দিশত যথোচিত পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

আজিৰ এই ভিডিঅ' কনফাৰেন্সিঙৰ সময়ত বিভিন্ন জিলাৰ উপায়ুক্তসকলৰ স'তে থকা অভিভাৱক মন্ত্ৰীসকলক তেওঁলোকৰ দায়িত্বত থকা জিলাসমূহত উদ্ধাৰ-সাহায্য অভিযান যাতে নিয়াৰীকৈ পৰিচালিত কৰিব পাৰে তাৰ বাবে জিলা প্ৰশাসনক প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়াবলৈও মুখ্যমন্ত্ৰীয়ে কয়। বানপানীৰ পৰিস্থিতি উন্নত নোহোৱালৈকে অভিভাৱক মন্ত্ৰী আৰু সচিবসকলক সেই জিলাসমূহতে থাকিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আনহাতে বানপানীৰ প্ৰাবল্য হ্ৰাস পোৱাৰ পিছত ভঙা মথাউৰিসমূহ মেৰামতিৰ বাবেও মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

ভিডিঅ' কনফাৰেন্সিঙৰ সময়ত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকা, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, মুখ্য সচিব জিষ্ণু বৰুৱা, বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়া, সামৰিক বাহিনী, এনডিআৰএফ, এছডিআৰএফৰ বিষয়াসকল উপস্থিত থাকে। আনহাতে ভাৰ্চুৱেল মাধ্যমৰ যোগেদি ৰাজ্য চৰকাৰৰ কে'বাজনো মন্ত্ৰী, বায়ু সেনা, ৰে'লৱে বিভাগৰ শীৰ্ষ বিষয়াসকলেও অংশগ্ৰহণ কৰে।

বিভিন্ন অঞ্চলৰ বানাক্ৰান্তই সাহায্য নোপোৱাৰ অভিযোগ

ছিপাঝাৰৰ অগ্ৰদূত বাৰ্তা ঃ বান সাহায্যত বিসংগতি তথা চূড়ান্ত বিশৃংখলতাৰ বাবে দৰঙৰ উপায়ুক্তক আজি ধমক দিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বানাক্ৰান্তক তৎকালে বান সাহায্য প্ৰদান কৰিবলৈকো মুখ্যমন্ত্ৰীয়ে উপায়ুক্তক নিৰ্দেশ দিয়ে। উল্লেখ্য যে জিলাখনৰ বিভিন্ন স্থানত জিলা প্ৰশাসনৰ তৰফৰ পৰা বান সাহায্য প্ৰদানত চূড়ান্ত বিশৃংখলা সৃষ্টি হোৱাৰ অভিযোগ উত্থাপন কৰিছে বানাক্ৰান্তই। জিলাখনৰ ছিপাঝাৰ আৰু পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বহু অঞ্চলতে প্ৰশাসনে বান সাহায্য প্ৰদানত বিসংগতিৰ সৃষ্টি কৰাৰ অভিযোগ উঠিছে। ছিপাঝাৰত উপস্থিত হৈ বানাক্ৰান্তৰ অৱস্থাৰ বুজ লোৱাৰ সময়তে মুখ্যমন্ত্ৰীয়ে দুহাত খুলি বান সাহায্য প্ৰদান কৰিবলৈ উপায়ুক্তক নিৰ্দেশ দিছিল। তাৰ পাছতো জিলা প্ৰশাসনে বান সাহায্য প্ৰদানত লেহেম কৰাৰ বিষয়ে অৱগত হোৱাত মুখ্যমন্ত্ৰীয়ে আজি দৰঙৰ উপায়ুক্তক ধমক দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে বানাক্ৰান্তক সাহায্য প্ৰদানত গাফিলতিক তেওঁ কোনোপধ্যে সহ্য নকৰে। তৎকালীনভাৱে বানাক্ৰান্তক বান সাহায্য প্ৰদান কৰিবলৈকো মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ বাবে ৰাজ্যৰ উপায়ুক্তসকলক দিছপুৰৰ অনুমতিৰ প্ৰয়োজন নাই।

ইপিনে, পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত নগাঁও হাতীমাৰা, ভক্তপ্ৰাণ, দগীয়াপাৰা, দিপীলা, কমাৰগাঁও, শইকীয়াপাৰা, এক নম্বৰ চেঙাপাৰা, চেঙেলীয়াঝাৰ, কুমাৰ পাৰা, কেন্দুগুৰি আদি কে'বাখনো গাঁৱৰ বানাক্ৰান্তই বান সাহায্য লাভ নকৰাৰ অভিযোগ কৰিছে। সেইদৰে শ'লপাম, সোণাপুৰ, লাউজান, বছাচুবা, পাটগিৰি চুবা, কছাৰীদল লোক্ৰাই, পকাদলি, গোৱালঝাৰ আদি অঞ্চলত আজিলৈকে বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। এইবোৰ অঞ্চলৰ লোকেও বান সাহায্য নোপোৱাৰ অভিযোগ কৰিছে। ইয়াৰ উপৰি ছিপাঝাৰ পৌৰসভাৰ অধীনস্থ মাজচুবা, পাৰৈপাৰা, ত্ৰিনয়নপুৰৰ একাংশ বানাক্ৰান্তয়ো সাহায্য নোপোৱাৰ অভিযোগ কৰিছে। বানাক্ৰান্তসকলে ক্ষোভ প্ৰকাশ কৰি কয় যে সহায়ৰ সদিচ্ছাৰ অভাৱৰ বাবেই এনে বিসংগতিৰ সৃষ্টি হৈছে। বান পৰিস্থিতিৰ বুজ লোৱাৰ বাবে উপস্থিত হোৱা ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীকো ক্ষুব্ধ বানাক্ৰান্তসকলে সাহায্য লাভ নকৰাৰ কথা অৱগত কৰে।

প্ৰলয়ংকৰী বানপানীত ১৯ জিলাৰ

এক পৃষ্ঠাৰ পৰা পৰ্যন্ত ৰাজ্যৰ ১৯ খন জিলাত ৩৪৯ টা বিভিন্ন প্ৰকাৰৰ পথৰ ক্ষতিসাধন হৈছে। ইয়াৰে অধিকাংশ পথে বানে খণ্ড-বিখণ্ড কৰিছে অথবা যাতায়াতৰ অনুপযোগী কৰি খহাই নিছে। ফলত বেছিভাগ পথেই পুনৰ নিৰ্মাণ কৰিব লাগিব। এনে বিস্তৰ ক্ষতিৰ বাবে ৰাজ্যৰ সামগ্ৰিক যোগাযোগ ব্যৱস্থাটোত বাধাগ্ৰস্ত হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। তথ্য অনুসৰি, জিলাসমূহৰ ভিতৰত বৰপেটা, দৰং, নলবাৰী আৰু নগাঁৱতে সৰ্বাধিক পথৰ ক্ষতিসাধন এই পৰ্যন্ত হৈছে। দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি, দৰং আৰু নলবাৰীৰ সৰ্বাধিক ৬৯ টাকৈ পথ ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ পাছতে বৰপেটাত ৫৩ টা আৰু নগাঁৱত ৫১ টা পথৰ ক্ষতিসাধন এই বানত হৈছে। অন্যান্য জিলাবোৰৰ ভিতৰত বিশ্বনাথত এটা, বঙাইগাঁৱত আঠটা, কাছাৰত দুটা, চিৰাঙত তিনিটা, ধেমাজিত এটা, ধুবুৰীত চাৰিটা, গোৱালপাৰাত ২৬ টা, হাইলাকান্দিত পাঁচটা, হোজাইত ১০টা, কামৰূপত নটা, কোকৰাঝাৰত ১১ টা, লখিমপুৰত ১০ টা, মৰিগাঁৱত আঠটা, শোণিতপুৰত পাঁচটা আৰু তামুলপুৰত চাৰিটা পথৰ ক্ষতিসাধন হয়। পথবোৰৰ ভিতৰত গ্ৰাম্য পথৰ সংখ্যাই অধিক।

ইপিনে, ৰাজ্যত বানাক্ৰান্ত লোকৰ সংখ্যা আজি প্ৰায় ৫০ লাখলৈ বৃদ্ধি হয়। বানপীড়িতৰ বাবে ১,৪২৫ টা শিবিৰ স্থাপন কৰা হৈছে। সমান্তৰালভাৱে বন্যাৰ্তক উদ্ধাৰ অভিযানো অব্যাহত আছে। জটিল পৰিস্থিতিৰ বাবে উদ্ধাৰ অভিযানত আজিও বৰপেটাকে ধৰি কে'বাখনো জিলাত সেনা নিয়োগ কৰা হয়। বানত মৃত্যু আৰু সন্ধানহীন লোকৰ সংখ্যা আজি ২১ হয়। দুৰ্বল হৈ পৰা ছটা মথাউৰি ভাঙি যোৱাত এই বানত ককবকাই থকা জিলাসমূহ হ'ল— বজালী, বাগ্‌সা, বৰপেটা, বিশ্বনাথ, বঙাইগাঁও, কাছাৰ, চিৰাং, দৰং, ধেমাজি, ধুবুৰী, ডিব্ৰুগড়, ডিমা হাছাও, গোৱালপাৰা, গোলাঘাট, হাইলাকান্দি, হোজাই, কামৰূপ, কামৰূপ মহানগৰ, পশ্চিম কাৰ্বি আংলং, কৰিমগঞ্জ, কোকৰাঝাৰ, লখিমপুৰ, মাজুলী, মৰিগাঁও, নগাঁও, নলবাৰী, শিৱসাগৰ, শোণিতপুৰ, দক্ষিণ শালমাৰা, তামুলপুৰ, তিনিচুকীয়া আৰু ওদালগুৰি। বানৰ কবলত পৰা যোৰহাট জিলা আজি চলিত বানৰ প্ৰভাৱৰ পৰা মুক্ত হয়। ব্ৰহ্মপুত্ৰৰ উপৰি বেঁকী, মানাহ, পাগলাদিয়া, পুঠিমাৰী, কপিলী আৰু সোৱণশিৰী নদী বিপদ সীমাৰ ওপৰেৰে বৈ থকাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ পশ্চিম অসমৰ লগতে নগাঁও, পশ্চিম কাৰ্বি আংলং আৰু ধেমাজি জিলাৰ বান পৰিস্থিতি যথেষ্ট জটিল হৈ থকা বুলি দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্যত প্ৰকাশ।

প্ৰতিষ্ঠান ধ্বংস-সমাজ ধ্বংস (৩)

এক পৃষ্ঠাৰ পৰা মাজত অলেখ-অজস্ৰ-প্ৰচণ্ড বৈপৰীত্যৰ অৱস্থান আছে। এইটোৱেই কিজানি এটা ধৰ্ম য'ত ভগৱান বিশ্বাসো আছে আৰু নিৰীশ্বৰবাদো আছে। ভগৱান আছেও নাইও। এইটোৱেই কিজানি এটা ধৰ্ম যিটো এফালে অত্যন্ত জটিল-সাঁথৰ সদৃশ আৰু আনফালে পানীৰ নিচিনা সৰল। এইটোৱেই কিজানি এটা ধৰ্ম য'ত বাস্তৱতঃ যাৰে যি মন যায় কৰিব পাৰে। এনেকুৱা উন্মুক্ত ধ্যান-ধাৰণা, কথা-বতৰা অন্য কোনো ধৰ্মতে দেখা নাযায়। হিন্দু ধৰ্মৰ মানুহৰ স্বাধীনতা অপাৰ। এই ধৰ্মৰ অভ্যন্তৰত ইমান সংঘাত আছে যে সদায়েই এই ধৰ্মত সংস্কাৰ অৱধাৰিত ৰূপত দেখা পোৱা গৈছে।

ইহুদী ধৰ্মতকৈয়ো পুৰণা এই ধৰ্মৰ আদিম ৰূপ কি আছিল— জনা নাযায়। অনুমানো কৰা কঠিন। সাংখ্য দৰ্শন বা উপনিষদৰ গভীৰ তত্ত্বসমূহৰ লগত যাগ-যজ্ঞ, বলি-বিধান, অস্পৃশ্যতা, জাতিভেদ প্ৰথা কেনেকৈ সোমালহি সেয়া এক দুৰ্বোধ্য সাঁথৰ। বিভিন্ন সময়ত বিভিন্ন ঠাইত এই ধৰ্ম সংস্কাৰৰ প্ৰয়োজন কেনেদৰে অনুভূত হ'ল অৰ্থাৎ শংকৰাচাৰ্য-চৈতন্যদেৱ-কবীৰ-গুৰুনানক-শংকৰদেৱ আদি সকলে কিয় হিন্দু ধৰ্মক নতুন চোলা পিন্ধালে সেইবিলাক কথাও ভালদৰে পোহৰলৈ নাহিল।

খ্ৰীষ্টান-ইছলাম-বৌদ্ধ-ইহুদী আদি ধৰ্মৰ যি সাংঘাতিক সাংগঠনিক কাঠামো, নিয়ম-নীতি, বাধ্যবাধকতা দেখা যায়, তাৰ বিপৰীতে এই সংস্কাৰমুখী ধাৰাবিলাকে যিমান সহজভাৱে বা যিমান সলসলীয়াকৈ নতুন ৰূপ পৰিগ্ৰহ কৰিলে সেয়া অধ্যয়নৰ বিষয়। এইটোৱেই হিন্দু ধৰ্মৰ আটাইতকৈ শক্তিশালী চৰিত্ৰ।

সেয়ে শংকৰদেৱে যেতিয়া নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ সৰ্বভাৰতীয় ধাৰাটো ব্ৰহ্মপুত্ৰ উপত্যকালৈ লৈ আনিছিল, তেতিয়া ই মাটিত বীজ গজাৰ নিচিনাকৈ ভৰভৰকৈ গজি উঠিছিল। প্ৰথমৰ ছোৱাততো ৰজা বা শাসকসকলৰ পৰা একোৱেই বাধা পোৱা নাছিল। নাম কীৰ্তন কৰি থকা আৰু নৃত্য-গীত-বাজনা-অভিনয়ৰ মাজতে নিজকে সীমিত কৰি ৰখা মানুহবিলাকৰ পৰা শাসক পক্ষই সন্দেহ বা ভয় বা আশংকা কৰিবলগীয়া কিবা আছে বুলি ভবা নাছিল। পাছত যেতিয়া ৰজাৰ আদেশো অৱজ্ঞা কৰি মানুহবিলাকে কাম-কাজলৈ পিঠি দিছিল, তেতিয়াহে ৰজাৰ খং উঠিছিল, ৰাজ্যত এক সমান্তৰাল প্ৰশাসন চলিছে বুলি।

তথাপি শংকৰদেৱ বা মাধৱদেৱ বা আন এজন দুজন কিছু পৰিমাণে নিগৃহীত হৈছিল যদিও সামগ্ৰিকভাৱে নব্য বৈষ্ণৱবাদত দীক্ষিত চামে তেওঁলোকৰ নতুন দীক্ষা-জ্ঞানৰ শক্তিৰে শক্তিমান হৈ লাহে লাহে সমাজত খোপনি পুতিব পৰা হৈছিল। শংকৰদেৱ-মাধৱদেৱ তেতিয়াৰ কোচ ৰাজ্যত আশ্ৰয়প্ৰাৰ্থী হৈ আছিলগৈ যদিও এই নতুন বৈষ্ণৱ চামে নিজস্ব ধৰণে এক সামাজিক আৰু ধৰ্মীয় মূল্যবোধৰ ভেটি তৈয়াৰ কৰিছিল।

সেয়ে যেতিয়া শংকৰদেৱৰ পাছত মাধৱদেৱে, মাধৱদেৱৰ পাছত মথুৰা দাস বুঢ়া আতা, গোপাল আতা, বদলা আতা, দামোদৰদেৱ, হৰিদেৱ আদি গুৰুসকলে শংকৰদেৱৰ আদৰ্শ আৰু সৃষ্টিৰাজিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কামত ব্ৰতী হৈছিল, তেতিয়া তেওঁলোকে এইসকলে সৃষ্টি কৰি যোৱা এখন সাৰুৱা ক্ষেত্ৰ পাইছিল। এই ক্ষেত্ৰখন সৃষ্টি হৈছিল নামঘৰবিলাকক কেন্দ্ৰ কৰি আৰু নামঘৰবিলাকক কেন্দ্ৰ কৰি ঠায়ে ঠায়ে সৃষ্টি হোৱা সত্ৰবিলাকক কেন্দ্ৰ কৰি। ভাৰতীয় ঋষি-মুনিসকলৰ আশ্ৰমত সৃষ্টি হোৱা গুৰু-শিষ্য পৰম্পৰাৰ দৰে সত্ৰবিলাকতো এটা heirarchial অৰ্থাৎ পদৱী অনুক্ৰমে গঢ় দি তোলা প্ৰশাসনীয় ব্যৱস্থা গঢ় লৈ উঠিছিল। সিদ্ধান্তসমূহ তলৰ পৰা বিভিন্ন বিচাৰ-বিবেচনাৰ মাজেৰে ওপৰলৈ গতি কৰিছিল আৰু সৰ্বশেষত সত্ৰাধিকাৰে কথাবিলাক ঘোষণা কৰিছিল। এক স্বচ্ছ গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰচলন হৈছিল।

মানুহবিলাকে নতুনকৈ উপলব্ধি কৰা নিজৰ অধিকাৰ তথা শক্তিৰে পৰিচালিত হৈছিল। জনতাৰ শক্তিৰ এই স্ফুৰণ বা প্ৰকাশ বা বিস্ফোৰণ বা উদ্‌গীৰণ আমি দেখিবলৈ পাওঁ মোৱামৰীয়া বা মায়ামৰা বিদ্ৰোহত যাৰ সন্মুখত আহোম ৰাজশক্তি তচনচ হৈ পৰিছিল।

গতিকে নামঘৰসমূহক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সামাজিক শক্তিকে আমি অসমৰ আত্মাৰ শক্তি বুলি অভিহিত কৰিব পাৰো। সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় সকলো মানুহেই নামঘৰবিলাকৰ সুগন্ধি সুবাস অলপ হ'লেও পাইছে। নামঘৰ মন্দিৰ নহয়, ই কেৱল উপাসনাগৃহও নহয়। ই এটা সামাজিক প্ৰতিষ্ঠান য'ত সমাজৰ অপকৰ্মৰ বিচাৰ হয়, য'ত ভাওনা-নাটৰ আখৰা হয়, য'ত মুনিহ-তিৰোতা সকলোৱে মিলি আধ্যাত্মিকতাৰ চৰ্চা কৰে, যি নামঘৰৰ অধীনস্থ গাঁওখনৰ খেতি-বাতি-সমাজ উন্নয়নৰ কাম-কাজো পৰিচালনা কৰে। নামঘৰে ক'লে সমুদায় ৰাইজ পথাৰলৈ যায়, মাছ মাৰিবলৈ যায়, বিহুৰ হুঁচৰিলৈ ওলায়, মাঘ বিহুৰ উৰুকাৰ ভোজলৈ ওলায়, ৰাস্তা মেৰামতিলৈ ওলায়, নলা-নৰ্দমা-খাল চাফা কৰিবলৈ ওলায়।

এই নামঘৰৰ কথাই ৰসৰাজে লিখিলে— এই নামঘৰৰ মণিকূটতে গুৰু আসনে থিতাপি ল'লে, এই নামঘৰেই অজস্ৰজনক শৰণ দিলে, এই নামঘৰতে দবা, শংখ, উৰুলিৰ মংগলময় ধ্বনি শুনা গ'ল, এই নামঘৰৰে পিৰালি লিপি দুখীয়া বাৰী-বিধৱাজনী ধন্য হ'ল— এই নামঘৰতে মাহ প্ৰসাদ খাই সকলো তৃপ্ত হ'ল— ওচৰ-দূৰণিলৈ বুলি বাট লোৱা জনেও এই নামঘৰলৈকে বুলি সেৱা এটা আগবঢ়াই গ'ল। এই নামঘৰ অসমীয়াৰ এনে এটা আত্মিক সম্পদ যে নতুনকৈ জগা গৰুজনীৰ প্ৰথম গাখীৰকণ নামঘৰলৈকে আগবঢ়াইহে মানুহে শান্তি পায়। পৰীক্ষাত বহিবলৈ গৈ এই নামঘৰতে মূৰ দোঁৱাইহে পৰীক্ষাৰ্থী যায়।

এই নামঘৰটো অসমীয়া জাতিসত্তাৰ পৰম বান্ধৱ-মানসিক আশ্ৰয় স্থল— centre of gravitation।

কিন্তু—

কিন্তু—

কিন্তু— এই নামঘৰটোক আমি কি কৰিলো? ৩০ ঘৰ মানুহৰ গাঁওখনত তিনিটা নামঘৰ কেনেকৈ হ'ল? কিয় হ'ল? মানুহবিলাকক কোনে এনেকৈ ফালি পেলালে? নামঘৰ গ'ল মানে অসমীয়া সমাজ গ'ল। নামঘৰ ফালিল মানে অসমীয়া সমাজ ফাটিল। অসমীয়া সমাজ গ'ল মানে অসমীয়া জাতি গ'ল। অসমৰ বিপৰ্যয় হ'বলৈ আৰু বাকী নৰ'ল।

মোৰ মা ঢুকাওতে ওচৰ-পাঁজৰৰ গাঁওবিলাকৰ সকলো মানুহকে শ্ৰাদ্ধ-ভোজলৈ নিমন্ত্ৰণ কৰিছিলো; কিন্তু শংকৰ সংঘৰ প্ৰভাৱাধীন পৰিয়ালবিলাকৰ কোনো নাহিল কাৰণ আমি বোলে ব্ৰাহ্মণ মানুহ! আনকি আমাৰ বাৰীৰ কাণৰ মানুহঘৰো একে কাৰণতে নাহিল— ঢুকোৱাৰ দিনা চোতালত থিয় হ'বলৈকো।

এনে অসমীয়া জাতিক কোনে ৰক্ষা কৰিব পাৰিব! শংকৰদেৱতো এনেকুৱা নাছিল! ইমানবোৰ সাংস্কৃতিক সম্পদ সৃষ্টি কৰিব পৰা মানুহৰ মন এনেকুৱা নীচ হ'বই নোৱাৰে। এই শংকৰ সংঘক ভালকৈ বিচাৰ কৰিব লাগে— তেওঁলোকে মানুহক এইবোৰ কি শিকাইছে!

কেণা আচলতে বহুত আগতেই লাগিছিল। নামঘৰৰ লগত জড়িত অসমীয়া সমাজখনে জড়তাকে প্ৰাধান্য দি থাকিল। একো প্ৰকাৰে নিজকে সলনি কৰিবলৈ চেষ্টা নকৰিলে। কাঠ-বাঁহৰ খুঁটা চাৰিটা সলাওতেই ১০ বছৰ লগালে! তাতকৈ পাছত কাম আৰম্ভ কৰা মছজিদৰ এশ ফুট ওখ মিনাৰ আগতেই শেষ হ'ল! নামঘৰৰ লগত জড়িত মানুহখিনি টকা-পইচা (কষ্ট কৰি কাম কৰি ধন ঘটা) কৰা মানুহ নহ'ল— চৌৰ্য বৃত্তিৰেহে ধন ঘটা মানুহ হ'লগৈ! ইমান গুৰুত্বপূৰ্ণ সামাজিক প্ৰতিষ্ঠানটোলৈ— তাৰ উন্নতিকল্পে, হেজাৰ হেজাৰ, লাখ লাখ টকাৰ অনুদান আহিব লাগিছিল। সেই পুৰণা ধৰণেই ভাগৱত ব্যাখ্যা কৰি থকাৰ সলনি গ্ৰীক, ৰোমান, মিছৰ, মায়া, ইনকা সভ্যতা— Old Testament, New Testament, শিখ ধৰ্ম, জৈন ধৰ্ম, বৌদ্ধ ধৰ্ম, জনজাতীয় ধৰ্মীয় বিশ্বাস আদিৰ কথা পাতিব পৰা মানুহৰ সংগমস্থল কৰিব পাৰিব লাগিছিল। কেৱল শ্ৰীকৃষ্ণতে আবদ্ধ নাথাকি বেদ-পুৰাণ-গীতাৰ কথাও পাতিব লাগিছিল, অপেন হাইমাৰ-ফাইনমেন-টি এছ ইলিয়ট আদিৰ কথাও পাতিব লাগিছিল। কোৰান-বাইবেল-মীৰাবাঈৰ কথাও পাতিব লাগিছিল। শিৱ-সৰস্বতী-নাৰায়ণৰ ১০৮টাকৈ নামনো কেনে উৰ্বৰ কল্পনা বা সৃষ্টিশীল সাহিত্যৰ ফচল সেইবিলাক কথাও পাতিব লাগিছিল।

ধৰ্ম ঠেক গণ্ডীত ৰখা বস্তু নহয়। সংকীৰ্ণ কৰি পেলোৱাৰ কাৰণেই আজি ইছলাম ধৰ্মৰ প্ৰতি মানুহৰ এলাৰ্জি সৃষ্টি হৈছে বা হিন্দুত্বৰ প্ৰতি মানুহৰ ঘৃণা উপজিছে।

আন কিবাক কিবা কৰিলেও, আমি অন্ততঃ নামঘৰটোক এনেকুৱা কৰিব নালাগিছিল। নামঘৰৰ মানসিক কলেবৰ আমি বহলাব পাৰিব লাগিছিল। গুৱাহাটীত থকা শিলপুখুৰী, পল্টনবজাৰত থকা নামঘৰ আধুনিকতাৰ চাপত চেপেটা মৰাৰ নিচিনাকৈ অসমৰ সৰ্বত্ৰ নামঘৰবিলাক কেৱল ঢিমিক-ঢামাককৈ জ্বলি থকা চাকিটিৰ নিচিনাহে হৈছেগৈ। ক'ৰবাত ক'ৰবাত কিছুমান নামঘৰ থিয় হৈ হয়তো থাকিব পাৰিছে; কিন্তু প্ৰায়বোৰ ঠাইতে পুৱা-গধূলিৰ চাকি-বন্তিগছিৰ বাবে টনাটনি। মানুহে মনেই নকৰে— নিদিয়েই একো। সকলোৱেই ইয়াক পুণ্য কৰিবলৈ যোৱা ধৰ্মীয় স্থান বুলিয়ে ভাবে। অথচ ই এক বৃহৎ প্ৰতিষ্ঠান আছিল, জ্যোতিপ্ৰসাদেতো নামঘৰে নামঘৰে অসমীয়া বোলছবি দেখুওৱাৰ কথাও ব্যক্ত কৰিছিল।

এইটো এটা Symbolic statement আছিল। তাৰ অন্তৰালত কোৱা কথাটো আছিল যে নামঘৰবিলাক অসমক পুনৰুজ্জীৱিত কৰাৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ হওক।

নামঘৰৰ স্খলন অসমীয়া জাতিৰ বিফলতাৰ আটাইতকৈ ডাঙৰ উদাহৰণ। এটা মছজিদ বা এটা গুৰুদ্বাৰ বা এটা গিৰ্জা আৰ্থিকভাৱে যিমান সচ্ছল, সেইবিলাকত যিমান সমসাময়িক কথাৰ চিন্তা-চৰ্চা হয়, সেইবিলাকত যিমান চাকৰি-বৃত্তি-কাম-শিক্ষা-ছাত্ৰ-ছাত্ৰীৰ কথা পতা হয়, আমাৰ নামঘৰবিলাকত তাৰ তুলনাত একোৱেই নহয়। গুৰুদ্বাৰ একোটাই যিমান মানুহক বিনামূলীয়াকৈ খুৱায়, যিমান প্ৰাকৃতিক দুৰ্যোগত সাহায্য দিয়ে, কোনো নামঘৰেই নিদিয়ে। এই ক্ষেত্ৰত মছজিদ-গিৰ্জায়ো একো কৰা দেখা নাযায়। কৰে যদি কেৱল নিজৰ ধৰ্মৰ মানুহৰ কাৰণেহে কৰে।

নামঘৰটোৱে আমাক দিবলৈ শিকাইছিল— ল'বলৈ নহয়। নামঘৰ ধ্বংস কৰি অসমীয়া মানুহে কাকো একো দিব নোৱাৰা হৈ গ'ল। হৈ পৰিল কেৱল হাত পতা ভিক্ষাৰী।

মছজিদ-গুৰুদ্বাৰ-বৌদ্ধ বিহাৰ-গিৰ্জাৰ হেজাৰ হেজাৰ চকুত লগা ডিজাইন— চমকপ্ৰদ সাজ-সজ্জাৰ বিপৰীতে আমাৰ নামঘৰবিলাকৰ কোনো বিশেষ স্থাপত্য-আৰ্হি-ডিজাইন চকুতেই নপৰে, মানুহক আকৰ্ষণ কৰা চমৎকৃত কৰাটো বাদেই। গধূলি বা যিকোনো সময়ত গৈ অকণমান সময় বহোঁগৈ বুলি যাবলৈ যেনেকৈ বাহাই মন্দিৰ বা অক্ষৰধাম মন্দিৰ আছে, আমাৰ নামঘৰটোৰ তেনেকুৱাকণো নাই।

অসমীয়াৰ নামঘৰ নিস্তেজ-ক্লীৱ-হেলান পৰা— অনান্দনিক। আমি এই সুন্দৰ প্ৰতিষ্ঠানটো ধৰি ৰাখিব নোৱাৰিলো। চৰকাৰী অনুদানেৰে নামঘৰো দীৰ্ঘস্থায়ী নহয়, অসমীয়া জাতিও দীৰ্ঘস্থায়ী নহয়।

ফোন ঃ ৯৮৬৪০-৪৪৪৭০

মৰিয়নি মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহৰ আয়োজন

অগ্ৰদূত বাৰ্তা

মৰিয়নি, ২০ জুন ঃ ঐতিহ্যমণ্ডিত মৰিয়নি মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত বিভাগটোৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ এক সমাৰোহ অহা ২৭ জুনত আয়োজন কৰা হৈছে। মহাবিদ্যালয়ৰ কলা শাখাৰ বাকৰিত আয়োজন কৰা উক্ত সমাৰোহত পুৱাৰে পৰা বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। উল্লেখ্য যে প্ৰতিষ্ঠাৰ ৫৭ বছৰত ভৰি দিয়া মৰিয়নি মহাবিদ্যালয়ৰ পৰা শিক্ষা বিভাগত অধ্যয়ন কৰি বহু শতাধিক ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈ প্ৰতিষ্ঠা লাভ কৰিছে। উক্ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অনুষ্ঠানলৈ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰ সকলক উদ্যোক্তাসকলে নিমন্ত্ৰণ জনাইছে আৰু সকলোৰে অংশগ্ৰহণ কামনা কৰিছে। এই সন্দৰ্ভত ৯৬৭৮০৭৪৯৩৯, ৯১০১৮-০৫৪৭১ অথবা ৬০০০৩২০৮৬০ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

■ তালাপ কৰ্দৈগুৰিৰ যুৱকৰ পদক্ষেপ

প্ৰায় ন কিলোমিটাৰ দৈৰ্ঘ্যৰ পথৰ দুয়োকাষে ৰোপণ কৰিলে গছপুলি

অগ্ৰদূত বাৰ্তা

তালাপ, ২০ জুন ঃ পাঁচ জুনত বিশ্ব পৰিৱেশ দিৱসৰ নামত একাংশ প্ৰকৃতিপ্ৰেমী, দল-সংগঠন তথা ব্যক্তিবিশেষে পথৰ কাষত, অনুষ্ঠান-প্ৰতিষ্ঠান আদিত গছপুলি ৰোপণ কৰি ব্যাপকভাৱে প্ৰচাৰ কৰি অহা পৰিলক্ষিত হয়। কিন্তু একেঠাইতে বছৰে বছৰে গছপুলি ৰোপণ কৰি থাকিব লগা মানেই হৈছে ৰোপণৰ পাছত প্ৰতিপালন নকৰা। সেই ৰাজহুৱা ঠাইতেই গছপুলি ৰোপণ কৰাৰ লগতে গছপুলি কেইটা যাতে ভৱিষ্যতে একোজোপা বৃক্ষলৈ পৰিৱৰ্তন কৰিব পাৰি তাৰেই প্ৰচেষ্টাৰে আগবাঢ়িছে কেইজনমান যুৱকে। তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত তালাপ কৰ্দৈগুৰি অঞ্চলৰ ধূলিজান গাঁৱৰ (বৰ্তমান ৰূপাই লাচিত নগৰৰ নিবাসী) দিগন্ত মৰাণ আৰু অনিৰুদ্ধ মৰাণৰ উদ্যোগত ধূলিজান বেতনী ৰাইজৰ সহযোগত প্ৰায় ন কিলোমিটাৰ দৈৰ্ঘ্যৰ দাইচাজান নদীৰ পৰা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথ তালাপ শিমলুগুৰিলৈকে পথটোৰ দুয়ো কাষে দুহেজাৰো অধিক গছপুলি ৰোপণ কৰে। পথটো ধূলিজান, বেতনী, গাখীৰভেটি, চামগুৰি, খোৱাং আদি কৰি কে'বাখনো গাঁৱৰ মাজেৰে গৈছে। পাঁচ জুনত আৰম্ভ কৰা গছপুলি ৰোপণ কাৰ্যসূচী অবিৰতভাৱে কৰি কালি সামৰণি মাৰে। যুৱক দুজনে গছপুলি অনা, ৰোপণ আৰু নিৰাপত্তাৰ বাবে নিজে খৰচ বহন কৰাৰ উপৰি ধূলিজান আৰু বেতনী গাঁৱৰ ব্যক্তি বিশেষে দান-বৰঙণি প্ৰদান কৰিছে। ৰোপণ কৰা গছপুলি বিলাক এবছৰলৈকে চোৱাচিতা কৰিবৰ বাবে দুজন লোকক দৰমহা দি দায়িত্ব দিয়াৰ কথাও চিন্তা-চৰ্চা কৰিছে।

হুৰামাৰাত বানপীড়িতৰ কাষত তুলুঙীয়া দীনদয়াল মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ সাহায্য

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ২০ জুন ঃ বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত হুৰামাৰাত আইনৈৰ বাঢ়নী পানীত ঘৰ-বাৰী এৰি নিৰাপদ স্থানত আশ্ৰয় লোৱা পৰিয়ালৰ কাষত যোৱা ১৯ জুনত বান সাহায্য লৈ উপস্থিত হ'ল তুলুঙীয়াস্থিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকল। মহাবিদ্যালয়খনৰ এনএছএছ গোটৰ উদ্যোগত শিক্ষক গোটৰ সহযোগত জিলাখনৰ হুৰামাৰা দ্বিতীয় খণ্ডত বানৰ কৱলত পৰা ৬০ টা পৰিয়ালৰ মাজত একোটাকৈ প্লাষ্টিকৰ বাল্টি, মগ, শ্বেনিটাৰী পেড, কাপোৰ আৰু গা-ধোৱা চাবোন, মুৰি, গাখীৰৰ পেকেট, বুট, বিস্কুট, কেক আদি বিতৰণ কৰে। দলটোত এনএছএছৰ কাৰ্যক্ৰম বিষয়া, এনএছএছৰ ১৪ গৰাকী স্বেচ্ছাসেৱক আৰু শিক্ষকে বান সাহায্য বিতৰণ কাৰ্যত উপস্থিত থাকে।

বিলাসীপাৰা মহকুমাৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কেএচিৰ কাৰ্যবাহী সদস্য জীৱেশ ৰায়ৰ

অগ্ৰদূত বাৰ্তা

চাপৰ, ২০ জুন ঃ সমগ্ৰ ৰাজ্যৰ লগতে ধুবুৰী জিলাৰ বান পৰিস্থিতিও ক্ৰমাৎ জটিল হৈ আছে। জিলাখনৰ বিলাসীপাৰা মহকুমাৰ মাজেৰে যোৱা গৌৰাং আৰু সোণকোষ নৈৰ বাঢ়নী পানীয়ে ক্ৰমাৎ জটিল ৰূপ লোৱাত মহকুমাটোৰ বিলাসীপাৰা চহৰৰ লগতে হাকামা, যমদুৱাৰ, লক্ষীগঞ্জ, কৈমাৰী, তাৰংপুৰ, খুদীগাঁও, এলেংমাৰী, উদমাৰীকে ধৰি অধিকাংশ অঞ্চল বানৰ কৱলত পৰিছে। কালি বন্যাৰ্ত ৰাইজৰ অৱস্থাৰ বুজ লোৱাৰ উদ্দেশ্যে কেএচিৰ কাৰ্যবাহী সদস্য তথা বিজেপিৰ অসম প্ৰদেশ অবিচি মৰ্চাৰ সম্পাদক জীৱেশ ৰায়ে চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ দল তথা চিকিৎসা আৰু সাহায্য সামগ্ৰীসহ উক্ত বানপিড়ীত অঞ্চলসমূহ পৰিদৰ্শন কৰে। ৰায়ৰ লগতে বিজেপিৰ ৰাণীগঞ্জ মণ্ডলৰ সভাপতি কৃষ্ণ চন্দ্ৰ নাথ, সংখ্যালঘু মৰ্চাৰ সভাপতি আকু সৰকাৰসহ সঁজাতী দলটোৱে উক্ত অঞ্চলসমূহ পৰিভ্ৰমণ কৰাৰ লগতে কে'বাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি সাহায্য সামগ্ৰী বিতৰণ কৰে। লগতে বন্যাৰ্ত ৰাইজৰ স্বাস্থ্য পৰীক্ষাৰো ব্যৱস্থা কৰোৱায় আৰু চিকিৎসা সামগ্ৰীও প্ৰদান কৰে। ইফালে, বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক ছামছুল হুদাই সমষ্টিটোৰ অন্তৰ্গত আনন্দ নগৰ এ পি স্কুল, বেপাৰীপাৰা এল পি স্কুল, বেপাৰীপাৰা হাই মাদ্ৰাছা আৰু সূৰ্য থাতা এল পি স্কুলত থকা আশ্ৰয় শিবিৰ আৰু লগতে হলদিবাৰী, কাঠালগুৰি, কুৰ্যাকাটি, ছছলাপাৰা আদি অঞ্চলৰ বানাক্ৰান্ত পৰিয়ালসমূহৰ ক্ষয়-ক্ষতিৰ বুজ লৈ বানাক্ৰান্ত পৰিয়ালসমূহৰ মাজত কিছু খাদ্য সামগ্ৰী বিতৰণ কৰে।

চিৰাং জিলা প্ৰেছ ক্লাবৰ উপদেষ্টা চিকিৎসাধীন ঃ আশু আৰোগ্য কামনা

অগ্ৰদূত বাৰ্তা

গৰুভাষা, ২০ জুন ঃ চিৰাং জিলা প্ৰেছ ক্লাবৰ উপদেষ্টা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য, কোচ ৰাজবংশী ভাষাৰ মুখ্য আহ্বায়ক, বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, সাহিত্য সেৱী অমৃত নাৰায়ণ পাটগিৰি সম্প্ৰতি চিকিৎসাধীন অৱস্থাত আছে। কিছুদিন আগতে পৰি ভৰি ভঙাৰ লগতে মেলিনাত আক্ৰান্ত হৈ বঙাইগাঁও অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। বৰ্তমান শৰীৰত হিম'গ্লবিনৰ পৰিমাণ কমি যোৱাত ইতিমধ্যে তিনি ইউনিট ৰক্ত (ব্লাড) দিয়া হৈছে। ডঃ পি কে দেৱনাথৰ তত্ত্বাৱধানত চিকিৎসাধীন হৈ থকা লোকজনৰ আশু আৰোগ্য কামনা কৰে চিৰাং জিলা প্ৰেছ ক্লাব, কোচ ৰাজবংশী ভাষাৰ আহ্বায়ক সমিতি আৰু অসম সাহিত্য সভাই।

■ শেষ আশ্ৰয় বৃদ্ধাশ্ৰমৰ সিদ্ধান্ত ■ আৰক্ষী থানাত এজাহাৰ দাখিল

পুত্ৰ-বোৱাৰী-নাতিনীৰ দ্বাৰা প্ৰহৃত ৮০ বছৰীয়া বৃদ্ধা



অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ২০ জুন ঃ নিজ পুত্ৰ- বোৱাৰী আৰু নাতিনীৰ দ্বাৰা প্ৰহৃত হৈ এগৰাকী আশীতিপৰ বৃদ্ধা ঘৰৰ পৰা পলায়ন কৰিব লগা ঘটনা এটি পোহৰলৈ অহাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। পাছত বৃদ্ধাগৰাকীয়ে ন্যায় বিচাৰি তিনিওৰ বিৰুদ্ধে শুৱালকুছি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। মানৱতাক ভূ-লুণ্ঠিত কৰা ঘটনাটি সংঘটিত হৈছে বস্ত্ৰ নগৰী শুৱালকুছিৰ পশ্চিম পঞ্চায়তৰ দক্ষিণ সিদ্ধেশ্বৰ পাহাৰত। বৃদ্ধাগৰাকীৰ ভাষ্য মতে, দক্ষিণ সিদ্ধেশ্বৰ পাহাৰৰ অশ্বনী বালা দাস নামৰ ৮০ বছৰীয়া বৃদ্ধা এগৰাকীক তেওঁৰ পুত্ৰ সনক দাস, বোৱাৰী নিকু দাস আৰু নাতিনী আকাংক্ষা দাসে বিভিন্ন অত্যাচাৰ কৰাৰ অভিযোগ। অনবৰতে শাৰীৰিক- মানসিক অত্যাচাৰ চলায় বৃদ্ধাগৰাকীৰ ওপৰত । বিনা কাৰণত বৃদ্ধাগৰাকীক চৰ-ভুকু-লাঠি মাৰি অত্যাচাৰ কৰে। বিগত ২০ বছৰে স্বামী হীনা মহিলাগৰাকীয়ে নিজে ৰান্ধি খোৱা লোৱা কৰে যদিও এওঁলোকৰ অত্যাচাৰত বহুকেইদিন লঘোণে থাকিব লগা হয় বুলি তেওঁ অভিযোগ কৰে। এনেদৰে বছৰৰ পাছত বছৰ ধৰি নিৰ্যাতন সহ্য কৰি দিন পাৰ কৰিছিল। অত্যাচাৰ চৰম সীমাত উপনীত হোৱাত যোৱা ন জুনত বৃদ্ধাগৰাকীয়ে নিজ ঘৰ ত্যাগ কৰি আশ্ৰয় লয় মাতৃৰ পৰিয়ালত। শেষত উপায়ান্তৰ হৈ পুত্ৰ-বোৱাৰী, নাতিনীৰ বিৰুদ্ধে ১৮ জুনত শুৱালকুছি আৰক্ষী থানাত এজাহাৰ দি বৃদ্ধাশ্ৰমত শেষ আশ্ৰয় লোৱাৰ ইচ্ছা প্ৰকাশ কৰে আৰক্ষীৰ ওচৰত। আৰক্ষীয়ে ৮০-২২ গোচৰ ৰুজু কৰি বৃদ্ধাগৰাকীৰ বিবাহিতা জীয়ৰী সুৰমা দাসৰ জিম্মাত দিয়ে।

ইফালে, সকলো ঘটনা জানিও নিৰ্দিষ্ট দূৰত্বত অৱস্থান কৰিছে বৃদ্ধাগৰাকীৰ দ্বিতীয় পুত্ৰ ৰঞ্জিত দাসে। বৃদ্ধাগৰাকীৰ দুৰৱস্থাৰ বাবে সমানে জগৰীয়া ৰঞ্জিত দাস। তেওঁকো আইনৰ আওতাত আনিবলৈ আৰক্ষীক দাবী জনাই ৰাইজে। এগৰাকী জন্মদাত্ৰী মাতৃ দুটাকৈ পুত্ৰ সন্তান থাকোতে জীৱন শেষৰ সময়ছোৱাত বৃদ্ধাশ্ৰমত থাকিব লগা পৰিৱেশ সৃষ্টি হোৱাতো গৰ্হিত আৰু লজ্জাজনক বুলি মন্তব্য কৰিছে সচেতন ৰাইজে। ইয়াৰ উচিত বিচাৰ কৰিবলৈ প্ৰশাসনক অনুৰোধ জনায়।

চিনামৰাৰ শিক্ষানুষ্ঠানত ৰাভা দিৱস উদ্‌যাপন।

বান-খহনীয়াৰ স্থায়ী সমাধানৰ দাবী

■ মথাউৰিত বছৰ বছৰ ধৰি আশ্ৰয় লোৱা লোকক পুনৰ সংস্থাপনৰ আহ্বান সৃজনগ্ৰামৰ বহু সংগঠনৰ

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ২০ জুন ঃ বঙাইগাঁও জিলাৰ সৃজনগ্ৰামৰ বানপানী, খহনীয়াৰ স্থায়ী সমাধান, মথাউৰিত আশ্ৰয় লৈ থকা গৃহহীন, ভূমিহীন লোকক পুনৰ সংস্থাপন কৰাকে ধৰি বিভিন্ন দাবী সম্বলিত এখন স্মাৰকপত্ৰ আজি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ হাতত প্ৰদান কৰে অঞ্চলটোৰ কে'বাটাও সংগঠনে। জিলাখনৰ সৃজনগ্ৰাম অঞ্চলৰ হুৰামাৰা অঞ্চলত আইনৈৰ বানপানী, খহনীয়া আৰু নৱনিৰ্মিত মথাউৰি পৰিদৰ্শন কৰাৰ পাছত আজি বঙাইগাঁৱত অঞ্চলটোৰ সমস্যা সন্দৰ্ভত সংগঠনকেইটাই মন্ত্ৰীজনক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদান কৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সৃজনগ্ৰাম আঞ্চলিক সমিতি, অঞ্চলটোৰ সামাজিক সংগঠন, 'প্ৰয়াস' ইয়ং সৃজনগ্ৰাম, 'আক্ৰাছু', কোচ ৰাজবংশী সংগ্ৰাম সমিতিকে ধৰি সচেতন লোক স্বাক্ষৰিত স্মাৰকপত্ৰত আইনৈৰ খহনীয়াৰ স্থায়ী প্ৰতিৰোধ, খহনীয়াত সৰ্বস্বান্ত হৈ মথাউৰি আদিত আশ্ৰয় লৈ থকা ভূমিহীন পৰিয়ালক পুনৰ সংস্থাপন দিয়াৰ দাবী জনায়। দশক দশক জুৰি সৃজনগ্ৰামৰ আইনৈৰ বান আৰু গৰাখহনীয়াৰ কবলত পৰি কৃষিভূমি, পশুধন, শিক্ষানুষ্ঠান আদি নিশ্চিহ্ন হোৱাৰ লগতে শ শ লোকে ভেটি মাটি হেৰুৱাই আজি পৰ্যন্ত মথাউৰিতে জুপুৰি সাজি শৰণাৰ্থীৰূপে জীৱন অতিবাহিত কৰি আহিছে। স্বাধীনতাৰ ৭৫ বছৰ পাছতো আজিকোপতি আইনৈৰ বান আৰু গৰাখহনীয়াৰ কোনো ধৰণৰ স্থায়ী সমাধান হৈ নুঠা বিষয়টো সন্দৰ্ভত সংগঠনকেইটাই স্মাৰকপত্ৰযোগে মন্ত্ৰী হাজৰিকাৰ দৃষ্টি আকৰ্ষণ কৰে। স্মাৰকপত্ৰখনত সৃজনগ্ৰামৰ আদৰ্শ চিকিৎসালয়খন অতি শীঘ্ৰে চিকিৎসা সেৱাৰ বাবে মুকলি কৰা, বৰঘোলা-ধৰ্মপুৰ সংযোগী ৰাজ্যিক পথ পুনৰ নিৰ্মাণ কৰাৰো দাবী উত্থাপন কৰে। ইপিনে, গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ বঙাইগাঁও জিলা সমিতিয়েও সুকীয়াকৈ বান আৰু খহনীয়া সন্দৰ্ভত মন্ত্ৰীজনৰ হাতত স্মাৰকপত্ৰ প্ৰদান কৰে।

হোজাইৰ মন্দিৰত বান সাহায্য বিতৰণ মৰ্কজুল মা'আৰিফৰ

অগ্ৰদূত বাৰ্তা

হোজাই, ২০ জুন ঃ হোজাইৰ স্বেচ্ছাসেৱী সংস্থা মৰ্কজুল মা'আৰিফে আজি নতুন বজাৰৰ নাতিদুৰৰ শিংগাৰীবস্তি কালী মন্দিৰত আশ্ৰয় লৈ থকা শতাধিক লোকৰ মাজত চিৰা, চেনি, বিস্কুট, পানীৰ বটল বিতৰণ কৰে। অনাহাৰে থকা এই লোকসকলৰ কাষত খাদ্যৰ টোপোলা লৈ মৰ্কজুল মা'আৰিফৰ কৰ্মীসকল উপস্থিত হোৱাত বিভিন্ন বয়সৰ মহিলাই আগুৰি ধৰে। বানৰ প্ৰকোপত ঘৰ-দুৱাৰ এৰি ময়নাপথাৰৰ শিংগাৰীবস্তি কালী মন্দিৰত কে'বাদিনৰ পৰা আশ্ৰয় লৈ আছে এইসকল বানপীড়িতই। তেওঁলোক নিজ ঘৰলৈ উভতি যাব পৰা নাই। এই খবৰ পাই পীড়িত লোকসকলৰ মাজত মানৱীয় সাহায্য লৈ উপস্থিত হ'ল মৰ্কজুল মা'আৰিফৰ বাহিনী। উল্লেখ্য যে হোজাইৰ লস্কৰপথাৰ, ফৰমাৰমাৰ, ময়নাপুৰ, যোগীজান অঞ্চলত বানে যি তাণ্ডৱলীলা চলালে তাকে দেখি সাহায্য আৰু উদ্ধাৰ অভিযানত নামি পৰিছে মৰ্কজুল মা'আৰিফ। এইবাৰৰ বানত সভাপতি ডঃ চামচুল হক চৌধুৰীৰ নিৰ্দেশত ডেপুটি মেনেজাৰ জামাল উদ্দিনৰ নেতৃত্বত মৰ্কজুল মা'আৰিফৰ কৰ্মীসকল সহায়ত নামি পৰিছে। ঘৰে ঘৰে গৈ মানুহক উদ্ধাৰ কৰাৰ লগতে খাদ্য সামগ্ৰী বিতৰণ কৰে। মন্দিৰ চৌহদত ডঃ চামছুল হক চৌধুৰী, জামাল উদ্দিনৰ লগতে আৰক্ষীৰ লোকেও ইয়াত অংশ লয়।

ষ্টেট বেংকৰ উপ-মহাপ্ৰৱন্ধক অজন্তা হাজৰিকাৰ বিদায় সভা

অগ্ৰদূত বাৰ্তা

পশ্চিম যোৰহাট, ২০ জুন ঃ ভাৰতীয় ষ্টেট বেংক যোৰহাট প্ৰশাসনিক কাৰ্যালয়ৰ উপ-মহা প্ৰৱন্ধক তথা দক্ষ বিষয়া অজন্তা হাজৰিকা বেংকৰ মুম্বাই কৰ্পা'ৰেট অফিচলৈ বদলি হোৱাত কালি প্ৰশাসনিক কাৰ্যালয়ৰ কনফাৰেন্স কক্ষত বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদায় উপলক্ষে আয়োজিত সভাত ৰিজ'নেল মেনেজাৰ এল এল কিমা, এ জি এম ৰজনিছ কুমাৰ আৰু প্ৰভাত ৰাজবংশী, চীফ মেনেজাৰ শৰত ডেকা, বুলবুল কৰ্মকাৰ, শান্তনু নন্দী, অস্বতহি, বিশ্ব প্ৰাণ শৰ্মা বৰদলৈ, অৱসৰপ্ৰাপ্ত চীফ মেনেজাৰ গৌতম হাজৰা, বিষয়া আয়ষ্মান বৰুৱা, সমৰ চক্ৰৱৰ্তী, সুৰশ্ৰী বৰুৱা, ভাগ্যশ্ৰী দাস, মানৱ কলিতা, শুভম পুৰাকায়স্থ, সৌৰভ খাউণ্ড, ষ্টেট বেংক বিষয়া সংস্থাৰ হৈ জগদীশ পাল, বিপ্লৱ গোস্বামী, অভিনৱ বৰুৱাই হাজৰিকাৰ পৰিচালনাত কিদৰে যোৰহাট আৰ্হি দেশৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ হিচাপত পৰিণত হ'ল সেই বিষয়ত আলোকপাত কৰে। প্ৰতিজন বিষয়া-কৰ্মচাৰীয়ে তেওঁৰ লগত কাম কৰিব পৰা এক সৌভাগ্য বুলি অভিহিত কৰে। উল্লেখ্য যে অসম জীয়ৰী অজন্তা হাজৰিকাৰ নেতৃত্বত ষ্টেট বেংক যোৰহাট আৰ্হি দেশৰ ভিতৰতে বহু শাখাত সৰ্বোচ্চ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। অতি দক্ষ বিষয়া হাজৰিকাই মথন অসম নহয় নগালেণ্ডৰ বিষয়া-কৰ্মচাৰীৰ মাজত অতি জনপ্ৰিয় আছিল।

তামুলপুৰত সন্ধানহীন হৈ থকা ছাত্ৰৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ২০ জুন ঃ বান পৰিস্থিতিৰ ভয়াবহতাৰ মাজতে যোৱা ১৭ জুনৰ সন্ধিয়াৰ ভাগত তামুলপুৰ জিলা সদৰৰ সৌৰাগুৰীত এগৰাকী মেধাবী ছাত্ৰ দুৰ্ঘটনাত পতিত হৈ ডোঙৰ পানীত পৰি সন্ধানহীন হৈ আছিল । দুদিনৰ মূৰত আজি পুৱা পানী যুঁৱলিত উদ্ধাৰ হয় ছাত্ৰজনৰ মৃতদেহটো। আজি পুৱা কেইজনমান লোকে প্ৰাতঃভ্ৰমণ কৰিবলৈ যাওঁতে পথৰ কাষৰ নলাত এটা মৃতদেহ ওপঙি থকা দেখি তামুলপুৰ আৰক্ষীক খবৰ দিয়ে। খবৰ পোৱাৰ লগে লগে তামুলপুৰ আৰক্ষী দল উপস্থিত মৃতদেহটো উদ্ধাৰ কৰে। পাছত পৰিয়ালৰ লোকে দেৱজিত দে'ৰ মৃতদেহ চিনাক্ত কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বাগ্‌সা জিলা সদৰ মুছলপুৰলৈ প্ৰেৰণ কৰে । উল্লেখ্য যে তামুলপুৰ জিলা সদৰ ভকতপাৰা নিবাসী দিলীপ দেৰ জ্যেষ্ঠ পুত্ৰ তথা মেধাবী ছাত্ৰ দেৱজিত দেই পৰহি আবেলি আন দুজন বন্ধুৰ লগত এখন স্কুটীৰে তামুলপুৰৰ বানগুৰীৰ পৰা তামুলপুৰ অভিমুখে আহি আছিল। স্কুটীখনে কচুবাৰী তামুলপুৰ সংযোগী পথৰ সৌৰাগুৰী পথৰ কেঁকুৰী এটাত নিয়ন্ত্ৰণ হেৰুৱাই এটা কালভাৰ্টত খুন্দা মাৰি পথৰ তলত পৰি যায়। তিনিওজন কিশোৰক পানীৰ প্ৰবল সোঁতে উটুৱাই লৈ যায় যদিও স্থানীয় লোকে দুজন কিশোৰ ছাত্ৰক উদ্ধাৰ কৰে যদিও দেৱজিত দে' সন্ধানহীন হৈ আছিল ।

ডাঙৰ মানুহ হোৱাতকৈ সৎ মানুহ হোৱাটো বেছি প্ৰয়োজন

■ নাওবৈছাত মেধাৱী শিক্ষাৰ্থীক অভিনন্দন ঃ অনুষ্ঠানত হিতেন্দ্ৰনাথ গোস্বামী

অগ্ৰদূত বাৰ্তা

চিনামৰা, ২০ জুন ঃ এগৰাকী শিক্ষাৰ্থী পৰৱৰ্তী জীৱনত কিমান বিশিষ্ট ব্যক্তি হ'ব সেয়া ডাঙৰ কথা নহয়, কিমান সৎ মানুহ হ'ব সেয়াহে ডাঙৰ কথা। যোৰহাট বিধানসভা সমষ্টিৰ অধীনৰ ৩৬ নম্বৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ মেধাৱী শিক্ষাৰ্থীসকলক অভিনন্দন জনাবলৈ কালি পঞ্চায়তখনৰ প্ৰেক্ষাগৃহত আয়োজন কৰা এক অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি এই মন্তব্য কৰে সমষ্টিটোৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে । লগতে বিধায়কজনে উপস্থিত সকলো শিক্ষাৰ্থীকে সৎ মানুহ হোৱাৰ চেষ্টা কৰিবলৈ আহ্বান জনায়। পঞ্চায়তখনৰ সভাপতি ৰেখা বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰা আৰু মহাত্মা গান্ধী মহাবিদ্যালয়ৰ অধ্যক্ষ ত্ৰিলোক বৰাৰ সঞ্চালনাত অনুষ্ঠিত সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি যোৰহাট মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰধান সৌমিত্ৰ পূজাৰীয়ে কয় যে শিক্ষাৰ্থীসকলে নিজাকৈ এটা পৰিচয় গঢ়িবলৈ চেষ্টা কৰা উচিত। স্বকীয় পৰিচয় গঢ়ি উঠিলে সমাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ সহজ। অংকত এশ নম্বৰ লাভ কৰিলেই অভিভাৱকে শিক্ষাৰ্থীজনক বিজ্ঞান শাখাত নাম ভৰ্তি কৰাই দিয়া উচিত নহয়। প্ৰথমে শিক্ষাৰ্থীজনৰ ভিতৰৰ মনটোৱে কি বিচাৰে সেয়া জানি ল'ব লাগে। সভাত উপস্থিত থাকি প্ৰাক্তন বিধায়ক তথা সমাজকৰ্মী হেমন্ত কলিতাই কয় যে এগৰাকী শিক্ষাৰ্থীয়ে নিজৰ ৰুচি অনুযায়ী পাঠ্যক্ৰম নিৰ্বাচন কৰি ল'লে জীৱনত আগবাঢ়ি যাবলৈ সহজ হয় । এই ক্ষেত্ৰত অভিভাৱকেও গুৰুত্ব দিব লাগে । পঞ্চায়ত সচিব শৰ্মিষ্ঠা বৰুৱাই আঁত ধৰা সভাত যোৰহাট সাহিত্য সভাৰ সম্পাদক অজন্ত কুমাৰ বৰা, যুৱ সমাজকৰ্মী দুৰ্লভ নাৰায়ণ বৰুৱা, পঞ্চায়তৰ উপ-সভাপতি প্ৰসন্ন কলিতা, আঞ্চলিক সদস্যা মৌচুমী শৰ্মাকে ধৰি স্থানীয় বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে । পঞ্চানন দত্তৰ এটি বৰগীত পৰিৱেশনেৰে আৰম্ভ হোৱা অভিনন্দন অনুষ্ঠানত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা হয় । পঞ্চায়তখনৰ এনে কাৰ্যসূচীক শলাগ লৈছে স্থানীয় সচেতন ৰাইজে ।

গ্ৰীষ্মকালীন কৰ্মশালা

অগ্ৰদূত বাৰ্তা

লাহদৈগড়, ২০ জুন ঃ শংকৰী সংগীত মহাবিদ্যালয় যোৰহাটৰ উদ্যোগত অহা দুইৰ পৰা ছয় জুলাইলৈকে শংকৰী সংস্কৃতিৰ ওপৰত এলানি কৰ্মশালা আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ নামঘৰত থকা মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব লগা কৰ্মশালাখনত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি অধ্যক্ষ প্ৰশান্ত শইকীয়াই কামনা কৰিছে। ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে ৯৯৫৭০৬৩৪৯৫ নম্বৰত যোগাযোগ কৰিবলৈ অধ্যক্ষ প্ৰশান্ত শইকীয়াই আহ্বান জনাইছে।

জিলা উপায়ুক্তৰ সভাকক্ষত আলোচনা সম্পন্ন

অগ্ৰদূত বাৰ্তা

পশ্চিম যোৰহাট, ২০ জুন ঃ যোৰহাট জিলা উপায়ুক্ত সভাকক্ষত কালি জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনৰ সভাপতিত্বত, অতিৰিক্ত উপায়ুক্ত (ভাৰপ্ৰাপ্ত সমাজ কল্যাণ) কবিতা কাকতি কোঁৱৰ, জিলা সমাজ কল্যাণ বিষয়া ৰাজকুমাৰ কেডিয়া আৰু সমাজ কল্যাণ বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ উপস্থিতিত বিভাগৰ বিভিন্ন আঁচনি সমূহৰ অগ্ৰগতিৰ পুনৰীক্ষণৰ সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে জিলা উপায়ুক্তই সকলোকে আদৰ সম্ভাষণ জনাই আঁচনি সমূহৰ অগ্ৰগতিৰ খতিয়ান লয়। এই ক্ষেত্ৰত অংগনৱাড়ী কেন্দ্ৰসমূহৰ বিদ্যুৎ সংযোগ, জল জীৱন মিছনৰ অধীনত পানী সংযোগ, খাদ্য আৰু পৰিপুষ্টি, দিব্যাংগ ব্যক্তিসকলৰ উপকৃত হোৱা, মহিলা শক্তি কেন্দ্ৰৰ কাম-কাজ, প্ৰধান মন্ত্ৰী মাতৃ বন্দনা যোজনাৰ অগ্ৰগতি আৰু পোষণ অভিযানৰ অন্তৰ্গত অতি পুৰিপুষ্টিহীনতাত ভোগা শিশুসকলৰ চিনাক্তকৰণ তথা পৰিপুষ্টি পুনৰ সংস্থাপন কেন্দ্ৰলৈ প্ৰেৰণ সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ উপৰি শিশু শ্ৰম আৰু বাল্য বিবাহৰ বিৰুদ্ধে ল'বলগীয়া পদক্ষেপ আৰু বানপানী তথা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত বিষয়ববীয়াসকলৰ কৰণীয়সমূহৰ বিষয়ে আলোচনা কৰা হয়। আলোচনাত উপায়ুক্তই প্ৰকল্প বিষয়া তথা অংগনৱাড়ী কৰ্মীৰ পৰিপূৰক আহাৰৰ উপকৰণ, পোষ্টাৰ আদি আৰু একোটাকৈ প্ৰজেক্টৰ প্ৰদান কৰে।

ঘগ্ৰাপাৰ-দেহাৰকুছি- দতৰাত বানাক্ৰান্তৰ মাজত মণ্ডল বিজেপিৰ সাহায্য

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ২০ জুন ঃ সম্প্ৰতি নলবাৰী জিলাৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ ৮১খন গাঁও বানাক্ৰান্ত হোৱাৰ সময়তে যোৱা ২০ জুনৰ পৰা বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ তৎপৰতাত নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু আঠ নম্বৰ মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াৰ নিৰ্দেশ মৰ্মে তৎকালীনভাৱে অঞ্চলটোৰ বিভিন্ন গাঁও পঞ্চায়তৰ লগতে দেহাৰকুছি গাঁও পঞ্চায়তৰ দেহাৰকুছি দুৰ্গা মন্দিৰ আৰু পুৰ্ণদৈচপৰা, লহকৰ পাৰা পুথি ভড়ালত অস্থায়ী শিবিৰত আশ্ৰয় লোৱা ব্যক্তিসকলৰ খা-খবৰ লোৱাৰ লগতে বানাক্ৰান্তসকলৰ মাজত পানী আৰু খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাৰ নেতৃত্বত এই সাহায্য বিতৰণ অনুষ্ঠান উপস্থিত থাকে বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক মনোজ ডেকা, সম্পাদক শ্যামন্ত শৰ্মা, বিজেপিৰ কাৰ্যকৰ্তা ভ্ৰমৰ মজুমদাৰ, বিশ্বজ্যোতি কলিতা, দ্বিজেন লহকৰ, জয়ন্ত পাটোৱাৰী, ৰূপজ্যোতি বুজৰবৰুৱা, বিজেপিৰ মণ্ডল যুৱ মৰ্চাৰ সভাপতি হৰেশ্বৰ দাস, অ'বিচি মৰ্চাৰ উপ-সভাপতি দ্বিজেন ডেকা, পঞ্চায়ত কাউন্সিলাৰ ফণীধৰ লহকৰ আদিয়ে। ইফালে, আজি দেহাৰকুছি আৰু দতৰা পঞ্চায়তত পশুপালকসকলৰ মাজত পশুখাদ্য বিতৰণ অনুষ্ঠানটো সংশ্লিষ্ট দলীয় নেতা-কৰ্মী আৰু গাঁও প্ৰধানে অংশগ্ৰহণ কৰে।

সাংবাদিক সঞ্জয় নাগলৈ 'আপকু'ৰ ২০২১ৰ প্ৰসন্ন দত্ত সোঁৱৰণী বঁটা ঘোষণা

■ ২৫ জুনত শিৱসাগৰত বঁটা প্ৰদান অনুষ্ঠান আয়োজন

চেপন, ২০ জুন ঃ ৰাজ্যখনৰ মফচলীয় সাংবাদিকসকলৰ অন্যতম সংগ্ৰামী সংগঠন আসাম প্ৰেছ কৰেছপণ্ডেন্টছ ইউনিয়ন চমুকৈ 'আপকু'ৰ শিৱসাগৰ জিলা সমিতি, কৃতী ছাত্ৰ 'অন্তৰীক্ষ দত্ত স্মৃতি সুৰক্ষা সমিতি'ৰ যৌথ উদ্যোগত আৰু নকটানি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিগত বৰ্ষৰ দৰে এইবাৰো স্মাৰক বক্তৃত্বানুষ্ঠান, মেধা বৃত্তি প্ৰদান আৰু ৰাজ্যিক ভিত্তিত শ্ৰেষ্ঠ সাংবাদিকতা বঁটা প্ৰদান অনুষ্ঠান আয়োজন কৰিছে । ৰাজ্যিক ভিত্তিত শ্ৰেষ্ঠ সাংবাদিকতাৰ বঁটাৰ বাবে ২০২১ৰ প্ৰসন্ন দত্ত সোঁৱৰণী শ্ৰেষ্ঠ সাংবাদিকতা বঁটা লাভ কৰিছে মৰাণৰ সঞ্জয় নাগে । ১৯৮০ত মাহমৰা হিংৰিজান চাহ বাগিচাত জন্ম গ্ৰহণ কৰা সঞ্জয় নাগে ২০০৯ৰে পৰা ডিব্ৰুগড়ৰ পৰা সম্প্ৰচাৰিত ভি এন এছ নিউজ নামৰ ব্যক্তিগত কেবল চেনেলৰ যোগেদি সাংবাদিকতা জীৱন আৰম্ভ কৰিছিল । বৰ্তমান নিউজ লাইভৰ ভিডিঅ' জাৰ্ণেলিষ্ট হিচাবেও কৰ্মৰত তথা অবিভক্ত শিৱসাগৰ জিলাৰ 'আপকু'ৰ এজন সক্ৰিয় সদস্য সঞ্জয় নাগে মৰাণ হিংৰিজান চাহ বাগিচাৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সেৱা আগবঢ়াই আহিছে । অহা ২৫ জুনত শিৱসাগৰ নকটানি উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা এই স্মাৰক বক্তৃত্বানুষ্ঠানত এই বঁটা প্ৰদান কৰিব সাংবাদিকজনক। সাংবাদিকজনৰ কৰ্মৰ এই স্বীকৃতি হিচাপে আগবঢ়োৱা এই বঁটাৰ বাবে আপকু কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰধান শৰৎ শেনছোৱা, মৰাণৰ বিভিন্ন দল-সংগঠনৰ লগতে মৰাণ প্ৰেছ ক্লাবে শুভেচ্ছা জনাইছে।

তামুলপুৰত বন্যাৰ্তৰ মাজত খাদ্য সামগ্ৰী বিতৰণ

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ২০ জুন ঃ তামুলপুৰ জিলাৰ বানাক্ৰান্ত লোকৰ মাজত আজি স্বেচ্ছাসেৱী সংগঠন গ্ৰাম্য বিকাশ মঞ্চই খাদ্য সামগ্ৰী বিতৰণ কৰে। গ্ৰাম্য বিকাশ মঞ্চৰ ক্ষেত্ৰ সমন্বয়ক চক্ৰধৰ তালুকদাৰৰ নেতৃত্বত এটি দলে পশ্চিম তামুলপুৰ শাখা ছাত্ৰ সন্থাৰ কৰ্মকৰ্তাৰ সহযোগত তামুলপুৰ জিলাৰ গুৱাকুছি, অময়াপুৰ আৰু তেতেলিগুৰী অঞ্চলত থকা অস্থায়ী শিবিৰৰ প্ৰায় দুই শতাধিক পৰিয়ালৰ মাজত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী বিতৰণ কৰে। ইপিনে, পশ্চিম তামুলপুৰ আস্থা ছ'চাইটিৰ পৰা তেতেলিগুৰী-কালাকুছী বাৰোবাৰী লকষ্মী ও মাইনাও ৰাজহুৱা প্ৰেক্ষাগৃহ, পশ্চিম তামুলপুৰ ছোৱালী মধ্য ইংৰাজী বিদ্যালয়, অময়াপুৰ মজলীয়া বিদ্যালয়ৰ স্থাপন কৰা শিবিৰত থকা মুঠ ১২০ টা পৰিয়ালক চিৰা, বিস্কুট, চেনি আদি খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। সোণেশ্বৰ কলিতাৰ নেতৃত্বত খাদ্য সামগ্ৰী বিতৰণত স্থানীয় আছু নেতা কুমুদ ডেকা, ধীৰেশ্বৰ কলিতা, ৰাণা মেধি, সীমান্ত তালুকদাৰ আৰু প্ৰশান্ত দাসে সহযোগ কৰে ।

দুৰ্নীতিৰ ভূ-স্বৰ্গত পৰিণত মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয়

■ নিয়ম বহিৰ্ভূতভাৱে শতাধিক সন্মতি নামজাৰি কৰাৰ অভিযোগ ■ চৰকাৰে হেৰুৱাইছে লাখ লাখ টকাৰ ৰাজহ

দুধনৈত ৰাভা দিৱসত সম্বৰ্ধনা অনুষ্ঠান, সোমবাৰে।

অগ্ৰদূত বাৰ্তা

মাটিয়া, ২০ জুন ঃ ৰাজহ চক্ৰসমূহক দুৰ্নীতিমুক্ত আৰু দালালমুক্ত কৰাৰ লক্ষ্যৰে চৰকাৰে একেদিনাই ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ বৃহৎ সংখ্যক লোকক গ্ৰেপ্তাৰ কৰি কঠোৰ সকীয়নি প্ৰদান কৰিছিল। কিন্তু চৰকাৰৰ উক্ত সকীয়নিক অংগুষ্ঠ প্ৰদৰ্শন কৰি গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ সদ্য বিদায়ী বিষয়া জীতেন্দ্ৰ টাইড এণ্ড কোম্পানীয়ে নিয়ম বহিৰ্ভূতভাৱে প্ৰায় শতাধিক সন্মতি নামজাৰি কৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে বিভাগীয় নিয়ম অনুযায়ী নিকট আত্মীয়ৰ নামত চৰকাৰী ৰাজহ আদায় দি সন্মতি নামজাৰি কৰিব পাৰে। ইপিনে, সন্মতি নামজাৰি কৰিবলৈ হ’লে উপ-পঞ্জীয়কৰ কাৰ্যালয়ত ৰেজিষ্টাৰ্ড দলিল কৰাটো বাধ্যতামূলক। কিন্তু মাটিয়া ৰাজহ চক্ৰৰ সদ্য বিদায়ী বিষয়া জীতেন্দ্ৰ টাইড এণ্ড কোম্পানীয়ে গোপন বুজাবুজিৰে মৃত ব্যক্তিৰ যোগ্য উত্তৰাধিকাৰীক বঞ্চিত কৰি তৃতীয় পক্ষৰ নামত সন্মতি নামজাৰি কৰাৰ তথ্য পোহৰলৈ আহিছে। প্ৰাপ্ত তথ্য মতে, যোৱা ২৪ মে’ত মাটিয়া ৰাজহ চক্ৰৰ ১২ নম্বৰ লাটৰ অন্তৰ্গত পশ্চিম মাটিয়া ৰাজহ গাঁৱৰ ৯১৬ নম্বৰ দাগৰ ১৮৫ নম্বৰ পট্টাভুক্ত পাঁচ বিঘা তিনি কঠা তিনি লেছা আৰু ৬১৭ নম্বৰ দাগৰ তিনি বিঘা চাৰি কঠা এক লেছা জমিৰ লগতে দুই নম্বৰ লাটৰ অন্তৰ্গত টুকুৰা দ্বিতীয় খণ্ডৰ ৪৪০ নম্বৰ দাগৰ এক বিঘা এক লেছা জমি যোৱা ২৫ মে’ত সন্মতি নামজাৰি কৰে। উল্লিখিত তিনিওটা জমিৰ ক্ষেত্ৰতে দায়িত্বৰত লাট মণ্ডল গুণেন্দ্ৰ কলিতাৰ প্ৰতিবেদনৰ ভিত্তিত ৰাজহ চক্ৰ বিষয়া জীতেন্দ্ৰ টাইডে সন্মতি নামজাৰি কৰাৰ তথ্য পোহৰলৈ আহিছে। কেৱল এয়াই নহয় চক্ৰ বিষয়া জীতেন্দ্ৰ টাইডৰ কাৰ্যকালত উল্লিখিত লাট দুটাৰ লগতে আন কে’বাটাও

১৩ পৃষ্ঠাত চাওক

অল ইণ্ডিয়া জাৰ্ণেলিষ্ট ইউনিয়নৰ অধিবেশন সম্পন্ন

গোলাঘাটত ৰাজহুৱা সম্বৰ্ধনা, ৬০ গৰাকী কৃতীমানক অভিনন্দন

বিশেষ সংবাদদাতা

গোলাঘাট, ২০ জুন ঃ অল ইণ্ডিয়া জাৰ্ণেলিষ্ট ইউনিয়ন, গোলাঘাট জিলা সমিতিৰ তৃতীয় বাৰ্ষিক অধিবেশন দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে কালি অনুষ্ঠিত হয়। আদৰণি সমিতিৰ সভাপতি, জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূএঞাৰ সভাপতিত্বত গোলাঘাট এমেচাৰ হলৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অধিবেশনৰ মুকলি সভাত নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰিচালন সঞ্চালক, দক্ষ উচ্চ পদস্থ বিষয়া ভাস্কৰজ্যোতি ফুকনক সাংবাদিক সংগঠনটোৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জনোৱা হয়। উক্ত বিশেষ সম্বৰ্ধনা অনুষ্ঠানত গোলাঘাট প্ৰেছ ক্লাব, অসম জাতীয়তাবাদী যুৱ পৰিষদ, পশ্চিম গোলাঘাট শাখা সাহিত্য সভা, গোলাঘাট সদৰ কবি সন্মিলন, অল ইণ্ডিয়া জাৰ্ণেলিষ্ট ইউনিয়ন, ৰিপ’ৰ্টাৰ লাইভ, অসম পৰিয়াল আদি প্ৰেক্ষাগৃহত সমাৱেশ ঘটা দুকুৰিৰো অধিক সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকনক ৰাজহুৱা সম্বৰ্ধনা জনায়। ৰাইজৰ বিপুল সম্বৰ্ধনা গ্ৰহণ কৰি নুমলীগড় শোধনাগাৰৰ মূল হোতা ফুকনে কয় যে এনে ৰাজহুৱা বিপুল সম্বৰ্ধনাই দায়িত্ব দুগুণে

১৩ পৃষ্ঠাত চাওক

মেৰাপানীক মহকুমা ঘোষণা কৰিয়েই দায়িত্ব সামৰিলে চৰকাৰে

শীঘ্ৰে মহকুমাৰ কাৰ্যক্ষমৰ দাবী ৰাইজৰ

অগ্ৰদূত বাৰ্তা

মেৰাপানী, ২০ জুন ঃ গোলাঘাট জিলাৰ মেৰাপানীৰ বৃহত্তৰ অঞ্চলৰ ১১খন গাঁও পঞ্চায়তক সামৰি ২০১৫ত তদানীন্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈয়ে নিজৰ শাসন কালৰ শেষৰ ফালে ৰাজ্যত নতুনকৈ কেইখনমান জিলা আৰু কে’বাটাও মহকুমা ঘোষণা কৰিছিল। ইয়াৰ ভিতৰতে মেৰাপানীকো প্ৰশাসনিক মহকুমাৰূপে ঘোষণা কৰিছিল। দৈয়াংবাসী তথা মেৰাপানীৰ ৰাইজেও মেৰাপানীক মহকুমাৰূপে বিচাৰিছিল। সেয়েহে পূৰ্বৱৰ্তী চৰকাৰে মেৰাপানীক মহকুমালৈ ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত সঠিক সিদ্ধান্ত আছিল বুলি মেৰাপানীবাসীয়ে ভাবে। সেই অনুসৰি ইয়াৰ পৰৱৰ্তী কামখিনি নতুন চৰকাৰখনে আগবঢ়াই নিব বুলি ৰাইজে আশা কৰিছিল, কিন্তু কাৰ্যতঃ বিগত সাত বছৰত ৰাইজে ভবাৰ দৰে কামবোৰ হৈ নুঠিল। আনকি আজি পৰ্যন্ত মহকুমাৰ নামত মেৰাপানীত নপৰিল এচপৰাও ইটা। মাত্ৰ গমাৰিগুৰি উন্নয়ন খণ্ডৰ কাৰ্যালয়ত লাগিল এখন মেৰাপানী মহকুমাৰ ফলক।

উল্লেখ্য যে সীমান্তৰ ক্ষেত্ৰত অতীজৰে পৰা এতিয়ালৈকে অসমৰ ৰাজনৈতিক নেতাসকলৰ দুৰ্বল ভূমিকাৰ বাবে সমগ্ৰ দৈয়াং অঞ্চলেই এতিয়া বিবদমানৰূপে উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। সেইহে সীমান্তৰ এই বৃহৎ অঞ্চলটোত নগাৰ অহৰহ আগ্ৰাসনৰ পৰিপ্ৰেক্ষিতত মেৰাপানীক মহকুমা ঘোষণাই নহয়, ক্ষিপ্ৰতাৰে ইয়াৰ যাৱতীয় কাম-কাজ আগবঢ়াই নিয়াৰ প্ৰয়োজন আছিল। আশ্চাৰ্যজনকভাৱে যি সময়ত অসম চৰকাৰে বিবদমান অঞ্চলৰ অজুহাতত মেৰাপানী মহকুমাক কাৰ্যক্ষমৰ ক্ষেত্ৰত কাম-কাজ আগবঢ়াই নিবলৈ হোঁহকা-পিছলা কৰি আছে,

১৩ পৃষ্ঠাত চাওক

বিশ্বনাথত এটিএমৰ বাবে চেণ্ট্ৰেল বেংকৰ গ্ৰাহকৰ হাহাকাৰ

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ২০ জুন ঃ চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়া বিশ্বনাথ চাৰিআলি শাখাৰ হেজাৰ হেজাৰ গ্ৰাহকে এটিএম নথকাৰ বাবে হাৰাশাস্তিৰ সন্মুখীন হ’বলগীয়া হৈছে। সদৰত এক কথাত প্ৰতিটো চৰকাৰী বেংক আৰু বেচৰকাৰী বেংক আছে আৰু সেই মতে, প্ৰতিটো বেংকৰ নিজাকৈ এটিএম ব্যৱস্থাও আছে। কিন্তু তাৰ বিপৰীতে বিশ্বনাথৰ চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়াৰ বিশ্বনাথ চাৰিআলিত নাই এটাও এটিএম। যাৰ ফলত বেংকৰ হেজাৰ হেজাৰ গ্ৰাহক হাৰাশাস্তিৰ সন্মুখীন হ’বলগীয়া হৈছে। বেংকৰ গ্ৰাহকসকলে নিজৰ একাউণ্টৰ বিপৰীতে লাভ কৰা এটিএম কাৰ্ড এক্টিভ কৰিবলৈ অথবা এটিএম কাৰ্ড বেয়া হ’লে নতুন এটিএম কাৰ্ডৰ পিন সলাবলৈ শোণিতপুৰ জিলাৰ কুসুমতলালৈ যাব লাগে। কাৰণ বিশ্বনাথ জিলাৰ সমীপৰ একমাত্ৰ কুসুমতলাতহে এটিএম উপলব্ধ আছে। সেয়েহে আজি এগৰাকী উক্ত বেংকৰ এজন গ্ৰাহকে নিজৰ এটিএমৰ পিন কোড কুসুমতলালৈ গৈ সলনি কৰি আহি বিশ্বনাথ নগৰত কেমেৰাৰ সন্মুখত ক্ষোভ উজাৰিলে চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়াৰ বিৰুদ্ধে।

তিনিচুকীয়াত জিলা পথ সুৰক্ষা সমিতিৰ বৈঠক

পথ দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে যান-বাহন আইন কঠোৰভাৱে বলৱৎ কৰিবলৈ নিৰ্দেশ উপায়ুক্তৰ

অগ্ৰদূত বাৰ্তা

তিনিচুকীয়া, ২০ জুন ঃ পথ সুৰক্ষা সম্পৰ্কীয় উচ্চতম ন্যায়ালয়ৰ সমিতিৰ নিৰ্দেশ অনুসৰি গঠিত তিনিচুকীয়া জিলা পথ সুৰক্ষা সমিতিৰ এখনি গুৰুত্বপূৰ্ণ বৈঠক আজি জিলা উপায়ুক্ত নৰসিং পাৱাৰৰ সভাপতিত্বত অনুষ্ঠিত হয়। জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত পথ সুৰক্ষা সম্পৰ্কীয় উচ্চতম ন্যায়ালয়ৰ সমিতিয়ে নিৰ্ধাৰণ কৰি দিয়া নীতি-নিৰ্দেশনাসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। ইয়াৰ লগতে পথ সুৰক্ষা সংক্ৰান্তত সংশ্লিষ্ট বিভাগসমূহৰ কৰ্তব্য সন্দৰ্ভতো আলোচনা কৰা হয়। সমগ্ৰ জিলাতে পথ দুৰ্ঘটনা প্ৰতিৰোধ কৰিবলৈ তথা পথ দুৰ্ঘটনাজনিত মৃত্যুৰ সংখ্যা হ্ৰাস কৰিবলৈ উপায়ুক্তই আৰক্ষী তথা পৰিবহণ বিভাগক আৰু অধিক সক্ষম হ’বলৈ নিৰ্দেশ দিয়ে। সমগ্ৰ জিলাতে যান-বাহন আইন কঠোৰভাৱে বলৱৎ কৰাৰ লগতে যান-বাহন আইনৰ নীতি-নিৰ্দেশনা উলংঘাকাৰীক কোনোপধ্যেই ৰেহাই নিদিবলৈ উপায়ুক্তই সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত উপায়ুক্ত পাৱাৰে পথ দুৰ্ঘটনাত আহত লোকক তাৎক্ষণিক চিকিৎসা প্ৰদান কৰিব পৰাকৈ চিকিৎসা বিভাগক সকলো

১৩ পৃষ্ঠাত চাওক

কামৰূপ জিলা সাহিত্য সভাৰ শাখা সভাৰ সাংগঠনিক নিৰ্বাচন অধিবেশন সম্পৰ্কে নিৰ্দেশনা

অগ্ৰদূত বাৰ্তা

হাজো, ২০ জুন ঃ অসম সাহিত্য সভাৰ সাংবিধানিক নিয়ম অনুসৰি কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ পৰা জিলা আৰু শাখালৈকে সকলোৰে কাৰ্যকাল দুবছৰীয়া। এইবাৰ বিশেষ কাৰণবশতঃ এবছৰ কাৰ্যকাল বৃদ্ধি কৰিছে যদিও আগন্তুক ২০২৩ৰ পৰা নতুন কাৰ্যকাল আৰম্ভ হ’ব। সেয়েহে জিলাৰ অন্তৰ্গত সকলো শাখাই ৩১ ডিচেম্বৰ ২০২২ৰ ভিতৰত সাংগঠনিক নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব। অধিবেশন অথবা সাধাৰণ সভাৰ যোগেদি গঠিত কাৰ্যনিৰ্বাহক সভাৰ সকলো শাখাৰ সভাপতি, সম্পাদক প্ৰমুখ্যে বিষয়ববীয়াসকল অসম সাহিত্য সভাৰ আজীৱন সভ্য হোৱাটো সাংবিধানিকভাৱে বাধ্যতামূলক। নৱনিৰ্বাচিত কাৰ্যনিৰ্বাহক সভাৰ তালিকাৰ লগতে ২০২০-২২ৰ কাৰ্য পৰিচালনাৰ প্ৰতিবেদন, কেন্দ্ৰীয় আৰু জিলা সভাক আদায় দিবলগীয়া বৰঙণি আদায় দি সংশ্লিষ্ট ৰচিদ সংগ্ৰহ কৰিব। উল্লেখ থাকে যে বাৰ্ষিক বৰঙণি সকলো শাখাৰ ক্ষেত্ৰতে জিলা সভাৰ বাবে পাঁচশ টকা আনহাতে, অসম সাহিত্য সভাৰ সাধাৰণ শাখাৰ ক্ষেত্ৰত ১৫০০ টকা আৰু স্বৰ্ণ, শতদল শাখাৰ বাবে এশ টকা মাত্ৰ।

১৩ পৃষ্ঠাত চাওক

আমবাগানত পি এম কিষাণ আঁচনি ৰূপায়ণক লৈ কৃষি বিষয়াৰ ক্ষেত্ৰভিত্তিক অনুসন্ধান

অগ্ৰদূত বাৰ্তা

ৰূপহীহাট, ২০ জুন ঃ কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত ৰূপায়ণ হৈ অহা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি (পি এম কিষাণ) নামৰ আঁচনিখনৰ ৰূপায়ণৰ বিষয়ে যোৱা ১৮ জুনত কলিয়াবৰ মহকুমা কৃষি বিষয়া বিষ্ণু ৰঞ্জন শইকীয়াই আমবাগান কৃষি চক্ৰৰ অন্তৰ্গত কে’বাখনো গাঁৱত ক্ষেত্ৰভিত্তিক অনুসন্ধান চলায়। মহকুমা কৃষি বিষয়াই শিঙিমাৰী, শালপাৰা আৰু মাগুৰমাৰী গাঁও পঞ্চায়তৰ কে’বাখনো গাঁৱত প্ৰৱেশ কৰি অভিলাষী পি এম কিষাণ আঁচনিখন কিদৰে ৰূপায়ণ কৰা হৈছে, তাৰ ওপৰত কৃষকসকলৰ মতামত গ্ৰহণ কৰে। পি এম কিষাণ আঁচনিৰ হিতাধিকাৰীয়ে আধাৰ লিংক আৰু ই-কে ৱাই চি সম্পন্ন কৰিবলৈ সক্ষম হৈছে নে নাই সেই বিষয়ে কৃষকক প্ৰশ্ন সোধে বিষয়াজনে। তদুপৰি কৃষি বিভাগে নিয়োজিত কৰা স্থানীয় গ্ৰাম সেৱকজনে আধাৰ লিংক আৰু ই-কে ৱাই চি সম্পন্ন কৰাৰ ক্ষেত্ৰত কৃষক ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰিছে নে নাই তাৰ ওপৰত মতামত গ্ৰহণ কৰে। কৃষক ৰাইজে গ্ৰামসেৱকজনে যথোপযুক্ত সেৱা আগবঢ়াই আছে বুলি মহকুমা কৃষি বিষয়াৰ সন্মুখত প্ৰকাশ কৰে।

বিষ্ণু ৰাভাই আত্মগোপন কৰিছিল মিংমাঙত

গোগামুখ মিংমাং নলবাৰীত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

ধেমাজি, ২০ জুন ঃ ‘একালত কৃষক-বনোৱাৰ সপক্ষত বৈপ্লৱিক সত্তা স্থাপন আৰু সমাজ সজাগতাৰ বাবে অসম-অৰুণাচল সীমান্তৱৰ্তী ধেমাজি মিংমাং-নলবাৰীত আত্মগোপন কৰিছিল বিষ্ণুপ্ৰসাদ ৰাভাই। ৰাভাক চাবলৈ দৌৰি আহিছিল স্থানীয় লোকসকল। তাৰ পাছত ব্ৰিটিছে গম পাব বুলি ৰাইজৰ মাজত সজাগতা সভা পাতি পুনৰ ঘোঁৰাত উঠি গুচি গৈছিল গন্তব্য স্থানলৈ। খোজকাঢ়ি মেল-মিটিং কৰিছিল মিংমাং অঞ্চলত। তাৰ সাক্ষী হিচাপে আজিও মিংমাং নলবাৰীবাসীয়ে আয়োজন কৰি আহিছে বিষ্ণুপ্ৰসাদ ৰাভা স্মৃতি দিৱস।’ এই মন্তব্য মিংমাং নলবাৰী অঞ্চলৰ সচেতন ব্যক্তি গুণিত ৰাভাৰ। ৰাভাই আজি কয় যে কেৱল ২০ জুনৰ দিনাখন বিষ্ণু ৰাভাক মনত পেলাই ৰাভা দিৱস উদ্‌যাপন কৰিলে প্ৰকৃত বিষ্ণু ৰাভাক শ্ৰদ্ধা জনোৱা নুবুজায়। যদিহে বিষ্ণু ৰাভাৰ আদৰ্শ আৰু কৃতী নৱপ্ৰজন্মৰ মাজত সঁচা অৰ্থত চৰ্চা নহয়। এই ক্ষেত্ৰত সকলো শ্ৰেণীৰ ৰাইজে অন্তঃকৰণে বিষ্ণু ৰাভাৰ দৰে ব্যক্তিৰ স্মৃতিচাৰণ হোৱাটো বিচাৰো বুলি ৰাভাই সদৰী কৰে। এই ক্ষেত্ৰত উত্তৰ নলবাৰী ৰাভা গাঁৱৰ ৰাইজে অনুষ্ঠিত কৰা ৰাভা দিৱসৰ প্ৰাসংগিকতাখিনিৰো মত

১৩ পৃষ্ঠাত চাওক

পাঠশালাত প্ৰশাসনিক পৰীক্ষাৰ বাবে ল’ব লগা প্ৰস্তুতিৰ আলোচনাচক্ৰ

বিশেষ সংবাদদাতা

পাঠশালা, ২০ জুন ঃ পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ গাতে লাগি থকা পূৰ্বাঞ্চল আইএএছ একাডেমীৰ অধীনত বজালীৰ খণ্ড উন্নয়ন বিষয়া চন্দন বেজবৰুৱা আৰু বহু অভিজ্ঞ শিক্ষকৰ উপস্থিতিত আজি প্ৰশাসনিক পৰীক্ষাৰ বাবে ল’ব লগা প্ৰয়োজনীয় প্ৰস্তুতিক বিষয় হিচাপে লৈ এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। পূৰ্বাঞ্চল আইএএছ একাডেমী নামৰ প্ৰশাসনিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ফালৰ পৰা এই অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ইয়াত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত সকলো বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময়ো কৰা হয়। বহুদিনীয়া অভাৱ দূৰ কৰি পাঠশালাত নতুনকৈ স্থাপন হোৱা পূৰ্বাঞ্চল আইএএছ একাডেমীৰ এনে

১৩ পৃষ্ঠাত চাওক

বান পৰিস্থিতি সম্পৰ্কত জাঁজীমুখত অগ্নিনিৰ্বাপক বাহিনীৰ সজাগতা শিবিৰ

অগ্ৰদূত বাৰ্তা

কাকজান, ২০ জুন ঃ সম্ভাব্য বান পৰিস্থিতিত হ’বলগীয়া যিকোনো জৰুৰী ক্ষেত্ৰত মোকাবিলা হ’বৰ বাবে কালি জাঁজীমুখত টীয়ক অগ্নিনিৰ্বাপক বাহিনীৰ উদ্যোগত এক সজাগতা শিবিৰ অনুষ্ঠিত হয়। ৰাজ্যৰ কে’বাখনো জিলাত বান পৰিস্থিতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়তে যোৰহাট জিলাৰ জাঁজীমুখতো ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত সকলো জৰুৰীকালীন সেৱাই ৰাইজৰ মাজলৈ গৈ আগতীয়া সম্ভাব্য বান পৰিস্থিতিত হ’বলগীয়া যিকোনো জৰুৰী ক্ষেত্ৰত মোকাবিলা হ’বলৈ সজাগতা শিবিৰ অনুষ্ঠিত কৰি আহিছে। সমান্তৰালভাৱে টীয়ক অগ্নিনিৰ্বাপক বাহিনীয়েও উপস্থিত হৈ ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে ৰাইজৰ মাজত এক সজাগতা অনুষ্ঠিত কৰি বানপানীৰ সময়ত হ’বলগীয়া

বজালীৰ বানাক্ৰান্তৰ মাজত কহিনুৰ থিয়েটাৰ-প্ৰস্তুতি পৰাশৰৰ বান সাহায্য বিতৰণ

বিশেষ সংবাদদাতা

পাঠশালা, ২০ জুন ঃ বজালী জিলাত নতুনকৈ সংযোজন হোৱা সৰুক্ষেত্ৰী সমষ্টিৰ হাঠিনাপুৰৰ বানাক্ৰান্তৰ মাজত আজি কহিনুৰ থিয়েটাৰৰ তৰফৰ পৰা বান সাহায্য বিতৰণ কৰা হয়। কহিনুৰৰ প্ৰযোজক তপন লহকৰৰ নেতৃত্বত কহিনুৰৰ অভিনেতা-অভিনেত্ৰী, কলা-কুশলীৰ এটা দল উপস্থিত হৈ বানপীড়িতসকলৰ মাজত আজি দিনৰ ভাগত খাদ্য-সামগ্ৰী বিতৰণ কৰে। উল্লেখ্য যে কালদিয়া নৈৰ বাঢ়নী পানীয়ে কাৰৈমাৰীত মথাউৰি ভঙাৰ ফলত অঞ্চলটোত সংহাৰী ৰূপ ধাৰণ কৰিছিল। অঞ্চলটোত বাসগৃহসমূহ এতিয়াও পানীৰ তলত থকাৰ ফলত লোকসকলে আশ্ৰয় শিবিৰতে থাকিবলগীয়া হৈছে। প্ৰশাসনৰ তৰফৰ পৰা এতিয়ালৈ অঞ্চলটোৰ ৰাইজে কোনো ধৰণৰ বান সাহায্য লাভ নকৰাৰ সময়তে কহিনুৰ থিয়েটাৰে আগবঢ়োৱা এই সাহায্যৰ বাবে কিছু সকাহ লাভ কৰা বুলি ৰাইজে উল্লেখ কৰে। আজিৰ এই বান সাহায্য বিতৰণত তপন লহকৰৰ লগতে অমৃতা শইকীয়া, সিদ্ধান্ত কলিতা, গৌৰাংগ শৰ্মা (আলু), কিশোৰ তহবিলদাৰ, জয়ন্ত জীৱন বৈশ্য আদি শিল্পী, নাট্যকাৰ উপস্থিত থাকে। ইপিনে, জনপ্ৰিয় অভিনেত্ৰী প্ৰস্তুতি পৰাশৰেও আজি বজালীৰ কে’বাটাও অস্থায়ী শিবিৰত বানাক্ৰান্তৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ কৰে। আৱাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক প্ৰযোজক কৃষ্ণ ৰয় আৰু বজালীৰ ৰাজহ চক্ৰ বিষয়া কাকুমণি শইকীয়াৰ সহযোগত পৰাশৰে পাঠশালা আৰু পাটাছাৰকুছিৰ শিবিৰত থকা বানাক্ৰান্তৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ কৰে।

বিজনীত পৌৰসভাৰ উচ্ছেদ

অগ্ৰদূত ব্যুৰ’

বঙাইগাঁও, ২০ জুন ঃ চিৰাং জিলাৰ বিজনী চহৰত একাংশ লোকে সুভাইঝাৰ পথত থকা নলাৰ উপৰি পথটোৰ ওপৰত অস্থায়ী ঘৰ-বাৰাণ্ডা আদি সাজি অবৈধভাৱে বেদখল কৰি থকাত আজি বিজনী পৌৰসভাই এক্সকেভেটৰ দ্বাৰা উচ্ছেদ কৰে। বিজনী চহৰক কৃত্ৰিম বানপানীৰ পৰা উদ্ধাৰ কৰাৰ বাবে এই উচ্ছেদ অভিযান চলায়। এই সংক্ৰান্তত উক্ত অঞ্চলৰ বাসিন্দাসকলক বিজনী পৌৰসভাই আগতীয়াকৈ জাননী দিয়াৰ পাছতো গুৰুত্ব প্ৰদান নকৰাত আজি উচ্ছেদ কৰিবলগীয়া হয় বুলি বিজনী পৌৰসভাৰ সভাপতি গুণেশ্বৰ গয়াৰীয়ে জানিব দিয়ে। অৱশ্যে পৌৰসভাৰ দ্বাৰা অতৰ্কিতে চলোৱা এই উচ্ছেদ অভিযানৰ সময়ত নিৰৱ ভূমিকা পৰিলক্ষিত হয় উচ্ছেদিত লোকসকলৰ। উচ্ছেদ অভিযানৰ সময়ত বিজনী মহকুমা প্ৰশাসন, বিজনী চক্ৰ বিষয়া উপস্থিত থাকে। ভৱিষ্যতেও অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে এনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি বিজনী পৌৰসভাৰ সভাপতি গুণেশ্বৰ গয়াৰীয়ে প্ৰকাশ কৰে ।

নগাঁৱত বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস উদ্‌যাপন

বিশেষ সংবাদদাতা

নগাঁও, ২০ জুন ঃ ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে নগাঁও জিলাৰ বিভিন্ন স্থানত সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস উদ্‌যাপন কৰা হয়। জিলাখনৰ ভয়াৱহ বান পৰিস্থিতিৰ মাজতে কে’বাটাও অনুষ্ঠান, শিক্ষানুষ্ঠান আদিত বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস উদ্‌যাপন কৰা হয়। নগাঁও জিলা বাৰ্তাজীৱী সংঘ আৰু নগাঁও ইলেকট্ৰনিক মিডিয়া এছ’চিয়েছনৰ (নেমা) উদ্যোগত আজিৰ পৰা দুদিনীয়াকৈ বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস উদ্‌যাপন কৰা হৈছে। জিলাখনৰ বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আজি পুৱাৰ ভাগত দুয়োটা সংগঠনৰ সদস্যসকলে কামপুৰৰ এটা আশ্ৰয় শিবিৰৰ বানাক্ৰান্তসকলৰ মাজত বান সাহায্য বিতৰণ কৰি ৰাভা দিৱস আৰম্ভ কৰে। ইয়াৰ পাছতে দিনৰ ১১ বজাৰ পৰা নগাঁও চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষ্ণুপ্ৰসাদ ৰাভা সম্পৰ্কীয় মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ আৰম্ভণিতে বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্যদান কৰে বিদ্যালয়খনৰ অধ্যক্ষা দিপীকা লস্কৰ আৰু সমাজকৰ্মী দেৱেন্দ্ৰ সিং চেহমীয়ে। অনুষ্ঠানত দীপাংকৰ শইকীয়াৰ পৰিচালনাত এখন গীতি আলেখ্য পৰিৱেশন কৰা হয়। ইয়াৰ পাছতে কুইজ মাষ্টাৰ নয়নজ্যোতি বৰাৰ পৰিচালনাত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ৰাজ্যখনৰ বিভিন্ন স্থানৰ ৩০ টাৰো অধিক প্ৰতিযোগী দলে অংশগ্ৰহণ কৰে। কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত বিশ্বজ্যোতি বৰা, দুল হাজৰিকাক প্ৰয়াত ফুলাই বৰা সোঁৱৰণী বঁটা, দ্বিতীয় স্থান প্ৰাপ্ত অমিয় কুমাৰ বৰুৱা, চন্দ্ৰজিৎ দাসক প্ৰয়াত নৰেন্দ্ৰ নাথ বৰদলৈ আৰু সুৱৰ্ণবালা বৰদলৈ সোঁৱৰণী বটা আৰু তৃতীয় স্থান প্ৰাপ্ত দিলীপ কুমাৰ শৰ্মা, পংকজ শৰ্মাক প্ৰয়াত ভূধৰ মেধি আৰু গুণেমাই মেধি সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। আনহাতে, অসমীয়া সাহিত্য সন্মিলনীৰ নগাঁও জিলা সমিতিৰ উদ্যোগত নগাঁও পেঞ্চনাৰ ভৱনত বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিবস উদ্‌যাপন কৰা হয়। সমিতিৰ সভাপতি ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শনৰ বিষয়ে আলোকপাত কৰা হয়। গল্পকাৰ শিৱানন্দ কাকতি, অসমীয়া সাহিত্য সন্মিলনীৰ সভাপতি ড° সাগৰ বৰুৱা, সাহিত্যিক ডাঃ সৰ্বেশ্বৰ বৰা, আবুল হুছেইন আদিয়ে অংশগ্ৰহণ কৰে। অসম শিল্পী কাননৰ উদ্যোগত নগাঁও নেহৰু যুৱ কেন্দ্ৰত ৰাভা দিৱস পালন কৰা হয়। পুৱা বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্যদান কৰে সাংবাদিক কনক হাজৰিকাই। কাননৰ সম্পাদক মৃদুপবন বৰাই আঁত ধৰা অনুষ্ঠানত গীত-মাত আদি পৰিৱেশন কৰা হয়।

নাহৰকটীয়াৰ বিভিন্ন স্থানত ৰাভা দিৱস পালন

অগ্ৰদূত বাৰ্তা

নাহৰকটীয়া, ২০ জুন ঃ অসমৰ বিভিন্ন প্ৰান্তৰ লগতে নাহৰকটীয়াতো আজি বিভিন্ন স্থানত ৰাভা দিৱস পালন কৰা হয়। নাহৰকটীয়া জুবলী মিউজিক ক্লাবে নাহৰকটীয়া টাউন প্ৰাথমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এদিনীয়াকৈ পালন কৰা হয় কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস। কবি, নাট্যকাৰ, সংগীতজ্ঞ, সাহিত্যিক, মুক্তিযুঁজাৰু, বিপ্লৱী শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ অমৰ সৃষ্টিক সজীৱ কৰাৰ মানসেৰে প্ৰতি বছৰে জুবলী মিউজিক ক্লাবে বৰ্ণাঢ্য কাৰ্যসূচীৰে নাহৰকটীয়াত ৰাভা দিৱস পালন কৰি আহিছে। আজি পালন কৰা এই ৰাভা দিৱসত প্ৰায় এশৰো অধিক ছাত্ৰ-ছাত্ৰী, কণ কণ শিশুৱে মহান শিল্পীজনৰ অমৰ সৃষ্টি গীত-নৃত্যত অংশগ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকে জুবলী মিউজিক ক্লাবৰ মুখ্য উপদেষ্টা মৃদুল গায়ন, নাহৰকটীয়া টাউন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰবীণ গগৈ,

১৩ পৃষ্ঠাত চাওক

নাহৰকটীয়াৰ চাচনী দাহাল গাঁৱত বিনামূলীয়া চকু চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা

নাহৰকটীয়া, ২০ জুন ঃ সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) আৰু সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা (আগছু)ৰ নাহৰকটীয়া

১৩ পৃষ্ঠাত চাওক

বানাক্ৰান্তৰ মাজত খাদ্য সামগ্ৰী বিতৰণ সজল ফাউণ্ডেছনৰ

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ২০ জুন ঃ ধাৰাসাৰ বৰষুণৰ ফলত কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ পাছত ভুটানৰ পানী এৰি দিয়াৰ ফলত অসম-বংগ সীমান্তৰ বৃহত্তৰ অঞ্চলৰ নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাত বহু অঞ্চল পানীত বুৰ গৈছে। যাৰ ফলত ৰাইজৰ জীৱন যাত্ৰা ব্যাহত হৈ পৰিছে। কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰে বৈ যোৱা সোণকোষ নৈৰ দুয়োপাৰত অৱস্থিত গাঁওসমূহত দেখা দিছে প্ৰৱল বান। বিশেষকৈ চৰ অঞ্চলৰ ৰাইজৰ অৱস্থা পানীত হাঁহ নচৰা হৈছে। সোণকোষ নদীৰ বাঢ়নী পানীত ৰাইজৰ যাতায়াত ব্যৱস্থাত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। এনে সময়ত আজি বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ সমষ্টিৰ পাৰিষদ সজল কুমাৰ সিংহই বানাক্ৰান্ত ৰাইজৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। সজল ফাউণ্ডেছনৰ তৰফৰ পৰা শিমুলটাপু ব্লক চৰ, গৰুমাৰা চৰত বসবাস কৰা দুই শতাধিক বানাক্ৰান্ত পৰিয়ালৰ মাজত চাউল, দাইল, সৰিয়হৰ তেল, নিমখ, আলু, পিঁয়াজ, চয়াবিন, বিস্কুট, চেনি আদি লাগতিয়াল খাদ্য সামগ্ৰীসমূহ বিতৰণ কৰা হয়। কাৰ্যসূচীত সজল ফাউণ্ডেছনৰ মুখ্য পৰিচালন সঞ্চালক সজল কুমাৰ সিংহৰ উপৰি সংস্থাটোৰ সভাপতি-সম্পাদক ক্ৰমে সুধা ৰায় আৰু প্ৰদীপ ৰায়, শিমুলটাপু ভিচিডিচিৰ সভানেত্ৰীৰ লগতে অঞ্চলটোৰ বিজেপিৰ বহু নেতা-কৰ্মী উপস্থিত থাকে।

মেৰাপানীক মহকুমা ঘোষণা কৰিয়েই

১২ পৃষ্ঠাৰ পৰা সেই সময়তে নগাই কিন্তু অসমৰ মাটি দখলতেই ক্ষান্ত নাথাকি ইটোৰ পাছত সিটো মহকুমা ঘোষণা কৰি বিভিন্ন চৰকাৰী কাৰ্যালয় নিৰ্মাণেৰে উন্নয়নমূলক কাম অব্যাহত ৰাখিছে। কেৱল সিমানেই নহয়, বৰ্তমানে যি স্থানত মেৰাপানী নগৰখন আছে সেই স্থানো নগালেণ্ডৰ ভাণ্ডাৰী মহকুমাৰ অন্তৰ্ভুক্ত কৰি ৰাখিছে নগা প্ৰশাসনে। ইফালে, বিবদমান ‘ডি’ ছেক্টৰৰ ভেলৌগুৰিত ১২শ একৰ মাটি সামৰি থকা অসম ভু-খণ্ডৰ ছীৰ্ডফাৰ্মত এতিয়াও নগাৰ অনুমতি নহ’লে অসমৰ পৰুৱা এটাও সোমাব নোৱাৰে। এনে পৰিস্থিতিত ভূমি পট্টা প্ৰদান কৰি সীমান্তবাসীক সুৰক্ষিত কৰিবলৈ ৰাইজে চৰকাৰক দাবী জনাই আহিছে। অৱশ্যে বিগত চৰকাৰে মেৰাপানী অঞ্চলৰ ৪০-৫০ বছৰ বাস কৰা জনজাতি লোকসকলক ২০০৬ৰ বন আইন অনুসৰি ১২ বিঘাকৈ মাটিৰ দখলী স্বত্বৰ প্ৰমাণপত্ৰ প্ৰদান কৰিছে যদিও সেয়া যথোপযুক্ত নহয়। সেয়েহে চৰকাৰে দৈয়াঙৰ সকলো নাগৰিকক মাটিৰ প্ৰমাণপত্ৰ দিয়াৰ লগতে পূৰ্বৰ চৰকাৰে ঘোষণা কৰা মেৰাপানী মহকুমাক কাৰ্যক্ষম কৰাৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা ল’ব বুলি মেৰাপানীৰ ৰাইজে আশা কৰিছে।

নাহৰকটীয়াৰ চাচনী দাহাল গাঁৱত

১২ পৃষ্ঠাৰ পৰা আঞ্চলিক সমিতি তথা ডিব্ৰুগড়ৰ লায়ন কে কে চহৰীয়া চকু চিকিৎসালয়ৰ যৌথ উদ্যোগত নাহৰকটীয়াৰ চাচনী নলামুখ দাহাল গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত কালি এক বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰে। শিবিৰত ডিব্ৰুগড় লায়ন কে কে চহৰীয়া চকু চিকিৎসালয়ৰ চিকিৎসক অৰণী বৰা, যতীন গগৈ, বিনোদ গগৈ আৰু চাচনী চিকিৎসালয়ৰ চিকিৎসক প্ৰবীণ কোঁৱৰে চিকিৎসা সেৱা আগবঢ়ায়। অৰ্ধ শতাধিকৰো অধিক চকুৰ ৰোগীয়ে চকু চিকিৎসা গ্ৰহণ কৰা শিবিৰত আগছুৰ ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী সম্পাদক পুস্কৰ শৰ্মা, আছা নাহৰকটীয়া আঞ্চলিক সমিতিৰ সম্পাদক মিখেল পূৰ্তি, প্ৰচাৰ সম্পাদক সুনীল বাৰা, আগছু নাহৰকটীয়া আঞ্চলিকৰ ভাৰপ্ৰাপ্ত সভাপতি সুৰুজ নেৱাৰ, সম্পাদক বিনোদ ছেত্ৰী, গোৰ্খা সন্মিলনৰ ডিব্ৰুগড় জিলা সমিতিৰ উপ-সভাপতি বিষ্ণু ছেত্ৰী, নাহৰকটীয়াৰ যুৱ সমাজ সেৱক শৰৎ চাৰিঙীয়া ফুকন, নলামুখ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজিত গগৈ, আশাকৰ্মী ৰাধা থাপা, ভি ডি পি সভাপতি ৰুদুৰ বাদাহুদ ছেত্ৰীৰ লগতে বহুকেইজন আছা, আগছুৰ বিষয়ববীয়া উপস্থিত থাকে।

কামৰূপ জিলা সাহিত্য সভাৰ শাখা

১২ পৃষ্ঠাৰ পৰা শাখাৰ কাৰ্যনিৰ্বাহক সভাৰ তালিকাত অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ পঞ্জীয়ন নম্বৰ আৰু ফোন নম্বৰ উল্লেখ কৰিব। সভাত গৰিষ্ঠ সংখ্যক আজীৱন আৰু সাধাৰণ সভ্য উপস্থিত থকাৰ ব্যৱস্থা কৰিব। উপস্থিত সদস্যৰ স্বাক্ষৰ সম্বলিত সভাৰ কাৰ্য বিৱৰণী জিলা সভালৈ প্ৰেৰণ কৰিব। বিষয়টো অসম সাহিত্য সভাৰ সাংগঠনিক দিশত অত্যন্ত জৰুৰী বুলি গণ্য কৰি বিহিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব। প্ৰয়োজনত জিলা সভাৰ সভাপতি, উপ-সভাপতি, সম্পাদক, সহকাৰী সম্পাদক অথবা সাংগঠনিক সম্পাদকসকলৰ পৰা সহায় পাব। উল্লেখ থাকে যে ২০২১ৰ গঠিত নতুন শাখাসমূহৰ ক্ষেত্ৰত উল্লিখিত নিয়ম প্ৰযোজ্য নহ’ব। কামৰূপ জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাৰ প্ৰস্তাৱিত সিদ্ধান্ত মৰ্মে এনে নিৰ্দেশনা শাখাসমূহলৈ প্ৰেৰণ কৰা হৈছে বুলি সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতী আৰু সাধাৰণ সম্পাদক ৰাজেন মহন্তই কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰিছে।

নাহৰকটীয়াৰ বিভিন্ন স্থানত ৰাভা দিৱস

১২ পৃষ্ঠাৰ পৰা বিশিষ্ট সমাজসেৱক নীলকান্ত দাস, যুৱ সাংবাদিক ক্ৰমে উপেন দাসৰ লগতে জুবলী মিউজিক ক্লাবৰ অনুৰাগীসকল। উল্লেখ্য যে এই অনুষ্ঠানতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলকো সম্বৰ্ধনা জনাই জুবলী মিউজিক ক্লাবৰ বিষয়ববীয়াসকলে। ইফালে, লংজং গাঁওস্থিত সাৰ্বজনীন সাংস্কৃতিক গৱেষণা কেন্দ্ৰৰ গৃহত অৱস্থিত সত্ৰীয়া সংগীত কলা কেন্দ্ৰতো কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু তিথি উপলক্ষে প্ৰায় ৩০ গৰাকী কণ কণ ছাত্ৰ-ছাত্ৰীয়ে বিষ্ণু ৰাভাৰ সংগীত পৰিৱেশন কৰে। অনুষ্ঠানত গীত পৰিৱেশন কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়েই কেন্দ্ৰটোৰ শিক্ষয়িত্ৰী প্ৰতিমা কোঁৱৰ, কেন্দ্ৰৰ সভাপতি লক্ষী হাজৰিকা আৰু সম্পাদক পঞ্চানন দেৱগোস্বামীৰ স্বাক্ষৰ সম্বলিত একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানত কণ কণ শিশুসকলৰ লগতে অভিভাৱকসকলো উপস্থিত থাকে। আনহাতে, আজি নাহৰকটীয়াৰ প্ৰতিখন চৰকাৰী-বেচৰকাৰী বিদ্যালয়তে বিষ্ণু ৰাভা দিৱস পালন কৰে। উল্লেখ্য যে নাহৰকটীয়াৰ লেঙেৰীজানস্থিত পূবেৰুণ নাট্যগোষ্ঠীৰ কাৰ্যালয় তথা প্ৰেক্ষাগৃহত নাট্যগোষ্ঠীটোৱে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভালৈ একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে বিভিন্নজনে বিষ্ণু ৰাভাৰ সংগীত পৰিৱেশন কৰে।

তিনিচুকীয়াত জিলা পথ সুৰক্ষা সমিতিৰ

১২ পৃষ্ঠাৰ পৰা সময়তে সক্ষম হৈ থাকিবলৈ আহ্বান জনায়। আজিৰ বৈঠকতে তিনিচুকীয়া নগৰৰ যানজঁটৰ সমস্যা সম্পৰ্কেও আলোচনা কৰা হয়। নগৰ অঞ্চলত যানজঁট সমস্যা সমাধানৰ বাবে উপায়ুক্তই তিনিচুকীয়া পৌৰসভাক উপযুক্ত পাৰ্কিং অঞ্চল চিনাক্ত কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে পদপথসমূহ বেদখলমুক্ত কৰিবলৈ পৌৰসভাৰ কাৰ্যবাহী বিষয়াক নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি তিনিচুকীয়া নগৰত বিশেষকৈ এটি ৰোডত যাত্ৰীবাহী বাছ তথা অন্যান্য গধুৰ যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত উপায়ুক্তই কেতবোৰ বিশেষ পদক্ষেপ ল’বলৈ জিলা পৰিবহণ বিভাগ তথা আৰক্ষী বিভাগক নিৰ্দেশ দিয়ে। উল্লেখ্য যে আজিৰ বৈঠকতে উপায়ুক্তজনে জিলা পৰিবহণ বিভাগক স্থানীয় স্বেচ্ছাসেৱী সংগঠনসমূহৰ স’তে সন্মিলিতভাৱে বিদ্যালয় তথা মহাবিদ্যালয়সমূহত পথ সুৰক্ষা সন্দৰ্ভত সজাগতামূলক কাৰ্যসূচী হাতত ল’বলৈ পৰামৰ্শ আগবঢ়ায়। আজিৰ বৈঠকত পৰিবহণ বিভাগৰ অতিৰিক্ত উপায়ুক্ত সুশান্ত দত্ত, তিনিচুকীয়া পৌৰসভাৰ সভাপতি জয়ন্ত বৰুৱা, কাৰ্যবাহী বিষয়া মনজিৎ দলে প্ৰমুখ্যে জিলাখনৰ আৰক্ষী বিভাগ, ট্ৰেফিক বিভাগ, পৰিবহণ বিভাগ, লোকনিৰ্মাণ (পথ) বিভাগ, স্বাস্থ্য আৰু শিক্ষা বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ লগতে স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

বিষ্ণু ৰাভাই আত্মগোপন কৰিছিল

১২ পৃষ্ঠাৰ পৰা ব্যক্ত কৰে। উল্লেখ্য যে এইবাৰো উত্তৰ নলবাৰী ৰাভা গাঁৱত এদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰে ৰাভা দিৱস। পুৱা মাংগলিক কাৰ্য সমাপনৰ পাছত অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মাজত থলুৱা ক্ৰীড়া, সাহিত্য, সাংস্কৃতিক আৰু সুকুমাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। সমগ্ৰ ৰাজ্যখনৰ লগতে ধেমাজি জিলাৰ গোগামুখ নলবাৰীতো বিষ্ণু ৰাভা দিৱস পালন কৰা হয়। উত্তৰ নলবাৰী ৰাভা গাঁও যুৱ সংঘ, ৰাভা গাঁও পৰিচালনা সমিতিৰ উদ্যোগত আৰু গোগামুখ-নলবাৰী আঞ্চলিক নিখিল ৰাভা ছাত্ৰ সন্থাৰ সহযোগত ৰাভা গাঁও কৃষ্টি বিকাশ কেন্দ্ৰত একাদশ বাৰৰ বাবে এইবাৰো আয়োজন কৰে। ইয়াৰ আগতে আদৰণি তোৰণৰ দ্বাৰ উদ্বোধন কৰে ৰাভা গাঁও যুৱক সংঘৰ সভাপতি দিপেন ৰাভাই। গছপুলি ৰোপণ কৰে স্থানীয় গাঁওবুঢ়া চুকুৰ ৰাভাই। তেওঁক সহযোগ কৰে সহকাৰী শিক্ষক অজেন বিশ্বাসে। পতাকা উত্তোলন কৰে গোগামুখ-নলবাৰী ৰাভা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শচীন্দ্ৰ ৰাভাই। স্মৃতি তৰ্পণ তথা প্ৰয়াত ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে নিখিল ৰাভা সাহিত্য সভাৰ ধেমাজি জিলা সমিতিৰ সভাপতি পানীৰাম ৰাভাই। বিয়লি মুকলি সভা অনুষ্ঠিত হয়। নিখিল ৰাভা ছাত্ৰ সন্থাৰ গোগামুখ আঞ্চলিকৰ সভাপতি শচীন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে ধেমাজি জিলা নিখিল ৰাভা সন্থাৰ প্ৰাক্তন সম্পাদক গুণিত ৰাভাই। মুখ্য অতিথিৰূপে উপস্থিত থাকে বিহু সুৰক্ষা ধেমাজি জিলা সমিতিৰ সভাপতি পবিত্ৰ সন্দিকৈ, শিল্পীপ্ৰিয় দত্ত আদিয়ে। সন্ধিয়া পুৰস্কাৰ বিতৰণী সভা অনুষ্ঠিত হয়। সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰে জোনাইৰ কণ্ঠশিল্পী সুৰজিৎ ৰাভাই।

দুৰ্নীতিৰ ভূ-স্বৰ্গত পৰিণত মাটিয়া ৰাজহ

১২ পৃষ্ঠাৰ পৰা লাটত প্ৰায় শতাধিক সন্মতি নামজাৰি কৰি দুৰ্নীতিগ্ৰস্ত চক্ৰটোৱে নিজৰ নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হোৱা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সেয়ে এই বিয়াগোম কেলেংকাৰিৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে সচেতন ৰাইজে । ইপিনে, দুৰ্নীতিৰ অভিযোগত চাকৰিৰ পৰা দুবাৰকৈ নিলম্বিত হোৱা ছুপাৰভাইজাৰ কাননগো চমুকৈ এছ কে অমৃত হাজোৱাৰীক মাটিয়া ৰাজহ চক্ৰৰ ভিতৰতে সৰ্বাধিক গুৰুত্বপূৰ্ণ কৃষ্ণাই ৰাজহ টাউন সামৰি লোৱা সাত নম্বৰ লাটৰ লগতে ইয়াৰ সংলগ্ন তিনি নম্বৰ লাটৰ লাট মণ্ডল হিচাপে সম্প্ৰতি দায়িত্ব লাভ কৰাত আভ্যন্তৰীণ মহলতে চেপা উত্তেজনা বিৰাজ কৰিছে। উল্লেখ্য যে এছ কে হাজোৱাৰীয়ে লক্ষীপুৰ ৰাজহ চক্ৰত কাৰ্যনিৰ্বাহ কৰাৰ সময়তে নিদানপুৰ দ্বিতীয় খণ্ডৰ ৪৮৬, ৩৭১ নম্বৰ দাগৰ এক বিঘা এক লেছা মাটি নিয়ম বহিৰ্ভূতভাৱে পট্টা কৰাৰ অভিযোগত চাকৰিৰ পৰা নিলম্বিত হ’বলগীয়া হৈছিল। লক্ষীপুৰ ৰাজহ চক্ৰৰ তদানীন্তন চক্ৰ বিষয়া দেৱাশিষ বৰাৰ তদন্ত প্ৰতিবেদনৰ ভিত্তিত তদানীন্তন গোৱালপাৰাৰ জিলা উপায়ুক্ত ঘনশ্যাম দাসে ২০১৭ৰ ১৬ নৱেম্বৰত জি আৰ কে ২৪/২০১৭/৫ নম্বৰ যোগে এছ কে অমৃত হাজোৱাৰীক নিলম্বিত কৰিছিল। ইপিনে, ইয়াৰ দুবছৰ পাছত ৰংজুলি ৰাজহ চক্ৰত কাৰ্যনিৰ্বাহ কৰাৰ সময়ত বেআইনীভাৱে এগৰাকী লোকক আটক কৰি কাৰ্যালয়লৈ অনাৰ লগতে উৎকোচৰ বিনিময়ত এৰি দিয়াৰ বাবেই তদানীন্তন চক্ৰ বিষয়া শ্যামন্ত ৰবি বৰাই এছ কে অমৃত হাজোৱাৰীক তৎকালীন ভাৱে চাকৰিৰ পৰা নিলম্বিত কৰে। এইদৰে ব্যাপক দুৰ্নীতিত লিপ্ত হোৱা এছ কে হাজোৱাৰীয়ে মাটিয়া ৰাজহ চক্ৰক দুৰ্নীতিৰ ভূ-স্বৰ্গত পৰিণত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অবদান আগবঢ়োৱা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ মাজতে হাজোৱাৰীক নিজৰ দায়িত্বৰ উপৰি দুটাকৈ গুৰুত্বপূৰ্ণ লাটৰ দায়িত্ব অৰ্পণ কৰা বাবেই আভ্যন্তৰীণ মহলতে সৰৱ চৰ্চা চলিছে ।

অল ইণ্ডিয়া জাৰ্ণেলিষ্ট ইউনিয়নৰ

১২ পৃষ্ঠাৰ পৰা বৃদ্ধি কৰে। নুমলীগড় শোধনাগাৰ হৈছে ৰাইজৰ আশা আৰু প্ৰত্যাশাৰ অনুষ্ঠান। অনুষ্ঠানটোৰ উত্তৰণ, বিকাশ আৰু প্ৰগতিৰ ক্ষেত্ৰত সৰ্বস্তৰৰ ৰাইজৰো কৰণীয় আৰু দায়বদ্ধতা আছে। শোধনাগাৰটোৰ বিকাশৰ স্বাৰ্থত যোগাত্মক আৰু গঠনমূলক দৃষ্টিভংগীৰে দায়িত্ব পালন কৰিবলৈ সংশ্লিষ্ট সকলোৰে প্ৰতি তেওঁ আহ্বান জনায়। ৰাজীৱ লস্কৰ আৰু আদৰণি সমিতিৰ সাধাৰণ সম্পাদক জয়ন্ত গগৈয়ে আঁতধৰা অনুষ্ঠানৰ প্ৰাৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে নুমলীগড় শোধনাগাৰৰ মানৱ সম্পদ বিভাগৰ মুৰব্বী, মহাপ্ৰবন্ধক ড° কাজল শইকীয়াই। মুকলি সভা উদ্বোধন কৰে প্ৰবীণ সাংবাদিক, সমাজকৰ্মী দ্বীপেন দত্তই। উদ্বোধনী ভাষণত তেওঁ সাম্প্ৰতিক সংবাদ মাধ্যম আৰু সাংবাদিকতাৰ ধাৰাৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰে। মুকলি সভাত জাৰ্ণেলিষ্ট ইউনিয়ন, গোলাঘাট জিলা সমিতিৰ তৰফৰ পৰা বিশিষ্ট সমাজকৰ্মী ৰাজুমণি হুছেইনক ‘সমন্বয়’ বঁটা প্ৰদান কৰে। উক্ত অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচন, ষ্টাৰ মাৰ্ক লাভ কৰা গোলাঘাট জাতীয় বিদ্যালয়, মাৰ্শ্বাল একাডেমী আদিৰ তিনিকুৰি কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনায়। মুকলি সভাত অল ইণ্ডিয়া জাৰ্ণেলিষ্ট ইউনিয়ন উত্তৰ-পূৰ্বাঞ্চলৰ সভাপতি ডাঃ কুকিল বৰুৱাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে । সভাত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামী, জাৰ্ণেলিষ্ট ইউনিয়নৰ ৰাজ্যিক সভাপতি প্ৰকাশ কায়স্থ, উত্তৰ-পূৱৰ সম্পাদক সত্যজিৎ হাজৰিকা, বেতিয়নী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ টেপুৰাম গগৈ, মৰঙী প্ৰেছ ক্লাবৰ সম্পাদক প্ৰিয়াংদ্বীপ কাকতি, বিশিষ্ট সমাজকৰ্মী দিলবাৰ হুছেইন আদিয়ে সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কণ্ঠধ্বনি শিল্পী সমাজৰ শিল্পীসকলে পৰিৱেশন কৰা সমবেত সংগীত আৰু দীপজ্যোতি বৰা ফুকনৰ তত্বাৱধানত নৃত্যাঞ্জলি সংগীত মহাবিদ্যালয়ৰ শিল্পীসকলে পৰিৱেশন কৰা ভোৰতাল নৃত্য আৰু সৃষ্টিশীল নৃত্যই পৰিৱেশ মুখৰিত কৰি তোলে। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে জাৰ্ণেলিষ্ট ইউনিয়ন, গোলাঘাট জিলা সমিতিৰ সভাপতি দীপক জৈনে। স্মৃতি তৰ্পণ কৰে ৰাজ্যিক সহকাৰী সম্পাদক জীয়াউদ্দিন আহমেদ আৰু জিলা সমিতিৰ সাধাৰণ সম্পাদক বিদ্যান বৰদলৈয়ে ।

নামনি অসম বিদেশী আগ্ৰাসনৰ পৰা বাচিব লাগিলে ৰাভা হাছঙক ষষ্ঠ অনুসূচী দিব লাগিব ঃ টংকেশ্বৰ ৰাভা

গোৱালপাৰা জিলা আৰছুৰ উদ্যোগত দুধনৈৰ ঘোঁৰাপোটাত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

দুধনৈ, ২০ জুন ঃ ‘নামনি অসম বিদেশী আগ্ৰাসনৰ পৰা বাচিবলগীয়া হ’লে ৰাভা হাছংখনক ষষ্ঠ অনুসূচী প্ৰদান কৰিবই লাগিব।’ নিখিল ৰাভা ছাত্ৰ সন্থাই কৰা ষষ্ঠ অনুসূচীৰ সংগ্ৰামত বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শৰ প্ৰাসংগিকতা আছে। সংগ্ৰাম কৰিলে মুক্তি আছে, যিটো বিষ্ণুপ্ৰসাদ ৰাভাই প্ৰমাণ কৰি থৈ গৈছে।’ আজি দুধনৈৰ ঘোঁৰাপোটাত অনুষ্ঠিত হোৱা বিষ্ণুপ্ৰসাদ ৰাভা দিৱসত উপস্থিত হৈ এনেদৰে কয় ৰাভা হাছঙৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। আজি সমগ্ৰ ৰাজ্যখনৰ লগতে গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৰ ঘোঁৰাপোটাতো গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা আৰু গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয় কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৩ সংখ্যক মৃত্যু তিথি। পুৱা ন বজাত আৰছু আৰু মহিলা পৰিষদৰ পতাকা উত্তোলন কৰে গোৱালপাৰা জিলা আৰছুৰ সভাপতি বিৰঞ্জন ৰাভা আৰু মহিলা পৰিষদৰ সভানেত্ৰী মনোমা ৰাভাই। ইয়াৰ পাছতে ছহিদ তৰ্পণ কৰে গোৱালপাৰা জিলা আৰছুৰ সম্পাদক তিলক ৰাভাই। কলা গুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক বাসুদেৱ ৰাভাই। পুৱা ১০ বজাৰ পৰা চিত্ৰাংকন, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আবেলি দুই বজাত গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বিৰঞ্জন ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখন উদ্বোধন কৰে নিখিল ৰাভা ছাত্ৰ সন্থাৰ আলোচনী সম্পাদক অসীম কুমাৰ ৰাভাই। সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, আছুৰ গোৱালপাৰা জিলা সমিতিৰ সভাপতি অভিজিৎ নাথ, এবছুৰ সভাপতি সন্তোষ হাজোৱাৰীকে আদি কৰি বিভিন্ন জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ইপিনে, উক্ত সভাতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সতীৰ্থ গৌৰ মোহন ৰাভা আৰু গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি ৰঞ্জিত ৰাভাক সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদক জীৱন চন্দ্ৰ ৰাভা। ইয়াৰ পাছতে সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্যা জ্যোতিকা ৰাভাই। সাংস্কৃতিক অনুষ্ঠানত বিষ্ণু সংগীত, ৰাভা আধুনিক গীত, ৰাভা লোক নৃত্য হামজাৰ, ছাথাৰ আৰু ফাৰকান্তি নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয় আৰু নিশা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীতৰ শৰাই অনুষ্ঠান অনুষ্ঠিত হয়।

বঙাইগাঁৱত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সাতশ বস্তা চাউল জব্দ

অগ্ৰদূত ব্যুৰ’

বঙাইগাঁও, ২০ জুন ঃ বঙাইগাঁও জিলাৰ বঙাইগাঁও সদৰ থানাৰ অন্তৰ্গত চিটকা গাঁৱৰ হিৰাপাৰাত আজি আৰক্ষী আৰু যোগান বিভাগে অভিযান চলাই প্ৰায় সাতশ বস্তা ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল জব্দ কৰে। যোগান বিভাগ আৰু আৰক্ষীয়ে অভিযানত অবৈধভাৱে মজুত কৰি ৰখাৰ সন্দেহত আৰক্ষীয়ে অভিযান চলায়। চিটকাগাঁও হীৰাপাৰাৰ কৃষ্ণ প্ৰধানৰ ঘৰত অভিযান চলাই আৰক্ষীৰ দলে। জানিব পৰা গৈছে যে কৃষ্ণ প্ৰধানৰ পুত্ৰ বিনোদ প্ৰধানে দীৰ্ঘ দিনৰ পৰা ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউলৰ চোৰাং ব্যৱসায়ৰ স’তে জড়িত হৈ আছে। যোৱা নিশা দুখন ট্ৰাকত চাউলসমূহ উল্লিখিত কৃষ্ণ প্ৰধানৰ ঘৰত অনা হৈছিল। অভিযান চলোৱা যোগান বিভাগৰ বিষয়া এজনে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়া মতে, অভিযুক্ত বিনোদ প্ৰধান যোগান বিভাগৰ পঞ্জীয়ন ব্যৱসায়ী নহয়। এই সন্দৰ্ভত তদন্ত চলোৱা হ’ব। উল্লেখ্য যে আৰক্ষী আৰু যোগান বিভাগৰ অভিযান কালত অভিযুক্ত বিনোদ প্ৰধান নামৰ অভিযুক্তজন পলাই সাৰে।

জামুগুৰিহাটৰ বিষ্ণু ৰাভা দিৱসত বিধায়কৰ কবিতা আবৃত্তি

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ২০ জুন ঃ শোণিতপুৰ জিলাৰ জামুগুৰিহাটতো বহু উলহ-মালহেৰে উদ্‌যাপন কৰা হয় ৰাভা দিৱস। জামুগুৰিহাটৰ গেৰেলুৱাচুকত বিকাশজ্যোতি মইনা পাৰিজাতৰ সৌজন্যত অনুষ্ঠিত কৰা বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই পৰিৱেশন কৰে নাটকৰ দুৰ্দান্ত সংলাপৰ লগতে এটা কবিতা আবৃত্তি কৰি ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হয়। অনুষ্ঠানতে বিধায়কজনে সঞ্জুমণি বৰা সোঁৱৰণী মঞ্চ উদ্বোধন কৰে। ভাষণ প্ৰসংগত বিধায়কজনে কয় যে বৰ্তমানৰ নৱপ্ৰজন্মই সাংস্কৃতিক দিশত আগবাঢ়িলেহে আমাৰ জাতিৰ পৰিচয়ৰ লগতে কৃষ্টি-সংস্কৃতি জীয়াই থাকিব। সেই ক্ষেত্ৰত প্ৰত্যেকজন অভিভাৱকে নিজৰ ল’ৰা-ছোৱালীক গুৰুত্ব প্ৰদান কৰি আগুৱাই নিব লাগিব। অনুষ্ঠানত বিধায়কক এখন অভিনন্দনপত্ৰ প্ৰদান কৰাৰ লগতে ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে উদ্যোক্তাসকলে। বিধায়কজনৰ লগত উপস্থিত থাকে বৰভগীয়া জিলা পৰিষদৰ সদস্য পলি চুতিয়া, নদুৱাৰ মণ্ডল বিজেপিৰ সভাপতি জয়ন্ত বৰা, জামুগুৰি ক্ৰীড়া সন্থাৰ সভাপতি গৌতম লাহনৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি।

উত্তৰ শালমৰাত আজি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ২০ জুন ঃ বিগত সাত বছৰৰ দৰে এই বছৰো অষ্টম যোগ দিৱস সফলতাৰে উদ্‌যাপন কৰাৰ উদ্দেশ্যে উত্তৰ শালমৰা মহকুমা প্ৰশাসনে ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। ২১ জুনৰ পুৱা সাত বজাৰ পৰা আঠ বজালৈ অভয়াপুৰী কলা পৰিষদ ভৱনত পতঞ্জলি যোগ সমিতি অভয়াপুৰী শাখা আৰু কলা পৰিষদৰ সহযোগত আয়োজন কৰা যোগ দিৱসৰ কাৰ্যসূচীৰ প্ৰস্তুতি মহকুমাধিপতি পাৰ্থ সাৰথি জহৰিয়ে নিজেই তদাৰক কৰিছে। অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপনৰ বিষয়বস্তু স্থিৰ কৰা হৈছে ‘মানৱতাৰ বাবে যোগ’। মহকুমাধিপতি জহৰিয়ে অষ্টম সংখ্যক যোগ দিৱস সফল ৰূপায়ণৰ বাবে নিৰ্বাচনী বিষয়া তন্ময় ঘোষক নডেল বিষয়া হিচাপে নিযুক্তি দি এখন সমিতিও গঠন কৰি দিছে। নডেল বিষয়া ঘোষে উত্তৰ শালমৰাৰ চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

ছয়গাঁও মহাবিদ্যালয়ত বিষ্ণু ৰাভা দিৱস পালন

ছয়গাঁও, ২০ জুন ঃ কামৰূপ জিলাৰ এখন অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান ছয়গাঁও মহাবিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে বিষ্ণু ৰাভা দিৱস পালন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে ক্ৰমে ছয়গাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক ড° নগেন কলিতা, ছয়গাঁও মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপিকা তথা ইংৰাজী বিভাগৰ মুৰব্বী শৰ্মিলা ৰয় দাস, ভাৰপ্ৰাপ্ত শৈক্ষিক বিষয়া কমল ঠাকুৰীয়া আৰু মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান প্ৰত্যয়ন কোষৰ সমন্বয়ক ড° বনমালী নাথে। সহকাৰী অধ্যাপক উপেন ডেকা আৰু ড° দীপামণি বৰ্মনে আঁত ধৰা এই অনুষ্ঠানত বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন আৰু কৃতিত্বৰ ওপৰত আলোকপাত কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক ড° নগেন কলিতা, শৈক্ষিক বিষয়া তথা অধ্যাপক কমল ঠাকুৰীয়া, মহাবিদ্যালয়খনৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ৰীণা কলিতা আৰু অধ্যাপক ড° বনমালী নাথে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা ড° দীপিকা দাসে কবিতা আবৃত্তি আৰু অধ্যাপিকা মৌচুমী দাসে ৰাভা সংগীত পৰিৱেশন কৰে। ইয়াৰ উপৰি মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী ক্ৰমে চয়নিকা কলিতা, সাগৰ দাস, লীনা কলিতাই ৰাভা সংগীত আৰু সুস্মিতা সাহাই এটি নৃত্য পৰিৱেশন কৰে। শেষত শলাগৰ শৰাই আগবঢ়াই অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক উপেন ডেকাই।

পাঠশালাত প্ৰশাসনিক পৰীক্ষাৰ

১২ পৃষ্ঠাৰ পৰা পদক্ষেপে আগন্তুক দিনত প্ৰশাসনিক বিষয়া হ’বলৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰীক সঠিক পথ দেখুৱাবলৈ সক্ষম হ’ব বুলি আশা কৰিব পাৰি। উল্লেখ্য যে যোৱা ১৭ এপ্ৰিলত পাঠশালাৰ বজাৰ কমিটীৰ সভাপতি গিৰিধৰ চৌধুৰী, অসম চৰকাৰৰ বন আৰু পৰিৱেশ বিভাগৰ ব্ৰেণ্ড এম্বেছাডৰ আনন্দ খাটনিয়াৰ, বজালীৰ চক্ৰ বিষয়া দিৱস বৰদলৈ, অধিবক্তা তিলক তালুকদাৰ আদিকে ধৰি বহু ব্যক্তিৰ উপস্থিতিত প্ৰতিষ্ঠানখনৰ উদ্বোধন কৰা হয়।

বাহাৰঘাটৰ বন্যাক্ৰান্তৰ মাজত সাংসদ দিলীপ শইকীয়া

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ২০ জুন ঃ নলবাৰী সমষ্টিৰ বিভিন্ন প্ৰান্তৰ লগতে পূৰ্ণদৈচপৰা আৰু বাহাৰঘাট, দেহাৰকুছি, বৰখালা, ধুৰকুছি আদি শিবিৰত আশ্ৰয় লৈ থকা বানপীড়িত ৰাইজৰ খা-খবৰ লোৱাৰ লগতে বানাক্ৰান্ত ৰাইজৰ মাজত খোৱাপানী, গুড়, চিৰা, বিস্কুট, চয়াবিন, কণী, মেগি আদি বিভিন্ন খাদ্য সম্ভাৰৰ উপৰি তিৰপাল আৰু ফেনাইল বিতৰণ কৰে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। ইফালে, হাজো সমষ্টিৰ পশ্চিম বড়িগোগ মৌজাৰ জনসাধাৰণৰ অৱস্থা অতিপাত পুতৌজনক। মানুহ তথা পোহনীয়া জীৱজন্তু ওখ ঠাইত আশ্ৰয় লৈ আছে। আনকি মৌজাৰ অন্তৰ্গত কঞা ৰাজহ চক্ৰ কাৰ্যালয় কামৰূপ জিলাৰ ডিমুলৈ স্থানান্তৰিত কৰিব লগা হৈছে। মৌজাখনৰ বানাক্ৰান্ত ৰাইজে পৰ্যাপ্ত পৰিমাণে সাহায্য নোপোৱাৰ অভিযোগ তুলিছে। আজি বাতৰি লিখা সময়লৈ মৌজাখনৰ পানী কিছু শুকাইছে যদিও ৰাইজৰ বিপদ আঁতৰা নাই। উল্লেখ্য যে বৃহস্পতিবাৰে পুৱাই বৰলীয়া নৈৰ দুঠাইত মথাউৰি ছিঙি কামৰূপ আৰু নলবাৰী জিলাৰ বিস্তীৰ্ণ অঞ্চল বানে প্লাবিত কৰিছে। আনহাতে, মথাউৰি ভঙাৰ খবৰ পোৱাৰ পাছতে সাংসদ শইকীয়াই পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বানাক্ৰান্তক উদ্ধাৰ কৰি আশ্ৰয় শিবিৰত ৰখাৰ ব্যৱস্থা কৰে। মন কৰিবলগীয়া যে বানে মৰোৱা কমলপুৰ গড়কাপ্টানী পথৰ লগতে অঞ্চলৰ কে’বাটাও পথ পানীৰ সোঁতে উটুৱাই নিয়ে। আনহাতে, বৰভাগ ৰাজহ চক্ৰৰ পাগলাদিয়া নৈৰ পূব অংশ এইবেলি বানে ভীষণ ক্ষতিগ্ৰস্ত কৰে। বানৰ ফলত বৰভাগত এজন লোকৰ মৃত্যু হয়।

বিশ্বনাথ নগৰত এজন যুৱকক শিলগুটিৰে মূৰ ফালি পলায়ন

এজন যুৱকৰ দুই সহযোগীক আটক বিশ্বনাথ আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ২০ জুন ঃ আজি পুৱাই বিশ্বনাথ নগৰৰ বি জি ৰোডৰ বিশ্বনাথ চাৰিআলি পৌৰসভাৰ সমীপত পবিত্ৰ বৰা নামৰ যুৱকজনক শিলগুটিৰে মূৰ ফালি পলায়ন কৰে এজন অচিনাকি যুৱকে। দৰাচলতে বিশ্বনাথ চাৰিআলি পৌৰসভাৰ সমীপৰ দীপাঞ্জল বৰুৱা নামৰ যুৱকজনৰ দোকানৰ কৰ্মচাৰী পবিত্ৰ বৰাই পুৱাই নিজৰ দোকান চাফ-চিকুণ কৰি আছিল। সেই সময়তে এখন ঠেলাগাড়ী লৈ তিনিজন যুৱক সেই স্থানত উপস্থিত হৈ দোকানখনৰ পৰা বাহিৰ কৰি ৰখা কাৰ্টনবোৰ নিজৰ ঠেলা গাড়ীত উঠাবলৈ চেষ্টা কৰিছিল। লগে লগে দীপাঞ্জল বৰুৱাৰ কৰ্মচাৰী পবিত্ৰই এই কাৰ্টনবোৰ ক’লৈ নিয়ে বুলি প্ৰশ্ন কৰাৰ লগে লগে তিনিজন যুৱকৰ মাজত এজন যুৱকে হঠাৎ এটা শিলগুটি লৈ পবিত্ৰ বৰাৰ মূৰত মাৰি দিয়ে। ফলত পবিত্ৰ বৰাৰ মূৰ ফাটি যায়। লগে লগে প্ৰত্যক্ষদৰ্শীয়ে শিলগুটিৰ দ্বাৰা মূৰ ফটা পবিত্ৰ বৰাক বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়ত চিকিৎসা কৰাব নিয়াৰ লগতে আন কেইজনমানে শিলগুটি নিক্ষেপ কৰা যুৱকজনৰ সহযোগী দুজনক ধৰি ৰাখে। পাছৰ পৰ্যায়ত বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাৰ দল আহি সহযোগী দুজনক সোধা-পোছাৰ বাবে আটক কৰি বিশ্বনাথ চাৰিআলি আৰক্ষী থানালৈ লৈ যায়। পৰৱৰ্তী সময়ত আৰক্ষীৰ পৰা জানিব পৰা মতে, সহযোগী দুজনক সোধা-পোছা কৰাৰ পাছত শিলগুটি নিক্ষেপ কৰি মূৰ ফালি দিয়া যুৱকজনৰ ঘৰ বিশ্বনাথ চাৰিআলিৰ নিলপুৰ চাহ বাগিচাৰ আছিল আৰু আৰক্ষীৰ দলে ইতিমধ্যে আটক কৰিবলৈ সক্ষম হ’ল নিলপুৰৰ পৰা শিলগুটি নিক্ষেপ কৰা যুৱকজনক।

বাগ্‌সাৰ বাৰাপেটাত ভয়ংকৰ পথ দুৰ্ঘটনা

তিনি আৰোহীসহ নিয়ন্ত্ৰণ হেৰুৱাই দ খাৱৈত সোমাল বেলেন’ বাহন

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২০ জুন ঃ বাগ্‌সাৰ শালবাৰীৰ খাৰিজা বিজনীৰ বাৰাপেটা নেপালীবস্তিত আজি আবেলি পাঁচ বজাত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। নিয়ন্ত্ৰণ হেৰুৱাই দ খাৱৈত সোমাই যায় এ এছ-০১ ডি জেড-৩০০২ নম্বৰৰ এখন বেলেন’ বাহন। বাগ্‌সাৰ চুকুংবাৰীৰ পৰা বৰপেটাৰোড অভিমুখে গৈ আছিল বাহনখন। তেনে সময়তেই নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা এটা দ খাৱৈত সোমাই যায় বাহনখন। তাৰ পাছতেই খাৱৈটোত প্ৰায় সম্পূৰ্ণৰূপে ডুব যায় বাহনখন। সৌভাগ্যক্ৰমে ৰক্ষা পৰে বাহনখনত থকা তিনি আৰোহী। তাৰ পাছতেই স্থানীয় লাৱদাংগুৰী আৰক্ষী আৰু স্থানীয় ৰাইজৰ সহযোগত উদ্ধাৰ কৰা হয় বাহনখন। এখন এক্সকেভেটৰেৰে টানি দ খাৱৈৰ পৰা উদ্ধাৰ কৰা বাহনখন লাৱদাংগুৰী আৰক্ষী চকীলৈ লৈ যায় আৰক্ষীয়ে।

ৰাণীত ‘বিষ্ণু-জ্যোতি’ সংঘৰ উদ্যোগত ৰাভা দিৱস উপলক্ষে বৃক্ষৰোপণ

অগ্ৰদূত বাৰ্তা

আজাৰা, ২০ জুন ঃ প্ৰতি বছৰৰ দৰে এইবেলিও বিষ্ণু ৰাভা দিৱসৰ লগত সংগতি ৰাখি ৰাণীত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৃহত্তৰ ৰাণী অঞ্চলৰ সামাজিক অনুষ্ঠান কাহাৰপাৰ ‘বিষ্ণু-জ্যোতি সংঘ’ৰ উদ্যোগত আজি অৰ্ধশতাধিক গছপুলি ৰোপণ কৰা হয়। ৰাণী বনাঞ্চলিক কাৰ্যালয়ৰ সহযোগত সংঘৰ সভাপতি বিশ্বজিৎ দাস, সম্পাদক দিপক মহন্তৰ লগতে সদস্যসকলৰ উপস্থিতিত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাহাৰপাৰা গাঁৱৰ পৰা বঙৰা পথ সংযোগী পথছোৱাৰ দুয়োফালে ভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হয়।

মেঘালয়ে পানী এৰিলে ছয়গাঁৱৰ চৰাঞ্চলত বানে ল’ব কালৰূপ

গৰৈমাৰী ৰাজহ চক্ৰৰ বন্যাৰ্তৰ মাজত বিধায়ক ৰেকিবুদ্দিন

অগ্ৰদূত বাৰ্তা

সোণতলী, ২০ জুন ঃ ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে বিগত কে’বাদিন ধৰি ৰাজ্যখনৰ উজনি-নামনি সকলোতে এক বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। ৰাজ্যখনৰ প্ৰায় ৩০খনকৈ জিলা বৰ্তমানলৈ বানৰ কবলত পৰাৰ সমান্তৰালকৈ কামৰূপ জিলাৰ বকো আৰু ছয়গাঁও সমষ্টিৰ প্ৰায়বোৰ ৰাজহ গাঁও বানে বুৰাই পেলাইছে। বানৰ কবলত পৰি বানপীড়িত লোকসকলে হাহাকাৰ কৰিবলগীয়া হৈছে। বছৰটোৰ দ্বিতীয়টো বানে অঞ্চলস্থ বন্যাৰ্তৰ ঘৰৰ চোতাল তথা কিছুমান লোকৰ ঘৰৰ মজিয়াতো একাঁঠুকৈ পানী সোমাই সম্প্ৰতি জনজীৱন ব্যাহত কৰি তুলিছে। উল্লেখ্য যে বিগত কে’বাদিন ধৰি হৈ থকা মুষলধাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ পানী ক্ৰমাৎ ওফন্দি উঠি এনে বিপৰ্যস্ত পৰিৱেশৰ সৃষ্টি কৰিছে যাৰ ফলত কৃষক ৰাইজৰ চোতালতে পচিবলৈ ধৰিছে বৰো ধান আৰু পানীৰ তলত ডুব গৈছে কুঁহিয়াৰ, দুনচা, বেঙেনা, ভোল, জলকীয়া, মৰাপাটৰ লগতে বিভিন্ন জাতৰ শাক-পাচলিৰ খেতি। বানত কৃষক ৰাইজৰ উপৰি সাধাৰণ লোকৰ দুখ-দুৰ্গতিৰ খবৰ ল’বলৈ উপস্থিত হয় ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ। আলিকাষ পাৰ ঘাটৰ পৰা যন্ত্ৰচালিত নাৱৰে গৰৈমাৰী ৰাজহ চক্ৰৰ আলিকাষ, মাজোৰটোপ, খলিহামাৰী, জোৰশিমুলী, টপাৰ পথাৰ, নলজুহি, দুৰামাৰী, উজান দুৰামাৰী, অগ্ৰদূতপাম, পুৰাণকুচিয়া, বৰাখাট, মাগুৰাবিল আদি অঞ্চল পৰিদৰ্শন কৰি বন্যাৰ্তসকলৰ পৰিস্থিতিৰ বুজ লয়। বিধায়কজনে পৰিদৰ্শনৰ অন্তত সাংবাদিকৰে হোৱা বাৰ্তালাপত কয় যে বানপানী প্ৰাকৃতিকভাৱে হোৱা হেতুকে মানুহৰ আয়ত্তৰ বাহিৰত, তথাপি আমি সকলোৱে এই সংকট কালত সেৱাৰ মনোভাৱেৰে ইজনে সিজনক সহায় কৰিব লাগিব। তেওঁ আৰু কয় যে কুলহী নদীত বৰ্তমান পানী বঢ়াত ছয়গাঁৱৰ ফালে বিশেষ প্ৰভাৱ পৰিছে, লগতে গৰৈমাৰী ৰাজহ চক্ৰৰ বহু চৰাঞ্চলত মানুহ আৰু পশুধনৰ ক্ষতি হৈছে। যিখিনি ওখ ভেটি আছে তাতো সমস্যাৰ সৃষ্টি হৈছে। বন্যাৰ্তৰ কাষত ইতিমধ্যে সহায়ৰ কাৰণে এনডিআৰএফ, এছডিআৰএফ বাহিনী, দুৰ্যোগ ব্যৱস্থাপনা বিভাগ আদি সক্ষম হৈ আছে যাতে যিকোনো পৰিস্থিতিৰ সন্মুখীন হ’লেও বন্যাৰ্তক উদ্ধাৰ কৰিব পৰা যায়। লগতে বন্যাৰ্তৰ মাজত খোৱাপানী, খাদ্য সংকটে দেখা দিছে। চৰকাৰৰ ফালৰ পৰা ইয়াৰ দ্ৰুত সমাধানৰ ব্যৱস্থা কৰা হৈছে। মেঘালয়ে পানী এৰিবলৈ সাজু হোৱা সন্দৰ্ভত বিধায়কজনে কয় যে মেঘালয়ে বিগত দিনত এবাৰ পানী এৰি দিয়াত ছয়গাঁও সমষ্টিৰ সকলো ৰাস্তা ডুব গৈ মানুহৰ বিস্তৰ ক্ষতি হৈছিল, এইবেলিও যদি এৰি দিয়ে আমাৰ বহুত কষ্ট হ’ব।

অসম দাপোণ

বানত কৰকবকাইছে বকোৰ শ শ পৰিয়াল

বানপীড়িত অঞ্চলত খাদ্য, অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনি

আলোপতি, ২০ জুন ঃ বানত বুৰ গৈছে কামৰূপ জিলাৰ বকো সমষ্টিৰ অধিকাংশ অঞ্চল। সমষ্টিটোৰ নগৰবেৰা ৰাজহ চক্ৰ আৰু ছমৰীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ৮০ শতাংশ অঞ্চল ডুব গৈছে বলিয়া বানত। তথ্য মতে, নগৰবেৰা ৰাজহ চক্ৰৰ মন্দিৰা এনচি, জামলাই, জলজলী খোলা ৰিজাৰ্ভ, ভখুৰাদিয়া, ৰংগেশ্বৰী পাম, বদলা আদি অঞ্চলৰ শ শ লোকৰ ঘৰ-দুৱাৰ ডুব গৈছে বানত। ইপিনে, ছমৰীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত কে'বাখন গাঁও ডুব গৈছে বানত। বানপীড়িত লোকসকলে কে'বা ঠাইত আশ্ৰয় শিবিৰ পাতি আশ্ৰয় গ্ৰহণ কৰিছে। বানপীড়িত অঞ্চলসমূহত খাদ্য আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনি হোৱাত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বকো সমষ্টিৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ যোৱাৰ পাছতো বানপীড়িত লোকক বান সাহায্য যোগান নধৰাৰ অভিযোগ উঠিছে। বানত কৰকবকাই থকা বকো সমষ্টিৰ বিভিন্ন অঞ্চল আজি পৰিদৰ্শন কৰে নগৰবেৰা ৰাজহ চক্ৰ বিষয়া বনশ্ৰী মালাকাৰ আৰু নগৰবেৰা সাংবাদিক সন্থাৰ সাংবাদিকসকলে। ৰাজহ চক্ৰ বিষয়াই বানপীড়িত লোকৰ স'তে মত বিনিময় কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে তেওঁলোকক স্থানীয় চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লাটমণ্ডল, স্থানীয় গাঁওবুঢ়াৰে যোগাযোগ ৰাখিবলৈ পৰামৰ্শ দিয়ে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজন সাপেক্ষে বানপীড়িত অঞ্চলসমূহত বান সাহায্যৰ ব্যৱস্থা কৰাৰ আশ্বাস প্ৰদান কৰে ৰাজহ চক্ৰ বিষয়া মালাকাৰে। শীঘ্ৰে বানাক্ৰান্ত অঞ্চলসমূহত খাদ্য আৰু অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰাৰ দাবী জনাইছে পীড়িত লোকে।

■ পুনৰ ব্ৰহ্মপুত্ৰৰ বানে ডুবালে দুখনকৈ গাঁও ■ আজিলৈ অন্ধকাৰত বুৰ গৈ আছে উত্তৰ হাজো

হাজোৰ বান পৰিস্থিতি অবৰ্ণনীয়

অগ্ৰদূত বাৰ্তা

হাজো, ২০ জুন ঃ কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ বিশেষকৈ উত্তৰ হাজোৰ বান পৰিস্থিতি বৰ্তমানেও অধিক শোচনীয় হৈ আছে। বৰলীয়া, পুঠিমাৰী, পাগলাদিয়া নৈৰ ভগ্ন মথাউৰিৰে হোৱাহোৰে সোমাই থকা প্ৰলয়ংকৰী বাঢ়নী পানীয়ে বিগত চাৰিদিনে উত্তৰ হাজো অঞ্চলৰ ৩৮ খনকৈ গাঁৱৰ প্ৰায় লক্ষাধিক লোকৰ মাজত তাণ্ডৱ চলাই থকাৰ সময়তে আজি পুনৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত হালোগাঁও আৰু দামপুৰত ব্ৰহ্মপুত্ৰৰ বলিয়া বানে বুৰাই পেলোৱাত সমগ্ৰ হাজোত এক প্ৰলয় সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে। বিগত চাৰিদিনৰ পাছতো বিশেষকৈ উত্তৰ হাজোৰ বান পৰিস্থিতি অপৰিৱৰ্তন অৱস্থাত আছে। আজিও বিশেষকৈ উত্তৰ হাজোৰ ভোমাৰবৰী, দিহিনা, হেলেছা, কোঁৱৰপুৰ, বুল্লুট, জাপিয়া, বৰম্বে, তিনি নম্বৰ মনাহকুছি, শোপনিকুছি, কলিতাকুছি, বাগটা, পানীয়াপৰা, অধিয়াৰপাৰা, বৰ্ণি, শনিয়াদি, বামুণবড়ি, হিৰাজেনী আদি অঞ্চলৰ একাংশ লোকৰ ঘৰৰ মূধচৰে পানীৰ সোঁত বৈ আছে। এনে পৰিস্থিতিত বানাক্ৰান্ত লোকসকলৰ বিলাই বিপত্তি নোহোৰা হৈছে। বহু লোকে নিজৰ সা-সম্পত্তি, গৰু-

ম'হসহ ওখ ঠাইত আশ্ৰয় লৈছে যদিও এতিয়াও বহু লোক জলবন্দী হৈ আছে। উত্তৰ হাজো অঞ্চলৰ প্ৰধান বাট-পথসমূহত একাঁঠুৰ পৰা এবুকু পৰ্যায়লৈ পানী উঠাত যাতায়াত বন্ধ হৈ পৰাত এতিয়াও বহিঃস্থানৰ লগত যাতায়াত-যোগাযোগ সম্পূৰ্ণ ব্যাহত হৈ আছে।

উত্তৰ হাজোৰ বানাক্ৰান্ত একাংশ শিবিৰত আজি বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তথা অসম চৰকাৰৰ যুৱ আয়োগৰ সদস্য, যুৱ নেতা ৰাতুল শৰ্মাই নিজা উদ্যোগত বিতৰণ কৰে কিছু পৰিমাণৰ খাদ্য। যুৱ নেতাজনে বৰম্বে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত থকা শিবিৰ, বৰুৱাবাৰীৰ মথাউৰিৰ শিবিৰ, সাতদলা আৰু কৈৱৰ্তটোলাত পানীৰ বটল, বিস্কুট, চিৰা, গুড় আৰু শিশু উপযোগী গাখীৰ বিতৰণ কৰে। তদুপৰি যুৱ নেতাজনে বৰুৱাবাৰীৰ মথাউৰিত দুৰ্বিষহ জীৱন কটোৱা একাংশ বানাক্ৰান্তৰ মাজত ৪০ খনকৈ তিৰপালো বিতৰণ কৰে। যুৱ নেতা শৰ্মাৰ এনে পদক্ষেপৰ শলাগ লয় বানাক্ৰান্ত ৰাইজে।

বানৰ বিভীষিকাৰ মাজত বিদ্যুৎ পৰিবাহী খুঁটা ক'তো উভালি পৰা নাই যদিও বিগত তিনিদিনে উত্তৰ হাজোত বিদ্যুৎ সংযোগ ব্যাহত কৰি ৰখাৰ ফলত অন্ধকাৰত বুৰ গৈ আছে উত্তৰ হাজোৰ বিভিন্ন অঞ্চল। সেয়ে অধিকাংশ বানাক্ৰান্তই অন্ধকাৰৰ মাজতে নিজৰ পশুধনৰ স'তে এক অবৰ্ণনীয় নিশা কটাবলগীয়া হৈছে।

উত্তৰ হাজোৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয় সাংসদ কুইন ওজাই। সাংসদ ওজাই প্ৰথমে বৰম্বে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত থকা শিবিৰ পৰিদৰ্শন কৰি বৰুৱাবাৰীলৈ গৈ বান পৰিস্থিতিৰ বুজ লয়।

কেৰালাত দুৰ্ঘটনাত মৃত্যু কলিয়াবৰৰ যুৱকৰ

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ২০ জুন ঃ বহিঃৰাজ্য কেৰালাত কৰুণ মৃত্যুক সাবটি ল'লে অসমৰ এজন যুৱকে। সুদূৰ কেৰালাত পথ দুৰ্ঘটনাত মৃত্যু হয় কলিয়াবৰৰ যুৱকজনৰ। যুৱকজন কলিয়াবৰৰ দুই নম্বৰ বৰঘুলিৰ জহিৰুল ইছলাম। কেৰালাত ৰাজমিস্ত্ৰিৰ কাম কৰিছিল যুৱকজনে। কাইলৈ যুৱকজনৰ মৃতদেহ কেৰালাৰ পৰা অসমলৈ অনা হ'ব বুলি জনাইছে পৰিয়ালৰ লোকে।

বানৰ পাছত ৰুবলৈ নাই কঠীয়া ঃ উন্নত জাতৰ কঠীয়া যোগান ধৰিবলৈ কৃষকৰ আৰ্জি

বানপানীত হেজাৰ হেজাৰ বিঘা কৃষিভূমি নষ্ট

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ২০ জুন ঃ প্ৰবল বৰষুণত সৃষ্টি হোৱা আগতীয়া বানত পূব বংশৰ আৰু পশ্চিম বংশৰ মৌজাৰ কৃষকসকলৰ হেজাৰ হেজাৰ বিঘা কৃষিভূমি পানীৰ তলত থকাত কৃষকসকলে মূৰে-কপালে হাত দিছে। কিয়নো কৃষকসকলে আগতীয়াকৈ কৰা ধানখেতিৰ কঠীয়াবোৰ বানে বুৰাই পেলোৱাত কৃষকৰ সপোন ভাঙি চুৰমাৰ হয়। কৃষকসকলে সিঁচা আইজুং, ৰঞ্জিত, কনক আদি ধানৰ কঠীয়া আগতীয়াকৈ সিঁচি বছৰৰ সপোন ৰচিছিল। কিন্তু বলিয়া বানৰ প্ৰকোপত কৃষকৰ সপোন চুৰমাৰ হৈ যায়। আনহাতে, বানৰ পাছত ৰুবলৈও কৃষকৰ হাতত কঠীয়া নাই। কিয়নো দ্বিতীয় পৰ্যায়ৰ ধান খেতিৰ বাবে ধানৰ সচৰাচৰ কঠীয়াৰ বাবে সিঁচিছিলহে মাত্ৰ। সেইসকলো বানে উটুৱাই নিয়াত বানৰ পাছত কঠীয়া সিঁচিবলৈ কৃষকৰ হাতত কঠীয়া নথকাত চিন্তাত পৰিছে কৃষকসকল। বানৰ প্ৰলয়ংকৰী প্ৰকোপ যদি এইদৰে কিছুদিনলৈ থাকি যায় তেনেহ'লে লাহ, শ্ৰীহাটী, বামুন্দী, কয়াটোল, সুৱনচাহ, ৰামদিয়া, বংশৰ, ৰৌমাৰী, গন্ধমৌ, পাকৰনা, দদৰা, দলিবাৰী, কেতেকীঝাৰ, বৰগাঁও, আজ্জাঠুৰী আদি অঞ্চলৰ খেতিয়কসকলে অনাহাৰে পেটত পানী গামোচা মাৰি দিন কটাব লাগিব। সেয়ে চৰকাৰৰ বানৰ পাছত ৰুবলৈ উন্নত জাতৰ কঠীয়া যোগান ধৰিবলৈ চৰকাৰক অনুৰোধ জনাইছে ক্ষতিগ্ৰস্ত কৃষকে।

আগিয়া ঘেঙামাৰীত তিনি কৃতী ছাত্ৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

আগিয়া, ২০ জুন ঃ আগিয়া ঘেঙামাৰীৰ স্বৰ্গীয় কবল ৰাভা দাইদী সমাজে যোৱা ১৮ জুনৰ পুৱা তিনি কৃতী ছাত্ৰীক সম্বৰ্ধনা জনায়। সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা গাঁওখনৰ তিনি মেধাৱী ছাত্ৰী ক্ৰমে নিহাৰিকা ৰাভা, চন্দামিকা ৰাভা আৰু মনিতা ৰাভাক সমাজে সম্বৰ্ধনা জনাই আশীৰ্বাদ দিয়ে। সমাজৰ সভাপতি আনন্দ ৰুংদুঙৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত কৃতী ছাত্ৰীৰ উদ্দেশ্যে সমাজৰ তিনিগৰাকী মুৰব্বী ৰিজেন ৰাভা, খনীন্দ্ৰ পাম আৰু ডিম্বেশ্বৰ ৰাভাই প্ৰেৰণামূলক বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে গোৱালপাৰা জিলাৰ ঘেঙামাৰী গাঁৱৰ প্ৰয়াত কবল ৰাভা দাইদী সমাজে বিগত ৭৫ বছৰৰ পৰা গাঁওখনত শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ নিৰৱচ্ছিন্ন প্ৰয়াস চলাই আহিছে। তাৰেই ফলশ্ৰুতিত আন বছৰৰ দৰেই এইবেলিও হাইস্কুল শিক্ষান্ত পৰীক্ষাত নিহাৰিকা ৰাভাই ৯০ শতাংশ নম্বৰ লাভ কৰাৰ লগতে চন্দামিকা ৰাভা আৰু মনিতা ৰাভাই উন্নত ফলাফল লাভ কৰি কৃতিত্বৰে উত্তীৰ্ণ হয়। আগন্তুক দিনত উক্ত সমাজৰ পৰা আৰু অধিক মেধাৱী ছাত্ৰ-ছাত্ৰী জন্ম লাভ কৰিব বুলি ৰাইজে আশা প্ৰকাশ কৰে।

ডুবাপাৰাৰ গাৰোপাৰাত দুষ্কৃতিকাৰীয়ে কাটিলে শাল গছ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ২০ জুন ঃ খৰি বাগানৰ বেৰ দিয়াৰ নামত দহিকটা সংৰক্ষিত বনাঞ্চলৰ পৰা যৌথ বন সুৰক্ষা সমিতিয়ে শ শ শাল গছ কটাৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওতেই ডুবাপাৰাৰ গাৰোপাৰাত দুষ্কৃতিকাৰীয়ে পাঁচডাল শাল গছ কটাৰ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে বৰষুণৰ বতৰৰ সুযোগ গ্ৰহণ কৰি অসাধু চক্ৰই দহিকটা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত গাৰোপাৰাৰ পৰা অলপতে চোৰাংকৈ পাঁচটাকৈ শাল গছ কাটে। অৱশ্যে ডুবাপাৰা বন খণ্ডৰ বিষয়া জিতেন তালুকদাৰে দুষ্কৃতিকাৰীয়ে কটা শাল গছৰ কুণ্ডাসমূহ জব্দ কৰি নিজৰ কাৰ্যালয়লৈ আনে।

নিশ্চিহ্ন হোৱাৰ পথত অপূৰ্ব সৌন্দৰ্যৰে ভৰা নামেৰী বনভোজস্থলী

গৰাখহনীয়াৰ কৱলত ৫০০ ৰো অধিক বিঘা বনভোজস্থলীৰ ভূমি

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ২০ জুন ঃ শোণিতপুৰ জিলাৰ নদুৱাৰৰ দুই নম্বৰ বৰদিকৰাইস্থিত নামেৰী বনভোজস্থলীলৈ নামি আহিছে অশনি সংকেত। বৰদিকৰাই নদীৰ ব্যাপক খহনীয়াৰ কৱলত পৰিছে নামেৰী বনভোজস্থলী। ইতিমধ্যে ৫০০ ৰো অধিক বিঘা ভূমি খহনীয়াৰ কৱলত পৰাৰ পাছত অৱশিষ্ট বৈ যোৱা অংশও সম্প্ৰতি পানীত নিশ্চহ্ন হৈ পৰাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অপৰূপ সৌন্দৰ্যৰে ভৰা এই নামেৰী বনভোজস্থলীলৈ হেজাৰ হেজাৰ ৰাইজ বনভোজ খাবলৈ আহিছিল যদিও সম্প্ৰতি এই বনভোজ স্থলীলৈ ভাবুকি আহি পৰিছে। যোৱা সময়ছোৱাত এই বনভোজস্থলী সুৰক্ষাৰ বাবে চৰকাৰে এক কোটি ২০ লাখ টকা আবন্টন দি বড়ো উপাধিৰ এজন ব্যক্তিক কামৰ ঠিকা দিছিল যদিও ঠিকাদাৰজনে আজিকোপতি কামত হাত নিদিয়াত ক্ষোভত ফাটি পৰিছে স্থানীয় ৰাইজ। ৰাইজে অতিশীঘ্ৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে ৰাজ্য চৰকাৰক দাবী জনাইছে।



স্বাস্থ্য সেৱা সম্বন্ধীয় অভিযোগৰ হেল্পলাইন নম্বৰ

জিলাৰ যিকোনো স্বাস্থ্য কেন্দ্ৰত যোকোনো সময়ত আপোনাৰ যদি স্বাস্থ্য সেৱা সম্বন্ধীয় কোনো অভিযোগ নাইবা পৰামৰ্শ থাকে তেন্তে অনুগ্ৰহ কৰি তলত দিয়া ফোন নম্বৰসমূহত যোগাযোগ কৰক। এই ফোন নম্বৰসমূহত যোগাযোগ কৰি বানপানী আৰু ক'ভিড সম্পৰ্কীয় তথ্য লাভ কৰিব পাৰিব। নম্বৰসমূহত যোগাযোগ কৰি যদি আপুনি সন্তুষ্টিকৰ সঁহাৰি লাভ কৰা নাই তেন্তে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ মুখ্য কাৰ্যালয়ত আপোনাৰ অভিযোগ দাখিল কৰক।

Sl.	District	Helpline Number	Sl.	District	Helpline Number
1	Baksa	9394560970	18	Jorhat	9387528923
2	Bajali	9101174117	19	Kamrup (R)	9101174474
3	Barpeta	9394244425	20	Kamrup (M)	0361-2735547, 6000218910
4	Biswanath	9387796011	21	Karbi Anglong	9864194934
5	Bongaigaon	6901787111	22	Karimganj	9707229055
6	Cachar	9394339406	23	Kokrajhar	9394900648
7	Charaideo	6900879500	24	Lakhimpur	9365180784
8	Chirang	9508799045	25	Majuli	8099352310
9	Darrang	9435959829	26	Morigaon	9101026200
10	Dhemaji	8638718109	27	Nagaon	9435063117
11	Dhubri	7002877406	28	Nalbari	9435129485
12	Dibrugarh	9395077971	29	Sivasagar	9707583805
13	Dima Hasao	8099462915	30	Sonitpur	6002873922
14	Goalpara	7099526661	31	South Salmara	8402861492
15	Golaghat	8822005506	32	Tinsukia	9395017536
16	Hailakandi	7099252977	33	Udalguri	9387457678
17	Hojai	6003256039	34	West Karbi Anglong	03677-230051, 036771077, 9864165478

বানপানী/দুৰ্যোগৰ সময়ত স্বাস্থ্য সেৱা সম্বন্ধীয় যিকোনো প্ৰশ্নৰ বাবে
☎ ৬০০২৯৯৪৯৫৯
২৪x৭ [illegible] নম্বৰত যোগাযোগ কৰক।

NHM/D/2022-23/115



অসম চৰকাৰ

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস

২১ জুন, ২০২২

শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ উৎকৰ্ষৰ বাবে যোগক আমাৰ দৈনন্দিন জীৱনৰ এক অভ্যাসত পৰিণত কৰোঁ আহক।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

জনসংযোগ/ডি/৫৯৭৫/২২

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us @diprassam dipr.assam.gov.in

টীম ইণ্ডিয়াৰ আয়াৰলেণ্ড ভ্ৰমণত প্ৰশিক্ষকৰ দায়িত্বত ভি ভি এছ

সৌৰভৰ আস্থা লাভ লক্ষ্মণৰ

নতুন দিল্লী, ২০ জুন ঃ টীম ইণ্ডিয়াৰ আসন্ন আয়াৰলেণ্ড ভ্ৰমণত ৰাহুল দ্ৰাৱিড়ৰ পৰিৱৰ্তে ভাৰতীয় দলৰ প্ৰশিক্ষকৰ ভূমিকাত দেখিবলৈ পোৱা যাব ভি ভি এছ লক্ষ্মনক। উল্লেখ্য যে ভাৰতৰ টেষ্ট দলৰ সৈতে নিয়মীয়া প্ৰশিক্ষক ৰাহুল দ্ৰাবিড় ইংলেণ্ড ভ্ৰমণত ব্যস্ত থাকিব বাবে লক্ষ্মনক টি-২০ শৃংখলাটোত প্ৰশিক্ষকৰ দায়িত্ব দিয়া হৈছে। অহা এক জুলাইৰ পৰা আৰম্ভ হ'ব ভাৰতৰ ইংলেণ্ড ভ্ৰমণ। এই সময়ছোৱাতে আয়াৰলেণ্ডৰ বিৰুদ্ধে আৰম্ভ হ'ব টি-২০ শৃংখলাও। সেয়েহে একে সময়তে দুয়োটা দলক নেতৃত্ব দিয়াটো দ্ৰাবিড়ৰ পক্ষে সম্ভৱপৰ নহ'ব। সেইবাবেই ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীৰ মুৰব্বী ভি ভি এছ লক্ষ্মনৰ প্ৰশিক্ষণত ভাৰতে আয়াৰলেণ্ডলৈ প্ৰেৰণ কৰিব টি-২০ৰ দল। লক্ষ্মনৰ লগতে সীতাংশু কোটাক, চৈৰাজ বাহুতুলে আৰু মুনিষ বালিকো কোচিং ষ্টাফৰ অংশ হিচাপে প্ৰেৰণ কৰা হ'ব আয়াৰলেণ্ডলৈ। সীতাংশু কোটাকে ভাৰতীয় দলটোৰ বেটিং প্ৰশিক্ষক হিচাপে থাকিব। ইফালে, ১৯ বছৰ অনূৰ্ধ্ব বিশ্বকাপৰ সময়ত বালি আৰু বাহুতুলেও ভাৰতীয় দলৰ অংশ আছিল। সেয়ে আয়াৰলেণ্ড ভ্ৰমণত তেওঁলোক ক্ৰমে ফিল্ডিং আৰু বলিং বিভাগৰ প্ৰশিক্ষক হিচাপে জড়িত থাকিব। স্বাভাৱিকতে আয়াৰলেণ্ড ভ্ৰমণ ভি ভি এছ লক্ষ্মনৰ বাবে নতুন অভিজ্ঞতা হ'ব। বি চি চি আইৰ সভাপতি সৌৰভ গাংগুলীয়ে আস্থা ৰাখিছে ভি ভি এছৰ ওপৰত। ইফালে, আসন্ন আয়াৰলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰিছে বি চি চি আয়ে। উল্লেখ্য যে টীম ইণ্ডিয়াক আয়াৰলেণ্ড ভ্ৰমণত নেতৃত্ব দিব তাৰকা অলৰাউণ্ডাৰ হাৰ্ডিক পাণ্ডিয়াই। আনহাতে ঘোষিত দলটোত ভাৰতীয় দলৰ সহ-অধিনায়ক হিচাপে বেগী বলাৰ ভুৱনেশ্বৰ কুমাৰক নিৰ্বাচিত কৰা হৈছে। পেচাৰদ্বয় উমৰান মালিক আৰু অৰ্শদ্বীপ সিঙকো আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত ৰখা হৈছে। আনহাতে উইকেটৰক্ষক বেটাৰ দিনেশ কাৰ্তিককো আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত পুনৰ অন্তৰ্ভুক্ত কৰা হৈছে। ঘোষিত ভাৰতীয় দলটো ঃ হাৰ্দিক পাণ্ডিয়া, ভুৱনেশ্বৰ কুমাৰ, ঈশান কিষণ, ৰিতুৰাজ গায়কোৱাড, সঞ্জু চেমছন, সূৰ্যকুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, দীপক হুডা, ৰাহুল ত্ৰিপাঠী, দিনেশ কাৰ্তিক, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ৰবি বিষ্ণয়, হৰ্ষল পেটেল, আভেশ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।

জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

ক্ৰমাগত দ্বিতীয় মেচত বৃহৎ জয়ৰে কোৱাৰ্টাৰ ফাইনেলৰ দিশে বিহাৰ

গুৱাহাটী, ২০ জুন ঃ চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত ক্ৰমাগত দ্বিতীয়খন মেচত বৃহৎ ব্যৱধানত জয়লাভ কৰিছে বিহাৰৰ ছোৱালী দলে। আজি গুৱাহাটীৰপল্টনবজাৰৰ ছাই নিউ ফিল্ডত হোৱা মেচত বিহাৰে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে তেলেংগনাক। দলৰ হৈ লুকী কুমাৰীয়ে তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰাৰ বিপৰীতে মেচৰ শ্ৰেষ্ঠ হয় দুটা গ'ল কৰা সাবাৰা খাতুন। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰুপ 'চি'ৰ এই খেলপথাৰতে হোৱা নিজৰ প্ৰথমখন মেচত বিহাৰে ১৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল মেঘালয়ক। সেই মেচত শ্ৰেষ্ঠ হয় চাৰিটাকৈ গ'ল কৰা লুকী কুমাৰী। দুখন খেলত সাতটা গ'ল কৰিলে লুকীয়ে। আনহাতে, বিহাৰে দুখন মেচত ২৩ টা গ'ল কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ দিশে অগ্ৰসৰ হৈছে। ছয় পইণ্ট লাভ কৰা দলে দিল্লী আৰু মধ্য প্ৰদেশৰ বিৰুদ্ধে পৰৱৰ্তী মেচ খেলিব। বিপৰীতে তেলেংগনাৰ বিদায় প্ৰায় নিশ্চিত। কাৰণ প্ৰথমখন মেচত দিল্লীয়ে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল তেলেংগনাক। ইফালে, বিহাৰৰ বিৰুদ্ধে প্ৰথম মেচত ১৫-১ গ'লৰ ব্যৱধানত পৰাস্ত হোৱা মেঘালয় দলে আজি নিজৰ দ্বিতীয় মেচত ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে মধ্য প্ৰদেশক। গ্ৰুপ 'চি'ৰ এই মেচখন গুৱাহাটীৰপল্টনবজাৰৰ ছাই নিউ ফিল্ডত অনুষ্ঠিত হৈছিল। উল্লেখ্য যে, ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপখনত আয়োজক অসমকে ধৰি দেশৰ মুঠ ৩৪ টা দলে যোগদান কৰিছে। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হৈছে সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব।

দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টি-২০ শৃংখলা

যুৱ ক্ৰিকেটাৰৰ প্ৰদৰ্শনত সন্তুষ্ট প্ৰশিক্ষক দ্ৰাৱিড়

বাংগালুৰু, ২০ জুন ঃ ভাৰত দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ পঞ্চম তথা অন্তিমখন মেচ বৰষুণৰ বাবে পৰিত্যক্ত হোৱাত শৃংখলাটো ২-২ ৰ ব্যৱধানৰে সমাপ্ত হয়। উল্লেখ্য যে যোৱানিশা বাংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা অন্তিম মেচখনত ভাৰতে পোনতে বেটিং কৰি ৩.৩ অভাৰত দুই উইকেট হেৰুৱাই ২৮-২ ৰাণ কৰাৰ পাছতে মেচ বৰষুণৰ বাবে বন্ধ হয়। উল্লেখ্য যে শৃংখলাৰ প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ পাছতো ভাৰতীয় দলে তৃতীয় আৰু চতুৰ্থ মেচত জয়ী হৈ শক্তিশালী প্ৰত্যাৱৰ্তন কৰিছিল। যুৱ শক্তিৰ এই প্ৰদৰ্শনক লৈ সন্তুষ্ট লগতে আশাবাদী টীম ইণ্ডিয়াৰ প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়। শৃংখলাৰ সমাপ্তিত দ্ৰাৱিড়ে কয় যে পাঁচখনীয়া শৃংখলাৰ প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ পাছতো মানসিকৰূপ শক্তিশালী হৈ থাকি জয়ৰে প্ৰত্যাৱৰ্তন কৰাটো ইতিবাচক দিশ। উল্লেখ্য যে ভাৰতে চতুৰ্থখন মেচত ৮২ ৰাণত জয়লাভ কৰি ২-২ ৰ ব্যৱধানৰে প্ৰত্যাৱৰ্তন কৰাৰ পাছত শৃংখলা দখলৰ ফেভাৰিট হৈছিল। একপক্ষীয় চতুৰ্থ মেচত ভাৰতৰ ১৬৯ ৰাণৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকা ৮৭ ৰাণতে অলআউট হয়। সেয়ে চাপৰ সন্মুখীন হৈ আছিল আলহী দলটো। ইয়াৰপূৰ্বে ভাৰতে তৃতীয়খন মেচত ৪৮ ৰাণত জয়লাভ কৰি ২-১ ৰ ব্যৱধানৰে প্ৰত্যাৱৰ্তন কৰি শৃংখলাত নিজৰ আশা সজীৱ ৰাখিছিল। উল্লেখ্য যে শৃংখলাৰ প্ৰথমখন মেচত দক্ষিণ আফ্ৰিকাই সাত উইকেটত পৰাস্ত কৰিছিল ভাৰতক । তাৰপাছতে দ্বিতীয়খন মেচত দক্ষিণ আফ্ৰিকাই চাৰি উইকেটত জয়লাভ কৰি পাঁচখনীয়া টি-২০ শৃংখলাত ২-০ ৰ অগ্ৰগতি লৈছিল। শৃংখলাৰ শ্ৰেষ্ঠ হয় ভাৰতৰ পেচাৰ ভূৱনেশ্বৰ কুমাৰ।

একমাত্ৰ টেষ্টৰ বাবে সাজু হৈছে টীম ইণ্ডিয়া

লণ্ডন, ২০ জুন ঃ ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। ইতিমধ্যে ভাৰতীয় দলে নিজৰ অনুশীলন আৰম্ভ কৰিছে। অনুশীলনত অংশ লৈছে বিৰাট কোহলি, চেতেশ্বৰ পূজাৰা, ৰবীন্দ্ৰ জাডেজা, যশপ্ৰীত বুমৰাহ আদিয়ে। উল্লেখ্য যে বি চি চি আয়ে এই টেষ্টখনৰ বাবে ভাৰতীয় দলটো পূৰ্বেই ঘোষণা কৰিছে। ৰোহিত শৰ্মাৰ নেতৃত্বত ঘোষিত ভাৰতীয় দলটো হ'ল ঃ লোকেছ ৰাহুল, শুভমন গিল, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, চেতেশ্বৰ পূজাৰা, ঋষভ পণ্ট, কে এছ ভৰত, ৰবীন্দ্ৰ জাডেজা, ৰবীচন্দ্ৰন অশ্বিন, শ্বাৰ্দুল ঠাকুৰ, মহম্মদ ছামি, যশপ্ৰীত বুমৰাহ, মহম্মদ চিৰাজ, উমেশ যাদব আৰু প্ৰষিদ্ধ কৃষ্ণা। উল্লেখ্য ইংলণ্ড ভ্ৰমণত ভাৰতীয় ক্ৰিকেট দলে টেষ্ট মেচখন খেলাৰ পাছত তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাও খেলিব। ইতিমধ্যে ইংলণ্ড ক্ৰিকেট ব'ৰ্ডে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাৰ সূচীও ঘোষণা কৰিছে। সেই অনুসৰি অহা সাত, ন আৰু ১০ জুলাইত টি-২০ মেচ তিনিখন অনুষ্ঠিত হ'ব। আনহাতে ১২, ১৪ আৰু ১৭ জুলাইত তিনিখন এদিনীয়া মেচ খেলিব ভাৰত আৰু ইংলণ্ডে।

ক্ৰ'ৱেছিয়াত বিশ্ব কাৰাটে

ভাৰতীয় দলত অসমৰ সুৰজ কোঁৱৰ

ডিগবৈ, ২০ জুন ঃ অহা ২৭ জুনৰ পৰা তিনি জুলাইলৈ ক্ৰ'ৱেছিয়াত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত ভাৰতীয় দলৰ হৈ স্থান লাভ কৰিছে তিনিচুকীয়া জিলা ডিগবৈৰ প্ৰতিভাৱান যুৱ খেলুৱৈ সুৰজ কোঁৱৰে । সুৰজ ডিগবৈ পাণবাৰী গাওঁৰ নিবাসী সুৰজ বিশ্ব কোঁৱৰ আৰু পদুমী কোঁৱৰৰ পুত্ৰ তথা ডিগবৈৰ বিবেকানন্দ একাডেমি দশম শ্ৰেণীৰ ছাত্ৰ। উল্লেখ্য যে ক্ৰ'ৱেছিয়াত অনুষ্ঠিত হ'ব লগা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত বিশ্বৰ ১৩০ খন ৰাষ্ট্ৰৰ প্ৰায় ১০ হেজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। কিন্তু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিব পৰাকৈ সুৰজৰ পৰিয়ালবৰ্গ আৰ্থিকভাৱে টনকিয়াল নহয় । প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিবলৈ প্ৰায় তিনি লাখ টকাৰ প্ৰয়োজন । আৰ্থিকভাৱে দুৰ্বল সুৰজে প্ৰয়োজনীয় ধনৰ অভাৱত আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিবলৈ মনত প্ৰবল হেঁপাহ পুহি ৰাখিছে যদিও বৰ্তমান পৰ্যন্ত হাতত প্ৰয়োজনীয় ধনৰ অভাৱৰ বাবে হতাশাত ভুগিব লগাত পৰিছে।



জয়ৰে প্ৰত্যাৱৰ্তন ত্ৰিপুৰাৰ, ড্ৰ ওড়িছাৰ

গুৱাহাটী, ২০ জুন ঃ অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ দুখনকৈ মেচ আজি সোণাপুৰৰ এল এন আই পি প্ৰকল্পৰ খেলপথাৰত অনুষ্ঠিত হয়। উল্লেখ্য যে জয়ৰে অভিযান আৰম্ভ কৰা ওডিছাই আজি নিজৰ দ্বিতীয়খন মেচত ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলে দাদৰা আৰু নগৰ হাভেলিৰ বিৰুদ্ধে। ইয়াৰপূৰ্বে গ্ৰুপ 'এফ'ৰ প্ৰথমখন মেচত ওডিছাই ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল চণ্ডিগড়ক। ইফালে, সোনাপুৰতে আজি অনুষ্ঠিত হোৱা গ্ৰুপ 'এফ'ৰ আনখন মেচত ত্ৰিপুৰাই ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে চণ্ডিগড়ক। ক্ৰমাগত দুখন মেচত পৰাস্ত হোৱাৰ পাছত চণ্ডিগড়ৰ নকআউট ৰাউণ্ডলৈ উত্তৰণ কঠিন হৈ পৰিছে। বিপৰীতে প্ৰথম মেচত পৰাস্ত হোৱাৰ পাছত ত্ৰিপুৰাৰ এয়া আশাৰ প্ৰত্যাৱৰ্তন। উল্লেখ্য যে প্ৰথম মেচত মহাৰাষ্ট্ৰৰ বিৰুদ্ধে ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত হৈছিল ত্ৰিপুৰা। মহাৰাষ্ট্ৰৰ হৈ মেচখনত তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰিছিল ছুমায়াই। উল্লেখ্য যে চলিত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ অংশকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। গ্ৰুপ 'এ' ত আছে মণিপুৰ, উত্তৰাখণ্ড, ঝাৰখণ্ড আৰু অন্ধ্ৰপ্ৰদেশ । গ্ৰুপ 'বি' ত স্থান লাভ কৰিছে মিজোৰাম, উত্তৰ প্ৰদেশ, চত্তিছগড় আৰু কৰ্ণাটক । গ্ৰুপ 'চি' ত আছে তেলেংগনা, বিহাৰ, মেঘালয়, দিল্লী আৰু মধ্য প্ৰদেশ । গ্ৰুপ 'ডি' ত আছে অৰুণাচল প্ৰদেশ , হিমাচল প্ৰদেশ, ছিকিম আৰু গোৱা । গ্ৰুপ 'ই' ত নগালেণ্ড, লাডাখ, পঞ্জাৱ আৰু কেৰালা । গ্ৰুপ 'এফ' ত আছে ত্ৰিপুৰা, উৰিষ্যা, মহাৰাষ্ট্ৰ, দাদৰা আৰু নগৰ হাভেলি। গ্ৰুপ 'জি' ৰ দলসমূহ হ'ল অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট । আনহাতে, গ্ৰুপ 'এইচ' ত স্থান লাভ কৰিছে জম্মু-কাশ্মীৰ, বংগ, তামিলনাডু আৰু ৰাজস্থান।

আজি পডুচেৰীৰ বিৰুদ্ধে খেলি অসম ছোৱালী দলৰ অভিযান

গুৱাহাটী, ২০ জুন ঃ চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত কাইলৈ অভিযান আৰম্ভ কৰিব ঘৰুৱা দল অসমে। উল্লেখ্য যে ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত কাইলৈ গ্ৰুপ 'জি'ৰ প্ৰথম খেলখনত অসমৰ প্ৰতিদ্বন্দ্বী পুডুচেৰী। গ্ৰুপ 'জি'ৰ দল চাৰিটা হ'ল আয়োজক অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট। অহা ২৩ জুনত গুজৰাটৰ বিৰুদ্ধে অসমৰ দ্বিতীয়খন মেচ। আনহাতে, ২৫ জুনত অসমে খেলিব হাৰিয়ানাৰ বিৰুদ্ধে। প্ৰতিযোগিতাৰ বাবে অসম দলটোৰ প্ৰশিক্ষণ তথা বাছনি শিবিৰ ডিমাকুছি ষ্টেডিয়ামতে যোৱা দুসপ্তাহ ধৰি চলি আছে। অসম ফুটবল সন্থাই প্ৰতিযোগিতাৰ বাবে ঘোষণা কৰা অসম দলটোৰ অধিনায়ক হিচাপে আছে তুষামণি গগৈ আৰু সহঃঅধিনায়কৰ দায়িত্বত আছে মৌচুমী ব্ৰহ্ম । দলটোৰ অন্য খেলুৱৈ হল ঃ মম্পী সোণোৱাল, ৰেশ্মী ৰয়, সোণম ডালমা লামা, পূৰ্ণিমা ৰেগন, চয়নিকা সোণোৱাল, কে জুলি চংলয়, ৰেমালী বড়ো, ৰাজশ্ৰী সোণোৱাল, উদাংশ্ৰী নাৰ্জাৰী, চুমি দাস, হেৰিনা বসুমতাৰী, অঞ্জুলী বহ্ম, মাইনু বসুমতাৰী, সোণম দত্ত, জানমণি পাংগিং, অংকিতা মেচ, মীনা কাছাৰী আৰু সবিতা ৰাভা । অসমৰ মহিলা দলটোৰ মুখ্য প্ৰশিক্ষক হিচাপে আছে লোচন শইকীয়া । মেনেজাৰ আৰু সহঃমেনেজাৰৰ দায়িত্বত আছে ক্ৰমে -ফিলাচেম বড়ো আৰু ৰয়েল বসুমতাৰী।

ইউ এছ অপেনত ৰাছিয়া-বেলাৰুছৰ খেলুৱৈক সুযোগ দিয়াত আয়োজকক ধন্যবাদ ছেৰেনাৰ

নিউয়ৰ্ক, ২০ জুন ঃ গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ইউ এছ অপেনত ৰাছিয়া আৰু বেলাৰুছৰ খেলুৱৈক খেলাৰ সুযোগ দিয়াৰ বাবে আয়োজকক ধন্যবাদ জনাইছে আমেৰিকাৰ টেনিছ তাৰকা ছেৰেনা উইলিয়ামছে। ৰাজনৈতিক বিষয় লৈ ক্ৰীড়াবিদক বিতাৰিত কৰাটো অন্যায় বুলি কয় ছেৰেনাই। উল্লেখ্য যে ইউক্ৰেইন আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে অল ইংলেণ্ড ক্লাবে ৰাছিয়া আৰু বেলাৰুছৰ খেলুৱৈক আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পৰা নিষিদ্ধ কৰাৰ সিদ্ধান্ত লৈছে। কিন্তু ইউ এছ অপেনত ৰাছিয়া আৰু বেলাৰুছৰ খেলুৱৈক খেলাৰ সুযোগ দিয়া হ'ব বুলি কয় আয়োজকে। ইফালে, উম্বলডনত খেলাৰ কথা ব্যক্ত কৰিছে ছেৰেনা উইলিয়ামছে। উল্লেখ্য যে টেনিছৰ ক'ৰ্টৰ পৰা বিৰত থকা ছেৰেনাই এবছৰৰ পাছত উইম্বলডনত পুনৰবাৰ পুনৰবাৰ ঘূৰি আহিবলৈ সাজু হৈছে। সুদীৰ্ঘ ১২ মাহ পূৰ্বে অল ইংলেণ্ড ক্লাবত প্ৰথম ৰাউণ্ডৰ মেচত আঘাতপ্ৰাপ্ত হোৱা ২৩ বাৰৰ গ্ৰেণ্ড শ্লেম চিংগলছ চেম্পিয়নগৰাকীয়ে ছ'ছিয়েল মিডিয়াত এই কথা ব্যক্ত কৰে। ইফালে, ৪০ বছৰীয়া ছেৰেনাই গ্ৰাছক'ৰ্ট প্ৰতিযোগিতাত খেলিব পাৰিব বুলি কোৱাৰ লগে লগে উৎসাহিত হৈছে অনুৰাগী। উল্লেখ্য যে এতিয়া বিশ্বৰ ১২০৮ নম্বৰ স্থানত থকা উইলিয়ামছে উইম্বলডনত একক নে ডাবলছত খেলাৰ বাবে মনস্থ কৰিছে সেয়া কিন্তু স্পষ্ট হোৱা নাই। কিন্তু আয়োজকে ইতিমধ্যে ছেৰেনাক ৱাইল্ড কাৰ্ড দিছে। উল্লেখ্য যে দীৰ্ঘদিনীয়া আঘাতৰ ফলত খেলপথাৰৰ পৰা আঁতৰি থকা খেলুৱৈসকলৰ বাবে সংৰক্ষিত সুৰক্ষিত ৰেংকিং ব্যৱহাৰ কৰি আমেৰিকানগৰাকীয়ে প্ৰৱেশ কৰিব পাৰিলেহেঁতেন কিন্তু তেওঁ তেনে কৰা নাই। সেয়েহে ৱাইল্ড কাৰ্ডৰ প্ৰয়োজন হয়। অহা ২৭ জুনৰ পৰা আৰম্ভ হ'বলগীয়া এই প্ৰতিযোগিতাত একক আৰু ডাবলৰ বাবে ৱাইল্ড কাৰ্ডৰ প্ৰাৰম্ভিক সূচী ইতিমধ্যে ঘোষণা কৰা হৈছে।

ত্ৰিবেদানন্দ দত্ত-ইন্দ্ৰ বৰদলৈ ফুটবলৰ সামৰণি

অগ্ৰদূত বাৰ্তা

কাকজান , ২০ জুন ঃ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত কাকজান খেলপথাৰত চলি থকা প্ৰয়াত শিক্ষাবিদ তথা ক্ৰীড়া সংগঠক ত্ৰিবেদানন্দ দত্ত আৰু ইন্দ্ৰ বৰদলৈ সোঁৱৰণী পঞ্চম বাৰ্ষিক ফুটবল প্ৰতিযোগিতাৰ দেওবাৰে ফাইনেল খেলত ১৩ বছৰ অনুৰ্ধ্বৰ ল'ৰাৰ শাখাত কাকজান কচিং চেন্টাৰক গোলাঘাট কচিং চেন্টাৰে টাইব্ৰেকাৰত ৫-৩ গলত পৰাস্ত কৰি চুড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে । অন্যহাতে ১৯ বছৰ অনুৰ্ধ্বৰ খেলত গোলাঘাট কচিং চেন্টাৰক নুমলীগড় কচিং চেন্টাৰে টাইব্ৰেকাৰত ৪-২ গলত আৰু মহিলাৰ শাখাত কাকজান কচিং চেন্টাৰে মৰিয়নিৰ বাহনি চাহ বাগিচাৰ ফুটবল দলক টাইব্ৰেকাৰত ৫-৪ গলত পৰাস্ত কৰি বিজয়ীৰ সন্মান লাভ কৰে । সাংবাদিক মানৱজ্যোতি বৰদলৈয়ে আত ধৰা ফাইনেল খেলৰ বটা বিতৰনী সভাত ট্ৰফী আৰু প্ৰাইজমানী সমূহ বিতৰন কৰে ক্ৰীড়া সংগঠক বলীন বৰুৱা ,ভাস্কৰ ভূঞা, ড০ অনন্ত তামুলী, ৰূপক ৰঞ্জন শইকীয়া,দেৱজিৎ বৰা,হৃদয়ানন্দ দত্ত ,বীৰেণ বৰা,বিকাশ সন্দিকৈয়ে ।

অসম চৰকাৰ
GOVERNMENT OF ASSAM

৮ম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস | ২১ জুন ২০২২

> "যোগ হৈছে 'মই'ৰ পৰা 'আমি'লৈ যাত্ৰা। ই স্থিৰতা, শান্তি, একাগ্ৰতা বৃদ্ধি কৰাত সহায় কৰে আৰু অপৰিসীম শক্তি প্ৰদান কৰে। আহক এইবাৰৰ বিষয়বস্তু 'মানৱতাৰ বাবে যোগ'ৰ দ্বাৰা পৰিচালিত হৈ আমি অতি উৎসাহেৰে যোগ দিৱস ২০২২ উদযাপন কৰোঁ।"
>
> শ্ৰী নৰেন্দ্ৰ মোদী

- আয়ুষ সঞ্চালকালয় আৰু ৰাষ্ট্ৰীয় আয়ুষ অভিযান, অসম তথা জিলা প্ৰশাসনে ২১ জুন ২০২২ তাৰিখে ৰাজ্যখনৰ ৭৫ টা স্থানত স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে চলি থকা 'আজাদী কা অমৃত মহোৎসৱ'ৰ সৈতে সংগতি ৰাখি আন্তৰ্জাতিক যোগ দিৱসৰ আয়োজন কৰিছে।
- ডিব্ৰুগড়ৰ চৌকিডিঙী খেলপথাৰত আয়োজিত আন্তৰ্জাতিক যোগ দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত মুখ্য অতিথি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত আৰু উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান তথা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী বিমল বৰা উপস্থিত থাকিব।

এই অনুষ্ঠানটোক সাফল্যমণ্ডিত কৰি তুলিবলৈ আপোনাৰ উপস্থিতি আন্তৰিকভাৱে কামনা কৰা হ'ল।

শ্ৰী নৰেন্দ্ৰ মোদী
মাননীয় প্ৰধানমন্ত্ৰী



ড° হিমন্ত বিশ্ব শৰ্মা
মাননীয় মুখ্যমন্ত্ৰী, অসম

মানৱতাৰ বাবে যোগ

> "যোগাভ্যাসে এক স্বাস্থ্যবান শৰীৰত এক শক্তিশালী মনৰ নিশ্চয়তা প্ৰদান কৰে। আহক আমি একেলগে ২১ জুন ২০২২ তাৰিখে, পুৱা ৬:০০ বজাত অষ্টম আন্তৰ্জাতিক যোগ দিৱসত অংশগ্ৰহণ কৰোঁ।"
>
> **শ্ৰী কেশৱ মহন্ত**
> মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী

জনসংযোগ/ডি/৬০২৫/২২

আয়ুষ সঞ্চালকালয়, অসম আৰু
ৰাষ্ট্ৰীয় আয়ুষ অভিযান, অসম
বনফুল নগৰ পথ, দিছপুৰ, গুৱাহাটী-০৬
ফোন নম্বৰ ঃ 0361-2230334, ই-মেইল ঃ namassam15@gmail.com